ভাষা



# অসমীয়া ভাষাৰ উৎপত্তিৰ ইতিহাস

**হিৰণ্য কুমাৰ গগৈ**

ভাৰত দেশৰ অংগৰাজ্য অসমত প্ৰচলিত ধ্ৰুপদী ভাষাটো হৈছে অসমীয়া ভাষা। তদুপৰি ই অসমৰ প্ৰধান ভাষা। কাৰণ মাতৃভাষাৰ ৰূপতেই হওক বা সংযোগী ভাষাৰ ৰূপতেই হওক অসমত বসবাস কৰা সকলো মানুহেই অসমীয়া ভাষা ব্যৱহাৰ কৰে। ই এটা ভাৰতীয় আৰ্যমূলীয় ভাষা। অৰ্থাৎ ভাৰতলৈ অহা আৰ্যসকলে যি ভাষা কৈছিল সেই ভাষাৰ পৰাই এসময়ত অসমীয়া ভাষাৰ সৃষ্টি হৈছিল। পৃথিৱীৰ ভাষাসমূহক সাদৃশ্যতাৰ ভিত্তিত কিছুমান ভাষা পৰিয়ালত ভাগ কৰা হৈছে। ভাৰত (ইণ্ডো)ৰ পৰা ইউৰোপলৈকে বিয়পি থকা সদৃশ ভাষাসমূহক লৈ ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালটো গঠিত হৈছে। ই পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত শতম শাখাৰ যিটো উপশাখাই ইৰান আৰু ভাৰতত প্ৰৱেশ কৰিছিল তাকে আৰ্য বুলি কোৱা হয়। মেক্সমুলাৰ আদি পণ্ডিতসকলে দৃঢ়ভাৱে কৈছিল যে আৰ্য শব্দই জাতি একোটাক বুজোৱাৰ পৰিৱৰ্তে ভাষা বিশেষকহে বুজাইছে।' এই সম্পৰ্কত ভুবনমোহন দাসেও কৈছে— 'আৰ্য বুলি কোনো জাতি নাই। এইটো এটা ভাষিক গোটহে। অৰ্থাৎ আৰ্য কোনো নৃগোষ্ঠীয় প্ৰজাতি নহয়, বৰং ই প্ৰায় একেধৰণৰ ভাষা কোৱা মানুহৰ কেইবাটাও দলেৰে গঠিত এটা ভাষাগোষ্ঠীহে। কাৰণ আৰ্যসকল একেলগে, একেটা সময়তে আৰু একেখন ঠাইৰ পৰা ভাৰতলৈ অহা নাছিল। পশ্চিমৰ পৰা পূৰ্বমুখী হোৱা আৰ্যসকলৰ বহুকেইটা দল অগা-পিছাকৈ আহি প্ৰথমে ইৰাণত প্ৰৱেশ কৰিছিল। একেটা ভৌগোলিক অৱস্থানৰ বিভিন্ন ঠাইৰ পৰা অহাৰ বাবে এই দলবিলাকৰ মূল ভাষা একেটাই আছিল যদিও তেওঁলোকে মূল ভাষাটোৰ আঞ্চলিক বৈশিষ্ট্যধাৰী কেতবোৰ উপভাষা ব্যৱহাৰ কৰিছিল। কিন্তু তেওঁলোকৰ মূল ভাষা যিহেতু একেটাই আছিল, গতিকে আটাইবোৰ দলকে সামগ্ৰিকভাৱে এটা ভাষাগোষ্ঠী বুলি ধৰি ল'ব পাৰি। তাৰে কিছুমান দল আকৌ ইৰান অতিক্ৰম কৰি উত্তৰ-পশ্চিম দিশেৰে প্ৰাগৈতিহাসিক ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। তেওঁলোকেই একেলগে ভাৰতীয় আৰ্য নামেৰে পৰিচিত হ'ল। নিজৰ অনিশ্চিত ধাৰণাক প্ৰকাশ কৰিও অনুৰাধা শৰ্মাই আৰ্যক ভাষিক গোট বুলি কোৱা মতটোকে সমৰ্থন কৰিছে এনেকৈ 'গতিকে আৰ্য জাতি বুলি কিবা এটা বুজাব খুজিলে তাৰ অৰ্থ হ'ব (অনিশ্চিত) আৰ্যভাষা। অৰ্থাৎ আৰ্য এটা ভাষা আৰু সেই ভাষা কোৱা লোকসকল আছিল আৰ্যভাষী।

যিহেতু ভাষা এটাই মানুহৰ সৈতে অবিচ্ছেদ্যভাৱে প্ৰব্ৰজন কৰে আৰু আৰ্য ভাষাটো আৰ্যভাষী লোকসকলৰ মাজেৰেহে গতি কৰিছিল, সেয়েহে (আৰ্য) বুলিলে ভাষাৰ সলনি ভাষিক লোকসকলৰ ধাৰণাটোৱেহে সততে মনত ধৰা দিয়ে। তেনেকৈয়ে আকৌ আৰ্যভাষীক বুজাবলৈ 'আৰ্য' বা 'আৰ্যসকল' শব্দৰ প্ৰয়োগ হোৱা পৰিলক্ষিত হয়।

'আৰ্য' শব্দটোৰ এই ৰূপ ভাৰতভূমিত গঢ়ি উঠা যেন ভাব হয়। ভাৰতত পদাৰ্পণ কৰাৰ পূৰ্বে যেন আৰ্যভাষীক আন শব্দৰে বুজা গৈছিল। ইয়াৰ আভাস নগেন ঠাকুৰৰ মন্তব্যত বিচাৰি পোৱা যায়। আৰ্যভাষীৰ ভাৰতলৈ আগমন সম্পৰ্কে তেওঁ কৈছে যে প্ৰাচীন পাৰস্য বা বৰ্তমানৰ ইৰাণ-ইৰাক ভূখণ্ডৰ পৰা সেই ঠাইত 'অইবয়', 'অবিয়' বা 'অয়' নামেৰে পৰিচিত মানুহৰ কিছুমান দল বা ফৈদ আনুমানিক খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতাব্দীমানত উত্তৰ-পশ্চিম দিশেৰে প্ৰাগৈতিহাসিক ভাৰতভূমিত প্ৰৱেশ কৰিছিল আৰু এইসকলেই পৰৱৰ্তী সময়ত ভাৰতীয় আৰ্য নামেৰে পৰিচিত হৈ পৰিছিল।' অৰ্থাৎ ভাৰতলৈ অহাৰ পিছতহে অইৰায়/অৰিয়/অৰ্যসকলক আৰ্য বা ভাৰতীয় আৰ্য (অৰ্থাৎ আৰ্যভাষী) বুলি জনা গ'ল। নগেন ঠাকুৰৰ মন্তব্যই আৰু এটা কথা ভবাই তোলে যে যিহেতু আৰ্যভাষীসকল ইৰাণৰো আদিম বাসিন্দা নাছিল, অন্য ঠাইৰ পৰা প্ৰব্ৰজন কৰি আহিছিল, গতিকে তেওঁলোকক আগৰে পৰা অইবয়/অৰিয়/অয় বুলিয়ে চিনি পোৱা গৈছিল। অথবা ইৰাণ ভূখণ্ডৰ আদিম অধিবাসীয়ে তেওঁলোকক সেই সেই নামেৰেই বুজাইছিল। ভাৰতলৈ অহা আৰ্যভাষীসকলৰ ভাষা কি আছিল সেই বিষয়ে নিশ্চিতভাৱে জনা নাযায় যদিও তেওঁলোকে ব্যৱহাৰ কৰা ভাষাটোৰ সাহিত্যিক ৰূপ একোটা ঋকবেদত পোৱা যায়। এই সাহিত্যিক ৰূপটোৰ আঁত ধৰিয়ে ক'ব পাৰি যে আৰ্যভাষীসকলে যি ভাষা কৈছিল তাৰ দুটা ৰূপ আছিল। এটা সাহিত্যিক আৰু আনটো দৈনন্দিন জীৱনত ব্যৱহৃত কথিত ৰূপ। প্ৰথমটো ৰূপ ঋকবেদত ব্যৱহাৰ হৈছিল বাবে পণ্ডিতসকলে তাক বৈদিক ভাষা বুলি কোৱাৰ বিপৰীতে আনটো ৰূপ দৈনন্দিন জীৱনত ব্যৱহাৰ হৈছিল বাবে তাক অবৈদিক বা লৌকিক বুলি অভিহিত কৰিছে।' দুয়োটা ৰূপ আৰ্যভাষীসকলে সমান্তৰালভাৱে ব্যবহাৰ কৰিছিল। লৌকিক ভাষাটো আৰ্যভাষীৰ মুখৰ ভাষা আছিল বাবে তাৰ প্ৰকৃত স্বৰূপ জনাৰ সমল নাই। ইয়াক অস্বাভাৱিক বুলিবও নোৱাৰি। কাৰণ ভাষাৰ কথিত ঠাঁচটোৱে সাধাৰণতে লিখিত ৰূপ নাপায়। এই ক্ষেত্ৰত সাহিত্যিক ৰূপটোহে ব্যৱহৃত হয়। কিন্তু দুয়োটা ৰূপৰ মাজত সামঞ্জস্য থাকে। যেনে, অসমীয়া ভাষাৰ সাহিত্যিক ৰূপটোৱে কথিত স্বৰূপটোৰ আভাস দিয়ে। গতিকে আৰ্যভাষাৰ সাহিত্যিক ৰূপৰ পৰা আৰ্যভাষীসকলে কেনেকৈ কথা পাতিছিল তাৰ আভাস পোৱা যায়। আৰ্যভাষাৰ কথিত ৰূপটোৱেই অসমীয়া আৰু নব্য ভাৰতীয় আন ভাষাসমূহৰ উৎপত্তিৰ প্ৰাচীনতম উৎস।

আনুমানিক খ্ৰীঃপূঃ পঞ্চদশ শতিকাৰ পৰা প্ৰাচীন আৰ্যভাষাৰ কথিত ৰূপৰ প্ৰায় দুহেজাৰ পাঁচশ বছৰীয়া ক্ৰমবিকাশৰ অন্তত অসমীয়া আৰু অন্যান্য নব্য ভাৰতীয় আৰ্য ভাষাসমূহে সম্পূৰ্ণ নিজস্ব স্বৰূপ একোটাহঁত লাভ কৰিবলৈ সক্ষম হৈছিল। নব্য ভাৰতীয় আৰ্য ভাষা বুলিলে অসমীয়া, বাংলা, উড়ীয়া, ভোজপুৰী, গুজৰাটী, পাঞ্জাবী, মৈথিলী, মগধী, মাৰাঠী, হিন্দী আদি উত্তৰ-পশ্চিম, দক্ষিণ-পশ্চিম, মধ্য আৰু উত্তৰ-পূব ভাৰতৰ কেতবোৰ আধুনিক ভাষাক বুজা যায়। মহেশ্বৰ নেওগে এই ভাষাসমূহে খ্ৰীষ্টীয় দশম-দ্বাদশ শতিকামানৰ ভিতৰতে জন্মলাভ কৰিছিল বুলি মন্তব্য কৰিছে—১০০০ খ্ৰীষ্টাব্দমানত নব্য ভাৰতীয়-আৰ্য ভাষাসমূহৰ যুগ আৰম্ভ হয়, প্ৰাকৃতসমূহ স্থানীয় অপভ্ৰংশবোৰৰ যোগেদি আধুনিক ভাৰতীয় ভাষাত পৰিণত হয়। মুঠভাৱে ক'বলৈ গ'লে দশমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰতে এই ভাষাবোৰৰ জন্ম।' নেওগে আকৌ অসমীয়া ভাষাৰ উৎপত্তিৰ কথা নিৰ্দিষ্টকৈ ক'বলৈ গৈ এনেকৈ মন্তব্য কৰিছে 'সম্ভৱতঃ ১০০০ খ্ৰীষ্টাব্দৰ ওচৰা-উচৰি সময়ত আন নব্য ভাৰতীয়-আৰ্য ভাষাৰ লগে লগে অসমীয়া ভাষাৰো উৎপত্তি ঘটে। সত্যেন্দ্ৰনাথ শৰ্মায়ো অসমীয়া ভাষাৰ উৎপত্তিৰ ক্ষেত্ৰত প্ৰায় অনুৰূপ কালখণ্ডৰ কথাকে কৈছে— 'গতিকে দেখা যায় প্ৰাচীন ভাৰতীয় আৰ্য-ভাষাবিশেষেই ক্ৰম পৰিৱৰ্তনৰ মাজেদি

আনুমানিক খ্ৰীঃপূঃ পঞ্চদশ শতিকাৰ পৰা প্ৰাচীন আৰ্যভাষাৰ কথিত ৰূপৰ প্ৰায় দুহেজাৰ পাঁচশ বছৰীয়া ক্ৰমবিকাশৰ অন্তত অসমীয়া আৰু অন্যান্য নব্য ভাৰতীয় আৰ্য ভাষাসমূহে সম্পূৰ্ণ নিজস্ব স্বৰূপ একোটাহঁত লাভ কৰিবলৈ সক্ষম হৈছিল।

আহি খ্ৰীষ্টীয় দশম-একাদশ শতিকা মানত অসমীয়া ৰূপ ল'বলৈ আৰম্ভ কৰে।' অৰ্থাৎ অসমীয়া ভাষাটোৱে অসমীয়া হিচাপে এটা সম্পূৰ্ণ নিজা ৰূপ খ্ৰীষ্টীয় দশমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰতে লাভ কৰিছিল বুলি থিৰাং কৰিব পাৰি। নব্য ভাৰতীয় আৰ্যভাষা বা আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উৎপত্তিৰ ইতিহাসক তিনিটা স্তৰত ভাগ কৰা হৈছে।' ভাগকেইটা হৈছে—

১। প্ৰাচীন ভাৰতীয় আৰ্য (Old Indo-Aryan; OIA)- খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকা পৰ্যন্ত।

২। মধ্য ভাৰতীয় আৰ্য (Middle Indo-Aryan; MIL)- খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকা পৰ্যন্ত।

৩। নব্য ভাৰতীয় আৰ্য (New Indo-Aryan; NIA)- গ্ৰীষ্টীয় দশম শতিকাৰ পৰা বৰ্তমান পৰ্যন্ত।

'প্ৰাচীন ভাৰতীয় আৰ্য' ভাষাস্তৰৰ সময়সীমা খ্ৰীষ্টপূৰ্ব দ্বাদশ শতিকাৰ পৰা খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকালৈ আছিল বুলিও অনুমান কৰা হয়। এই ক্ষেত্ৰত ভীমকান্ত বৰুৱাৰ মত অনুৰূপ। তেওঁ কৈছে— 'পণ্ডিতসকলে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ কাল খ্ৰীঃ পূঃ ১২০০ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকালৈকে বুলি ঠাৱৰ কৰিছে।' আৰ্যভাষীৰ আগমনৰ সময়লৈ চাই দুয়োটা মতকে সামগ্ৰিকভাৱে সাঙুৰি ল'ব পাৰি। অনুৰাধা শৰ্মাই আৰ্যভাষীৰ আগমনৰ সময় সম্পৰ্কে কৈছে— 'তেওঁলোকৰ প্ৰৱেশৰ আনুমানিক সময় খ্ৰীঃ পূঃ দুই হেজাৰৰ পৰা পোন্ধৰশ শতিকাৰ ভিতৰত। এইটো প্ৰায় নিশ্চিত যে খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ আগতেই ভাৰতবৰ্ষত আৰ্যভাষাৰ প্ৰৱেশ ঘটে আৰু তেতিয়াৰে পৰা বৰ্তমানলৈকে বিৱৰ্তনৰ ৰূপত আৰ্যভাষা চলিয়েই আছে।' আৰ্যভাষীসকল যিহেতু খ্ৰীষ্টপূৰ্ব ১৫০০ শতিকাৰ আগতেই ভাৰতলৈ আহিছিল, গতিকে আৰ্যভাষায়ো তেতিয়াৰে পৰা ভাৰতভূমিত বিস্তাৰণৰ সমান্তৰালভাৱে বিৱৰ্তিত হ'বলৈ আৰম্ভ কৰিছিল বুলি ধৰি ল'লে দুয়োটা মতকে সাঙুৰি লৈ 'প্ৰাচীন ভাৰতীয় আৰ্য' ভাষাস্তৰটো খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ পৰাই আৰম্ভ হৈছে বুলি ক'ব পাৰি। প্ৰাচীন ভাৰতীয় আৰ্যভাষা বুলি ক'লে ভাৰতীয় আৰ্যসকলৰ প্ৰাচীনতম ভাষা আৰু পাণিনি-নিৰ্মিত সংস্কৃত ভাষাৰ কথা বুজা যায়। প্ৰথমটো ভাষাতে আকৌ বৈদিক আৰু লৌকিক নামৰ দুটা ভাষা-ৰূপ সোমাই আছে। ভাৰতলৈ আগমনৰ পৰা প্ৰায় এহেজাৰ বছৰৰ ভিতৰত আৰ্যভাষীসকল সমগ্ৰ গংগা উপত্যকাত বিয়পি পৰিছিল। এই সময়ছোৱাত আৰ্যভাষীৰ বিভিন্ন দলৰ মাজত পাৰস্পৰিক সংমিশ্ৰণ বৃদ্ধি পোৱাৰ লগতে আগৰে পৰা বসবাস কৰি অহা অষ্ট্ৰিক, দ্ৰাবিড় আদি ভাষাগোষ্ঠীৰ লগতো সংযোগ ঘটিছিল। এই কথাৰ আঁত ধৰি নগেন ঠাকুৰে দাঙি ধৰা আৰ্যৰ লৌকিক ৰূপটোৰ পৰিৱৰ্তনৰ কাৰণ দুটা ফঁহিয়াই চাব পাৰি। প্ৰথম, একেটা লৌকিক ভাষাকে আৰ্যভাষীৰ বিভিন্ন ফৈদে নিজৰ নিজৰ ধৰণেৰে কৈছিল। এই প্ৰতিটো ধৰণক লৌকিক ভাষাটোৰ উপভাষা বুলিব পাৰি। এই উপভাষাসমূহৰ বিস্তাৰ আৰু পাৰস্পৰিক সংমিশ্ৰণৰ ফলত মূল লৌকিক ভাষাটো প্ৰভাবিত হৈছিল। দ্বিতীয়, আৰ্যভিন্ন ভাষা কোৱা লোকসকলৰ সৈতে আৰ্যভাষীৰ সংমিশ্ৰণ ঘটাত সেই সেই ভাষাসমূহেও আৰ্যভাষাৰ লৌকিক ভাষা-ৰূপটোক প্ৰভাবিত কৰিছিল। এনেবোৰ কাৰণত আৰ্যৰ লৌকিক ৰূপটোৰ এনেভাৱে পৰিৱৰ্তন আৰু পৰিৱৰ্তিত ৰূপটোৰ প্ৰচলন ঘটিল যে ই বেদত ব্যৱহৃত আৰ্যৰ সাহিত্যিক ৰূপ বৈদিক ভাষাটোকো প্ৰভাবিত কৰিবলৈ ধৰিছিল। যিহেতু বৈদিক ভাষাটোক ব্ৰাহ্মণ, পণ্ডিত, পুৰোহিত আৰু ক্ষেত্ৰীয় বাজন্যকুলৰ সম্ভ্ৰান্ত লোকসকলে 'দেৱ-ভাষা' অৰ্থাৎ পবিত্ৰ বা স্বৰ্গীয় ভাষা হিচাপে গণ্য কৰিছিল, সেয়ে তেওঁলোকে ইয়াক অপৰিবৰ্তিত ৰূপত ৰাখি ইয়াৰ শুদ্ধতা ৰক্ষাৰ চেষ্টা কৰিছিল। কিন্তু দ্ৰুত পৰিৱৰ্তিত লৌকিক ভাষাটোৰ প্ৰভাৱত সেয়া কঠিন হৈ পৰিছিল। লৌকিক ভাষাটোৰ প্ৰভাৱতে ঋকবেদৰ ভাষাই পৰৱৰ্তী যজুঃ, সাম, অথৰ্ব এই তিনি বেদ আৰু তাৰো পিছৰ ব্ৰাহ্মণ, উপনিষদ, আৰণ্যক আদি বেদাংগসমূহত ক্ৰমপৰিৱৰ্তিত ৰূপত প্ৰকাশ পাইছিল। অৰ্থাৎ ঋকবেদ আৰু আৰণ্যক আদিৰ ভাষা বৈদিক হ'লেও দুয়োটাৰে ভাষা-ৰূপ একে হৈ নাথাকিল। এই দুয়োটা ভাষা-ৰূপক ক্ৰমে প্ৰাচীন বৈদিক আৰু অৰ্বাচীন বৈদিক ভাষা বোলা হয়। আনহাতে, বৈদিক ভাষাত ধৰ্মীয় কাম-কাজ কৰা আৰু পূৰ্বৰ অবিকৃত লৌকিক ভাষাত কথা কোৱা পণ্ডিত-শিক্ষিত মহলে সামাজিক স্থিতি আৰু মৰ্যাদাৰ স্খলন ঘটাৰ ভাবত পৰিৱৰ্তিত লৌকিক ভাষাটোক অস্বীকাৰ কৰিছিল। কিন্তু বৈদিক ভাষাটো ক্ৰমপৰিৱৰ্তনৰ পৰিণতিত বিকৃত হোৱাৰ উপক্ৰম হৈছিল। তেনেস্থলত খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত পাণিনি নামৰ পণ্ডিত-বৈয়াকৰণিকজনে পৰিৱৰ্তনৰ মাজেৰে বাগৰি অহা লৌকিক ভাষাটোক লৈ আৰ্যভাষাৰ যিটো উত্তৰ-পশ্চিমা আঞ্চলিক ৰূপত আৰ্যভাষীয়ে ঋকবেদ ৰচনা কৰিছিল, সেই ৰূপটোৰ আৰ্হিতে ব্যাকৰণ ৰচনা কৰি এটা বিধিবদ্ধ সাহিত্যিক ভাষা গঢ়ি তুলিছিল। অৰ্থাৎ লৌকিক ভাষাৰ উপাদানত বৈদিক বৈয়াকৰণিক ৰীতি প্ৰয়োগ কৰি পাণিনিয়ে এটা মাৰ্জিত আৰু সাধু বা পণ্ডিতমহলে সাহিত্যত ব্যৱহাৰ কৰিব পৰাকৈ বৈদিকৰ অনুৰূপ ভাষা একোটাগঢ়ি তুলিছিল। লৌকিক ভাষাটোক সংস্কাৰ কৰি গঢ়ি তোলাৰ বাবে ভাষাটো পৰৱৰ্তী সময়ত সংস্কৃত ভাষাৰূপে পৰিচিত হ'ল। ভাৰতলৈ আৰ্যভাষা অহাৰে পৰা সংস্কৃত ভাষা গঢ়ি উঠালৈকে এই সমুদায় কালখণ্ড

'প্ৰাচীন ভাৰতীয় আৰ্য' ভাষাস্তৰৰ অন্তৰ্ভুক্ত। আনহাতে, পূৰ্বৰ অসংস্কাৰিভূত লৌকিক ভাষাটো জনসাধাৰণৰ মাজত একেদৰে প্ৰচলিত হৈ থাকিল আৰু ইয়াক প্ৰাকৃত ভাষা নামেৰে জনা গ'ল।

গাঁথনিক দিশৰ পৰা সংস্কৃত ভাষা বৈদিক ভাষাৰ উত্তৰাধিকাৰী। কাৰণ ইয়াৰ বৈয়াকৰণিক আধাৰ প্ৰাচীন বৈদিক ভাষা। সেয়ে দুয়োটা ভাষাকে সদৃশ ভাষা বুলিব পাৰি। এই ক্ষেত্ৰত নগেন ঠাকুৰে কৈছে— 'দুয়োটা ভাষা পৰস্পৰ প্ৰায় সম্বন্ধযুক্ত আৰু উভয়ৰ মাজত ধ্বনিগত সাদৃশ্য যথেষ্ট।' আকৌ বৈদিক ভাষা আৰু লৌকিক ভাষা এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিস্বৰূপ পাৰস্পৰিক সম্পৰ্কিত প্ৰায় সদৃশ ভাষা। আনহাতে, লৌকিক ভাষাৰ বুকুতে সংস্কৃত ভাষা সৃষ্টি হৈছে। সেয়ে লৌকিক ভাষাৰ লগতো সংস্কৃত ভাষাৰ মিল আছে। গতিকে বৈদিক আৰু লৌকিক ভাষাৰ পৰা পাণিনি-নিৰ্মিত সংস্কৃত ভাষালৈকে প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ গোটেই গতিধাৰাৰ মেৰপাকটোক 'সংস্কৃত ভাষা' কথাটিৰে সহজকৈ বুজাব পাৰি। সেয়ে হয়তো নীৰাজনা মহন্ত বেজবৰাই বেদৰ ভাষাকো সংস্কৃত বুলিয়ে কৈছে— 'সংস্কৃত হ'ল প্ৰাচীন ভাৰতীয় আৰ্যভাষা। ই ভাৰতৰ সবাতোকৈ পুৰণি ভাষা। পৃথিৱীৰ প্ৰথম সাহিত্য বেদ এই ভাষাতে ৰচিত। (১) পাণিনি-নিৰ্মিত সংস্কৃত ভাষাটোৰ প্ৰাচীনত্ব আৰু সুদীৰ্ঘ সাহিত্যিক পৰম্পৰালৈ চাই ইয়াক ধ্ৰুপদী সংস্কৃত (Classical Sanskrit) বুলিও কোৱা হয়। এই ভাষাতে কালিদাস আদি নাট্যকাৰসকলে নাট ৰচনা কৰিছিল। গতিকে প্ৰাচীন ভাৰতীয় আৰ্যৰ তিনিটা ভাষা হৈছে বৈদিক সংস্কৃত, লৌকিক সংস্কৃত আৰু ধ্ৰুপদী সংস্কৃত। অৱশ্যে নীৰাজনা মহন্ত বেজবৰাই পাণিনি-নিৰ্মিত সংস্কৃত ভাষাটোকহে লৌকিক সংস্কৃত বুলি ক'ব বিচাৰিছে 'খ্ৰীঃ পূঃ পঞ্চম শতিকাত পাণিনিৰ ব্যাকৰণ ৰচনাই লৌকিক সংস্কৃত যুগৰ সূচনা কৰিছিল। পাণিনি-নিৰ্মিত সংস্কৃত ভাষা লৌকিক ভাষাৰ পৰা সৃষ্টি হোৱা বা শিক্ষিত লোকে কথিত ভাষাৰূপেও সংস্কৃত ভাষা ব্যৱহাৰ কৰিবলৈ লোৱাৰ বাবেই সম্ভৱ তেওঁ এনেকৈ মন্তব্য কৰিছে। নগেন ঠাকুৰে 'প্ৰাচীন ভাৰতীয় আৰ্য' স্তৰৰ সমুদায় পৰিক্ৰমাটোক তিনিটা উপস্তৰত ভাগ কৰি দেখুৱাইছে। তাৰেই আধাৰত স্তৰটোৰ এটা ৰূপৰেখা এনেকৈ তুলি ধৰিব পাৰি—

১। প্ৰাচীন বৈদিক স্তৰ বা ঋকবেদ ৰচনাৰ সময় (খ্ৰীষ্টপূৰ্ব ১৫০০- খ্ৰীষ্টপূৰ্ব ১২০০)

২। অৰ্বাচীন বৈদিক স্তৰ বা সাম, যজুঃ আৰু অথৰ্ববেদ ৰচনাৰ সময় (খ্ৰীষ্টপূৰ্ব ১২০০-খ্ৰীষ্টপূৰ্ব ৮০০)

৩। প্ৰাক-সংস্কৃত স্তৰ বা ব্ৰাহ্মণ, উপনিষদ, আৰণ্যক আদি বেদোত্তৰ বেদাংগসমূহ ৰচনাৰ সময় (খ্ৰীষ্টপূৰ্ব ৮০০- খ্ৰীষ্টপূৰ্ব ৫০০ বা ৬০০)।

ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয়টো স্তৰ হৈছে (মধ্য ভাৰতীয় আৰ্য)। এই স্তৰটোক প্ৰাকৃত ভাষাৰ স্তৰ বুলিও কোৱা হয়। সাধাৰণ মানুহৰ মুখৰ কথিত ভাষা আছিল বাবে অসংস্কাৰিভূত লৌকিক ভাষাটোক প্ৰাকৃত বুলি কোৱাৰ সম্ভাৱনা থাকিব পাৰে। এই বিষয়ে নগেন ঠাকুৰে কৈছে— 'প্ৰকৃততে, ব্যাকৰণ আদিৰ দ্বাৰা সংস্কাৰ প্ৰাপ্ত নোহোৱা প্ৰাকৃতজনৰ বা সাধাৰণ জনগণৰ যি স্বচ্ছন্দ বা স্বাভাৱিক ভাষা সিয়ে প্ৰাকৃত।'' "প্ৰাকৃত স্তৰত সোমোৱাৰ সময়ত লৌকিক ভাষাটোৰে যিটো ৰূপ পৰিগ্ৰহ কৰিছিল সি পালি ভাষা ৰূপে পৰিচিত হ'ল। পালি ভাষাৰে সাহিত্যিক ৰূপ এটা বৌদ্ধ সাহিত্য আৰু খ্ৰীষ্টপূৰ্ব শিলালিপিসমূহত ব্যৱহৃত হৈছিল। প্ৰধানকৈ থেৰাবাদী বৌদ্ধসকলৰ ধৰ্মীয় গ্ৰন্থ 'তিপিটক', অশোকৰ শিলালিপিসমূহ আৰু খ্ৰীষ্টপূৰ্ব অন্যান্য শিলালিপিসমূহত পালি ভাষাৰ সাহিত্যিক ৰূপটো দেখিবলৈ পোৱা যায়।" পালি ভাষাই পৰিৱৰ্তনৰ মাজেদি খ্ৰীষ্টীয় প্ৰথম শতিকামানত প্ৰাকৃত নামৰ এটা নতুন ভাষা-ৰূপ লাভ কৰে। যিহেতু মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰটোক প্ৰাকৃত ভাষাস্তৰ বুলিও কোৱা হয়, সেয়ে পালিৰ পৰৱৰ্তী ভাষাটোক 'প্ৰকৃত প্ৰাকৃত ভাষা' বুলি ক'ব পাৰি। প্ৰকৃত প্ৰাকৃত ভাষাই ভাৰতৰ বিভিন্ন অঞ্চলত আঞ্চলিক বৈশিষ্ট্য ধাৰণ কৰি কিছুমান সুকীয়া ৰূপ লাভ কৰিছিল। যেনে, একেটা অসমীয়া ভাষাৰে অসমৰ উজনি, মধ্য আৰু নামনি অঞ্চলৰ সাপেক্ষে কোৱাৰ তিনিটা সুকীয়া ধৰণ পোৱা যায়। প্ৰকৃত প্ৰাকৃত ভাষাৰ

আঞ্চলিক ৰূপবোৰে সাহিত্যত ব্যৱহৃত হ'বলৈ ধৰাত কিছুমান সাহিত্যিক ভাষা-ৰূপৰ সৃষ্টি হৈছিল। এইবোৰক সাহিত্যিক প্ৰাকৃত বুলি কোৱা হয়। সাহিত্যিক প্ৰাকৃত প্ৰধানকৈ পাঁচবিধ পোৱা যায়। সেইকেইবিধ হৈছে— ভাৰতৰ দক্ষিণ-পশ্চিমাঞ্চলৰ মহাৰাষ্ট্ৰী, মধ্যদেশৰ শৌৰসেনী, উত্তৰ-পশ্চিমাঞ্চলৰ পৈশাচী, পূৰ্বাঞ্চলৰ মাগধী আৰু অৰ্ধমাগধী। সাহিত্যিক প্ৰাকৃতত ৰচিত সাহিত্যৰ উদাহৰণ হিচাপে মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত প্ৰৱৰসেনৰ 'ৰাৱণবহো', বাপতিৰাজৰ 'গউডবহো' আদি মহাকাব্য, ৰামপাণিবাদৰ 'উষানিৰুহ', 'কংসবহো' আদি খণ্ডকাব্য, কেইবাজনো কবিৰ দ্বাৰা ৰচিত 'গাহা সত্তসঙ্গ' আৰু 'বজ্জালগগং' আদি মুক্তক কাব্যৰ কথা ক'ব পাৰি। যিহেতু সাহিত্যিক প্ৰাকৃতৰ সমসাময়িক লৌকিক ভাষা-ৰূপৰ নিদৰ্শন পোৱাৰ আশা কৰিব নোৱাৰি, সেয়ে প্ৰকৃত

প্ৰাকৃতৰ সাহিত্যিক ৰূপকে সেই সময়ৰ মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা ভাষাৰ প্ৰতিনিধি বুলি ধৰি ল'ব লাগিব। অৰ্থাৎ সাহিত্যিক ৰূপবিলাকৰ গইনা লৈহে ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ ইতিহাস আলোচনা কৰি অহা হৈছে। সাহিত্যিক প্ৰাকৃতৰ সমসাময়িক লৌকিক ভাষাটো বিপুল পৰিৱৰ্তন ঘটি খ্ৰীষ্টীয় ষষ্ঠ শতিকামানত এটা ভগ্নাংশময় ভাষা-ৰূপলৈ ৰূপান্তৰিত হৈছিল। ইয়াক অপভ্ৰংশ ভাষা বুলি কোৱা হয়। অপভ্ৰংশ ভাষাটোৱো অৱক্ষয় ঘটি শেষত খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতিকাৰ পৰা নিৰৱচ্ছিন্ন পৰিৱৰ্তনৰ মাজেৰে আগুৱাই অহা ভাৰতীয় আৰ্যৰ লৌকিক ৰূপৰ যি ভাষা-অৱশেষ বৈ গৈছিল, যাক অবহট্‌ঠ বুলি জনা যায়, তাৰ পৰাই খ্ৰীষ্টাব্দ ১০০০ৰ পৰা খ্ৰীষ্টাব্দ ১২০০ৰ ভিতৰত নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ সৃষ্টি হৈছিল। মধ্যভাৰতীয় আৰ্যভাষাৰ স্তৰটোক ভাষাবিদসকলে তিনিটা উপস্তৰত ভাগ কৰি দেখুৱাইছে। তাৰে আধাৰত এই স্তৰটোৰ এটা ৰূপৰেখা তুলি ধৰা হৈছে—



১। আদি প্ৰাকৃত স্তৰ বা পালি ভাষাৰ স্তৰ (খ্ৰীষ্টপূৰ্ব ৫০০ বা ৬০০-খ্ৰীষ্টীয় ১০০) ঃ অশোকৰ শিলালিপি, খ্ৰীষ্টপূৰ্ব অন্যান্য শিলালিপি, বৌদ্ধ ধৰ্মগ্ৰন্থ তিপিটক আদি এই সময়ৰ সৃষ্টি।

২। মধ্য প্ৰাকৃত স্তৰ বা প্ৰকৃত প্ৰাকৃত ভাষাৰ স্তৰ (খ্ৰীষ্টীয় ১০০-খ্ৰীষ্টীয় ৬০০) ঃ সাহিত্যিক প্ৰাকৃতসমূহত ৰচিত মহাকাব্য, খণ্ডকাব্য, মুক্তক কাব্য আদি সাহিত্যসমূহ এই সময়ৰ সৃষ্টি।

৩। অন্ত্য প্ৰাকৃত স্তৰ বা অপভ্ৰংশ ভাষাৰ স্তৰ (খ্ৰীষ্টীয় ৬০০ খ্ৰীষ্টীয় ১০০০) ঃ বিদ্যাপতিৰ 'কীৰ্তিলতা' আৰু 'কীৰ্তিপতাকা' অপভ্ৰংশ ভাষাত ৰচিত প্ৰতিনিধিত্বকাৰী সাহিত্য-সৃষ্টি।

অসমীয়া ভাষাটো কোনটো সাহিত্যিক প্ৰাকৃতৰ অপভ্ৰংশ-অৱহটঠ ৰূপৰ পৰা সৃষ্টি হৈছে তাকে লৈ পণ্ডিতসকলৰ মাজত মতবিৰোধ দেখিবলৈ পোৱা যায়। কিন্তু গ্ৰীয়াৰ্চন, সুনীতি কুমাৰ চট্টোপাধ্যায়, বাণীকান্ত কাকতি আদি ভাষাবিদসকলৰ মতটিয়ে বেছিভাগ পণ্ডিতৰ মাজত সমাদৰ লাভ কৰা পৰিলক্ষিত হয়। তেওঁলোকৰ মতে অসমীয়া ভাষা মাগধী প্ৰাকৃতৰ অপভ্ৰংশ-অৱহটঠৰ পৰা সৃষ্টি হৈছে। আনহাতে সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্যও বিশ্লেষণ কৰিবলগীয়া। তেওঁ কৈছে— 'ইতিমধ্যে আদিম ভাষাৰ সংস্পৰ্শত আৰ্যভাষায়ো কৌলিনা হেৰুৱাই দ্ৰুত গতিত পৰিৱৰ্তনৰ পথত আগবাঢ়িল। এই পৰিৱৰ্তনৰ ফলস্বৰূপে যি প্ৰাকৃতৰ উদ্ভৱ হ'ল সিয়ে প্ৰাচ্য মাগধী বা কামৰূপী প্ৰাকৃতৰূপে পৰিগণিত হয়। ষষ্ঠৰপৰা দ্বাদশ শতাব্দীৰ ভিতৰত ভূমিদান কৰা বা অন্য বিষয়ক তামৰ ফলিসমূহৰ সংস্কৃত ভাষাৰ মাজে মাজে লেখকৰ অজ্ঞাতে কামৰূপী প্ৰাকৃতৰ দুই-চাৰিটা নিদৰ্শনে ভূমুকি মাৰিছে। কামৰূপী বা প্ৰাচ্য মাগধীৰ শেষ স্তৰৰ অৰ্থাৎ অপভ্ৰংশ স্তৰৰ কিছু নিদৰ্শন সংৰক্ষিত হৈছে চৰ্যাগীতিসমূহত। গতিকে প্ৰাচীন কামৰূপত কথিত 'কামৰূপী প্ৰাকৃত' আৰু অপভ্ৰংশৰ মাজেদি খ্ৰীষ্টীয় একাদশ শতিকামানত অসমীয়া ভাষাৰ বিকাশ সূচনাহে হয়। পৰৱৰ্তী শতাব্দী দুটাত অসমীয়া ভাষাৰ বিকাশ হয়।' সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া ভাষা কামৰূপী প্ৰাকৃতৰ পৰা সৃষ্টি হৈছে বুলি একাংশ পণ্ডিতে দিয়া মতটিক সমৰ্থন কৰিছে। তেওঁ কামৰূপী প্ৰাকৃতৰ আন নাম প্ৰাচ্য মাগধী বুলিও কৈছে। অৰ্থাৎ কামৰূপী প্ৰাকৃতৰ সৈতে মাগধী অপভ্ৰংশৰ সম্পৰ্কৰ কথা পৰোক্ষভাৱে তেওঁ মানি লৈছে বুলি ধাৰণা কৰিব পাৰি। গ্ৰীয়াচন পন্থী মতবাদৰ সৈতে এই মতৰ সাদৃশ্য স্থাপন কৰি এনেকৈ ক'ব পাৰি যে উৰিষ্যা, বিহাৰ, বংগ আৰু অসমজুৰি ভাৰতৰ উত্তৰ-পূব অঞ্চলত যি মাগধী প্ৰাকৃতৰ প্ৰচলন হৈছিল সি অসমৰ আদিম অধিবাসী মংগোলীয় জনজাতিবোৰৰ কথিত ভাষাৰ প্ৰভাৱত আঞ্চলিক বৈশিষ্ট্যৰে এটা সুকীয়া ৰূপ ধাৰণ কৰিছিল। মাগধী প্ৰাকৃতৰ অপভ্ৰংশ-অবহট্‌ঠ ৰূপে অসম বা সেই সময়ৰ

কামৰূপত যি সুকীয়া আঞ্চলিক ৰূপ লাভ কৰিছিল তাক প্ৰাচ্য-মাগধী-অবহট্‌ঠ বা কামৰূপী অবহট্‌ঠ বুলি ধৰিব পাৰি। এই কামৰূপী অবহট্‌ঠ অসমীয়া ভাষাৰ প্ৰাচীনতম সাহিত্যিক নিদৰ্শন চৰ্যাগীতত পোৱা যায়। এই ধাৰণাৰ সৈতে মহেশ্বৰ নেওগৰ কথাযাৰ ৰিজাই চাব পাৰি। নেওগে কৈছে 'হিউৱেন-চাঙে সপ্তম শতিকাত কামৰূপলৈ আহোঁতে ইয়াৰ ভাষা মধ্য ভাৰতৰ (মগধ) ভাষাৰপৰা সামান্যভাৱে পৃথক পাইছিল বুলি লিখি থৈ গৈছে। সেই সময়ত নিশ্চয় ভাৰতীয়-আৰ্য ভাষা (মাগধী প্ৰাকৃত অপভ্ৰংশ) কামৰূপতো বিয়পি আছিল আৰু তাৰ যি ধ্বনিগত পাৰ্থক্য ঘটিছিল, তাকে পৰ্যৱেক্ষণশীল হিবেন-চাতে স্পষ্ট-ৰূপে ধৰিব পাৰিছিল। হিউৱেন-চাঙে দক্ষিণ-পশ্চিম চীনৰ জনজাতিসকলৰ সগোত্ৰ জনজাতি কামৰূপ প্ৰত্যন্তত নিৱাস কৰিছিল বুলি উল্লেখ কৰিছে; সম্ভবতঃ তেতিয়াৰেপৰা কিছু গুণ ইতিমধ্যে কামৰূপীয় ভাৰতীয়-আৰ্য ভাষাই গ্ৰহণ কৰিছিল। শেষত ক'ব পাৰি যে চৰ্যাগীতৰ সময়তে অসমীয়া ভাষাই বিকাশৰ স্বকীয় বাট লৈ খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ মাধৱ কন্দলীৰ প্ৰহ্লাদ চৰিতত এটা পৰিষ্কাৰ নিজস্ব স্বৰূপ লাভ কৰিছিল। এনেকৈয়ে অসমীয়া ভাষাৰ উৎপত্তি হৈছিল বুলি ক'ব পাৰি। এইখিনিতে আন দুটা কথাও মনকৰিবলগীয়া। প্ৰথম, অসমীয়া ভাষা সংস্কৃত ভাষাৰ পৰা উৎপত্তি হৈছে বুলি কথা এষাৰ শুনিবলৈ পোৱা যায়, যিটো সম্পূৰ্ণৰূপে শুদ্ধ নহয়। পাণিনিয়ে ব্যাকৰণ প্ৰণয়ন কৰি সংস্কৃত ভাষাটোক কটকটীয়াকৈ বান্ধি থৈ গৈছিল। গতিকে সেই ভাষাটোৰ স্বাভাৱিক পৰিৱৰ্তন অসম্ভৱ হৈ পৰিছিল। ভাষা এটাৰ স্বাভাৱিক পৰিৱৰ্তন নহ'লে তাৰ পৰা নতুন ভাষা-ৰূপ সৃষ্টি হ'ব নোৱাৰে। এইযাৰ কথা সংস্কৃত ভাষাৰ ক্ষেত্ৰত প্ৰযোজ্য। সংস্কৃত ভাষা খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ পৰা আজিলৈকে প্ৰচলিত হৈ আছে, কিন্তু তাৰ পৰা আন কোনো ভাষাৰ সৃষ্টি হোৱা নাই। দ্বিতীয়, অসমীয়া ভাষা আৰ্যমূলীয় হ'লেও তাৰ গঠন আৰু বিকাশত অনাৰ্যমূলীয় অষ্ট্ৰিক ভাষা, মংগোলীয়মূলৰ জনজাতিসমূহৰ ভাষা আদিৰ প্ৰচুৰ প্ৰভাব আছে। এইযাৰ কথাকে সত্যেন্দ্ৰনাথ শৰ্মাই এনেকৈ কৈছে— 'আৰ্যভাষাৰপৰা উদ্ভৱ হ'লেও অসমীয়া ভাষাৰ পৰিপুষ্টি সাধনত অসমত অতীজৰেপৰা বাসকৰা অনাৰ্যগোষ্ঠীৰ লোকসকলৰ ভাষাৰ প্ৰভাৱ নপৰাকৈ থকা নাই।

**প্ৰসংগ সূত্ৰ ঃ**

১। 'মূল ইণ্ডো-ইউৰোপীয় পৰিয়ালৰ যিটো শাখা ইৰাণ আৰু ভাৰতত প্ৰৱেশ কৰিছিল সেই শাখাটোক বোলা হয়- ইণ্ডো-ইৰাণীয়। এই শাখাটোক আৰ্য বোলাও হয়।' ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা, পৃষ্ঠা-১৭

২। 'মেক্সমুলাৰেও এই কথা দৃঢ়ভাৱে কৈছিল যে বিজ্ঞানৰ ভাষাত আৰ্য শব্দটো কেতিয়াও জাতিবাচকৰূপে প্ৰযোজ্য নহয়। ই ভাষাবাচকহে। অন্য অৰ্থ হ'ব নোৱাৰে।', উল্লিখিত ঃ পৃষ্ঠা-৯৭

৩। ভুবনমোহন দাস ৰচনা-সমগ্ৰ দ্বিতীয় খণ্ড, পৃষ্ঠা-১৫৪

৪। ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা ঃ পৃষ্ঠা-৯৭

৫। 'আনুমানিক খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতাব্দীমানত প্ৰাচীন পাৰস্য বা বৰ্তমানৰ ইৰাণ ভূখণ্ডৰ পৰা বিভিন্ন দল বা ফৈদত বিভক্ত হৈ থকা অইৰয় বা অৰিয় বা অয়সকলৰ যিসমূহ দল বা ফৈদে হিন্দকুশ পৰ্বতৰ গিৰিসংকটেদি পূব-আফগানিস্তান আৰু অবিভক্ত ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তত উপনিবিষ্ট হৈ শেষত ভাৰতত প্ৰৱেশ কৰি অবিভক্ত পঞ্জাবৰ পশ্চিমাঞ্চলত বসবাসৰ পাতনি মেলিছিল আৰু শেষত পৰৱৰ্তী ডেৰহাজাৰ বছৰৰ ভিতৰত পশ্চিম-ভাৰত, উত্তৰ-ভাৰত, মধ্য ভাৰত আৰু পূব-ভাৰতত পৰিব্যাপ্ত হৈ পৰি ভাৰতীয় সভ্যতা-সংস্কৃতিৰ গৌৰৱময় সৌধ নিৰ্মাণ কৰিছিল, সেইসকলেই 'ভাৰতীয় আৰ্য' বা 'ভাৰতীয় আৰ্য শাখা'ৰ অন্তৰ্গত।', ভাৰতীয় ভাষা আৰু সাহিত্য পৃষ্ঠা-২৩২

৬। ভাৰতত প্ৰৱেশ কৰা আৰ্যসকলৰ ভাষাটো কেনেধৰণৰ আছিল, অৰ্থাৎ তেওঁলোকৰ কথ্যভাষাৰ স্বৰূপ কি আছিল সেই সম্পৰ্কে নিশ্চিতভাৱে ক'ব নোৱাৰি। অৱশ্যে ভাৰতীয় আৰ্যৰ প্ৰাচীনতম ৰূপ পোৱা যায় ঋকবেদত।; ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা, পৃষ্ঠা-১০৩

৭। 'প্ৰাচীন ভাৰতীয় আৰ্যভাষাক দুটা ভাগত ভাগ কৰিব পাৰি ঃ (ক) বৈদিক আৰু (খ) অবৈদিক বা লৌকিক।', ভাৰতীয় ভাষা আৰু সাহিত্য, পৃষ্ঠা-২৩৭

৮। অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃষ্ঠা- ৯

৯। উল্লিখিত, পৃষ্ঠা-১১

১০। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা-২

১১। ভাষাবিজ্ঞান আৰু অসমীয়া ভাষ্য, পৃষ্ঠা-১০৪

১২। 'প্ৰাচীন-ভাৰতীয় আৰ্য-ভাষাৰ সময় খ্ৰীষ্টপূৰ্ব দ্বাদশ শতিকাৰ পৰা খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকালৈ।', অসমীয়া সাহিত্যৰ বুৰঞ্জী, প্ৰথম খণ্ড, পৃষ্ঠা-১৫৭

১৩। অসমৰ ভাষা পৃষ্ঠা-১৭৫

১৪। ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা পৃষ্ঠা-১০৩

১৫। আৰ্যবিস্তৃতি লাহে লাহে উত্তৰ-পশ্চিম অঞ্চলৰ পৰা সমগ্ৰ মধ্য দেশত বা গাংগেয় উপত্যকাত, আৰ্য-আগমনৰ পৰা এহেজাৰমান বছৰৰ ভিতৰত আৰ্যসকলৰ কথাৰূপটো ভাষাৰ স্বাভাৱিক পৰিৱৰ্তনশীলতাৰ ধৰ্ম অনুযায়ী, অথবা বিভিন্ন আৰ্য ফৈদবোৰৰ মাজত গঞ্জ লৈ উঠা উপভাষাৰ প্ৰভাৱত নাইবা, বিভিন্ন আৰ্য-পূৰ্ব জাতিসমূহৰ লগত সংমিশ্ৰণ হোৱাৰ ফলত সেইসকলৰ ধানি ব্যৱহাৰৰ বিশিষ্ট ৰীতিৰ প্ৰভাৱত, লৌকিক বা কথ্যৰূপটোৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী হৈ উঠিছিল।', ভাৰতীয় ভাষা আৰু সাহিত্য পৃষ্ঠা-২৪৩

১৬। 'ভাষাৰ বিচাৰত ঋকবেদৰ ভাষাই 'প্ৰাচীন বৈদিক' আৰু অন্যান্য বেদকেইখন আৰু ব্ৰাহ্মণ-উপনিষদ-আৰণ্যকৰ ভাষা 'অৰ্বাচীন বৈদিক'।' পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য, পৃষ্ঠা-২

১৭। অৱশ্য গঠনগত দিশত সংস্কৃত ভাষা বৈদিক ভাষাৰ উত্তৰাধিকাৰী।', ভাষ্যবিজ্ঞান আৰু অসমীয়া ভাষা, পৃষ্ঠা-১০৫

১৮। পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য, পৃষ্ঠা-৭

১৯। তুলনামূলক ভাৰতীয় সাহিত্যৰ অভিমুখে, পৃষ্ঠা-৪৪

২০। 'এইখিনিতে উল্লেখ কৰা ভাল যে 'সংস্কৃত ভাষা' কথাটি ব্যাপক অৰ্থতেই ব্যৱহাৰ কৰা হয়, বহুসময়ত বৈদিক ভাষা আৰু ক্লাছিকেল সংস্কৃত- দুয়োটাকে অন্তৰ্ভুক্ত কৰা হয়। এই দুয়োটাৰ মাজত পাৰ্থক্য বুজাবলৈ হ'লে 'বৈদিক সংস্কৃত' আৰু 'ক্লাছিকেল সংস্কৃত'— এই পৰিভাষা ব্যৱহাৰ কৰা হয়।' ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা, পৃষ্ঠা-১০৬

২১। তুলনামূলক ভাৰতীয় সাহিত্যব অভিমুখে পৃষ্ঠা-৪৪

২২। ভাৰতীয় ভাষা আৰু সাহিত্য, পৃষ্ঠা-২৪২

২৩। পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য, পৃষ্ঠা-১৬

২৪। 'প্ৰথম স্তৰটোৰ নিদৰ্শন পোৱা গৈছে অশোকৰ শিলালিপিসমূহত, খ্ৰীষ্টপূৰ্ব অন্যান্য শিলালিপিত আৰু হীনযানী থেৰাবাদী বৌদ্ধসকলৰ পালি গ্ৰন্থসমূহত।'; অসমৰ ভাষা পৃষ্ঠা-১৭৫

২৪। তুলনামূলক ভাৰতীয় সাহিত্যৰ অভিমুখে, পৃষ্ঠা-৫১

২৬। অসমৰ ভাষা পৃষ্ঠা-১৭৬

২৭। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা-৩

২৮। অসমীয়া সাহিত্যৰ ৰূপৰেখা পৃষ্ঠা-১১-১২

২৯। অসমীয়া সাহিতাৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃষ্ঠা-৪

৩০। উল্লিখিত পৃষ্ঠা-২

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, চতুৰ্দশ সংস্কৰণ ঃ জুন, ২০১৩।

২। সত্যেন্দ্ৰনাথ শৰ্মা, অসমীয়া সাহিতাৰ সমীক্ষাত্মক ইতিবৃত্ত, দশম সংস্কৰণ ঃ জুন, ২০১১।

৩। নগেন ঠাকুৰ, পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য; একাদশ সংস্কৰণ ঃ ২০১৭।

৪। নগেন ঠাকুৰ, ভাৰতীয় ভাষা আৰু সাহিত্য, প্ৰথম প্ৰকাশ ঃ ২০১৬।

৫। ভীমকান্ত বৰুৱা, অসমৰ ভাষা ষষ্ঠ সংস্কৰণ ঃ মাৰ্চ, ২০১৫

৬। নীৰাজনা মহন্ত বেজবৰা, তুলনামূলক ভাৰতীয় সাহিত্যৰ অভিমুখে প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০২২

৭। অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰথম খণ্ড; তৃতীয় সংস্কৰণ ঃ ২০২২

৮। অনুৰাধা শৰ্মা, ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা প্ৰথম সংস্কৰণ ঃ নৱেম্বৰ, ২০২২

গ ল্প ক থা

# ডাৱৰে ঢকা নীলিমা

**ড° হেমন্ত দাস**

'সুমিত্ৰাই তাক বৰকৈ তিৰস্কাৰ কৰিছিল, 'মোৰ জীৱনৰ বহু ভুলৰ ভিতৰত তুমিও হয়তো অন্যতম, যিটো মই কেতিয়াও কৰিব নালাগিছিল। তোমালোক পুৰুষ জাতিটো কেতিয়াও সলনি নহ'লা, নাৰী এতিয়াও তোমালোকৰ বাবে মাথোন এডোখৰ সুস্বাদু মাংসৰ বাহিৰে আন একো নহয়? কেতিয়াবা ভাৰ হয়, সকলো পৰিহাৰ কৰি দহটামান শ্লিপিং টেবলেট একেলগে গিলি দিম, নিমিষতে সকলো সমাপ্ত হৈ যাব।' খং অভিমানত জৰ্জৰিত হৈ সি মুখেৰে এটাও শব্দ উচ্চাৰণ নকৰি আঁতৰি আহিছিল। সুমিত্ৰাক সি তাৰ বিষয়ে সকলো কথাই স্পষ্টভাৱে কৈছিল, তাৰ সীমাবদ্ধতা, দুৰ্বলতা, অসহায়তা সকলো, ইমানখিনি জনাৰ পাছতো তাই তাৰ কাষ চাপি গৈছিল। ইয়াৰ পাছতো তাক এনেদৰে তিৰস্কাৰ কৰাৰ প্ৰত্যুত্তৰ কি হ'ব পাৰে সি বিচাৰি উলিয়াব পৰা নাছিল।

সাধাৰণ সময়ত তাই যিকোনো কথা অবিৰতভাৱে বৰ্ণনা কৰে যদিও এনেধৰণৰ ঘটনা আদ্যোপান্ত বিবৰি কোৱাৰ সলনি সংক্ষেপে কোৱাটো সুমিত্ৰাৰ স্বভাৱ, সেয়ে তাইৰ হঠাৎ কিয় ইমান খং উঠিছিল, তাৰ কাৰণ সি সঠিকভাৱে জনাৰ সলনি অনুধাৱনহে কৰিবলৈ চেষ্টা কৰিলে। অৱশ্যে এদিন তাই তাক সংকেত দিছিল, সিহঁতৰ বেচৰকাৰী কাৰ্যালয়টোৰ বিষয়াজনৰ তাইৰ প্ৰতি দৃষ্টি বৰ ভাল নহয়। এনে দৃষ্টিৰ তিব্ৰতা বৃদ্ধি পোৱা অথচ তাইৰ সংসাৰখনৰ একমাত্ৰ সম্বল সেই সৰু চাকৰিটোৰ খাতিৰতে সেয়া নিৰবে সহ্য কৰিব লগা হোৱাৰ ক্ৰুধ হয়তো তালৈ সংক্ৰমিত হোৱাৰ অন্যতম কাৰণ হ'ব পাৰে। অৱশ্য চকু চাৎ মাৰি যোৱা



আধুনিকতা আৰু চাৰিওফালে বৈ বৈ যোৱা প্ৰাচুৰ্যতাৰ বিপৰীতে ক'ৰবাত তাই নিজকে নিসংগ আৰু নিঃকিনভাৱে আৱিস্কাৰ কৰিও হয়তো তাইৰ খং উঠিব পাৰে? অৱশ্যে এই দুয়োটা কাৰণৰ কোনো এটাতে সি তাইক যুগাত্মকভাৱে সহায় কৰিব পৰাৰ সামৰ্থৰ পৰা বহু দূৰত বুলিব পাৰি। সি নিজেই ক'তবাৰ জ্যেষ্ঠ বিষয়াৰ অন্যায় আৰু অযুক্তিসংগত আদেশ-নিৰ্দেশ মানি চলিব লগা হৈছে, একমাত্ৰ তাৰ সেই সামান্য চাকৰিটোৰ বাবে সেয়া তাইক বাৰু সি কেনেকৈ ক'ব? সেয়াও হয়তো তাইৰ খঙৰ তৃতীয়টো কাৰণ হ'ব পাৰে।

যা, বোপাই যা, কৰ্মৰ সৰু-বৰ কি আছে, কাম কৰি খাবলৈ লাজ কৰিব নেলাগে। নিজৰ জীৱনৰ বোজা নিজে কঢ়িয়াই নিজক চম্ভালি ল'গৈ যা, যি ভাল পাৱ, তাকে কৰিবি, মাথোন চুৰ নকৰিবি, কাৰো অন্যায় নকৰিবি আৰু যিদিনাই অনুভৱ কৰিবি মই উভতি যোৱাই সমীচিন, গুচি আহিবি, আমি সেয়াও সহজে গ্ৰহণ কৰিম। এই সৰু চাকৰিটোৰ বাবে মহানগৰখনলৈ আহিবলৈ সাজু হোৱাৰ সময়ত এয়া আছিল তাৰ সৰল মনৰ মাক-দেউতাৰ উক্তি। সিয়ো দৃঢ়ভাৱে ভাবি লৈছিল, সৰু চাকৰি হ'লেও মাক-দেউতাকৰ আকাংক্ষা নিশ্চয় পূৰণ কৰিব পাৰিব।

পাছে স্বপ্নভংগ হ'বলৈ তাৰ বৰ বিশেষ সময় নেলাগিল। কিছুদিনৰ পাছতে সি অনুভৱ কৰিলে সিহঁতৰ গাঁৱৰ কাষতে থকা পাহাৰখন আৰু এই মহানগৰখন প্ৰায় একে— দূৰৰ পৰা সকলো সুন্দৰ, কিন্তু আচলতে সকলোবিলাকেই অতি ওখোৰা-মোখোৰা। শিক্ষিত নহ'লেও জীৱনৰ বাস্তৱ অভিজ্ঞতাৰেই তাৰ মাক-দেউতাকেও হয়তো সুন্দৰকৈ বুজি উঠিছিল তাৰ সকলো কথা, সকলো বেদনা, মাথোন মুখখুলি স্পষ্টকৈ ক'বহে পৰা নাছিল চাগে। বিহু বা কিবা উৎসৱৰ সময়ত ঘৰলৈ গ'লে তাৰ মন পচন্দৰ চাদৰ এখন সি মাকক দিবলৈ চেষ্টা কৰে, দেউতাকৰ বাবে ভাল কাপোৰৰ কামিজ এটা আৰু ধূতি এখন যেনে-তেনে কৰি হ'লেও সি লৈ যায়, তেনে এখন চাদৰ আৰু কামিজৰ বাবে দীৰ্ঘদিনৰ পৰা সাঁচি ৰখা টকাকেইটাই সেইদিনা উচিৎ মূল্য পাইছে বুলি সি পৰম পৰিতৃপ্তি লাভ কৰে। আচলতে এনে এটা সময়ৰ বাবে সিয়ো বহুদিনৰ আগৰে পৰা আৱেগেৰে বাট চাই থাকে। বেগৰ পৰা আথেবেথে উলিয়াই দিয়া চাদৰখন মাকেও পৰম পৰিতৃপ্তিৰে লিৰিকি বিদাৰি চায় যদিও ক্ষন্তেক পাছতে কয়, 'গাঁৱৰ বোকা-পানীৰ মাজত এই দামী চাদৰখন বাৰু মই ক'ত পিন্ধিম? এইখন লৈ গৈ উভতাই দি কম দামৰ কপাহী চাদৰ এখন আনি দিবি, সেইখনহে মোৰ কামৰ বস্তু।' বাপেকে তাক এক প্ৰকাৰে ভেকাহি মাৰিয়েই কয়, 'এনেধৰণৰ বাৰহতীয়া

> যা, বোপাই যা, কৰ্মৰ সৰু-বৰ কি আছে, কাম কৰি খাবলৈ লাজ কৰিব নেলাগে। নিজৰ জীৱনৰ বোজা নিজে কঢ়িয়াই নিজক চম্ভালি ল'গৈ যা, যি ভাল পাৱ, তাকে কৰিবি, মাথোন চুৰ নকৰিবি, কাৰো অন্যায় নকৰিবি আৰু যিদিনাই অনুভৱ কৰিবি মই উভতি যোৱাই সমীচিন, গুচি আহিবি, আমি সেয়াও সহজে গ্ৰহণ কৰিম।

ধূতি মই জীৱনত কেতিয়াও পিন্ধি পোৱাই নাই, এতিয়া বাৰু কেনেকৈ পিন্ধিম ক'চোন? পুতেকৰ যহত পিন্ধিছে বুলি মানুহে নেহাঁহিব নে বাৰু? এইবোৰ উভতাই দি কেতিয়াবা আকৌ আহিলে মাৰ্কিন কাপোৰ ছয়হাত লৈ আহিবি, হৈ যাব, নানিলেও একো নাই, মোৰ কেইবাখনো আছেই। মিছাতে কিয় টকা-পইচাবোৰ খৰচ কৰিছ? বিয়া-বাৰু নেপাত নেকি, বয়স যাবগৈ আৰু? সৰু হৈ আছোঁ বুলি ভাবিছ নেকি? তোৰ লগৰ সকলো কেতিয়াবাই মাক-বাপেক হ'ল? মাকে তাক মিচিকিয়া হাঁহি মাৰিয়ে সুধিছিল, 'চাইছ নেকি ছোৱালী-তোৱালী? পলোৱাই নানিবি আক', চাটুপ চাটুপ লগাই দিম পিঠিত?' মাক-দেউতাকৰ এই সৰলতাখিনি তাৰ বাবে বুকুত সৃষ্টি হোৱা বিষৰ কাৰণ হৈ পৰে। সন্তানৰ বিফলতাবিলাকত আত্মজাহ দি কৰা মাক-দেউতাকৰ যেন এয়া নিখুত অভিনয়? মাকৰ কোলাত মুখখন থৈ তাৰ চিঞৰি চিঞৰি কান্দিবৰ মন যায় আৰু ক'বলৈ মন যায় 'মা, বিয়া-বাৰুৰ দৰে বিলাস আমি কৰা ভাল হ'ব জানো?' কিন্তু সেই কাম কৰি সি মাকৰ আত্মবিশ্বাসৰ মৃত্যুৰ কাৰণো হ'ব নিবিচাৰে।

কিন্তু ক্ষোভতে তাৰ কেতিয়াবা সুধিবলৈ মন যায়, সৰুকালত তইযে প্ৰায়েই কৈছিলি 'যত্ন কৰিলেহে ৰত্ন পাই' বুলি— এয়াই নেকি সেই ৰত্ন, যি ৰত্নৰে মই তোক ভাল চাদৰ এখনো পিন্ধাব নোৱাৰোঁ। কাৰণ, সৰুতে নিতৌ পঢ়ি পঢ়ি আমনি লাগি কেতিয়াবা সি মাকক খাটনি ধৰিছিল, সদায়চোন পঢ়িয়ে আছোঁ, আজি অকণমান আজৰি হৈ থাকোচোন, কিনো মহাভাৰতখন অশুদ্ধ হৈ পৰিব? মাকে তাৰ কথাত তেনেই গুৰুত্ব নিদি কৈছিল, হ'ব নিশ্চয় হ'ব, মহাভাৰতখন অশুদ্ধ নহ'লেও তোৰ বাবে অৱশ্যেই হ'ব, কাৰণ যত্ন কৰিলেহে ৰত্ন পায়। নপঢ়িলেনো মানুহ হ'বি কেনেকৈ? আমালৈয়ে চাচোন, বিদ্যা-শিক্ষা নোহোৱাৰ বাবে আমাৰ কি অৱস্থা হৈছে

দেখিছ্‌ইচোন? বাপেকে অৱশ্য পঢ়াৰ উপৰি তাক কিছুমান হাতৰ কাম, বাঁহ-বেতৰ কাম আৰু খেতি-বাতিৰ কাম শিকাবলৈ যত্ন কৰিছিল। আহ সৰুকণ, খালৈ কেনেকৈ সাজে শিকাই দিওঁ? জুলুকী, জাকৈ কেনেকৈ সাজে শিকি ল'বি আহ? বাপেকে হয়তো ভাবিছিল, একো চাকৰি-বাকৰি নাপালেও এইবিলাকৰ দ্বাৰা দুটকামান ল'ৰাই উপাৰ্জন কৰিব পাৰিব নিশ্চয়। অনিচ্ছা সত্ত্বেও শিকিবলগীয়া হোৱাৰ বাবে সি সজা খালৈটোৰ ডিঙিৰ ভাজটো ভালদৰে ঘূৰাব নোৱাৰাৰ বাবে বেঁকাহৈ গৈছিল। তাকে দেখি ভনীয়েকে তাক জোকাবলৈ আৰম্ভ কৰিছিল, দাদাই সজা খালৈটো তোৰ মুখখনৰ দৰেই বেঁকা দেখোন? সি খঙত একো নাই হৈ কাষতে পৰি থকা শকত টঙাল এডালকে লৈ ভনীয়েকক মাৰিবলৈ চোঁচা লৈছিল। ভনীয়েকে ভয়তে দাদাই মাৰিব এতিয়া, বুলি মাকৰ পাছফালে লুকাইছিলগৈ।

এইবিলাক কথাও সি কেতিয়াবা নিৰিবিলি পৰত সুমিত্ৰাৰ আগত কৈছিল। কথাবিলাক কওঁতে তাৰ সেমেকি উঠা চকু দুটালৈ অপলকভাৱে চাই থাকি তাই তাক সান্ত্বনা দিছিল, প্ৰতিজন সন্তানে মাক-দেউতাকৰ সকলো স্বপ্ন পূৰণ কৰিব পৰাহেঁতেনে, এইখন পৃথিৱী নহৈ স্বৰ্গপুৰি হ'লহেঁতেন? তথাপি চোৱাচোন, তুমি কিমান ভাগ্যৱান, ইমান মৰমীয়াল মা-দেউতা পাইছা? সঁচা কথা ক'বলৈ হ'লে মাকৰ মৰমৰ মাত কাক কয় মই আজিও বুজি নাপাওঁ। দেউতাৰ ছবিখন মোৰ ভালদৰে মনতে নাই, গতিকে দেউতাৰ মৰম মোৰ বাবে এক স্বপ্ন। গতিকে দেউতাবিহীন ঘৰখনৰ ৰূঢ় বাস্তৱতাৰ স'তে যুঁজি যুঁজি মাই হয়তো মৰম শব্দটো পাহৰিয়েই পেলাইছিল। তাতে মই যে কন্যা সন্তান হ'লোঁ, মাৰ যুদ্ধখনৰ সহযুদ্ধা হ'ব পৰাকৈ পুৰুষ সন্তান হোৱাহেঁতেন হয়তো কথাষাৰ কিছু বেলেগ হ'লহেঁতেন? সেযে ময়ো তোমাৰ দৰেই ওলাই আহিছিলোঁ, মাৰ কষ্ট লাঘৱ

> পাছে জীৱনত প্ৰথমবাৰ চাকৰিজীৱী মহিলাৰ হোষ্টেললৈ গৈ সি বৰ দ্বিধাবোধ কৰিছিল। যদিও সি আলহীঘৰতে বহিছিল, তথাপিও কম বয়সৰ ছোৱালীবিলাকে তালৈ আলেঙে আলেঙে চাই ফিচ-ফিচকৈ হাঁহিছিল। সুমিত্ৰাই বিৰক্ত হৈ ক'বলৈ বাধ্য হৈছিল, 'তহঁতে আজিহে চিৰিয়াখানাৰ জন্তু দেখা পাইছ, নহয়নে?'

কৰিবলৈ। মায়ে সাধাৰণতে মোৰ খা-খবৰ নকৰে, কিন্তু যেতিয়া কৰে মানে ওচৰৰ কাৰোবাৰ ম'বাইলৰ পৰা মোলৈ ফোন কৰে, বুজি পাওঁ মাই জীৱন যুদ্ধত ভাগৰি পৰিছে। তেতিয়া দুসাজ লঘোণে থাকিও মই মাক সহায় কৰিব বিচাৰোঁ। কাৰণ মাৰ মাতটোৱেই যেন মোৰ বাবে মৰম। তাইৰ চকু দুটাও সেইসময়ত সেমেকি উঠিছিল।

তাইলৈ চাই থাকি তাৰ মনত প্ৰশ্নৰ উদয় হৈছিল, ক'ৰ দুটা অতৃপ্ত আত্মা এই মহানগৰত বাৰু কেনেকৈ বাৰু একেলগ হৈ পৰিছে ক'ব নোৱাৰাকৈয়ে? আচলতে পুৱাৰ ন বজা আৰু আবেলিৰ পাঁচ বজাৰ মহানগৰৰ চিটীবাছ দুখনেই যে এই দুই অতৃপ্ত আত্মাক একেলগ কৰি পেলালে কোনেনো জানিব? সদাই একেখন চিটীবাছতে একেলগে অহা-যোৱা কৰাৰ ফলত চকুৰে চিনাকি হোৱা সহযাত্ৰীজনলৈ কাষতে খালি হোৱা চিটটোত বহিবলৈ সুবিধা দিয়াটোৱেই যে পৰিচয়ৰ এক স্থায়ী ঠিকনা হৈ পৰিব, সেয়াটো সিহঁতেও জনা নাছিল? কিন্তু লাহে লাহে এজনে আনজনৰ বাবে চিট এটা সংৰক্ষণ কৰি ৰখাটোও এটা যে অভ্যাসত পৰিণত হ'বলৈ আৰম্ভ হৈছে, সেয়া পাছে অজানিতে হোৱা নাছিল, জানি-বুজিয়ে হৈছিল। আনকি পাছলৈ এনেও হৈছিল যে চিটটো পূৰণ নহ'লে ফোনতে প্ৰশ্ন আহিছিল, 'আজি নাহিলা যে, বেমাৰ নেকি, ৰ'বা আবেলি মই গৈ আছোঁ?'

পাছে জীৱনত প্ৰথমবাৰ চাকৰীজীৱী মহিলাৰ হোষ্টেললৈ গৈ সি বৰ দ্বিধাবোধ কৰিছিল। যদিও সি আলহীঘৰতে বহিছিল, তথাপিও কম বয়সৰ ছোৱালীবিলাকে তালৈ আলেঙে আলেঙে চাই ফিচ-ফিচকৈ হাঁহিছিল। সুমিত্ৰাই বিৰক্তহৈ ক'বলৈ বাধ্য হৈছিল, 'তহঁতে আজিহে চিৰিয়াখানাৰ জন্তু দেখা পাইছ, নহয়নে?' কোনোবা এগৰাকীয়ে আঁতৰৰ পৰা উত্তৰ দিছিল, 'চিৰিয়াখানাৰ জন্তু আক' কিয় চাম, ভিনিদেউক চাইছোঁ— তাৰ পাছত আটাইকেইজনিৰ খিলখিলকৈ হাঁহি। সি সুমিত্ৰাৰ মুখলৈ চাবলৈ সাহসেই গোটাব পৰা নাছিল। আহিবৰ সময়ত সি কৈছিল, 'মন গ'লে তুমিয়ে কেতিয়াবা মোৰ তালৈ যাবা, মই আৰু নাহোঁ, এই পৰিৱেশ মোৰ বাবে সুখজনক নহয়।'

তাই একো উত্তৰ দিয়া নাছিল, কিন্তু গৈছিল, এবাৰ দুবাৰ নহয় কেইবাবাৰো। পাছে দ্বিতীয়বাৰ গৈয়েই তায়ো আপত্তি কৰিছিল, 'তোমালোকৰ কলনিলৈ অচিনাকি ছোৱালী আগতে নাহে নেকি? নাইবা ডেকা ল'ৰাৰ ঘৰলৈ ছোৱালী নাহে নেকি?'

নাহিবৰতো কোনো কাৰণ থাকিব নোৱাৰে?

তেন্তে তোমাৰ ঘৰৰ কাষ আহি পোৱাৰ লগে লগে মানুহবিলাকৰ চকুত ইমান প্ৰশ্ন কিয়?

'কাৰণ মোৰ ৰুমলৈ দ্বিতীয়বাৰ ছোৱালী আহিছে যে? ভয় খাইছা নেকি?'— তাৰ মুখত মিচিকিয়া হাঁহি অকণমান ওলাই আহিল।

'কালৈ ভয়? তোমালৈ নে মানুহবোৰলৈ? জানি থোৱা, এই মহানগৰলৈ অকলে ওলাই আহিছিলো আৰু আজিও অকলেই থাকো।' তাৰ পাছতে হঠাতে এক অৰ্থপূৰ্ণ হাঁহিৰে তালৈ চাই কৈছিল, 'অৱশ্যে তোমালৈ ভয় কৰিব লগা হোৱাহেঁতেন ভালেই আছিল, কিন্তু তুমিওচোন চাৰ্কাচৰ বাঘহে'— তাৰ উত্তৰলৈ অপেক্ষা নকৰি সুমিত্ৰাই তাৰ বিশৃংখল ৰুমটো সজোৱাত লাগি গৈছিল। সি কিবা ক'বলৈ লৈয়ো ৰৈ গৈছিল আৰু মাথোন সুমিত্ৰালৈ চাই আছিল নিশব্দে, হয়তো ভাবিছিল এই ছোৱালীজনীয়ে কেতিয়া, কাক, কি অৰ্থত কিছুমান মন্তব্য কৰে, তাই নিজেও বুজি পায়নে? বুজি পাওঁ যেন অনুভৱ কৰা তাৰ মনটোৱেও তেনে সময়ত তাইক অবুজ সাঁথৰ যেনহে অনুভৱ হয়। অৱশ্যে তাই কেতিয়াবা কৈছিল, মোৰ প্ৰতিটো কথাৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিলে নাইবা অৰ্থ উলিয়াবলৈ চেষ্টা কৰিলে আনৰ দৰে তোমাৰো মোক পাগলী যেনেই অনুভৱ হ'ব। অৱশ্যে সিদ্ধান্ত তোমাৰ নিজৰ, তাত মোৰ কব লগা একো নাই।

অৱশ্যে এষাৰ কথা ঠিক যে বহুত কিবা-কিবি নভবাকৈ কিছুমান কথা স্পষ্টভাৱে ক'লেও সেইবিলাকৰ মাজতো যে কিছুমান নিৰ্দিষ্ট অৰ্থ থাকে, সেয়া সি ভালদৰেই অনুভৱ কৰে। এদিনাখন তাই কৈছিল, 'এই যে তুমি ইমান কমকৈ কথা কোৱা আৰু মই প্ৰয়োজনতকৈ অলপ বেছি কথা কওঁ, ভৱিষ্যতে মোৰ স'তে তোমাৰ সমস্যা নহ'ব নে বাৰু?

'মানে?' সি আচলতে ধৰিব পৰা নাছিল কথাষাৰৰ অৰ্থ।

তাই অকণমান সময়ৰ বাবে কি কৈ পালোঁ বুলি ইতস্তত বোধ কৰিছিল যদিও ক্ষন্তেকতে নিজকে প্ৰস্তুত কৰিলৈ নিজেই উত্তৰ দিছিল, 'সেয়া চোৱা, বেছি কথা কোৱাৰ পৰিণাম? আচলতে ক'ব বিচাৰিছিলোঁ, ইমান দীঘল চাকৰিৰ জীৱনত শেষলৈকে একেলগে চাকৰি কৰিলে, মোৰ পেকপেককৈ কোৱা কথাবোৰ শুনি তোমাৰ আমনি নেলাগিবনে? কাৰণ তুমি কথা শুনিহে থাকা, কোৱাৰ অভ্যাসচোন তোমাৰ নায়েই?'

কথাষাৰ যি অৰ্থতেই নকওক একেবাৰে অযুক্তিকৰ যে নহয়, সেয়া সিয়ো অনুভৱ কৰিলে। অকল কথাই নে? মানুহজনীৰ অভিযোগো বহুত— সমাজ, ৰাজনীতি, অৰ্থনীতি, বজাৰ, অফিচ, মানুহ সকলোতে। সেয়ে হয়তো কথাৰ পৰিমাণ বেছি হৈ গৈ থাকে। অভিযোগ তাৰো আছে সেইবিলাক বিষয়ত, কিন্তু তাৰ যুক্তি হ'ল অযথা সেইবিলাক আলোচনা

> অকণমানে অসুৰ বুলি গিৰীয়েক ভলুকাৰ কথা কৈছিল। ঘোৰ মদাহী। তদুপৰি নাৰীলোভী। এফালে ডাঙৰ পুতেক বীৰেনৰ এহালি ল'ৰা-ছোৱালী আছে। নাতি মুখ দেখাৰ পিছতো আৰু এজনী গোটাই আনিব বিচাৰে ভলুকাই। সিদিনা "মোৰ যৌৱন গ'ল" বুলি শুই থকা বিছনাখনতে ঘুচিয়াইছিল ভলুকাই। নিৰ্লজ্জ ভাৱে কান্দিছিলও।

কৰি বা কাৰোবাৰ আগত বকলা মেলি যিহেতু একো লাভ নহয়, গতিকে কোৱাৰ প্ৰয়োজনেই বা কি? আনহাতে, তাৰ ক'বলগাখিনি যিহেতু সুমিত্ৰাই কৈয়েই দিয়ে, সি পুনৰ কৈ থকানো যুক্তি ক'ত? ইমানখিনি অভিজ্ঞতা থকাৰ পাছতো সি তাইক লগ পোৱাৰ পাছৰ সময়খিনি বিশ্লেষণ কৰিবলৈ বাধ্য হয়। লেখ-জোখবিহীন খং, অভিমান আৰু অভিযোগ থাকে মানুহজনীৰ, তাৰ প্ৰতিও থাকে অবিৰত অভিযোগ, তুমি কিয় খং উঠিলে, বিৰক্ত হ'লে কৈ নিদিয়া কিয়? পুৰুষৰ ইমান ধৈৰ্য থাকিব পাৰে নে? সিমানেই নহয় নিজৰ প্ৰতিও আছে তাইৰ বহু অভিযোগ অভিমান, মোৰ এইতো কিয় এনেকোৱা হ'ল, নিজৰ মাজত কিয় মোৰ একো নথকা যেন অনুভৱ হয়? সঁচাকৈয়ে তাৰ খং আৰু বিৰক্তি নেলাগে নেকি? বিৰক্তি নলগাৰ কোনো কাৰণেই থাকিব নোৱাৰে, মানুহৰ ইমান বেছি অসন্তোষ থাকিব নেপায়, সিয়ো বিশ্বাস কৰে। তথাপি কৰবাত সি দেখোন তাইৰ মাজতে কিবা এক অজানা অদেখা উপলব্ধি বিচাৰি পায়? সাতটা দীঘলীয়া দিনৰ সপ্তাহাত অলপ সময়ৰ বাবে হ'লেও তাই তাৰ কাষত থকাতো যেন সি বিচাৰে। সেই উপলব্ধিক সি বিভিন্ন প্ৰকাৰে মিছা প্ৰমাণিত কৰিবলৈ চেষ্টা কৰিও সি সফল হ'ব পৰা নাই আজিলৈকে। কিয় জানো সি অনুভৱ কৰে মাক-বাপেকৰ অতিৰিক্ত কোনোবা যদি সেয়া একমাত্ৰ সুমিত্ৰা, যি তাৰ অন্তৰৰ বেদনা আৰু অভাৱখিনি বুজি পায় আৰু এষাৰ সান্ত্বনাৰ বাণী উচ্চাৰণ নকৰিলেও সি সান্ত্বনা অনুভৱ কৰে।

প্ৰকৃততে সুমিত্ৰাৰ পৰা তিৰস্কাৰৰ সন্মুখীন হোৱাৰ পাছৰে পৰা সি সেই কথাকেই পুনৰ প্ৰমাণিত কৰাৰ চেষ্টা পুনৰ আৰম্ভ কৰিছে। তাৰ অভিমানী মনটোৱে যেন ক্ষুব্ধ হৈ বিদ্ৰোহ কৰিবলৈয়ে যেন আগ্ৰহী। মই কাৰোবাৰ কাষত থিয় দি আছোঁ যদিও দিন-ৰাতি অতন্দ্ৰ প্ৰহৰী হৈ থকাৰ বাবেতো প্ৰতিশ্ৰুতিবদ্ধ



হোৱা নাই এতিয়ালৈকে? আচলতে কোনো মানুহেই কাৰো বাবে সম্পূৰ্ণৰূপে সুৰক্ষাৰ প্ৰহৰী হ'ব নোৱাৰে? সেয়া অসম্ভৱ কথা। দুটাকৈ দিন সি কামৰ পৰা অনাহকতে ছুটী লৈ হ'লেও বিষয়টোক অধিক শক্তি প্ৰদান কৰিবলৈ চেষ্টা কৰিছে। দৰাচলতে এখন প্ৰাচীৰ গাঁথিব পাৰি নেকি সেয়া সি চেষ্টা কৰি চাব বিচাৰিছে।

কিন্তু সঁচাকৈয়ে সি সেই প্ৰচেষ্টাত সফল হ'ব পাৰিছেনে বাৰু? কিয় বাৰু তেনেহ'লে সুমিত্ৰাৰ কাষত খালি হৈ থকা চিটীবাছৰ ছিটটোৰ প্ৰতি তাৰ বাৰে বাৰে মনত পৰি আছে যোৱা দুদিন অহৰহভাৱে ? কিয় বাৰু সি বাৰে বাৰে সুমিত্ৰাৰ কথা ভাবিছে, তাইৰ মনত কি প্ৰতিক্ৰিয়া হৈছে, কেনেকৈ ভাবিছে, অফিচলৈ গৈছে নে নাই, তাক নেদেখি তাইৰ কিমান খং উঠিছে— ইত্যাদি কথাবিলাক বাৰে বাৰে মনত উদয় হৈছে। অন্য সময়ত সাধাৰণতে বৰ বিশেষ গুৰুত্ব নিদিয়া ম'বাইলটোৰ প্ৰতি যোৱা দুদিনে তাৰ আগ্ৰহ যথেষ্ট বাঢ়িছে কিয় বাৰু? ম'বাইলটোৰ প্ৰতিটো চিনাকি অচিনাকি কলিং, মেচেজে তাৰ দৃষ্টি কাঢ়ি নিছে বাৰে বাৰে কিয়?

নাই, সি দেখোন দুচকুৰে অন্ধকাৰ যেন দেখিবলৈ আৰম্ভ কৰিছে। এক অনামী ভাগৰে যেন আববি ধৰিলে তাক। সি চকুদুটা মুদি পৰি ৰ'ল নিঠৰ হৈ। দুচকুত যেন ভাঁহি উঠিল এক নীলাভ কুঞ্জবন, য'ত নিৰিবিলিভাৱে সি আৰু সুমিত্ৰাই যেন বহি আছে নিৰৱ নিস্তব্ধভাৱে নিচেই কাষে কাষে। নীলিমাৰে ভৰা বৃক্ষবনত যেন পক্ষীৰ কলৰৱ। নিৰ্বাক নিস্তব্ধভাৱে বহি থকা সুমিত্ৰাৰ মুখমণ্ডললৈ সি আজিহে একেবাৰে ওচৰৰ পৰা চালে। সময়ৰ আঁচুৰ লাগি ৰুক্ষ হৈ পৰিছে বুলি ভৰা মুখমণ্ডলত সেই মুহূৰ্তত সি দেখা পালে বিচ্ছুৰিত আৱেগৰ প্ৰজ্বলিত আভা। তেনেহ'লে সি আজিলৈকে তাইক ভালদৰে দেখাই নাছিল নেকি? আচৰিত। তাৰ অনুভৱ হ'ল, ডাৱৰে ঢাকি ৰাখিলেও দূৰ-দিগন্তৰ নীলিমা জানু হেৰাই যাব পাৰে? হঠাৎ দুচকু মেলি সি পোন হৈ বহিল আৰু ক্ষন্তেক কিবা ভাবি কাষতে থকা ম'বাইলটো আলফুলে হাতত তুলি ল'লে??



# মধুমালতী, টোপনি যোৱা...

পঞ্চানন হাজৰিকা

(এক)

মধুমালতীৰ দেউতাক এই সৰু চহৰখনৰ এজন নামজ্বলা সংগীত শিল্পী আছিল। মধুমালতীৰ ককাদেউতাকে এসময়ত শ্বিলঙত অসম চৰকাৰৰ অধীনত উচ্চ পদতে চাকৰি কৰিছিল। সেয়া স্বাধীনতাৰ পিছৰে কথা—শ্বিলং তেতিয়া অসমৰ ৰাজধানী। অৱসৰৰ পাছত তেওঁ তেওঁৰ সহকৰ্মীসকলৰ দৰে গুৱাহাটীতেই মাটি-বাৰী কিনি থাকি যাব পাৰিলেহেঁতেন। শ্বিলঙীয়া আদব-কায়দাত অভ্যস্ত পৰিয়ালটোক লৈ তেওঁ কিন্তু নিজে জন্ম হোৱা অসম-অৰুণাচলৰ সীমামূৰীয়া সৰু চহৰখনলৈ উভতি অহাৰ কথা ভাবিলে। তেতিয়া অৱশ্যেই চহৰখনে চহৰৰ নিজা জ্যামিত্ৰিত গঢ় লৈ উঠা নাছিলেই। তাৰ মাজতে সেই নৱগঠিত চহৰতে মধুমালতীৰ ককাদেউতাক যাদৱ দুৱৰাই এটা দীঘল, আহল-বহল, ই পেটাৰ্ণৰ অসম আৰ্হিৰ

ঘৰ সজালেহি। সন্মুখত এশাৰী দেৱদাৰু ৰুলেহি। আৰু শ্বিলং স্মৃতিৰে পদূলিমুখত বাঢ়ি আহিল দুজোপা পাহাৰৰ গছ— পাইন। সৰু চহৰখনত এই ঘৰটিয়ে এক দৃষ্টিনন্দন পৰিৱেশেৰে বাটৰুৱা ৰাইজৰ চকু টানি ধৰিছিল। শীত কালত— এলেজিয়া বা ক্ৰিছেনথিমামৰ দৰে ঋতুকালীন ফুলেৰে আৰু ঘৰৰ দেৱাল বগাই ছেপ্টেম্বৰ মাহৰ পৰা ফুলিবলৈ লোৱা বুগেনভেলিয়াই জগতৰ সমস্ত ৰং-বৈভৱ ছটিয়াই থকা সময়ত সকলোৱে এবাৰ ঘৰটিলৈ মূৰ তুলি চাইছিল। সৰস্বতী পূজা বা এনে ধৰণৰ উৎসৱ-পাৰ্বণত ঘৰটোৰ সন্মুখত ষ্টিল কেমেৰাৰে ফটো উঠিবলৈও দুই- এক আহিছিল। মধুমালতীৰ আইতাক কামিনীয়ে সেই ফুলাম গৃহ এৰি সোনকালেই জীৱনৰ আটাইটকৈ নীৰৱ আৰু প্ৰশান্ত যাত্ৰাটোত এদিন ভৰি থ'লে। দুই সন্তান পৃথিৱী আৰু মেদিনীয়ে আনুষ্ঠানিক শিক্ষা শেষ কৰিছিলহে মাত্ৰ। যোৰহাট ইঞ্জিনীয়াৰিং কলেজৰ পৰা পাছ কৰিয়ে পৃথিৱী দুলীয়াজানৰ তেল কোম্পানীত চাকৰি কৰিবলৈ গ'ল। মেদিনী পৃথিৱীতকৈ দুবছৰ ডাঙৰ আছিল— কিন্তু পঢ়া-শুনাৰ ক্ষেত্ৰত পৃথিৱীৰ দৰে মেদিনীৰ ইমান চমকপদ সাফল্য নাছিল। মেদিনী দুৱৰা আছিল শিল্পী। তবলা বজাইছিল। হাৰমনিয়ামত আঙুলি বুলালেই চিৰযুগমীয়া সুৰেৰে ঢৌ তোলাব পাৰিছিল বতাহত। যাদৱ দুৱৰা আছিল সংগীত-সংস্কৃতিৰ কদৰ বুজা মানুহ। শ্বিলঙৰ অসমীয়া মধ্যবিত্ত সমাজখনৰ পৰা তেওঁ এই সাংস্কৃতিক মন আৰু ৰুচি অৰ্জন কৰিছিল। মেদিনীৰ সাংস্কৃতিক মনটোৰ প্ৰতি তেওঁৰ সপ্ৰশংসক শ্ৰদ্ধা আছিল। তাৰ পিছতো তেওঁ পুত্ৰৰ অৰ্থনৈতিক স্বতন্ত্ৰতাৰ বাবে বিচাৰিছিল এক স্থায়ী সংস্থাপন, নিৰাপদ-সুৰক্ষিত ভৱিষ্যত— সকলো পিতৃয়েই যেনেদৰে বিচাৰে, তেনেদৰেই। তেওঁ নিজে পোৱা আৰু ল'ৰাহঁতক দিয়া স্বাচ্চন্দ্যময় জীৱনৰ ধাৰাবাহিক উত্তৰাধিকাৰ— কেৱল গীত-মাতৰ চৰ্চাৰে যে সহজে পোৱা নাযাব, সেয়া বুজাৰো দূৰদৃষ্টি আৰু বাস্তৱদৰ্শিতা তেওঁৰ আছিল। কিন্তু মেদিনী দুৱৰাই পছন্দ কৰিলে সুকীয়া পথ— একান্তই নিজৰ— সুৰৰ— হৃদয় প্ৰশান্ত বাটৰ। মাকৰ মৃত্যুৰ পিছত অন্তৰ্মুখী আৰু সংগীতপ্ৰিয় মেদিনী আগতকৈও বেছি ভাবুক আৰু আত্মমগ্ন হৈ পৰিছিল। হাৰমনিয়ামত আঙুলি বুলাই অসীমলৈ তধা লাগি চোৱা মেদিনীয়ে যেন দূৰৈৰ দিগন্ত বিস্তৃত অপাৰ শূন্যতাত হেৰাই যোৱাৰ কথাহে ভাবিছিল। ঠিক তেতিয়াই তেওঁ লগ পালে তগৰমণিক। তগৰমণিয়েও গান গায়। ৰাতি বিহুত প্ৰাণ ঢালি নাচে। তেওঁ যিমান গহীন আৰু বিষণ্ণ, তগৰমণি সিমানেই চঞ্চল আৰু প্ৰাণময়। অহৰহ খিলখিল হাঁহি। হাঁহিলে মুদ খোৱা চকু আৰু টোল পৰা গাল। বৈপৰীত্যৰ প্ৰতি সহজাত আকৰ্ষণৰ চিৰন্তন সত্যক পুনৰবাৰ স্বীকৃতি দি মেদিনী তগৰমণিৰ প্ৰেমত পৰিল। তগৰমণি সেই সময়ৰ চহৰখনৰ জনাজাত শিল্পী মেদিনী দুৱৰাৰ সংগীত সাধনা, গায়কী তথা ব্যক্তিত্বৰ অভিজাত আবেদনৰ প্ৰতি সদায়ে বিমুগ্ধ আৰু শ্ৰদ্ধাশীল আছিল। শ্বিলঙত শৈশৱ কটাই অহা তেওঁৰ পাৰিবাৰিক পৰম্পৰা আৰু গাঁৱৰ চহা পৰিয়ালৰ, তেতিয়াও জনজাতীয় বৈশিষ্ট্য জীয়াই থকা গাঁৱৰ ছোৱালী তগৰমণিৰ মাজত পাৰ্থক্য আছিল অনেক। কিন্তু তেওঁলোকতো শিল্পী। "তোৰো মনে গ'লে মোৰো মনে গ'লে, কি কৰিব অজাতি কুলে"— বিহু মঞ্চত এই গান গোৱা শিল্পী। ডুমডুমা নাট্যমন্দিৰত জ্যোতিপ্ৰসাদৰ 'কাৰেঙৰ লিগিৰী' নাটকত দুয়ো যোৱাবাৰ দুৰ্গাপূজাত একেলগে কণ্ঠ নিগৰাইছে—"সুৰেৰে জিঞ্জিৰী পিন্ধালি মোক...সুৰৰে জিঞ্জিৰী।" মেদিনী দুৱৰাই পিতাকে সজা ঘৰটোৰ বাওঁফালৰ কোঠা এটাত গানৰ বিদ্যালয় তেতিয়া আৰম্ভ কৰিছিল। পুতেক অনাতাঁৰ শিল্পী হিচাপে স্বীকৃতি পোৱা খবৰে সৰু চহৰখনৰ লগতে গৌৰৱান্বিত কৰি তুলিছিল যাদৱ দুৱৰাকো। তাৰ পিছতে মেদিনী দুৱৰাই সমাজ-পৰিয়াল সকলোকে আশ্বৰ্যচকিত কৰি সেই বিশেষ সিদ্ধান্তটো ল'লে।



সেই বছৰে ব'হাগ মাহৰ শেষলৈ বাজাজ স্কুটাৰৰ পিছত তুলি চহৰখনৰ আটাইটকৈ সম্ভ্ৰান্ত আৰু মৰ্যাদাশীল স্থাপত্যৰ ঘৰটোৰ বাৰাণ্ডাত থিয় কৰালেহি তগৰমণিক। বৰ ককায়েক পৃথিৱীয়ে তেতিয়াও বিয়া কৰোৱা নাই— পৃথিৱী তেতিয়া দুলীয়াজানত।

যাদৱ দুৱৰা হতভম্ব হ'ল। পিতাকৰ সন্মুখত সদায়ে তলমূৰ কৰি থকা মেদিনীৰ জীৱনত তলে তলে যে প্ৰেম ইমান দূৰলৈকে শিপাইছিল— দুৱৰাৰ সেয়া ধাৰণা নাছিল। বাৰাণ্ডাত ওৰণি টানি থিয় হৈ থকা ভিন্ন জাতৰ ছোৱালীজনীক লৈ তেওঁ বিবুধিত পৰিল। যাদৱ দুৱৰা বৰ ৰক্ষণশীল মানুহ নিশ্চয় নাছিল— কিন্তু দুৱৰা বংশৰ ঐতিহ্য আৰু পৰম্পৰাক লৈ গৰ্ব আৰু স্বাভিমান কিন্তু আছিল। 'ছোৱালী পলুৱাই আনি বিয়া কৰোৱা'ৰ কথাটো তেওঁলোক থকা চহৰৰ নিকটৱৰ্তী গাঁৱবোৰত অতি সহজ-সাধাৰণ আৰু স্বাভাৱিক কথা আছিল। সেয়া তেওঁলোকৰ অনুমোদিত জনগোষ্ঠীয় লোক পৰম্পৰাই আছিল। কিন্তু সম্ভ্ৰান্ত বুলি নাম থকা দুৱৰাৰ প্ৰতিভাধৰ পুতেকে যে এই বাট ল'ব—সেয়া তেওঁৰ বাবে আছিল ভাবিব নোৱাৰা কথা। বাৰাণ্ডাত কুছি মুচি থিয় হৈ থকা ন-কইনাক দেখি তেওঁৰ চেৰেং চেৰেংকৈ পত্নী কামিনীলৈকে মনত পৰিছিল। কামিনী থকা হ'লে! কামিনী থকা হ'লে সময়োচিত সিদ্ধান্ত লোৱাত তেওঁৰ অন্ততঃ সহজ হ'লহেঁতেন। মেদিনীয়ে ভাবি থকাৰ দৰে তেওঁ অৱশ্যে তৰ্জন-গৰ্জন নকৰিলে। ডিব্ৰুগড়ত থকা একমাত্ৰ ভনীয়েক আৰু দুই এক অতি বিশ্বস্ত আত্মীয়লৈ তেওঁ খবৰ পঠিয়ালে। দপদপাই উঠিল বৰপুতেক পৃথিৱীয়েহে। এইজনী ছোৱালী—এই গান-বাজনা কৰি ঘূৰি ফুৰা ছোৱালীজনী, তেওঁলোকৰ ৰীতি-সংস্কাৰৰ লগত একেবাৰে নিমিলা এইজনী ছোৱালীয়ে পাৰিবনে তেওঁৰ ঘৰৰ বোৱাৰী হ'ব? কামিনীয়ে থৈ যোৱা তিৰোতাবিহীন ঘৰখনৰ শূন্যতাক পূৰাব? এনে হ'ব নালাগিছিল। কিন্তু হৈ গ'ল। ছোৱালীজনীক তেওঁ মাতৃগৃহলৈ উভতাই পঠিয়াব নোৱাৰে— তাইৰ সাংস্কৃতিক পৰম্পৰাত এই বিয়া সামাজিকভাৱে অনুমোদনৰ যোগ্য। পুতেকক তেওঁ গৃহত্যাগৰ হুকুম দিব নোৱাৰে। প্ৰথম দুদিন ছোৱালীজনীক তেওঁ এমূৰীয়া আলহী কোঠাটোতে থকাৰ ব্যৱস্থা কৰি দিলে। চতুৰ্থ দিনা ডিব্ৰুগড়ৰ পেহীয়েক আহি মেদিনীক গালি-গালাজ পাৰি হিয়ালি জিয়ালিকৈ কান্দিলেহি। মেদিনী মৌন। ভাবুক। জীৱনত কি এক বিৰাট পৰিৱৰ্তন হৈ গ'ল, তাক লৈ যেন তেওঁ সঁচাকৈয়ে অজ্ঞাত। পেহীয়েকেই জোৰোণ পিন্ধালে। কামিনীয়ে দুই পুতেকলৈ ভাগ কৰি থৈ যোৱা গহনা পিন্ধালে। কইনাৰ অভিভাৱকক মাতি পঠিওৱা হ'ল। শ্বিলঙীয়া স্থাপত্যৰ ঘৰটোৰ চ'ৰাঘৰতে ভকতক সেৱা কৰি বিয়া হৈ গ'ল মেদিনী আৰু তগৰমণিৰ। সেই বিয়ালৈ পৃথিৱী নাহিল।

...তাৰ এক বছৰ পিছতেই জন্ম হ'ল মধুমালতীৰ।

(দুই)

আজিকালি মধুমালতীৰ টোপনি ক্ষীণ। আগতে এনে নাছিল। আগৰ টোপনিবোৰ আছিল ইমান নিৰ্ভয়—ইমান নিৰ্ভৰ। বাৰাণ্ডাৰ পৰা চালে ককাকে ৰোৱা পাইন গছজোপাৰ শিখৰত জোনটো উলম্বভাৱে থিয় হৈ থকা যেন লাগিছিল। কিমান যে কথা কৈছিল বাৰাণ্ডাৰ বেতৰ চোফাটোত বহি বহি ককাকে। তেওঁতো গোপীনাথ বৰদলৈক ওচৰৰ পৰা দেখিছিল। বিষ্ণুৰাম মেধি-বিমলা প্ৰসাদ চলিহাকো। কলেজত পঢ়ি থকা কালত এবাৰ শ্বিলঙলৈ ফুৰিবলৈ যাওঁতে মধুমালতীয়ে ককাকে কৈ থকা শ্বিলঙৰ অসমীয়া নামঘৰ, সংগীতৰ স্কুল, চপলা বুকষ্টলৰ ঐতিহ্য— এইবোৰ পিতপিতাই বিচাৰি ফুৰিছিল। ককাকৰ লগত মধুমালতীৰ যিমান আত্মীয়তা আছিল— পিতাকৰ লগত নাছিল। ককাক স্নেহৰ ওপচা সাগৰ— পিতাক যেন দূৰৈৰ পৰা হাউলি কপালত হাত থোৱা এক ওখ পাহাৰহে। যেতিয়া গান গাইছিল, যেতিয়া হাৰমনিয়াম বজাইছিল— তেতিয়াহে পিতাকৰ চকুৰে মুখে দেখা গৈছিল জীৱনস্পৃহাৰ জকমকীয়া দ্যুতি। এনেয়ে তেওঁ বৰ শান্ত আৰু নিৰীহ ধৰণে এক স্বল্পভাষী জীৱন কটাইছিল। মাক তগৰমণিয়ে কেৱল দৌৰাদৌৰিকৈ দিন-ৰাতি ঘৰখনৰ কাম সামৰি থকাই দেখিছিল তাই সৰুৰে পৰা। বৰদেউতাক পৃথিৱী দুৱৰাই তাইৰ মাকক কাহানিও ভালকৈ মাত-বোল কৰা তাই দেখা নাছিল। বৰমাক অৱশ্যেই খুউব কমকৈ আহিছিল। তাইৰ তিনি বছৰমান বয়সত সম্ভৱ বৰদেউতাকৰ বিয়া হৈছিল। ৰং-চঙীয়া কাপোৰ আৰু গহনা পিন্ধি ঘৰৰ পৰ্টিকৰ দলিছাত চফৰ বঁটা লৈ থকা ধুনীয়া মানুহ এজনীক 'বৰমা' বুলি মাতিবলৈ মাকে তাইক শিকাই দিয়া মনত পৰে। সেইবোৰ বহুদিনৰ আগৰ কথা। বৰমাক এইখন ঘৰলৈ আহিবলৈ বৰ ভাল পোৱা নাছিল। তেওঁ বৰদেউতাকৰ সৈতে একেলগে বৰদেউতাকৰ দৰেই পেণ্ট-চাৰ্ট পিন্ধি অফিচলৈ যোৱা মহিলা আছিল। বৰদেউতাকৰ ছোৱালী ইলিজী আৰু ল'ৰা ভাৰ্গৱ আছিল তাইতকৈ প্ৰায় ছবছৰ আৰু আঠবছৰ সৰু। বন্ধৰ দিনত মাজে মাজে আহিলে লগ পোৱা কাজিনকেইটাৰ লগত মধুমালতীৰ অৱশ্যে বৰ আত্মীয়তা নাছিল। সিহঁত সকলোবোৰ দূৰে দূৰে ডাঙৰ হৈছিল— নিজা নিজা ধৰণে। পিছলৈ যেতিয়া ফেচবুক-হোৱাটছএপ্ আহিছিল, মানুহবোৰে

নিজৰ সুখ-দুখৰ ছবিবোৰ অহৰহ শ্বেয়াৰ কৰি ভাল পোৱা হৈছিল— তেতিয়ালৈহে সামাজিক মাধ্যমতে সৌজন্য-সম্ভাষণৰ বিনিময়ৰ মাজেৰে ধৰি ৰখা গৈছিল পাৰিবাৰিক বান্ধোনৰ সৌহাদ্য আৰু ঘনিষ্ঠতা। ককাকৰ মৃত্যুতে সিহঁত গোটেইবোৰ সম্ভৱ একেলগে গোট খাইছিল— শেষবাৰৰ বাবে। মধুমালতী তেতিয়া বিশ্ববিদ্যালয়ত পঢ়ি আছিল। সেয়া আছিল জীৱনৰ খুউব আপোন কাৰোবাক চিৰদিনৰ বাবে হেৰুৱাই পেলোৱাৰ প্ৰথম বিষাদময়-কষ্টকৰ অভিজ্ঞতা। হঠাৎ যেন সকলো সলনি হৈ গ'ল— বেলেগ হৈ গ'ল— ইমান সহজে জীৱনৰ অভ্যাস হৈ থকা এজন মানুহ নোহোৱা হৈ গ'ল।

ককাদেউতাক তাইৰ বাবে সৰুৰে পৰা নায়কৰ দৰে আছিল। কল্পকথাৰ ৰজা, দেৱদূত বা সৰ্বনিয়ন্ত্ৰক শক্তিধৰ বুলি কেতিয়াও তাই দেউতাকক ভাবি চোৱা নাছিল। বা এনেকুৱাও হ'ব পাৰে— খামিডাঠ, দূৰন্ত আৰু প্ৰভাৱী ব্যক্তিত্বৰ ককাকৰ তুলনাত অন্তৰ্মুখী, নিৰ্জু, সংগীতপ্ৰাণ দেউতাকক তাইৰ দুৰ্বল যেন লাগিছিল। নে সংখ্যাগৰিষ্ঠ নাৰীয়ে উগ্ৰ পুৰুষসুলভতাৰ প্ৰতি উগ্ৰ আকৰ্ষণ ৰাখে। তায়ো ৰাখিছিল ? মাধৱীলতাই ?

কলেজত তাইৰ প্ৰেম হৈছিল অম্লানৰ সৈতে। সি আছিল সেইবছৰৰ সাধাৰণ সম্পাদক। সুবক্তা-তাৰ্কিক-নেতৃত্বসুলভ গুণৰ, ওখ পাখ চেহেৰাৰ অম্লানৰ দেখিলেই প্ৰেম হোৱা এক ব্যক্তিত্ব আছিল। কিন্তু কম বয়সীয়া আৱেগ আৰু উত্তেজনাৰ মাজেৰেই সেই সম্পৰ্ক সোনকালেই শেষ হৈছিল। অম্লান বুলিলে আজি আৰু ক'ৰবাত সামান্যও কম্পন অথবা আলোড়ন দেহ-মনত ৰৈ গৈছে বুলি মধুমালতীয়ে নাভাবে। জীৱনত মুখামুখি হোৱা, জীৱনৰ অংশীদাৰো হোৱা কত মানুহক মানুহে পাহৰি পেলায় অতি সহজে। মধুমালতীয়েও অম্লানক পাহৰি পেলালে। কিন্তু পাহৰিব নোৱাৰিলে ভগীৰথক। ভগীৰথ আৰু তাইৰ যি সম্পৰ্ক হ'ল— সেই সম্পৰ্কটো পাহৰিব পৰা যে নাযায়েই। তিক্ত-বিৰক্ত স্মৃতি বুলি চকু মুদি আঁতৰাব খুজিলেও তাই গৈ গৈ আকৌ ভগীৰথৰ জীৱনটোতেই সাঙোৰ খাই পৰেগৈ। তাই চকুহে মুদে— আইন আৰু সমাজে জানো তাইক টোপনি যাবলৈ দিয়ে ? নিদিয়ে। তাই এতিয়াও ভগীৰথৰ বিবাহিতা স্ত্ৰী। আদালতত তাই ডিভোৰ্চৰ বাবে আপীল কৰিছে। ভগীৰথৰ ফালৰ পৰা বিচ্ছেদৰ বাবে সন্মতি নাই। সিহঁতৰ আঠ বছৰীয়া একমাত্ৰ সন্তানটি এতিয়াও ভগীৰথৰ লগতেই আছে। এনে নহয় যে ভগীৰথৰ তাইৰ প্ৰতি প্ৰেম আছে— সম্পৰ্কটো ঠিক কৰিব বিচৰাৰ আকাংক্ষা আছে— সন্তানৰ প্ৰতি দায়িত্ব আছে। তেনে কোনো কথা নাই। কিন্তু আইনগত বিচ্ছেদৰ মাজেৰে পত্নীক দিবলগীয়া স্ত্ৰীধন আৰু মাহিলী পাৰিতোষিকৰ পৰা মুক্ত হ'বলৈ সি বিচ্ছেদৰ বাবে আগ নাবাঢ়ে। আন পুৰুষৰ দৰে তাৰ দ্বিতীয় বিবাহৰো ইচ্ছা নাই। সেনা বাহিনীত চাকৰি কৰা এজন বন্ধুৰ পত্নীৰ সৈতে সি দীঘলীয়া সময় ধৰি এক বিবাহ-বৰ্হিভূত সম্পৰ্ক ৰাখিছে। বৈবাহিক সম্পৰ্ক নামৰ উশাহ বন্ধ হ'ব খোজা বন্ধ বৃত্তটোৰ গেলা-পচা খুচৰি মধুমালতী নামত মাত্ৰ তাৰ ঘৈণীয়েক আৰু ল'ৰাৰ মাক হৈ থাকি যাওক— ভগীৰথে মাত্ৰ এয়াই বিচাৰে।

কিন্তু মধুমালতীয়ে নোৱাৰিলে।

তাই এদিন উভতি আহিল। পিতাকৰ ঘৰলৈ।

যাদৰ দুৰৱাই সজা এই চহৰৰ সেই বিৰল স্থাপত্যৰ ঐতিহ্যময় ঘৰটোলৈ।

(তিনি)

বহুদিন ধৰি হৈ থকা পেটৰ বিষটো হঠাৎ এদিন জৰায়ুৰ কৰ্কট ৰোগলৈ সলনি হৈছিল। হাতত ধন-বিত বেছি নাছিল। তেওঁ আছিল স্থায়ী অৰ্জন নথকা শিল্পী মানুহ। তথাপিও পত্নীৰ অসুখৰ চিকিৎসাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাইছিল মেদিনী দুৰৱাই। পিতাকে তেওঁৰ নামত থৈ যোৱা মাটি এটুকুৰাও তেওঁ উপায়হীন হৈ পানীৰ দৰত বেছি দিছিল। দুই সন্তানক বাহিৰত পঢ়ুৱাই থকাৰ অজুহাতত সহায় কৰাৰ অক্ষমতা প্ৰকাশ কৰিছিল একমাত্ৰ ককায়েক পৃথিৱীয়েও। কিন্তু তগৰমণি এই সমস্ত যত্ন অসাৰ প্ৰতিপন্ন কৰি পৃথিৱীৰ পৰা অকালতেই গুচি গ'ল। তেওঁৰ মাক কামিনীও আধাবয়সতে মৰিছিল। তগৰমণিও প্ৰায় একে বয়সতে। এই ঘৰৰ তিৰোতা মানুহৰ কি এয়া এক অলংঘ্য নিয়তি ? বৰ বেছি ভবা নাছিল তেওঁ। মানুহৰ নিয়ন্ত্ৰণৰ বাহিৰত বাবেই জীৱনক জীৱন আৰু মৃত্যুক মৃত্যু বুলি সহজকৈ বুজি থকা হয়। জীয়েকে পছন্দ কৰা সুদৰ্শন চেহেৰাৰ ভগীৰথ যদিও তেওঁৰ বৰ পছন্দৰ প্ৰাৰ্থী নাছিল— কিন্তু নিজৰ জীৱনৰে বিবাহৰ সিদ্ধান্ত অভিভাৱকৰ অনুমতি নোলোৱাকৈ লোৱাৰ দৃষ্টান্ত দেখুৱাই যোৱা মেদিনী দুৰৱাই জীয়েকৰ পছন্দত আপত্তি তোলাৰ বৰ প্ৰাসংগিক যুক্তি বিচাৰি নাপালে। ভগীৰথ-মধুমালতীৰ বিয়া অনাড়ম্বৰভাৱেই হৈছিল। নতুন ঘৰত কন্যাৰ প্ৰয়োজন হ'ব পৰা দুই এপদ বস্তুৰ বাহিৰে বৰ বিশেষ একো জীয়েকৰ লগত তেওঁ দিব পৰাও নাছিল। কিন্তু বিয়াৰ ছমাহ পিছতেই জোঁৱায়েকৰ বাবে যেতিয়া স্কুটী বিচাৰি জীয়েকৰ পৰা ফৰমাইচ আহিল— তেওঁ প্ৰথমবাৰৰ বাবে এটা ঝট্‌কা খালে। সাঁচতীয়া ধনেৰে জোঁৱায়েকক স্কুটী কিনি দিয়াও হ'ল। তাৰ মাজতে জোঁৱায়েকৰ ব্যৱসায় পৰি অহাৰ খবৰ আহিল।

জীয়েকক সকাহ দিব পৰাকৈ তেৰোঁ বৰ টনকিয়াল অৱস্থাত নাছিল। বয়স হোৱাৰ লগে লগে সংগীতৰ অনুষ্ঠান কমি আহিছিল। চহৰত মিউজিকৰ স্কুলো বাঢ়িছিল। সংগীতত সুৰ-শব্দতকৈ প্ৰযুক্তিৰ চমক বাঢ়িছিল। সাধনাতকৈ প্ৰদৰ্শনকামিতাক গুৰুত্ব দিয়া নতুন আৰু মঞ্চশুৱনি গায়ক-গায়িকাসকল ৰাইজৰ বেছি আপোন হৈ আহিছিল। জোঁৱায়েক ভগীৰথ তেওঁৰ ওচৰলৈ আৰম্ভণিৰে পৰা কমকৈ আহিছিল। মধুমালতী আহি আছিল—জীয়েকৰ চকুৰে মুখে খুউব কম দিনতে ফুটিবলৈ আৰম্ভ কৰিছিল অসুখী সংসাৰৰ হতাশা। প্ৰেমিক স্বামীৰ সৈতে কৰা সংসাৰৰ প্ৰতি তীব্ৰ বিৰাগ-বিৰক্তি। তাই বৰ খিংখিঙীয়া আৰু মেজাজী ধৰণৰ হৈ পৰিছিল। জীয়েকৰ লগত আগৰে পৰা মেদিনী দুৰৰাই কমকৈয়ে কথা পাতিছিল— কিন্তু পিতাকৰ সমস্ত আদৰ আৰু হেঁপাহেৰে সদায়ে জীয়েকৰ মুখখনলৈ চাইছিল। আঁৰ চকুৰে হ'লেও চাইছিল। মধুমালতীয়ে মাক তগৰমণিৰ পৰা পাইছিল চকুহাল— পিতাকৰ পৰা নাক আৰু থুতৰি। আৰু এদিন তেওঁ দেখিছিল— চেনেহী জীয়েকৰ কপালত এটা টেমুনা। চকুৰ তলত উজাগৰৰ দাগ। তেওঁৰ আদৰৰ কন্যা কি শাৰীৰিক আতিশয্যৰ বলি হৈছে ভগীৰথৰ ঘৰত? ইতিমধ্যে মধুমালতী মাক হৈছিল— বৰ্ণিল নামৰ এটি কণমানিৰ থুনুক থানাক মাত আৰু থুপুক-থাপাক খোজেৰে ভৰি আহিছিল চৌপাশ। শিশুৰ কলৰৱৰ কি যে মায়াময়! কি যে প্ৰাণভৰা! জীৱন ধুনীয়া বুলি বাৰে বাৰে পতিয়ন যাবলৈ মন যোৱা! বৰ্ণিল ডাঙৰ হৈ আহিল— ককাকৰ হাৰমনিয়ামত জোৰেৰে হেঁচি হেঁচি সৃষ্টি কৰা বিচিত্ৰ সুৰবোৰ শুনি নিজেই হাত তালি বজাই হাঁহিব পৰা হ'ল। ককাকৰ কোঁচত উঠি 'বগলী বগা ফোঁট দি যা...' গাই পাইন গছৰ ওপৰেদি উৰি যোৱা আবেলিৰ বগলীলৈ পুতলাৰ দৰে হাত দুখন মেলি দিব পৰা হ'ল। কণমানি বৰ্ণিলৰ সৈতে জীয়েক তেওঁৰ ঘৰত থাকিলেহি মেদিনী দুৰৰাৰ ভাল লাগিছিল। বিশাল, উদং, শূন্য ঘৰখনৰ নীৰৱ পায়চাৰিবোৰৰ পৰা ওলাই অহাৰ একমাত্ৰ বাট আছিল সেয়াই। এটা বয়সত জীৱন কিয় ইমান সুৰহীন-বৈভৱহীন হৈ আহে? একাকীত্ব আৰু নিৰ্জনতাই কিদৰে আগুৰি উঠে এসময়ৰ মুখৰিত পৰিমণ্ডল? তাৰ পিছতো সকলো পিতৃৰ দৰেই তেওঁ বিচাৰিছিল—জীয়েক স্বামীগৃহত কুশলে থাকক। সংসাৰৰ সাময়িক মনোমালিন্য অতিক্ৰমি স্বামী আৰু সন্তানেৰে পৰিবেষ্টিত এক সুস্থিৰ জীৱন কটাওক! মধুমালতীক কেতিয়াও তেওঁ নিজৰ লগত বেছিদিন থাকিবলৈ দিয়া নাছিল। দূৰত্ব আৰু পলায়নেৰে ঘৰ গঢ়ি নুঠে। ঘৰ হৈ উঠে মৰমেৰে, প্ৰেমেৰে, বুজাবুজিয়ে...। এই কথাইতো তেওঁ ইমানদিনে শিকিছে— মাক-পিতাকৰ সংসাৰৰ পৰা, নিজৰ সংসাৰৰ পৰা, চৌপাশৰ পৰিচিত ঘৰবোৰৰ পৰা। পুৰাৰ কন্দল বিয়লিলৈ হাঁহি-তামাচাৰে পুৰা-গধূলিৰ যুৰীয়া কাপৰ চাহৰ ধোঁৱাত বতাহলৈ উৰি যায়। এয়াই সহজ। আৰু স্বাভাৱিক। এয়াই সকলো সুখী আৰু পৰিপূৰ্ণ মানুহৰ জীৱনৰ চিৰন্তন কাম্য।

কিন্তু কথাবোৰ তেনেকুৱা নহ'ল।

এদিন মধুমালতী উভতি আহিল।

সন্তানৰ কাষ্টডী বিচাৰি ক'ৰ্টলৈ গ'ল।

তেওঁ দেখিলে— মধুমালতীৰ চকুৰ তলৰ দাগ স্থায়ী হৈ গৈছে।





ধাৰাভাষ্যও কোনো এটা চেনেলে সম্প্ৰচাৰ কৰিলে। বৰদেউতাকৰ পুতেক ভাৰ্গৱ দিল্লীত। সি ইতিমধ্যেই তাত তাৰ অবিবাহিত জীৱন সংগীৰ সৈতে একেলগে চেটল্ড হৈছে। বৰমাক-বৰদেউতাক বাৰ্দ্ধক্যজনিত কাৰণত অন্য এখন চহৰত প্ৰায় গৃহবন্দী। ইলিজী আহিছিল। বৰ আত্মীয়তা আৰু নৈকট্য যদিও পূৰ্বৰে পৰা নাছিল, কিন্তু বায়েকৰ এই দুৰাৱস্থাত তেজৰ সম্পৰ্কৰ কৰ্তৃত্বৰে ইলিজীয়েই মধুমালতীক আঁকোৱালি ধৰিলেহি। ইলিজী তাৰ কিছুদিনৰ আগতেও আহিছিল। দুয়ো বাই-ভনি দ্বিধা আৰু সংকোচেৰে মেদিনী দুৱৰাৰ সৈতে ডাইনিং মেজত মুখামুখি হৈছিল। পৃথিৱী দুৱৰাই তেওঁৰ আপত্তিহীনতাৰ কথা ইতিমধ্যেই জনাই দিছে। মাত্ৰ সমান অংশীদাৰীত্বৰে কথাখিনি আগবঢ়োৱাটো বিচাৰিছে। চহৰখন এতিয়া যাদৱ দুৱৰাৰ দিনৰ দৰে হৈ থকা নাই। নতুনকৈ কলেজ হৈছে— হাস্পতাল হৈছে— নাতিদূৰৈত হৈছে ৰিজ'ৰ্ট। কাষতে তেল ডিপো বহিছে। পতঞ্জলিয়ে প্ৰকাণ্ড এটা উদ্যোগৰ বাবে ভূমি আবণ্টন লৈছে। ইটোৰ পিছত সিটো হোষ্টেল বহিছে। প্ৰান্তীয় চহৰত এপাৰ্টমেণ্ট সাজিব বিচৰা কোম্পানীটোৰ খবৰ আনিছিল ইলিজীয়ে। সকলোকে পইছাৰ প্ৰয়োজন। এই প্ৰকাণ্ড ঘৰ-মাটি প্ৰায় অথ'লে গৈ আছে। আজিৰ তাৰিখত এনে ভূ-সম্পত্তিৰ মূল্য কেইবাকোটিও হ'ব। মেদিনী দুৱৰাৰ স্বাক্ষৰ এটা হ'লেই কথাবোৰ সহজ হৈ যায়। পৃথিৱী দুৱৰাই তেওঁৰ স্বাক্ষৰৰ অনুমতি ইতিমধ্যেই দি দিছে। মধুমালতীয়ে অভাৱবোৰৰ কথা দেউতাকক আকৌ এবাৰ সোঁৱৰাই দিছিল। ইনভাৰ্টাৰ বেয়া হৈছে— কিনিব পৰা নাই। বাথৰুমত গ্ৰীজাৰৰ কেতিয়াবাই বিজুতি হৈছে। তাতকৈও ডাঙৰ কথা—প্ৰায় ষাঠিবছৰীয়া টিন পাত উৰলি গৈছে। দুটামান ৰুমৰ ছিলিং খহি গৈছে। কি হ'ব এই উৰলি যোৱা নিৰৰ্থক আৱেগক সামৰি-সুতৰি? দুয়ো বাই-ভনিৰ প্ৰায় ওপৰা-ওপৰি বুজনিত মেদিনী দুৱৰা প্ৰায় চুপ হৈ বহি আছিল।

শেষত কিছু কথা নকলে হয়তো লেখাতো আধৰুৱা হৈ ৰ’ব। যোৱা কিছু বছৰ ধৰি চলচ্চিত্ৰ জগতত কোৱাণ্টাম বলবিজ্ঞানৰ চৰ্চা দেখা গৈছে। এই বিষয়ত কিছুমান উল্লেখনীয় নাম হৈছে ‘ক’হাৰেঞ্চ’, ‘ইণ্টাৰষ্টেলাৰ’, ‘এভেঞ্জাৰ্চ ঃ এণ্ডগেম’, ‘পাম স্প্ৰিংচ’, ‘এণ্টমেন এন্ড দি ৱাস্প্ ঃ কুৱাণ্টুমেনিয়া’, আদি। ইয়াৰে কিছুমান চলচ্চিত্ৰ সম্পূৰ্ণ কাল্পনিক, কিছুমান কিছু পৰিমানে তত্ত্বৰ ওপৰত প্ৰতিস্থিত। উদাহৰণস্বৰূপে ২০১৩ চনত মুক্তিপ্ৰাপ্ত ‘ক’হাৰেঞ্চ’ত কোৱাণ্টাম সংহতি বা ক’হাৰেঞ্চ আৰু বহুবিশ্ব বা মাল্টিভাৰ্সৰ তত্ত্ব ব্যৱহাৰ হৈছে আৰু চলচ্চিত্ৰখন সম্পূৰ্ণ শুদ্ধ নহলেও যুক্তিৰ ওপৰত প্ৰতিস্থিত। ২০১৪ চনত মুক্তিপ্ৰাপ্ত ‘ইণ্টাৰষ্টেলাৰ’ত মধ্যাকৰ্ষন আৰু সময়ৰ বিস্তৃতি (time dilation) ব্যৱহাৰ হৈছে, যিবিলাক পদাৰ্থ বিজ্ঞানৰ সঠিক সূত্ৰৰ ওপৰত প্ৰতিস্থিত। আনহাতে, ‘এভেঞ্জাৰ্চ: এণ্ডগেম’ (2019) কোৱাণ্টাম জট বা এনটেংগলমেণ্টৰ ওপৰত প্ৰতিস্থিত’, ‘পাম স্প্ৰিংচ’ (2020, সময়ৰ চক্ৰ বা লুপৰ ওপৰত প্ৰতিস্থিত), ‘এণ্টমেন এণ্ড দি ৱাস্প ঃ কুৱাণ্টুমেনিয়া’ (2023, কোৱাণ্টাম স্পট বা এনটেংগলমেণ্টৰ ওপৰত প্ৰতিস্থিত), আদি কাল্পনিক। এনেধৰণৰ প্ৰায়বোৰ চলচ্চিত্ৰতে কোৱাণ্টাম শব্দটোক যাদুৰ দৰে ব্যৱহাৰ কৰা হৈছে। যেনে, দুখনমান চলচ্চিত্ৰত কোৱাণ্টাম এনটেংগলমেণ্টক জি পি এছৰ দৰে ব্যৱহাৰ কৰা হৈছে, যিটো বাস্তৱত শুদ্ধ নহয়। একেধৰণেৰে, মাত্ৰা বা ডাইমেনছনৰ মাজেৰে কোৱাণ্টাম জঁটৰ দ্বাৰা মানৱদেহৰ বাবে কোৱাণ্টাম সুৰংগৰ প্ৰয়োগ এক প্ৰকৃত কোৱাণ্টাম সূত্ৰৰ অতিৰঞ্জনহে। আনহাতে, ‘ইণ্টাৰষ্টেলাৰ’ চলচ্চিত্ৰত দেখুওৱা সময়ৰ বিস্তৃতি এক প্ৰকৃত কোৱাণ্টাম সূত্ৰ, য’ত পোহৰৰ গতিৰ সৈতে তুলনাযোগ্য বেগত গতি কৰিলে বা বৃহৎ মহাকৰ্ষণীয় ক্ষেত্ৰৰ কাষেৰে পাৰ হ’লে সময়ৰ গতি লেহেমীয়া হৈ পৰে। এই বিজ্ঞানভিত্তিক চলচ্চিত্ৰবোৰৰ গুৰুত্ব সমাজ জীৱনত কিন্তু কম নহয়। এনে চলচ্চিত্ৰসমূহে বিজ্ঞানৰ সাধাৰণ ধাৰণা এটা গঢ় দিব পাৰে। ভুল বৰ্ণনাই কেতিয়াবা বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে, কিন্তু একে সময়তে কৌতুহলৰো সৃষ্টি কৰিব পাৰে। প্ৰকৃত বিজ্ঞান শিক্ষাৰ সৈতে যোগ কৰিলে গভীৰ শিক্ষণ আৰু শিকণৰ বাবেও ইহঁতে পথপ্ৰদৰ্শকৰ ভূমিকা পালন কৰিব পাৰে।

১৯২৫ চনত হাইজেনবাৰ্গ-শ্ৰডিনজাৰ আদিয়ে এক বন্য ধাৰণা হিচাপেই কোৱাণ্টাম বলবিজ্ঞানৰ ভেটি ৰাখিছিল। আজি ই আধুনিক জীৱনৰ ভেটি। বিগত এশ বছৰত কোৱাণ্টাম বলবিজ্ঞানে বিশ্বৰ প্ৰযুক্তিক সম্পূৰ্ণ ৰূপে সলনি কৰি পেলাইছে। আমি চিনেমা এখন ষ্ট্ৰীমিং কৰিছোঁ, মেডিকেল স্কেন লৈছোঁ, বা চহৰ এখনত নেভিগেট কৰিছোঁ, আমি কোৱাণ্টাম তত্ত্বৰ দ্বাৰা গঠিত এখন পৃথিৱীত বাস কৰি আছোঁ। আৰু পৰৱৰ্তী শতিকা? পৰৱৰ্তী শতিকা কেনে হ’ল ?? সেয়া সময়ৰ হাতত।

# বিশ্ব বিজয়ী 'উমা'

## বিশ্ব মহিলা ক্ৰিকেটত অগ্ৰণী অসমীয়া খেলুৱৈ

ইমন ভূঞা






**"মহিলা ক্ৰিকেট এটা সময়ত সমাজৰ দৃষ্টিত পিছপৰা আৰু আলোকহীন প্ৰতিযোগিতাৰ ক্ষেত্ৰ আছিল। কিন্তু এই পথটোক উন্মুক্ত কৰি প্ৰতিটো বাধা ভাঙি, বিশ্ব মঞ্চত ভাৰতীয় পতাকা উৰাই ৰখাৰ যি পৰম কৰ্তব্য, আজিৰ মহিলা দলটোৱে নিৰ্বাহ কৰিছে, তাৰ কেন্দ্ৰত আছে উমাৰ দৰে সবল, নিৰ্ভীক আৰু স্বপ্নময় এটা দ্ৰষ্টা খেলুৱৈসকল।"**




বিশ্ব ক্ৰিকেটৰ দীঘল পথত বহু নক্ষত্ৰ উদয় হৈছে, বহু নক্ষত্ৰ নিম্নমুখী হৈছে কিন্তু কিছু নক্ষত্ৰ আছে যাৰ জ্যোতি যুগে যুগে উজ্বল হৈ থাকে। ভাৰতীয় মহিলা ক্ৰিকেটৰ এনে এগৰাকী উজ্বল নক্ষত্ৰ হৈছে উমা, যাক দেশবাসীয়ে আজিকালি 'বিশ্ব বিজয়ী উমা' বুলি গৰ্বে উচ্চাৰণ কৰে। তেৱেঁই ভাৰতীয় মহিলা ক্ৰিকেট দলৰ সেই অক্লান্ত ৰণুৱা— যিয়ে নিজৰ অধ্যাৱসায়, শক্তি, মনোযোগ আৰু অদম্য প্ৰতিভাৰ জোৰত কেৱল খেলেই নহয়— দেশৰ নাম সন্মানেৰে শীৰ্ষলৈ লৈ গৈছে।

মহিলা ক্ৰিকেট এটা সময়ত সমাজৰ দৃষ্টিত পিছপৰা আৰু আলোকহীন প্ৰতিযোগিতাৰ ক্ষেত্ৰ আছিল। কিন্তু এই পথটোক উন্মুক্ত কৰি প্ৰতিটো বাধা ভাঙি, বিশ্ব মঞ্চত ভাৰতীয় পতাকা উৰাই ৰখাৰ যি পৰম কৰ্তব্য, আজিৰ মহিলা দলটোৱে নিৰ্বাহ কৰিছে, তাৰ কেন্দ্ৰত আছে উমাৰ দৰে সবল, নিৰ্ভীক আৰু স্বপ্নময় এটা দ্ৰষ্টা খেলুৱৈসকল।

উমাৰ বিজয় কেবল ক্ৰিক্ৰেটৰ বিজয় নহয়, ই প্ৰতিজনী ছোৱালীৰ বিজয়— যিয়ে এটা সময়ত সপোন দেখে, কিন্তু সমাজৰ সংকোচ চাপ, উপহাস আৰু সন্দেহৰ মাজত সেই সপোনটোক ডিঙি চেঁপি মাৰি পেলায়।

২০০২ চনত ২৭ জুলাইত গোলাঘাট জিলাৰ বোকাখাতৰ কান্ধুলিমাৰী গাঁৱত উমা ছেত্ৰীৰ জন্ম হৈছিল। উমা আছিল লোকবাহাদুৰ ছেত্ৰী আৰু দীপা ছেত্ৰীৰ পাঁচটা সন্তানৰ ভিতৰত কনিষ্ঠ সন্তান। ঘৰত চাৰিজন ল'ৰাৰ তিনিওজনেই বাহিৰত কৰ্মৰত। উমাৰ সাফল্যতাৰ প্ৰথম জখলাডাল মাতৃ দীপা আছিল। উমাক যেতিয়াই ৰাষ্টাত আন ল'ৰাবোৰৰ লগত খেলি থকা দেখিছিল, মাকে উমাক গালি দিয়াৰ পৰিৱৰ্তে আৰু ভালদৰে খেলিবলৈ উৎসাহিত কৰিছিল। সেই স্কুলীয়া শিক্ষা বোকাখাত হিন্দী হাইস্কুলৰ পৰা গ্ৰহণ কৰিছিল।

অসমৰ প্ৰথমগৰাকী ক্ৰিকেটাৰ হিচাপে ভাৰতীয় ছিনিয়ৰ দলত স্থান লাভ কৰিবলৈ সক্ষম হোৱা ২১ বছৰীয়া উমা আৰ্থিকভাৱে দুৰ্বল আছিল। শৈশৱৰ পৰাই দৰিদ্ৰতাৰ লগতো আন বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল। কিন্তু তেওঁ হাৰ মনা নাছিল। ক্ৰিকেটেৰে জীৱন গঢ়াৰ দুৰ্বাৰ সপোন বাস্তৱায়িত কৰিবলৈ তেওঁ প্ৰতিটো বাধা প্ৰতিটো প্ৰত্যাহ্বান ওফৰাই নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িছিল। উমাই চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোঁতে ক্ৰিকেটৰ প্ৰশিক্ষণ আৰম্ভ কৰিছিল প্ৰশিক্ষক ৰাজা ৰহমানৰ ওচৰত ২০১১ চনত। তেতিয়া বোকাখাতত প্ৰথমবাৰৰ বাবে মহিলা ক্ৰিকেটৰ আৰম্ভণি হৈছিল। উমাই প্ৰশিক্ষণৰ বাবে অত্যন্ত সংগ্ৰাম কৰিব লাগিছিল। ক্ৰিকেটত প্ৰশিক্ষণ গ্ৰহণ কৰিবলৈ তেওঁ প্ৰায় ৮ কিলোমিটাৰ দূৰৰ এখন দুৰ্গম গাঁৱৰ পৰা খোজকাঢ়ি আহিছিল। বৰষুণৰ পানীত তেওঁ প্ৰায় বোকা পানীতে লুতুৰি-পুতুৰি হৈ ওলাই গৈছিল আৰু বানপানীৰ সময়ত নাৱেৰে পাৰ হৈ গৈছিল। ২০১৩-১৪ চনত ১৬ বছৰ অনূৰ্ধ্ব অসম দলত স্থান লাভ কৰে। ইয়াৰ পিছত উমাই আৰু থমকিব লগা হোৱা নাই।

উমাৰ কেৰিয়াৰ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আনজন প্ৰশিক্ষক আছিল মেহবুব আলাম। তেওঁ ২০১৭ চনৰ পৰা মহিলা ক্ৰিকেটাৰগৰাকীক প্ৰশিক্ষণ আগবঢ়াই অহা বোকাখাত টাউন ক্ৰিকেট ক্লাবৰ প্ৰশিক্ষক আছিল। ছোৱালী এগৰাকীক ক্ৰিক্ৰেটৰ প্ৰশিক্ষণ দিয়াৰ বাবে তেৰোঁ সমাজৰ বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল।

ক্ৰিকেট খেলি ভালপোৱা উমাই ৰাজ্যিক দলৰপৰা ভাৰতীয় 'এ' দলৰ পাছত টীম ইণ্ডিয়াত স্থান লাভ কৰে। তেওঁ অসমৰ পৰা ভাৰতীয় ক্ৰিকেট দলত স্থান লাভ কৰা প্ৰথম গৰাকী ব্যক্তি। ২০২৩ চনৰ জুলাই মাহতে উমাই ভাৰতীয় মহিলা দলৰ হৈ বাংলাদেশ ভ্ৰমণৰ আন্তৰ্জাতিক জগতত প্ৰৱেশ কৰে। একেবছৰে হংকঙত অনুষ্ঠিত হোৱা ২৩ বছৰৰ অনূৰ্ধ্ব ইমাজিং এছিয়া কাপত ফাইনেলত বাংলাদেশক পৰাস্ত কৰি ইণ্ডিয়া 'এ' দলত অংশ হৈছিল। তেওঁ ২০২৩ চনত হাংঝৌত অনুষ্ঠিত এছিয়ান গেমচত স্বৰ্ণ পদক লাভ কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অংশ আছিল। ২০২৪ চনৰ মে' মাহত তেওঁ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাৰ বাবে WODI, WT2O আৰু টেষ্ট দলত স্থান লাভ কৰে আৰু ২০২৪ চনৰ ৭ জুলাইত T20Iত আন্তঃৰাষ্ট্ৰীয় খেলতো খোজ পেলায়। ২০২৪ চনৰ অক্টোবৰ মাহৰ নিউজিলেণ্ডৰ বিৰুদ্ধে হোৱা WODI শৃংখলাৰ বাবে উমাক ভাৰতীয় দলত অন্তৰ্ভুক্ত কৰা হয়। তানিয়া ভাতীয়া আঘাতপ্ৰাপ্ত হোৱাৰ পাছত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে WODI শৃংখলা আৰু ২০২৫ চনৰ মহিলা ক্ৰিকেট বিশ্বকাপৰ বাবে ভাৰতীয় দলত উমাই স্থান লাভ কৰে। বিশ্বকাপত বাংলাদেশৰ বিৰুদ্ধে WODI-ত তেওঁ অংশ লয়। এই বিশ্বকাপত ভাৰতীয় মহিলা ক্ৰিকেট টীমে জয় লাভ কৰে।

বিশ্ব বিজয়ী উমাৰ জীৱন বৃত্তান্ত কোনো ব্যক্তিগত সফলতাৰ কাহিনী নহয় ই সমগ্ৰ সমাজলৈ এটা আহ্বান--

"সপোন দেখিবা, দৃঢ়তাৰে,আগ্ৰহেৰে আৰু আত্মবিশ্বাস ধৰি ৰাখিবা।"

উমাই প্ৰমাণ কৰিছে যে সুযোগ কেৱল ল'ৰাসকলৰ বাবে সীমাবদ্ধ নহয়। প্ৰতিভাৰ বাবে লিংগৰ প্ৰয়োজন নাই অধ্যাৱসায়েৰে অসম্ভৱকো সম্ভৱ কৰিব পাৰি।

ভাৰতীয় মহিলা ক্ৰিকেট দলৰ এই অক্লান্ত যোদ্ধাই দেশক দিছে গৌৰৱ, বিশ্বক দিছে অনুপ্ৰেৰণা আৰু আগন্তুক প্ৰজন্মক দিছে সপোনক সঠিক দিশ।

উমা যাৰ নামৰ অৰ্থতে অছে শক্তি, সৃষ্টি জ্যোতি লুকাই আছে। তেওঁ আজি দেশৰ জ্যোতি হৈ বিশ্ব মঞ্চত প্ৰদীপ জ্বলাইছে।

আজি দেশে গৌৰৱেৰে কয়—
"বিশ্ব বিজয়ী উমা,
আমাৰ শক্তিৰ প্ৰতীক
আমাৰ সন্মান,
আমাৰ অনুপ্ৰেৰণা।"

উমাৰ কেৰিয়াৰ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা আনজন প্ৰশিক্ষক আছিল মেহবুব আলম। তেওঁ ২০১৭ চনৰ পৰা মহিলা ক্ৰিকেটাৰগৰাকীক প্ৰশিক্ষণ আগবঢ়াই অহা বোকাখাত টাউন ক্ৰিক্ৰেট ক্লাবৰ প্ৰশিক্ষক আছিল। ছোৱালী এগৰাকীক ক্ৰিক্ৰেটৰ প্ৰশিক্ষণ দিয়াৰ বাবে তেৰোঁ সমাজৰ বহু প্ৰত্যাহ্বানৰ সন্মুখিন হ'ব লগা হৈছিল।

# মুখামুখি



ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা, অস্পৰা ষ্টাৰ গীল্ড বঁটা, আইফা ইণ্টাৰনেচনেল ইণ্ডিয়া ফিল্ম একাডেমী বঁটাপ্ৰাপক বিশিষ্ট শব্দ অভিযন্তা **দেৱজিৎ চাংমাইৰ** সৈতে মুখামুখি আলাপ

**কষ্টতো কৰিবই লাগিব। কষ্ট কৰাৰ পাছত হয়তো ফলটো কেতিয়া পাম সেইটো আমি নাজানোঁ। কাৰোবাৰ ক্ষেত্ৰত খুব সোনকালেই হৈ যায়। কাৰোবাৰ ক্ষেত্ৰত আৰু অলপ দিন ৰ'লেই হৈ যায়। কাৰোবাৰ ক্ষেত্ৰত আৰু দুদিনমান যোৱাৰ পাছতো নহয়গৈ। কিন্তু আমি লাগি থাকিব লাগিব, আমি যুঁজি থাকিব লাগিব। ফলাফল আহিবই।**

*আপোনাৰ জন্ম আৰু শৈশৱৰ বিষয়ে কিছু কথা জনাব নেকি?*

**দেৱজিৎ চাংমাই ঃ** মোৰ জন্ম শিৱসাগৰ জিলাত। মোৰ দেউতা এগৰাকী স্কুলৰ শিক্ষক আছিল। দেউতাৰ নাম গোপীনাথ চাংমাই। মাৰ নাম হিৰণ্যপ্ৰভা চাংমাই। মায়েও অলপ দিন স্কুলত শিক্ষকতা কৰিছিল। তাতেই মই ডাঙৰ হোৱা আৰু অসমীয়া মাধ্যমত পঢ়া-শুনা কৰা। আমি এটা যৌথ পৰিয়ালত আছিলোঁ। মোৰ দেউতা-মা, দাদা-মই আৰু দুজন খুড়াদেউৰ পৰিয়াল একেলগে আছিলোঁ। মোৰ হাইস্কুলীয়া শিক্ষা শিৱসাগৰ গৰ্ভমেণ্ট স্কুলৰ পৰা হৈছিল। শিৱসাগৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়। মই দ্বাদশ শ্ৰেণীলৈকে তাতেই পঢ়িছিলোঁ। তাৰ পাছতে মই গ্ৰেজুৱেছন যোৰহাট বিজ্ঞান মহাদ্যিালয়ৰ পৰা কৰিছিলোঁ। আৰু ফিজিক্সত অনাৰ্ছ লৈয়ে উত্তীৰ্ণ হৈছিলোঁ। তাৰ পাছতে মই জ্যোতি

চিত্ৰবন ফিল্ম এণ্ড টেলিভিছন ইন্সটিটিউটৰ প্ৰথম বেট্‌ছৰ ছাউণ্ডৰ ছাত্ৰ আছিলোঁ। বাকী মোৰ শৈশৱ-কৈশোৰ শিৱসাগৰ বেতবাৰীতে কটাইছিলোঁ। সেইসময়ত সম্পূৰ্ণ এটা গ্ৰাম্য জীৱন আছিল। আমাৰ সহজ-সৰল জীৱন। কিন্তু খুব সুখৰ জীৱন আছিল। সাধাৰণভাৱে আমি ডাঙৰ হোৱা ল'ৰা। কিন্তু এটা কোৱালিটী ৰক্ষা কৰি থকা ল'ৰা। আগতে আমাৰ এনেকুৱা আছিলে যে শিৱসাগৰ বেতবাৰী চাংমাই গাঁও আমাৰ হেড মানে গাঁৱৰ মুৰব্বী আছিল। কিন্তু আমাৰ হাইৱেৰ পইণ্টৰ বেতবাৰী আলিমূৰৰ পৰা আমাৰ ঘৰখনলৈ প্ৰায় ডেৰ-দুই কিলোমিটাৰ সোমাই যাব লাগে। বিৰাট এখন হাবিৰ মাজেদি যোৱা ধৰণৰ ঠাই আছিল। আমি স্কুললৈ যাবৰ সময়ত বা টিউচনলৈ যাবৰ সময়ত বাৰিষা আমাৰ ৰাস্তাটো খুব বোকাময় হৈ থাকে। তাৰ পাছতে চেন্দেল হাতত লৈ আমি ওলাই আহোঁ। বৰ্তমান আমি য'ত থাকোঁ তাৰ সন্মুখতে আমাৰ দদাইদেউ এজন আছিল। তাতে আমি হাত-ভৰি ধুই বাকীখিনি ৰাস্তা যাওঁ। ঠিক তেনেকুৱা আছিল। কিন্তু ঠিকেই আছিল, সুখেৰে আছিলোঁ। স্ফূৰ্তিৰে আছিলোঁ। তেনেকৈ আমাৰ শৈশৱ আৰু কৈশোৰ পাৰ হোৱা।

▶▶| *আপুনি sound mixing profession ৰ সৈতে কেতিয়াৰ পৰা কেনেদৰে জড়িত হৈ পৰিল?*

**দেৱজিৎ চাংমাই ঃ** আমাৰ পৰিয়ালত তেনেকুৱা কোনো বেকগ্ৰাউণ্ড এফৰটচ্ নাছিলে। ইয়াত কাম কৰিছোঁ আমাৰ কোনো পৰিয়ালৰ মানুহে আগতে কাম কৰা নাই। আগতে মই স্কুলত থাকোঁতে তবলা বজাবলৈ শিকিছিলোঁ। মায়ে খুব ইচ্ছা কৰিছিল তেনেকুৱা কিবা বজাবলৈ শিকাৰ প্ৰতি। তবলা শিকিছিলোঁ অলপ দিনৰ কাৰণেহে। ক'ৰবাত ক'ৰবাত প্ৰতিযোগিতাত এনেয়ে অংশগ্ৰহণ কৰিছিলোঁ। একো নিশিকাকৈ গান গোৱাৰ দৰে। বনগীত প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছিলোঁ। কোনো কিন্তু আনুষ্ঠানিক শিক্ষা নাই। তেনেকৈ থাকোঁতে এনেকুৱা হ'ল যে মই নজনাকৈয়ে হাইয়াৰ ছেকেণ্ডেৰী পাছ কৰা পাছৰ পৰা ডিগ্ৰী পঢ়ি থাকোঁতে কিবাকিবি কৰি ছাউণ্ডৰ প্ৰতি আকৰ্ষিত হ'লোঁ। ফিজিক্সৰ আছিলোঁ। ছাউণ্ডৰ ওপৰত বিষয়ো আছে। ক'ত কেনেকৈ কি আকৰ্ষণ হ'ল নাজানোঁ। তেতিয়া সেই আগতে টিভিত গানৰ ৰেকৰ্ডিঙৰ ছেচনবিলাক দেখোঁ, ষ্টুডিঅ'ৰ ৰেকৰ্ডিংবিলাক দেখোঁ। বোধহয় তেনেকৈয়ে আকৰ্ষিত হ'লোঁ। কিন্তু সেই ডিগ্ৰী পঢ়ি থকা সময়ত লাহে লাহে শেষৰ ফালে মই চিয়ৰ হ'বলৈ ল'লোঁ যে মই ছাউণ্ডৰ কাম কৰিলেই ভাল লাগিব চাগে। তাৰ পিছত ডিগ্ৰী কমপ্লিট হোৱাৰ পিছত গুৱাহাটীলৈ আহি তেতিয়াই জ্যোতি চিত্ৰবনলৈ মই প্ৰায়ে যাওঁ। হেডৰ অনুমতি লৈ ষ্টুডিঅ'ৰ ফালে যাওঁ, বহি থাকোঁগৈ। ৰেকৰ্ডিং কৰা চাওঁ। সেই তেনেকৈ থাকোঁতে ১৯৯৯ চনৰ শেষৰ ফালে জ্যোতি চিত্ৰবন ফিল্ম এণ্ড ইনষ্টিটিউট হ'ল। সেই তেতিয়াই সুযোগটো ল'লোঁ। টেষ্ট দি নিৰ্বাচিত হ'লোঁ। প্ৰথম বেটচ্‌ৰ ছাত্ৰ আছিলোঁ আৰু ২০০১ চনত শেষ হৈছে। ২০০২ চনত মুম্বাইলৈ গুচি গ'লোঁ। তেনেকৈ আচলতে মই এই বিষয়টোত জড়িত হ'লোগৈ। এতিয়াও মই adjectly ক'ব নোৱাৰিম যে মই এই পইণ্টত আকৰ্ষিত হ'লোঁ। ডিগ্ৰী পঢ়ি থকাৰ পৰাই ইয়াৰ প্ৰতি ধাউতি বাঢ়িছিল। তাৰ পৰাই চাগে কিবাকিবি কৰি এই বিষয়টো পালোহি।

▶▶| *এগৰাকী অসম সন্তান হিচাপে বৰ্তমান সময়ত আপুনি অসমৰ নৱ প্ৰজন্মক এই দিশত কেনেদৰে আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগাব?*

**দেৱজিৎ চাংমাই ঃ** আমাৰ অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ কথাটো এনেকুৱা যে আমি মুম্বাইত থাকোঁ। আমাৰ পাৰ্থক্যটো ক'ত থাকে, আমি ইয়াত আছোঁ। এতিয়া কমিলে পাৰ্থক্যটো কমিল, আমাৰ প্ৰফেচনেলজিমতহে আমাৰ পাৰ্থক্য আছিলে। মানুহে কয় private আৰু professional life। সাধাৰণতে মুম্বাইত ভালকৈ শিকিব পাৰি। কামৰ সময়ত কাম। কাম হৈ যোৱাৰ পাছত যিয়ে নকৰোঁ লাগিলে কিন্তু কাম কৰি থকাৰ সময়ত কাম। তাত বন্ধুত্ব, ঘৰুৱা এইবিলাক কথা তাত নাহে। এতিয়া অসমত এই বস্তুটো হৈছে। আৰু হোৱাৰ স্থল সকলোতে থাকে আৰু সদায় থাকিব। ছাউণ্ড মিক্সিং বুলি নকওঁ গোটেই শব্দৰ লগতে আমি টেকনিকেলি এটা industry আগুৱাই যাবলৈ হ'লে— এটা হৈছে creativity আৰু এটা হৈছে technology লৈ আগুৱাব লাগিব। সেইখিনি সাধাৰণ অৰ্থত ক'বলৈ হ'লে এটা industryৰ আগুৱাই যোৱাটো বুজাব পাৰে। এজন পৰিচালকৰ যিটো সপোন— creativity সপোনটো ভাবে মনত, সাৰ্থক কেনেকৈ কৰিব পাৰি। টেকন'ল'জীৰ সহায় ল'ব লগা হয়। এইটো কাৰণে এতিয়া অকল ছাউণ্ডৰ ক্ষেত্ৰতে নকওঁ, টেকন'ল'জী বহুত উন্নত হৈ গৈ আছে। তেনেকুৱাকৈ প্ৰতি তিনি মাহতে সলনি হৈ থাকে। এতিয়া কথাটো হৈছে কাৰিকৰী দিশত আমি সময়ৰ লগত হাত মিলাই গৈ থাকিব লাগিব। আমি কাৰিকৰী সময়ৰ লগত উন্নত হৈ গৈ থাকিব লাগিব। অসমত বুলি নহয় সেইটো পৃথিৱীৰ সকলো ক্ষেত্ৰতে। গতিকে ইয়াতো তেনেকৈ প্ৰতিটো ডিপাৰ্টমেণ্টৰ এখন চিনেমা এটা এটা collective afford। সকলো মিলি-জুলি এটা অৱদান। সকলোৰে তাত অৱদান থাকে। সৰুৱে হওক বা ডাঙৰে হওক। চিনেমাৰ শ্বুটিং হৈ থকাৰ সময়ত খানা দিয়া মানুহজনলৈকে সকলোৰে গুৰুত্ব থাকে। লেখকজনেই হওক, চিনেমেটোগ্ৰাফাৰজনেই হওক, ডান্স কৰিঅ'গ্ৰাফাৰজনেই

হওক, গতিকে তেনেকৈ মিলাই মিলাই শেষত চাহকাপ দিয়াজনলৈকে সকলোৰে অৰিহণা থাকে। মিলি-জুলি কৰা হয় চিনেমা। গতিকে ইয়াত প্ৰতিটো ডিপাৰ্টমেণ্টেই টেকনিকেলি আপগ্ৰেড হৈ থাকিবলৈ চেষ্টা কৰিব লাগিব। আৰু পৰিচালক-প্ৰযোজকেও তেওঁলোকৰ ক্ষেত্ৰত যিটো সঠিক মূল্যাংকন কৰিব লাগে, প্ৰতিটো ডিপাৰ্টমেণ্টৰ সঠিক মূল্য দিয়া উচিত আৰু তেনেকৈয়ে আগুৱাব পৰা যাব। কিন্তু কামবিলাক টেকনিকেলি নহয়, creativity। কিন্তু সেই creative কামটো execut কৰিবৰ কাৰণে টেকনিকেলি আপগ্ৰেড হ'ব লাগিব। আৰু, any creative from always the froms of art, science and commerce, Arts টো হৈছে কলা। science আৰু comerce হৈছে টেকন'ল'জী। এই গোটেইকেইটাৰ যেতিয়া সংমিশ্ৰণ হ'ব যিকোনো কলাৰ লগত জড়িত থকা মানুহে আৰু সৃষ্টিশীল কাম কৰিব পাৰিব। সদায় কামটো confident ত কৰিব লাগে।

*আপুনি বৰ্তমান কি প্ৰকল্পৰ লগত জড়িত হৈ আছে জনালে সুখী হ'ম?*

**দেৱজিৎ চাংমাই ঃ** এতিয়া recently মই actually to be verifying 'ৰৈ ৰৈ বিনালে'খন শেষ কৰিছিলোঁ। শেহতীয়া দৃষ্টিত 'ৰৈ ৰৈ বিনালে'ৰ কামতে ব্যস্ত আছিলোঁ। তাৰ আগতে ধৰ্মা প্ৰডাকচনৰ আছিল 'ছানি সংস্কাৰী'। সেইখন শেষ কৰাৰ পাছতে ৰৈ ৰৈ বিনালে কৰিলোঁ। সেইখন শেষ কৰাৰ পাছত এক্সেল প্ৰডাকচনৰ '১২০ বাহাদুৰ' বুলি এখন চিনেমা কৰি আছোঁ, ফাৰহান আখটাৰৰ। তদুপৰি আৰু বহুখিনি আছে— আমাৰ 'ব'ৰ্ডাৰ ২' আছে। এতিয়া আৰু আমাৰ ওচৰত বহুকেইখন আঞ্চলিক ভাষাৰ ছবিও আছে। সেইবিলাক কৰিম। 'ককাদেউতা নাতি আৰু হাতী' আছে, 'পথ-উপপথ' আছে। 'হাতী' বুলি এখন আছে। মণিপুৰী ভাষাৰো চিনেমা কৰি আছোঁ। হিন্দীৰো আছে— সঞ্জয় লীলা ভাঞ্চালীৰ চিনেমা। যোৱা মাহত আমাৰ আটাইতকৈ occupied হৈ থকা চিনেমা আছিলে 'ৰৈ ৰৈ বিনালে'। বহু কষ্ট কৰি চিনেমাখন কৰা হ'ল। জুবিনদাৰ অবৰ্তমানত সেইখিনি কাম কৰাটো বৰ কষ্টকৰ আছিলে আমাৰ কাৰণে। আৰু কথাটো এনেকুৱা হ'ল— মানে জুবিনদাৰ চিনেমাখনত ডাবিং কৰি যাব পৰা নাছিলে। তেখেতৰ মাতটো মানে নতুনকৈ retrieve কৰি চিনেমাখনত অনাটোৱে আমাৰ বহুত ডাঙৰ কাম আছিলে। যি কি নহওক এতিয়া চব ভালে ভালে হৈ গ'ল। সকলোৱে উপভোগ কৰিলে। আৰু আহিব লগীয়া ইণ্টাৰেষ্টিং কাম আছে। ৰাকেশ ৰোচনৰো চিনেমা আছে। আমি সেইখিনি কৰিম। তেনেকৈ চলি আছোঁ মোটামুটি কৰি।

*যিহেতু আপুনি মুম্বাইৰ কৈলাস কমল ষ্টুডিঅ'ৰ লগত জড়িত হৈ আছে আপুনি কেনেদৰে এই ষ্টুডিঅ'ৰ লগত জড়িত হ'ল, কেনেদৰে আগবাঢ়ি গ'ল তাৰে কিছু কথা জনাব নেকি?*

**দেৱজিৎ চাংমাই ঃ** এইটো কৈলাশ কমল আৰু ৰাজ কমল হ'ব লাগে। কথাটো হ'ল— জ্যোতি চিত্ৰবনৰ প্ৰথম বেচ্‌ছৰ আছিলো বাবে ১৯৯৯ চনৰ আৰম্ভ কৰি ২০০১ চনত শেষ হৈছিল। আমি জ্যোতি চিত্ৰবনত পঢ়ি থকাৰ সময়তে তেতিয়া তাত আমাৰ নতুনকৈ ষ্টুডিঅ' বনাইছিলে। এই ষ্টুডিঅ'তে মুম্বাইৰ পৰা মানুহ আহিছিল আৰু এই ষ্টুডিঅ'টোত খুব মনোযোগ দি আছিলোঁ, ক্লাছ শেষ হ'লে এই ষ্টুডিঅ'টোতে থাকি দিওঁ। মিস্ত্ৰীবিলাকৰ লগত আমি থাকোঁ। কেনেকৈ একুৱাষ্টিক হয়, কি metrials ব্যৱহাৰ হয় এটা ষ্টুডিঅ' বনাওঁতে। এই গোটেই কথাবোৰ চাবলৈ সুযোগ পাইছিলোঁ। এটা ষ্টুডিঅ' চাবলৈ পোৱাটো খুব কম হয়। সাধাৰণতে হৈ যোৱাৰ পাছতহে ষ্টুডিঅ'বিলাক দেখা যায়। ষ্টুডিঅ'ৰ বেৰবিলাকৰ মাজত কি কি আছে সাধাৰণতে হৈ যোৱাৰ পাছত আমি দেখিবলৈ নাপাওঁ।

ক্লাছ শেষ হোৱাৰ পাছত আমি তাত থাকি দিওঁ, আমি চাওঁ, তেওঁলোকৰ লগত কামত লাগিও দিওঁ, ফলত তেওঁলোকে



জুবিনদাৰ অবৰ্তমানত সেইখিনি কাম কৰাটো বৰ কষ্টকৰ আছিলে আমাৰ কাৰণে। আৰু কথাটো এনেকুৱা হ'ল— মানে জুবিনদাৰ চিনেমাখনত ডাবিং কৰি যাব পৰা নাছিলে। তেখেতৰ মাতটো মানে নতুনকৈ retrieve কৰি চিনেমাখনত অনাটোৱে আমাৰ বহুত ডাঙৰ কাম আছিলে।

ভাল পালে। তেওঁলোকৰ লগত আমাৰ এটা সম্পৰ্ক গঢ় লৈ উঠিছিল। এই ষ্টুডিঅ' বনাই থকাৰ সময়তে। তেতিয়া একুৱাষ্টিক ইঞ্জিনীয়াৰ আহিছিল ৰাজু মলে বুলি STIF পুণে ইনষ্টিটিউটৰ পৰা। সেই সম্পৰ্কটো লৈয়ে আমাৰ ছাউণ্ড ইঞ্জিনীয়াৰিং প্ৰথম বেটছত ষ্টুডেণ্ট চাৰিটা আছিলে মই, অমৃত প্ৰীতম, বিজয় নাথ, ধীৰাজ বসুমতাৰী। তাৰে ধীৰাজ বসুমতাৰীয়ে ২০০১ চনৰ শেষৰফালে ইণ্টাৰভিউ দিবলৈ আহিছিলে। ইণ্টাৰভিউ দিবলৈ আহি থাকি গ'ল ইয়াৰে শুক্লা ষ্টুডিঅ'ত। অশোক শুক্লা ছাৰৰ ষ্টুডিঅ'ত। অশোক শুক্লা ছাৰ মানে বিৰাট known, তেখেত এজন বৰ ভাল ছাউণ্ড ইঞ্জিনীয়াৰ। তেনেকুৱা ধৰণৰ কামবিলাক তেখেতে কৰিছে। তেওঁ আমাক পঢ়াইছিলেও। তেওঁক যোগাযোগ কৰিলে তাতে থাকি গ'ল। ধীৰাজে কৈছিল— অশোক শুক্লা ছাৰে আমাক দুজন ল'ৰা লাগে বুলি কৈছিল। তোমালোক কোনোবা দুটা আহা। আমিতো ইয়াত তিনিজন আছিলোঁ। মই, অমৃত আৰু বিজয় আমি ফোনত কথা পাতি ক'লোঁ যে অমৃত আৰু মই যাম, বিজয়ে ক'লে যে মই ইয়াতে থাকি যাম। সি গুৱাহাটীৰে ল'ৰা। অমৃত আৰু মই ২০০২ চনৰ আৰম্ভণিতে গুচি গ'লোঁ মুম্বাই। তাৰ আগতে আমি মুম্বাইলৈ কেতিয়াও যোৱা নাছিলোঁ। তাত গৈ কল্যাণ ষ্টেচনত নামিলোঁ। ধীৰাজে ক'লে যে তোমালোক তাতে নামিবা। তেওঁ আহি আমাক receive কৰিলে। আমি মেইলত গৈছিলোঁ। আকৌ আমি লোকেল ট্ৰেইনত বদলাপুৰ নামৰ ঠাইডোখৰলৈ লৈ গ'ল। ধীৰাজ অনুকূল ধৰ্মৰ হয়। সৎসংগ নামৰ এখন আশ্ৰম আছে বদলাপুৰত। তাত আমি আহি থাকিলোঁ। তাত থকা আৰু খোৱাতো বহুত কম আছিল, মাত্ৰ এহেজাৰ টকা। তাত আমি এমাহ মান থাকিলোঁ। কথাটো হ'ল কি আমি মুম্বাইলৈ আগতে যোৱা নাছিলোঁ বাবে আমাৰ কোনো আইডিয়া নাই। পিছত আমি দেখিলোঁ যে বদলাপুৰৰ পৰা দাদৰলৈ ডেৰঘণ্টা লাগে। দাদৰৰ পৰা আন্ধেৰীলৈ আধাঘণ্টা লাগে। আমাৰ industryৰ মেইন কামবোৰ হয় আন্ধেৰীত। বদলাপুৰৰ পৰা আন্ধেৰীলৈ আমাৰ ডেৰঘণ্টামান লাগে। গতিকে বদলাপুৰৰ পৰা আহি পাওঁতে প্ৰায় এক-দুই বাজে। আকৌ আমাৰ ভোক লাগে খাবৰ সময় হয়। খাই-বৈ ষ্টুডিঅ'বিলাকত ঘূৰিব লাগে কাম বিচাৰি। সেইখিনি কৰিবলৈ প্ৰায় আমাক দুঘণ্টা পৰা তিনি ঘণ্টামান সময় লাগে। পাঁচটা মান বজাত আকৌ ঘূৰি যাব লাগে। সাত মান বজাত আমি আশ্ৰমত সোমাব লাগে। তেওঁলোকৰ কিছুমান নিয়ম-কানুন আছে। সেই তেনেকৈ দুঘণ্টা সময়ত ষ্টুডিঅ' ভিজিট নহয়গৈ। এটা বা দুটা ষ্টুডিঅ' ভিজিট হয়গৈ। সেইদৰে থাকোঁতে থাকোঁতে এনেকুৱা এটা হ'লগৈ যে এমাহ মানৰ পিছত তেওঁলোক ক'লোঁ ইয়াত থাকিলেতো নহ'ব। নহ'লে আমি এটা কাম কৰোঁ নেকি— আন্ধেৰীৰ ফালে shift হৈ যাওঁ। তাৰ কাৰণে অলপ কঠিন আছিল। সি আশ্ৰমত থাকে, খাই-বৈ স্ফুৰ্তি কৰি আছিলে। তথাপি সি ক'লে যে ব'লা। আমাৰ হাতত তেতিয়া পইচা অলপ আছিল। ঘৰ এটা ল'বলৈ আৰু ছিকিউৰিটী টকা দিবলৈ দহ হেজাৰ টকা দিব লাগে। অমৃত আৰু মোৰ হাতত অলপ অলপ টকা আছিল। দুইটাৰে মিলাই তেৰ হেজাৰ টকা আছিল। আৰু ঘৰৰ পৰাও ইমান টকা নিয়া নাছিলোঁ আমি। চাকৰি হৈ আছে আৰু গৈ চাকৰি কৰিব লাগে। গতিকে ঘৰত বিচৰা হ'লে definately help কৰিলেহেঁতেন। এনেকুৱা লাগিল যে ঘৰৰ পৰা আহিছিলোঁ ওলাই, চাকৰিটো নাপালোঁ ঘৰৰ পৰা কেনেকৈনো পইচা বিচাৰোঁ। যি কি নহওক আমাৰ ওচৰত পইচাখিনি আছিল, ছিকিউৰিটী ডিপজিট দিলোঁ। তেতিয়া ধীৰাজে মানে চাকৰি কৰি আছিল ষ্টুডিঅ'ত। তাক ক'লোঁ যে তুমি দৰমহা পাবাই, প্ৰথম দৰমহা পালে ঘৰৰ ভাৰা হৈ যাব আৰু। ভাগ্য বেয়া আছিল যে আমাক যিজনে মাতি পঠাইছিল তেওঁ তিনিদিনৰ পাছতে USA লৈ ছিফ্ট হৈ গুচি গ'ল। গতিকে সেই commitment লৈ আহিছিলোঁ গুৱাহাটীৰ পৰা, তেখেত নিজেই গুচি গ'ল। আমাৰ চাকৰি বিচৰা পৰ্ব আৰম্ভ হ'ল তেতিয়াৰ পৰাই। আমি ছিকিউৰিটী ডিপজিট দিলোঁ, ঘৰভাৰা দিলোঁ। যিদিনাখন সি দৰমহা পাব আৰু প্ৰথম আমি ক'লোঁ যে সোনকালে আহিবা আজি ভালকৈ এসাঁজ খাম আৰু। সি আবেলি ওলালেহি, মন মাৰি ক'লে চাকৰি এৰি দিলোঁ। কেলৈ বুলি সুধিলোঁ, সি ক'লে যে দৰমহা নিদিলে কাৰণে চাকৰি এৰি দিলোঁ। Acctual struggle টো আৰম্ভ হৈছে মানে আমি কাৰ ষ্টুডিঅ'ত চাকৰি বিচাৰিম। তেতিয়া আমাক বহুত মানুহে সহায় কৰিলে। যি যেনেকৈ পাৰে, যি যেনেকৈ মানে গোটেইখিনি আমাৰ চিনাকি মানুহেই আৰু যিসকলে আমাক জানিছিল। তেতিয়া তাৰ পিছৰ পৰা আমাৰ সংগ্ৰাম আৰম্ভ হ'ল। আৰু চাৰি-পাঁচ মাহ ঘূৰাৰ পিছত মই ৰাজকমল কালা মন্দিৰৰ লগত যোগাযোগ কৰিলোঁ। তাতে সেই সময়ৰ বিখ্যাত ছাউণ্ড ইঞ্জিনীয়াৰ প্ৰীতম দেৰ আৰু অৰ্ণৱ দেৰ। মই গৈছিলোঁ সীতেন্দ্ৰ ছাৰক লগ কৰিবলৈ। তেখেত তেতিয়া নাছিলে। অৰ্ণৱ দেৱ ছাৰক লগ কৰি গোটেই কথাখিনি ক'লোঁ। তেতিয়া এনেকুৱা আছিল— অসম জানিলে গুৱাহাটী নাজানে, গুৱাহাটী জানিলে অসম নাজানে। আমি প্ৰথম বেটছৰ আৰু ইনষ্টিটিউটখন আমাৰ নিজৰ চিনাকি। কওঁতে বহু সময় যায়। তেখেতসকলে সুধিলে যে পাৰিবি নাই। ক'লোঁ যে পাৰিম। শুনি এনেকুৱা লাগিলে যে হৈ গ'ল চাকৰি। এক-ডেৰ মাহলৈকে একো খা-খবৰ নাই। মই মাজে মাজে গৈ খবৰ-খাটি লওঁগৈ।

বাহিৰত বহি বহি থাকোঁ, গ্ৰীণৰুমৰ পৰা অলপ সময়ৰ কাৰণে ওলাই washroom লৈ যায় আকৌ সোমাই থাকে। গোটেই দিনটো খাপ দি ৰৈ থকা সময়খিনি এনেই গ'ল। তেনেকৈ বহু সময় গ'ল। যাওঁতে যাওঁতে মাজে মাজে হতাশাও আহে। বেমাৰ-আজাৰ হ'লে খা-খবৰ নাই। 'হায়দৰাবাদৰ ৰামোজী' যেতিয়া বনাইছিলে তেওঁলোকৰ তাতো ইণ্টাৰভিউ দিবলৈ গুচি গ'লোঁ হায়দৰাবাদ। মই আৰু অমৃত। ইণ্টাৰভিউ দিলোঁ, নিৰ্বাচিত হ'লোঁ। সাহসত আহিছিলোঁ। ঘৰলৈ ঘূৰি যাবৰ মন নাই। সাহসত আহি তেখেতক মই ক'লোঁ, মোক চাকৰি দিয়ক নহ'লে তাত মই ইণ্টাৰভিউ দিলোঁ, ছিলেক্ট হ'লোঁ। তাত চাকৰি পালে তালৈ গুচি যামগৈ। তেখেতে আকৌ ক'লে যে তই পাৰিবিতো কাম কৰিব। মই ক'লোঁ, পাৰিম। মোক ক'লে যে তাত গৈ তাক লগ কৰ। মানে ষ্টুডিঅ'ৰ যিজন মালিক গৌৰৱ গুপ্তা তেওঁক লগ কৰিবলৈ ক'লে। মই পিছদিনাখন লগ কৰিবলৈ গ'লোঁ। তেতিয়া মোৰ অৱস্থাটো এনেকুৱা যে তিনি হেজাৰ মান টকা পালেই হ'ব আৰু। তথাপি সাহস কৰি মোৰ বায়'ডাটা দিলোঁ, চালে। সুধিলে কিমান দৰমহা লাগিব। মই মানে শুনা-নুশুনাকে মুখৰ ভিতৰতে দহ হেজাৰ বুলি কৈছোঁ। এনেকুৱা লাগিছে যেন মই দহ হেজাৰ বুলি ক'লোঁ, যাতে দহ বুলি নুশুনক। চাকৰি নাই বুলি কৈ দিয়ে। তেতিয়া শুনাৰ লগে লগে yes done বুলি ক'লে। ইমান স্ফূৰ্তি লাগিলে যে মই একো ক'ব নোৱাৰা হ'লোঁ। সেই সময়ত ২০০২ চনত চাগে দহ হেজাৰ মানে স্কুলত চাকৰি কৰি দেউতাৰ দৰমহা দহ-এঘাৰ হেজাৰ মান আছিল। দহ হেজাৰ টকা বহুত টকা আৰু। সেইটো এটা kind of achievement- আহ! মই ইমান টকাৰ দৰমহাৰ মালিক হ'লোঁ। সেই তেতিয়াৰ পৰাই ২০০২ চনৰ পৰাই ৰাজ কমল কালা মন্দিৰৰ লগত জড়িত হ'লোঁ। আৰু খুব প্ৰখ্যাত মানে— তেখেত প্ৰখ্যাত চিনেমা নিৰ্মাতা আৰু প্ৰযোজক আৰু সেই সময়ৰ খুব upto date চিনেমা ষ্টুডিঅ'। তেখেত দহ আখে দহ পিঞ্জাৰা তেনেকুৱা চিনেমা নিৰ্মাতা। এই ষ্টুডিঅ'ত মানে তেতিয়া লতা মংগেশকাৰৰ ৰেকৰ্ডিং হয়, মংগেশ দেশাই ছাউণ্ডৰ মিক্সিং মানে— ফাদাৰ টিজাৰ আৰু সকলোৰে তেখেত। গতিকে তেনেকুৱা ধৰণৰ প্ৰখ্যাত প্ৰখ্যাত মানুহে কাম কৰা ষ্টুডিঅ'ৰ পৰাই মোৰ জীৱনৰ যাত্ৰা। সেই তেতিয়াৰ পৰাই এতিয়ালৈকে কৰি আছোঁ। মই নিজকে lucky বুলি ভাবোঁ। সাধাৰণ পৰিৱেশৰ পৰা গৈ এই ঠাইত যে পালোগৈ, ক'ৰবাত চাগে ঈশ্বৰৰো আশীৰ্বাদ আছে। তেতিয়া পৰা এতিয়ালৈকে চলি আছে আৰু।

*আমাৰ মৰমৰ শিল্পী জুবিন গাৰ্গ সম্পৰ্কে আপোনাৰ মতামত কি?*

**দেৱজিৎ চাংমাই ঃ**

জুবিনদাৰ বিষয়ত ক'ব পৰাকৈ আচলতে মই সিমানখিনি যোগ্য নহয়। তথাপি কওঁ— তেখেতক যিমানবাৰেই লগ পাইছিলোঁ, ভাল পালোঁ। ধেমেলীয়া, ধেমালি কৰি থাকিলেও এটা কথা কিন্তু সদায় কৈ থাকে যে আমি ভাল কাম কৰিম আৰু ভাল কাম কৰিবই লাগিব। তেখেতে এই কথাষাৰ প্ৰায়ে কয়। জুবিনদাৰ বিষয়ে অসমৰ সকলোৰে জানে যে তেখেত এজন অসাধাৰণ ব্যক্তি আছিল। আজি জুবিনদাৰ কমৰাজি কি আছিল, বা কিমান গভীৰ আছিল— অসমৰ বেছিভাগ মানুহেই বুজি পালোঁ। জুবিনদা জীয়াই থাকোঁতেই মই আচলতে গম পালোঁ তেখেত কি আছিল। প্ৰতিটো স্তৰৰ মানুহে তেওঁক চিনি পায়। সেইজনেই জুবিন গাৰ্গ। সেইটো সিমান সাধাৰণ কথা নহয়। আৰু এটা কথা— সাধাৰণতে কি হয় বহুখিনি কথা শিকাই থৈ গৈছিল, বহুখিনি কথা বুজাই থৈ গৈছিল। জুবিন ক্ষেত্ৰত গ'লে গম পোৱা যায় মানুহ শব্দটোৰ কি সংজ্ঞা। কোনো জাতি নাই, ধৰ্ম নাই, ধনী দুখীয়া বাছ-বিচাৰ নাই সকলোৰে নিৰপেক্ষ। চকু মুদি জুবিনদাক মনত পেলাইছোঁ, চকুলো টুকি টুকি মনত পেলাইছে। সেয়াই জুবিনদা। জুবিনদা মানে এটা সত্তা, এটা আৱেগ হৈ পৰিল মানুহৰ কাৰণে। হৃদস্পন্দন এনেকুৱা লাগে, উশাহ নিশাহ বন্ধ হৈ যোৱাৰ নিচিনা। সেইজনেই জুবিনদা। অসাধাৰণ ব্যক্তিত্বৰ মানুহ এগৰাকী। সাধাৰণভাৱে থাকিছিল। অতি সাধাৰণভাৱে থকা এজন অসাধাৰণ ব্যক্তি। জুবিনদা হেৰাই গ'ল মই এতিয়া এটাই বিচাৰিছোঁ যে মই বিচাৰিছোঁ বুলি নহয় আমাৰ উদ্দেশ্য হ'ব লাগে। আজি জুবিন গাৰ্গ কিহৰ কাৰণে হৈছে তেখেতৰ সাজ-পোছাকৰ কাৰণে তেখেতৰ কিবা আচৰণৰ কাৰণে নেকি— নহয়। জুবিনদাৰ সৃষ্টিৰাজি এইবিলাকৰ বিষয়ত আমি সকলোৰে প্ৰতিখন কলেজে, প্ৰতিটো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজতে হওক, নিজৰ নিজৰ স্থানত তেখেতৰ বিশদ আলোচনা হওক। ঊনৈশ-বিছ বছৰ বয়সত এটা সৰু ল'ৰাই কেনেকৈ এনেকুৱা গান কিছুমান লিখিবলৈ পাৰিছিল। 'অনামিকা', এটা কবিতাক কেনেকৈ গানৰ দৰে সুৰ দি গান কৰিছিল। 'গানে কি আনে' কি আছিল সেইবিলাকৰ বিষয়তো আলোচনা হ'ব লাগে। আমাৰ সকলোৰে নৈতিক দায়িত্ব হ'ব লাগে— এতিয়াৰ কাৰণে নহয়। যেতিয়া আমি জুবিনদাক দেখিছিলোঁ, শাৰীৰিকভাৱে দেখিছিলোঁ, আমাৰ মানুহে দেখিছিল— এইটো নহয়। আমাৰ আহিবলগীয়া পিছৰ প্ৰজন্মৰ কাৰণে তেওঁলোকে জুবিন গাৰ্গক কেনেকৈ মনত ৰাখিব। দেখা নাছিল, লগ পোৱা নাছিল, ৩০-৪০ বছৰৰ পিছত— তেওঁলোকক জুবিন গাৰ্গৰ বিষয়ে মনত ৰাখিব

এইটোৰ কাৰণে, এইটো কাৰণেই এতিয়াৰ পৰাই আৰম্ভ হোৱাটো বিচাৰোঁ। এটা systematically, প্ৰণালীবদ্ধভাৱে এতিয়াৰ পৰাই। কৰ্মবোৰৰ ওপৰত আলোচনা হ'ব লাগে বিশদভাৱে। তেখেতৰ সৃষ্টিৰাজিৰ কাৰণে আহিবলগীয়া পিছৰ ৪০-৫০ বছৰৰ প্ৰজন্ম জুবিনদা পৰিচিত হওক। এনেকুৱা নহওক যে অঁ অঁ মানুহ এজন আছিলে নহয় জুবিন গাৰ্গ নামেৰে দুটা ৰঙৰ জোতা পিন্ধি ওলাইছিল। আমাৰ সকলোৱে সৰু ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বৃদ্ধসকললৈকে সকলোৰে কাৰণে এটা দায়িত্ব যে আমি সকলোৱে ড° ভূপেন হাজৰিকাৰ বিষয়তো হ'ব লাগে। জুবিন গাৰ্গৰ সৃষ্টিৰাজিৰ ওপৰত হ'ব লাগে। তেখেতসকলে কিবা এটা সৃষ্টি কৰিছিল সমাজৰ কাৰণে। আমি এতিয়া সকলোৱে চকুলো টুকিছোঁ নে সেই সৃষ্টিৰাজিৰ কাৰণে, যিটোৰ কাৰণে তেখেতলোক জনাজাত হৈছিলে, সেই সৃষ্টিৰ বিষয়ত আলোচনা হওক। Systematic study হওক। তেখেতৰ প্ৰতি প্ৰণালীবদ্ধভাৱে সংৰক্ষিত হওক। প্ৰণালীবদ্ধ হিচাবত সৃষ্টিৰাজিৰ ওপৰত কৰ্মশালা হওক। এইখিনি কৰাটো আমাৰ এটা দায়িত্ব হিচাপে আমি ভাবি ল'ব লাগিব। সেয়ে হ'ব আমি জুবিন দাৰ প্ৰতি জনোৱা সৰ্বোচ্চ শ্ৰদ্ধাঞ্জলি।

⏭ *নতুন প্ৰজন্মৰ প্ৰতি এজন sound mixing profession ৰ সৈতে জড়িত ব্যক্তি আৰু এগৰাকী শুভচিন্তক হিচাপে কি ক'ব বিচাৰে?*

**দেৱজিৎ চাংমাই ঃ**

নৱপ্ৰজন্মৰ কথাটো। এতিয়া নৱপ্ৰজন্ম বুলি ক'লে সকলোৱে বহুত পঢ়া-শুনা কৰে আৰু সকলোৱে সকলো কথা জানেই। বিশেষ তেনেকুৱা ক'ব লগা একো নাই। মই মাত্ৰ এটা কথা কওঁ— আমি জানোৱেই ন ফল পাবলৈ হ'লে কষ্ট কৰিব লাগিব। কষ্টতো সকলোৱে কৰেই। আটাইতকৈ ডাঙৰ কথা হৈছে— সকলোৱে কষ্ট কৰিবই লাগিব অকল এইটো ক্ষেত্ৰতে নহয়। যিকোনো প্ৰফেচনত। সমস্যাটো হৈছে ক'ত কিছুমানে দুদিনতে ফল পায় কিছুমানে এমাহত, কিছুমানে ছমাহত, কিছুমানে হয়তো এবছৰলৈও নাপায়। গতিকে আটাইতকৈ important কথাটো হৈছে কি ধৈৰ্য লাগিব। ফলাফল কেতিয়া আহিব ইয়াত কোনো সঠিক সময় সীমা নাই।

কষ্টতো কৰিবই লাগিব। কষ্ট কৰাৰ পাছত হয়তো ফলটো কেতিয়া পাম সেইটো আমি নাজানোঁ। কাৰোবাৰ ক্ষেত্ৰত খুব সোনকালেই হৈ যায়। কাৰোবাৰ ক্ষেত্ৰত আৰু অলপ দিন ৰ'লেই হৈ যায়। কাৰোবাৰ ক্ষেত্ৰত আৰু দুদিনমান যোৱাৰ পাছতো নহয়গৈ। কিন্তু আমি লাগি থাকিব লাগিব, আমি যুঁজি থাকিব লাগিব। ফলাফল আহিবই। ধৈৰ্যটো বহুতো গুৰুত্ব দিব লাগিব। নহ'লে প্ৰেকটিকেল কৰিব দিগদাৰ। সেইকাৰণে মই কওঁ any creative fromত প্ৰথম কথা হৈছে আমি enjoy কৰিব লাগিব। ভাল পাব লাগিব। ভাল পালেহে আমি লাগি থাকিব পাৰিম। ভাল নাপাই যদি আমি অকল গ্লেমাৰ ছাইডটো চাই আহোঁ, অকল popular হ'ব shortcut মাৰি পেলাই পটকে, তেতিয়া কিন্তু দীঘলীয়া সময়ৰ বাবে টিকি থাকিব নোৱাৰে। কাৰণ এই প্ৰফেচনটো বাহিৰত যিমান ধুনীয়া লাগে, very very non glamorous profession এটা। দিন নাই, ৰাতি তেনেকৈ সমানে কাম কৰিব লাগিব। Personal life ত বহুত sacrifice কৰিব লাগে। প্ৰথম কথা হৈছে এই প্ৰফেচনটো ভাল পাব লাগিব। অকল মই ছাউণ্ডৰ কাৰণে কোৱা নাই চিনেমাৰ কাৰণে কৈছোঁ। ভাল পাব আৰু ভাল পালেহে দীঘলীয়া সময়লৈ টিকি থাকিব। ধৈৰ্য লাগিব। ধৈৰ্য আৰু অধ্যয়ন আৰু পৰ্যৱেক্ষণ এই তিনিটা বস্তু। সততা এই তিনিটা combination লাগিব দীঘলীয়া সময়ৰ কাৰণে। মই ২৪ আৰু ২৫টা বছৰে এই লাইনত আছো। এনেকুৱা এটা প্ৰতিষ্ঠানত য'ত এতিয়াও ৮০% ৯০% পুণেৰ FTI ৰ দখলত আছে। আমিতো গুৱাহাটীৰ পৰা পঢ়ি অহা ল'ৰা। তাৰ মাজতো মূৰ দাঙি থিয় হৈ থকা ল'ৰা আছে। সততা, নিষ্ঠা আৰু একাগ্ৰতা থকা কাৰণে। খুব জৰুৰী। Shortcut বুলি কোনো কথা নাই। যিকোনো ক্ষেত্ৰতে shortcut বুলি কথা নাই। Shortcut ব্যৱহাৰ কৰি কিবা এটা gain কৰিব পাৰি। আচলতে স্থায়ীভাৱে থাকিব নোৱাৰে। এই কথাখিনি ভাবি চাই আৰু অভিভাৱকসকলৰো বহু দায়িত্ব থাকে যে আমাৰ ল'ৰা-ছোৱালীবিলাকে (সন্তানবিলাকে) কি ল'ব পাৰে। ঘৰত কথা পাতি আৰু counsellingৰো দৰকাৰ আছে। কি কৰিব বিচাৰিব বা কি হ'ব। Counselling ৰ দৰকাৰ আছে। কাৰোবাক দেখিয়ে মই এইটো কাম কৰিব পাৰিম। কাৰোবাক দেখিয়েই অনুপ্ৰাণিত হোৱাটো ভাল কথা, কিন্তু অ' ইমানখিনি কাম কৰিলেই এবছৰতে ইমানখিনি টকা কৰিলেই অমুক কৰিলে তমুক কৰিলে মইও পাৰিমচোন বুলি তেনেকৈ ভাবিলে বিপদ হ'ব। তেনে ক্ষেত্ৰত অলপ সাৱধান হ'ব লাগে। যিখিনি কথা ক'লোঁ— মই কোৱা বুলি নহয়, মোৰ অভিজ্ঞতাৰ পৰা মই কৈছোঁ। আমি ভাবোঁ যে আমাৰ অসমত সকলো টেলেণ্টৰ অভাৱ নাই। মই সঁচা কথা কৈছোঁ— সকলো টেলেণ্ট। আমাৰ সঠিক দিশ এটা লাগে দেখুৱাই দিবলৈ। সকলোৱেই ভাল কাম কৰিব পাৰিব।

*(পৰিকল্পনা ঃ ড° মুনমী কোঁৱৰ আৰু সাক্ষাৎ গ্ৰহণ ঃ জোনমণি বড়ো)*

যুক্তি-চিন্তা




# প্ৰকৃতিৰ ব্যাখ্যাত ধৰ্মৰ অনাহূত কৰ্তৃত্ব

ড° দীনেশ চন্দ্ৰ গোস্বামী

বিজ্ঞান আৰু ধৰ্মগ্ৰন্থবোৰৰ মাজত কিবা সম্পৰ্ক আছেনে? এই প্ৰশ্নৰ উত্তৰ নানাজনৰ বাবে নানা ধৰণৰ হ'ব পাৰে। আনকি বিজ্ঞানীসকলৰ মাজৰো বিভিন্নজনৰ ব্যক্তিগত মতামত বিভিন্ন হ'ব পাৰে। তেনে মতামত সাধাৰণতে বিজ্ঞানীগৰাকীৰ ব্যক্তিগত মতাদৰ্শ আৰু তেওঁৰ সামাজিক-ৰাজনৈতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল হয়। দূৰ অতীততে কিন্তু পৃথিৱী বিখ্যাত বিজ্ঞানী গেলিলিঅ' গেলিলিয়ে (Galileo Galilei, 1564-1642) এই বিষয়ে স্পষ্ট মত দাঙি ধৰিছিল।

'মই গেলিলিঅ'ক আমাৰ (বৰ্তমানৰ) সমাজখন দেখুৱাব খোজোঁ, কিন্তু সেইটো কৰোঁতে মই তেওঁক বৰ লাজেৰে কথা এটা দেখুৱাব লাগিব।' —এই কথা কৈছিল প্ৰখৰ বুদ্ধিসম্পন্ন, ৰসজ্ঞ, স্পষ্টবাদী, ন'বেল বঁটা (পদাৰ্থবিজ্ঞান, ১৯৬৫) বিজয়ী বিজ্ঞানী ৰিচাৰ্ড ফাইনমেনে (Richard Feynman, 1918-1988)। ফাইনমেনৰ এই এতিয়াৰ দিনৰ জগতখনৰ অবৈজ্ঞানিক, অতিপ্ৰাকৃতিক চিন্তাধাৰাৰ বিষয়ে দুখ প্ৰকাশ কৰি গেলিলিঅ'ক 'লাজেৰে' সেই জগতখনৰ কিছু কথাও দেখুৱাব লাগিব বুলি এই মন্তব্যটো কৰিছিল। ফাইনমেনে এই কথাৰে বুজাইছিল যে বিজ্ঞানলৈ প্ৰথম বৈজ্ঞানিক পদ্ধতি (পৰীক্ষানিৰ্ভৰ পদ্ধতি) আনি বিজ্ঞানক এক স্পষ্ট জ্ঞান দিয়া সেই মহান বিজ্ঞানী গেলিলিঅ'ই আজিৰ এই 'সক্ৰিয়ভাৱে, তীব্ৰভাৱে আৰু গভীৰভাৱে' অবৈজ্ঞানিক জগতখন নিশ্চয় আশা কৰি যোৱা নাছিল।

গেলিলিঅ'ই নিক'লাছ কপাৰনিকাছৰ তত্ত্বৰ ভিত্তিত আৰু নিজ চিন্তা আৰু আকাশীয় আৱিষ্কাৰৰ পাছত লভা আত্মপ্ৰত্যয়েৰে সৌৰকেন্দ্ৰিক তত্ত্ব (অৰ্থাৎ পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে ঘূৰে এই তত্ত্বৰ) ঘোষণা কৰাৰ পাছত তেওঁ ধৰ্মগ্ৰন্থৰ (বাইবেল) আৰু ঈশ্বৰৰ বিৰোধিতা কৰা বুলি তেওঁৰ বিৰুদ্ধে নানা অপপ্ৰচাৰৰ সৃষ্টি হ'ল। ১৬১৫ চনত ৰোমৰ খ্ৰিষ্টান ধৰ্মৰ সৰ্বপ্ৰধান ধৰ্মগুৰু পোপৰ নিৰ্দেশত গেলিলিঅ'ৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ল। সেই সময়ত গেলিলিঅ'ৰ শত্ৰু আৰু প্ৰতিদ্বন্দ্বীবোৰে তেওঁক নাস্তিক আৰু ঈশ্বৰ-ধৰ্মশাস্ত্ৰবিৰোধী বুলি অধিক তীব্ৰভাৱে অপপ্ৰচাৰ চলাবলৈ ধৰিলে।

গেলিলিঅ' ১৬১০ চনৰেপৰাই ইটালিৰ টাছকেনিৰ শাসনকৰ্তা ডিউকৰ ৰাজসভাৰ প্ৰধান গণিতজ্ঞ আৰু দাৰ্শনিক আছিল (তেতিয়াৰ দিনত 'বিজ্ঞান', 'বিজ্ঞানী' শব্দবোৰ ব্যৱহৃত হোৱাই নাছিল)। শ্ৰেণীকোঠাত কোনো শিক্ষাদান কাৰ্যত সময় খৰচ কৰিব নলগাকৈ, কেৱল গৱেষণা আৰু অধ্যয়নৰ কামত ব্ৰতী হৈ থাকিব পৰা, এই পদবিয়েই পৰিয়ালৰ সদস্যসকলৰ খা-খৰচৰ গধুৰ বোজা বহন কৰিবলগীয়া হোৱা গেলিলিঅ'ৰ বাবে জীৱিকাৰ একমাত্ৰ উৎস আছিল। তাৰ বাবে টাছকেনিৰ গ্ৰেণ্ড ডাচেচ্ছ মেডামা খ্ৰিষ্টিনাৰ পৃষ্ঠপোষকতাৰ ওপৰত তেওঁ বৰ নিৰ্ভৰশীল আছিল। ধৰ্মপ্ৰাণা খ্ৰিষ্টিনা যাতে গেলিলিঅ'ৰ ধৰ্মবিৰোধী বুলি হোৱা বদনামবোৰৰ বাবে গেলিলিঅ'ৰ ওপৰত বিতুষ্ট নহয়, তাৰ বাবে গেলিলিঅ'ই তেওঁলৈ ১৬১৫ চনতে এখন দীঘল চিঠি লিখিছিল।

অতি ধৰ্মনিষ্ঠ গেলিলিঅ'ই সেই চিঠিত মেডামা খ্ৰিস্টিনালৈ তেওঁ (গেলিলিঅ') যে ধৰ্মবিৰোধী নহয় তাক যুক্তিৰে পতিয়ন নিয়াবলৈ ধৰ্মগ্ৰন্থ আৰু বিজ্ঞানৰ সম্বন্ধ কেনে তাক ফঁহিয়াই দেখুৱাইছিল।

### ধৰ্মগ্ৰন্থৰ আশ্ৰয় ঃ

গেলিলিঅ'ই সেই চিঠিত লিখিছিল যে বৈজ্ঞানিক সত্য একোটা অসাৰ প্ৰমাণ কৰিবলৈ কোনোৱে ধৰ্মগ্ৰন্থৰ কথাত অন্ধভাৱে আশ্ৰয় ল'ব নালাগে। ৫০ পৃষ্ঠাৰ এই চিঠিখনত গেলিলিঅ'ই লিখিছিল ঃ

### অতীৱ নিৰ্মলা গ্ৰেণ্ড ডাচেচ্ছ মাতৃলৈ

'মহামহিমা নিৰ্মলাৰ এই কথা সুন্দৰকৈ জ্ঞাত যে কেইবছৰমানৰ আগতে মই আকাশত এনে কিছুমান বস্তু আৱিষ্কাৰ কৰিছিলোঁ যিবোৰ আমাৰ যুগৰ আগতে কোনেও দেখা পোৱা নাছিল। এই আৱিষ্কাৰবোৰৰ অভিনবত্ব আৰু সেইবোৰৰ পৰা পোৱা ফলাফলবোৰ শৈক্ষিক দাৰ্শনিকসকলে সচৰাচৰ গ্ৰহণ কৰি থকা ভৌতিক ধাৰণাসমূহৰ বিপৰীত হোৱা বাবে বিপুলসংখ্যক অধ্যাপক মোৰ বিপক্ষে এনেদৰে জাঙুৰ খাই উঠিছে যে মইহে যেন মোৰ নিজ হাতেৰে সেই বস্তুবোৰ আকাশত থৈছোঁ যাতে প্ৰকৃতিত বিসংগতি ঘটে আৰু প্ৰাকৃতিক দৰ্শনে (বিজ্ঞানে) বিস্তাৰ লাভ কৰিব পাৰে। এনে লাগিছে যে তেওঁলোকে যেন এই কথা পাহৰি গৈছে যে জ্ঞাত সত্যৰ বৃদ্ধিয়ে কলাৰ অনুসন্ধান, পত্তন আৰু বৃদ্ধি অনুৰণিতহে কৰে, সেইবোৰ মন্থৰিত বা ধ্বংস নকৰে।

সত্যৰ প্ৰতি দেখুৱাতকৈ নিজৰ মতৰ প্ৰতি অধিক প্ৰীতি দেখুৱাই তেওঁলোকে সেই বস্তুবোৰকে অগ্ৰাহ্য কৰিব খুজিছে যিবোৰ তেওঁলোকৰ নিজৰ জ্ঞানেন্দ্ৰেৰে বিচাৰি চালেও বিচাৰি পালেহেঁতেন। তেওঁলোকে কিন্তু এই উদ্দেশ্যে মোক নানা দোষাৰোপ কৰিছে আৰু অসাৰ যুক্তিৰে অসংখ্য লেখা প্ৰকাশ কৰিছে— এই ক্ষেত্ৰত তেওঁলোকে বাইবেলৰ বিভিন্ন স্থানৰপৰা বিভিন্ন দফা ছটিয়াই দিয়াৰ মাৰাত্মক ভুলটো কৰিছে আৰু তেওঁলোকে নিজে সেই দফাবোৰ ভালদৰে বুজাতো অক্ষম হৈছে আৰু সেইবোৰ তেওঁলোকৰ উদ্দেশ্যৰ বাবে সম্পূৰ্ণ অনুপযুক্ত হৈছে। তেওঁলোকে যেন ভ্ৰান্ত ধৰ্ম আৰু বাইবেলৰ কৰ্তৃত্বৰ আৱৰণৰ পৰা তেওঁলোকৰ বাবে এক ঢালহে তৈয়াৰ কৰি লৈছে। তাৰ সহায়ত তেওঁলোকে নবুজা আৰু আনকি শুনিবলৈও চেষ্টা নকৰা যুক্তিযুক্ত কথাবোৰো কোনো বাছ-বিচাৰ নকৰাকৈ প্ৰত্যাখ্যান কৰিব খুজিছে।

'মানুহৰ প্ৰকৃতিয়েই এনে যে তেওঁলোকে চুবুৰীয়াজনৰ অন্যায় বিচাৰেৰে হ'লেও এনে কিছু কথা বাছি লয় যাৰদ্বাৰা তেওঁক অত্যাচাৰ কৰিব পাৰে, এনে কথা কেতিয়াও বিবেচনা নকৰে যাৰদ্বাৰা তেওঁক উৎসাহ যোগাব পাৰে।'

বাইবেলৰ কথাবোৰৰ বৈশ্লেষণিক চিন্তা-চৰ্চা নকৰি বা সেইবোৰৰ গভীৰ শব্দাৰ্থিক অনুধাৱন নকৰি কেৱল আক্ষৰিক অৰ্থতে গ্ৰহণ কৰা স্বভাৱটোৰ গৰিহণা দি গেলিলিঅ'ই মন্তব্য দিছিল যে যুক্তি আৰু সাক্ষ্য পৰিহাৰ কৰাটোৱে আধ্যাত্মিক আৰু বৌদ্ধিক অলসতাকে বুজায় ঃ

'মোৰদ্বাৰা আবিষ্কৃত সত্যবোৰ নিন্দা কৰিবলৈ আৰু সেইবোৰক ধৰ্মবিৰোধী আখ্যা দিবলৈ তেওঁলোকে তেওঁলোকৰ ধৰ্মৰ প্ৰতি কপট আকৰ্ষণক ঢাল হিচাবে ব্যৱহাৰ কৰে। তেওঁলোকে বাইবেলক আৱাহন কৰি থাকে আৰু তাক তেওঁলোকৰ সেই প্ৰৱঞ্চনাকাৰী উদ্দেশ্যবোৰত ব্যৱহাৰ কৰি থাকে। মোৰ যদি ভুল হোৱা নাই, পৱিত্ৰ পিতৃসৱৰ ইচ্ছা আৰু

বাইবেলৰ অৰ্থৰ বিপৰীতে তেওঁলোকে আনকি ভৌতিক বিষয়বোৰতো— য'ত বিশ্বাস জড়িতেই নহয়, তাতো— সেই কৰ্তৃত্ব প্ৰয়োগ কৰে। ফলত তেওঁলোকে (সেই ভৌতিক বিষয়বোৰতো) আমাক যুক্তি পৰিহাৰ কৰাটো বিচাৰে, যদিও বাইবেলৰ সেই দফাটোৰ অৰ্থ বাহিৰত দেখাতকৈ সম্পূৰ্ণ বেলেগহে।'



খ্ৰিষ্টান ধৰ্মৰ প্ৰতি অতি নিষ্ঠাৱান গেলিলিঅ'ই মানুহৰ সকলো বিচাৰ আৰু অনুশীলনতকৈ স্বৰ্গীয় জ্ঞান উচ্চ বুলি মানি লৈও তেওঁৰ চিঠিখনত পৰ্যৱেক্ষণ আৰু যুক্তিযুক্ত বিচাৰ-বিশ্লেষণৰ গুৰুত্ব স্পষ্ট কৰি দিছিল।

**পৰ্যৱেক্ষণ-লব্ধ সত্য ঃ**

খ্ৰিষ্টান ধৰ্মৰ প্ৰতি অতি নিষ্ঠাৱান গেলিলিঅ'ই মানুহৰ সকলো বিচাৰ আৰু অনুশীলনতকৈ স্বৰ্গীয় জ্ঞান উচ্চ বুলি মানি লৈও তেওঁৰ চিঠিখনত পৰ্যৱেক্ষণ আৰু যুক্তিযুক্ত বিচাৰ-বিশ্লেষণৰ গুৰুত্ব স্পষ্ট কৰি দিছিল। তেওঁ লিখিছিল— 'কিন্তু এই কথা মই বিশ্বাস কৰিবলৈ বাধ্য বুলি নাভাবোঁ যে যি ঈশ্বৰে আমাক জ্ঞানেন্দ্ৰিয়, যুক্তি আৰু বুদ্ধিৰে ভূষিত কৰিছে, সেই ঈশ্বৰেই আমাক সেইবোৰৰ যোগেদি আয়ত্ত কৰিব পৰা জ্ঞানো আন উপায়েৰে দিবলৈ বিচাৰিব। প্ৰত্যক্ষ অভিজ্ঞতা আৰু প্ৰয়োজনীয় দৰ্শনেৰে আমাৰ চকু আৰু মনৰ আগত দাঙি ধৰা ভৌতিক বিষয়বোৰত আমাৰ চেতনা আৰু যুক্তিবিচাৰ অস্বীকাৰ কৰাটো তেওঁ নিশ্চয় নিবিচাৰে।'

চিঠিখনত গেলিলিঅ'ই ধৰ্মৰ ভাষ্যকাৰ পথ-নিৰ্ণয়কাৰীসকলক ধৰ্মপুথিবোৰৰ পৰা সত্য হে নিষ্কাসন কৰিবিলৈ আহ্বান জনাইছিল ঃ

'বাইবেল আৰু আৰু প্ৰাকৃতিক দৰ্শন (বিজ্ঞান) দুয়োটা বস্তুকে ভালদৰে নুবুজা লোকৰ সংখ্যা সেইবোৰ বুজা লোকতকৈ বহু বেছি। ইয়াৰে প্ৰথমটো ভাগৰ লোকসকলে বাইবেলৰ কথাবোৰ ওপৰে ওপৰে চাই পদাৰ্থৰ ধৰ্ম সম্বন্ধীয় প্ৰতিটো প্ৰশ্নৰে ওপৰত তেওঁলোকৰ কৰ্তৃত্ব থকা বুলি আত্মম্ভৰিতা দেখুৱায়।

এই কাম তেওঁলোকে পবিত্ৰ লেখকসকলে বেলেগ উদ্দেশ্যেৰে ব্যৱহাৰ কৰা শব্দ কিছুমান ভুলকৈ বুজি তাৰ বলতে কৰে। ক্ষুদ্ৰ সংখ্যাৰ বুজা লোকসকলে এইসকল লোকৰ ক্ৰোধোন্মত্ত তীব্ৰ স্ৰোতত বাধা দিব নোৱাৰে। সেই (নুবুজা) লোকসকলে গৰিষ্ঠসংখ্যক অনুগামীও লাভ কৰে। অতি শ্ৰম আৰু নিষ্ঠাৰে অধ্যয়ন কৰি জ্ঞান অৰ্জন কৰাতকৈ সেইবোৰ একো নোহোৱাকৈয়ে 'জ্ঞানৰ বাবে' সন্মান লাভ কৰাটো অধিক সুখদায়ক কথা।' গেলিলিঅ'ই চিঠিখনত এই কথাও লিখিছিল যে প্ৰকৃতি স্বগীয় কথাৰ বিৰোধী হোৱাৰ সলনি আচলতে স্বৰ্গীয় কথাৰ এক প্ৰকাশহে। তেওঁ লিখিছিল ঃ

'প্ৰতিজন মানুহৰে বাবে বোধগম্য হ'বৰ বাবে বাইবেলৰ ঠিক শব্দবোৰৰ অৰ্থই বুজোৱা পৰম সত্যতকৈ বেলেগ বুজোৱা যেন লগা নানা কথা কোৱাৰ প্ৰয়োজন হয়। কিন্তু, আনহাতে অক্ষয় আৰু অপৰিৱৰ্তনীয় প্ৰকৃতিয়ে তাৰ ওপৰত ৰখা নিয়ম কেতিয়াও অতিক্ৰম নকৰে। তদুপৰি প্ৰকৃতিয়ে তাৰ দুৰ্বোধ্য যুক্তিবোৰ বা কাৰ্যপদ্ধতিৰ কথা মানুহে কিবা বুজি পাইছেনে নাই সেই বিষয়ে তিলমানো কেৰেপ নকৰে। সেইবাবে দেখা গৈছে যে আমাৰ জ্ঞানেন্দ্ৰিয়সমূহে দেখুৱাই দিয়া, নাইবা প্ৰয়োজনীয় প্ৰদৰ্শনে আমাৰ আগত প্ৰমাণ কৰা কোনো কথাকে বাইবেলৰ শব্দৰাজিৰ ভিত্তিত সন্দেহ কৰিব নালাগে (অপবাদতো কৰিব নালাগেই)

কাৰণ, বাইবেলৰ সেই শব্দৰাজি, বা সেই দফাটোৰ, অন্য অৰ্থও থাকিব পাৰে। কাৰণ, বাইবেলখন ভৌতিক প্ৰভাৱসমূহ নিৰ্ণীত হোৱা পৰিস্থিতিসমূহৰ প্ৰত্যেকটো প্ৰকাশভংগীতে শৃংখল-আৱদ্ধ হৈ থকা নাই। আনহাতে, ঈশ্বৰো বাইবেলৰ পৱিত্ৰ বক্তব্যবোৰত যিমান সুন্দৰকৈ প্ৰকাশিত হৈছে, প্ৰকৃতিৰ ক্ৰিয়া-কলাপত তাতকৈ কোনোগুণে কমকৈ প্ৰকাশিত হোৱা নাই।

**উদ্ভাৱন-কুশলতাৰ সীমা ঃ**

অজ্ঞতা আৰু জ্ঞানৰ সম্পৰ্ক বা সম্পৰ্কবিহীনতাৰ বিষয়ে বলিষ্ঠ মন্তব্য দি গেলিলিঅ'ই চিঠিখনত লিখিছিল ঃ

'সেইবাবে মই ভাবোঁ যে কোনো ভৌতিক সিদ্ধান্ত শুদ্ধ বুলি প্ৰমাণ কৰিবলৈ বলেৰে ধৰ্মপুথিৰ ভাষ্য ব্যৱহাৰ কৰিব নোখোজাটোহে জ্ঞানীৰ কাম হ'ব। বিশেষকৈ ভৱিষ্যতে কোনো এটা সময়ত জ্ঞানেন্দ্ৰিসমূহে বা প্ৰদৰ্শন বা যুক্তিয়ে বিপৰীত কিবা এটা দেখুৱালে ধৰ্মপুথিৰ কথাৰে তাক নাকচ কৰিবলৈ যত্ন কৰা উচিত নহয়। মানুহৰ উদ্ভাৱন-কুশলতাৰ সীমা কোনে বান্ধিব পাৰে? বিশ্বব্ৰহ্মাণ্ডখনৰ উপলব্ধি কৰিবলগীয়া সমস্ত কথা আৱিষ্কাৰ কৰা হ'ল আৰু জনা গ'ল বুলি কোনে নিশ্চিতি দিব পাৰে? সেইবাবে আমি এই কথা স্বীকাৰ কৰোঁ আহক যে 'আমি নজনা সত্যবোৰৰ তুলনাত আমি জনা সত্যৰ সংখ্যা বৰ কম'।'

পুৰণি বা চলি অহা মতবাদকে শিলৰ ৰেখাৰ দৰে মানি থকা কথাটোৰ বিৰোধিতা কৰি মুকলি মনেৰে নতুন যুক্তিযুক্ত কথা গ্ৰহণ কৰাৰ সপক্ষে গেলিলিঅ'ই চিঠিখনত স্পষ্টকৈ লিখিছিল ঃ

'সকলো কথা যেন নিশ্চিতভাৱে আৱিষ্কৃত আৰু উন্মুক্ত হৈছেই এনে ধাৰণাৰে কোনেও জাগতিক আৰু ভৌতিক কথাবোৰত মুক্ত দাৰ্শনিকীকৰণৰ (অৰ্থাৎ বৈজ্ঞানিক অনুসন্ধানৰ) বাট বন্ধ কৰিব নালাগে। প্ৰচলিত বা স্বাভাৱিক যেন লগা হৈ পৰা মতবোৰকে লৈ সন্তুষ্ট হৈ নথকা কথাটো কোনেও বেপৰোৱা মত বুলি ভাবিব নালাগে। কোনো মতামতে কোনো লোকক সন্তুষ্ট কৰিব নোৱৰা কাৰণেই তেনে লোকক নিন্দা কৰাটো মুঠেই উচিত নহয়।'

সৰ্বজনগ্ৰাহ্য বা সৰ্বজনসন্মত মত বুলি কোনো মতত অন্ধভাৱে বা গোড়ামিৰে লাগি থকাতকৈ আনৰ যুক্তিযুক্ত বা প্ৰদৰ্শিত মতো গ্ৰহণৰ বাবে সাজু থকাটোহে সকলোৰে বাবে উচিত বুলি মন্তব্য কৰি গেলিলিঅ'ৰ মেডামা খ্ৰিষ্টানলৈ লিখা তেওঁৰ সেই দীঘলীয়া বিখ্যাত চিখিখন সামৰিছে ঃ

'যিসকল লোকে কোনো মতবাদ বা যুক্তি সত্য বুলি আৰু সৰ্বশেষ সিদ্ধান্ত বুলি মানি আছে, তেওঁলোকৰ তুলনাত যিসকলে কোনো মতবাদ বা যুক্তি মিছা বুলি বিবেচনা কৰে তেওঁলোকে সেই মতবাদ বা যুক্তিত বহু বেছি সহজে ত্ৰুটিবোৰ দেখা পাব। কোনো মতত লাগি থকা লোকসকলে যিমানে বেছিকৈ নতুন যুক্তি বা মতবাদটোৰ পাত লুটিয়াব, যুক্তিবোৰ পৰীক্ষা কৰি চাব, পৰ্যৱেক্ষণবোৰ পুনৰ পুনৰবাৰ চলাই চাব, আৰু অভিজ্ঞতাবোৰ তুলনা কৰি চাব, সিমানেই তেওঁলোকে সেই নতুন বিশ্বাসটোত পতিয়ন যাব।'

কোৱা বাহুল্য যে গেলিলিঅ'ৰ ১৬১৫ চনৰ সেই চিঠিৰ কথাবোৰ আজি অধিক প্ৰাংসগিক হৈ পৰিছে।

> প্ৰতিজন মানুহৰে বাবে বোধগম্য হ'বৰ বাবে বাইবেলৰ ঠিক শব্দবোৰৰ অৰ্থই বুজোৱা পৰম সত্যতকৈ বেলেগ বুজোৱা যেন লগা নানা কথা কোৱাৰ প্ৰয়োজন হয়। কিন্তু, আনহাতে, অক্ষয় আৰু অপৰিৱৰ্তনীয় প্ৰকৃতিয়ে তাৰ ওপৰত ৰখা নিয়ম কেতিয়াও অতিক্ৰম নকৰে। তদুপৰি প্ৰকৃতিয়ে তাৰ দুৰ্বোধ্য যুক্তিবোৰ বা কাৰ্যপদ্ধতিৰ কথা মানুহে কিবা বুজি পাইছেনে নাই সেই বিষয়ে তিলমানো কেৰেপ নকৰে।

প্ৰকল্প-পত্ৰ

মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতক ষষ্ঠ ষাণ্মাসিকৰ
ছাত্ৰ-ছাত্ৰীসকলৰ নিৰ্বাচিত প্ৰকল্প-পত্ৰ




# সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাস

(নাহৰকটীয়াৰ চাঁচনীৰ ন-খটীয়া গাঁৱৰ বিশেষ উল্লেখেৰে)

বিতু বুঢ়াগোহাঁই, শীতল দাস
যোগানন সোণোৱাল, নিৰজ কমল দাস, অজয় ভূমিজ

## ০.১ বিষয়ৰ পৰিচয়

বিভিন্ন জনগোষ্ঠীৰ মিলন ক্ষেত্ৰ অসম। বিভিন্ন সময়ত নানা জাতি-বৰ্ণ-সম্প্ৰদায়ৰ বিভিন্ন লোক অসমলৈ প্ৰব্ৰজিত হৈ আহিছে। ইতিহাসৰ পাত লুটিয়াই চালে আমি দেখিবলৈ পাওঁ যে বিভিন্ন সময়ত বিভিন্ন কাৰণত অহা এই মানুহখিনিয়ে এই ঠাইৰ জনসংস্কৃতিৰ লগত মিলিত হৈ এক বৃহত্তৰ অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতি গঢ়ি তুলিছে। প্ৰাচীন অসম বা বৰ অসমত বসবাস কৰা থলুৱা জনগোষ্ঠীসমূহ হ'ল বৰাহী কছাৰী, চুতীয়া, কোঁচ, বড়ো, ডিমাছা, মৰাণ, মটক, দেউৰী, সোণোৱাল কছাৰী, মিচিং, কাৰ্বি, লালুং, ৰাভা আদি। সেই বৃহত্তৰ অসমৰ অসমীয়া জাতিৰ অন্যতম জনগোষ্ঠী হ'ল সোণোৱাল কছাৰীসকল।

সোণোৱাল কছাৰীসকল কেৱল ভূমিপুত্ৰ জনজাতিয়েই নহয়, সাংস্কৃতিকভাৱে চহকী এটা জাতি। বিভিন্ন জাতি-জনগোষ্ঠীৰ জনজাতিসকলৰ মাজত নিজস্ব লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাস, পৰম্পৰা আদি পৰিলক্ষিত হয়। অসমৰ তৃতীয় বৃহৎ জনগোষ্ঠী সোণোৱাল কছাৰীসকলৰ মাজতো বিভিন্ন লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাসৰ মাজেৰে বিভিন্ন কাৰ্য সম্পাদন কৰা দেখা যায়। যিবোৰ স্বকীয় প্ৰণালী একোমুঠী বান্ধক এটা জাতিসত্তা বুলি চিনাকি কৰি দিয়াকৈ সবল কৰি তোলে এই সকলোবোৰ সোণোৱাল কছৰীসকলৰ মাজত আছে। এই লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাসসমূহ সোণোৱাল জনগোষ্ঠীৰ লোকসকলে কেতিয়া আৰু কেনেদৰে পালন কৰে এইসমূহৰ বিষয়ে প্ৰকল্পৰ জৰিয়তে আলোচনা কৰা প্ৰয়াস কৰা হৈছে।

### ১.০ সোণোৱাল কছাৰী জনগোষ্ঠীৰ চমু পৰিচয়

মূল বৃক্ষ হিচাপে কছাৰীসকল এটি পৰাক্ৰমী আৰু সু-সংগঠিত জাতি আছিল। আদিতে সকলোবে একগোট হৈ ৰাজপাট চলাই আছিল। এইদৰে থাকোঁতে আহোম ৰজা আৰু ওচৰ-চুবুৰীয়া ৰজাসকলৰ পৰা সঘনাই আক্ৰমণৰ হেঁচা পোৱাত কোনো কোনোৱে মূলৰ পৰা ফাটি অহাৰ ফলতেই মূল কছাৰীৰ পৰা বড়ো, মেছ, হাজং ৰাভা (কোচ), ডিমাছা লালুং, ঠেঙাল, সোণোৱাল কছাৰীৰ সৃষ্টি হয় যেন অনুমান হয়। এই বিভিন্ন কছাৰী জাতিসমূহে বিভিন্ন কছাৰী জাতিৰ নামকৰণেৰে লক্ষীমপুৰ, শিৱসাগৰ, দৰং, নগাঁও, কামৰূপ, গোৱালপাৰা, কোচবিহাৰ আদি জিলা আৰু স্থানসমূহক নিজ নিজ বাসস্থানৰ কেন্দ্ৰ কৰি লৈ বসতি কৰিবলৈ ধৰে। পূৰ্বৰ কছাৰী গোষ্ঠীৰ যি মুষ্টিমেয় জনসমাজ কাছাৰত থাকে, এওঁবিলাক বৰ্মন আদি আখ্যাৰে ৰজাৰ বংশধৰ বুলি পৰিচয় দি আহিছে।

জনশ্ৰুতি মতে পোৱা কথা এটি বিজ্ঞসমাজৰ ওচৰত দাঙি ধৰিলোঁ। সোণোৱাল কছাৰীৰ কিছুমানৰ মুখত শুনা যায় যে বাণৰজা নতুবা তেওঁৰ পিছৰ এজন ৰজাৰ ডিমাছা, গৰা, ভালুকবীৰ আৰু হগ্ৰা নামে চাৰি পুত্ৰ আছিল। ডিমাছাই ডিমাপুৰ বা কাছাৰত বড়ো বা কছাৰী ৰাজ্য, গৰাই গাৰো পাহাৰত গাৰো ৰাজ্য, ভালুকবীৰে বলিপাৰাত আঁকা ৰাজ্য প্ৰতিষ্ঠা কৰে। হগ্ৰাই কিছুমান, অৰ্থাৎ এহেজাৰ লোক লৈ উত্তৰ দিশ শদিয়ালৈ উজাই আহে।

সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকসকল সাংস্কৃতিকভাৱে অতি চহকী জাতি। এই ভূমিপুত্ৰসকলৰ পূজা-পাতল, কলাকৃষ্টি আৰু গীত-মাতক লৈ নিৰ্মাণ কৰা যিবোৰ উমৈহতীয়া ৰীতি-নীতি, সামাজিক পৰম্পৰা, বিশ্বাস, জীৱন-নিৰ্বাহৰ প্ৰণালী একোমুঠা বান্ধক এটা জাতিৰসত্তা বুলি চিনাকি দিব পৰাকৈ সবল কৰি তোলে, এই সকলোবোৰ সোণোৱাল কছাৰী লোকসকলৰ মাজত আছে। সোণোৱাল কছাৰী লোকসকলৰ ধৰ্ম জীৱনৰ ঘাই হৈছে— "খ্ৰীং খ্ৰীং বাইথ" পূজা। তেওঁলোকৰ ধৰ্ম হৈছে— "বাইথ" ধৰ্ম। খ্ৰীং ৰজা হৈছে তেওঁলোকৰ প্ৰধান ইষ্ট দেৱতা। খ্ৰীং শব্দটো "বাইথ", গজাই, মনাই আৰু ফুলকোঁৱৰ এই চাৰিজন উপাসাৰ সংযুক্ত ৰূপ শক্তিক বুজাই। সোণোৱাল কছাৰীসকলৰ গীত-মাতসমূহৰ ভিতৰত সৰ্বপ্ৰথমে নাম ল'ব লগা গীতটো হৈছে হাইছাং গীত। "খ্ৰীং খ্ৰীং বাইথ" পূজাৰ তৃতীয়দিনা হাইদাং গীত গোৱা হয়। এই গীতটোক অসমীয়া সংস্কৃতিৰ এটা আপুৰুগীয়া সম্পদ বুলি গণ্য কৰা হয়।

গজাই থান সোণোৱাল কছাৰী লোকসকলৰ বাবে অতি পৱিত্ৰ তীৰ্থ স্থান। ডাউৰী নদীৰ পাৰত লাইলা গাঁৱত গজাই থান অৱস্থিত। গজাইক তেওঁলোকে অগতিৰ গতি স্বৰূপে বিশ্বাস কৰে। গজাইৰ উৎপত্তি জনশ্ৰুতিমূলক। জনশ্ৰুতি অনুসৰি গজাই গুৰু বা ডাঙৰীয়াই বেহা-বেপাৰ কৰাৰ উমানো চৰি গীতৰ ঘোষা পত্ৰৰ আধাৰত ল'ব পাৰি। এনে বেহা-বেপাৰ কৰাৰ সময়ত ডিব্ৰুগড় জিলাৰ ব্ৰহ্মপুত্ৰৰ পাৰত যি ঠাইত আশ্ৰয় লৈছিল সেই ঠাইখনেই কালক্ৰমত গজাই গাঁও হোৱা বুলি জনশ্ৰুতি আছে। সোণোৱাল কছাৰীসকলৰ গঢ়-পিত সম্পূৰ্ণ মংগোলীয়। এওঁলোক চাপৰ, চেপেটা নাকৰ, দাড়ি কম আৰু ঠৰঙা চুলিৰ হয়। সোণোৱাল কছাৰীসকল সাতটা খেল আৰু ১৪টা বংশত বিভক্ত। গাঁও পাতি বাস কৰা সোণোৱাল কছাৰীসকল সম্পূৰ্ণ কৃষিজীৱী। গাঁৱৰ মূল মানুহজন গাঁওবুঢ়া। নামঘৰেই হ'ল গাঁও এখনৰ প্ৰাণ কেন্দ্ৰ। ইয়াতেই সামাজিক আৰু ধাৰ্মিক বিবাদসমূহে বিচাৰ কৰে। সোণোৱাল কছাৰীসকলে ভাত, শাক-পাচলি আৰু বিভিন্ন মাছ-মঙহ খায়। আগেয়ে ভাতৰ পৰা বনোৱা মদৰ খুব প্ৰচলন আছিল যদিও বৰ্তমান একেবাৰে কমি গৈছে।

সোণোৱাল কছাৰীসকলৰ বিভিন্ন উৎসৱ-পাৰ্বণৰ ভিতৰত ব'হাগ বিহু প্ৰধান। বিহুত গাঁৱৰ নামঘৰত চৰি আনুষ্ঠানিকভাৱে আৰম্ভ কৰি ঘৰে ঘৰে হুঁচৰি গায়। হুঁচৰি দলটোৱে এডাল দীঘল বাঁহ লৈ যায় আৰু গৃহস্থৰ ঘৰৰ চোতালত তিনিটা খুঁটাৰ ওপৰত ৰাখি বিহু নামৰ তালে তালে বজায়। মাঘ আৰু কাতি বিহুও এওঁলোকে পালন কৰে। সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত বিভিন্ন লোক-নৃত্যৰ ভিতৰত হগ্ৰা আৰু বহুৱা নাচ উল্লেখযোগ্য। সোণোৱাল কছাৰীসকল মংগোলীয় নৃগোষ্ঠীৰ লোক। নৃতাত্ত্বিক দৃষ্টিকোণৰ পৰা মংগোলীয় আৰু ভাষা-তাত্ত্বিক দৃষ্টিকোণৰ পৰা চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। সোণোৱালসকলে অসমৰ ভূমিপুত্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে। ইতিহাসৰ পম খেদি গ'লে দেখা যায় যে প্ৰাক-ঐতিহাসিক

যুগতেই এই লোকসকলে মংগোল সমভূমিৰ পৰা আহি ভাৰতৰ পূব প্ৰান্তত বাস কৰিবলৈ ধৰে। এই ঠাইত বাস কৰিবলৈ লোৱাৰ পাছত জড়োপাসক এই লোকসকলে কৈৰাত ধৰ্ম গ্ৰহণ কৰি কিৰাত হিচাপে পৰিচিতি লাভ কৰে।

'যোগিনীতন্ত্ৰ'ৰ 'যোগিনীপীঠ'ত কিৰাতসকলৰ আৰু তেওঁলোকৰ ধৰ্মটোৰ কথা উল্লেখ আছে। 'মহাভাৰত'টো কিৰাত ভগদত্তৰ কথা বিশেষভাৱে পোৱা যায়। কুৰুক্ষেত্ৰৰ যুদ্ধত এইজন যোদ্ধাই উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। তেনেদৰে যৰ্জুবেদ, অথৰ্ববেদ আদিত কিৰাত জাতিৰ উল্লেখ আছে। 'বিষ্ণুপুৰাণ'তো কিৰাতসকল ভাৰতৰ পূব প্ৰান্তৰ অধিকাৰী বুলি উল্লেখ আছে। এইবিলাকৰ পৰা খ্ৰীষ্টপূৰ্ব ৩০০০ বছৰৰ আগেয়েই কিৰাতসকল উত্তৰ-পূব ভাৰতত বসতি স্থাপন কৰাৰ কথা প্ৰতীয়মান হয়। এই কিৰাতসকলেই হ'ল পৰৱৰ্তী সময়ৰ কছাৰীসকল। কছাৰীসকলৰ মাজত ১২টা ফৈদ আছে। তাৰ ভিতৰত এটা হ'ল বাদু সুণলয় অৰ্থাৎ সোণোৱাল কছাৰীসকল। অসমৰ উজনি খণ্ডৰ হালালী গণৰাজ্য পাতি স্বকীয় জীৱন-প্ৰণালীৰে বসবাস কৰা এই লোকসকল কালক্ৰমত আন ফৈদৰ লগতে বহিঃগোষ্ঠীৰ আক্ৰমণৰ উপৰি পৰৱৰ্তী পৰ্যায়ত ৰাজনৈতিক, অৰ্থনৈতিক তথা বাণিজ্যিক, শৈক্ষিক, যাতায়াত ব্যৱস্থা ইত্যাদি বিভিন্ন কাৰণত অসমত বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰে। এনেদৰে বিভিন্ন ঠাইত বাস কৰিবলৈ লোৱা সোণোৱালসকলে স্বকীয় ৰীতি-নীতি, পৰম্পৰা আদি সম্পূৰ্ণৰূপে বাদ নিদি ধৰি ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা চলায়। সেয়ে গণৰাজ্য ধ্বংস হৈ যোৱাৰ পাছত সোণোৱালসকলৰ সামূহিক জীৱন-যাত্ৰাৰ পৰম্পৰাটো বিঘ্নিত হৈছিল যদিও সাম্প্ৰতিক সময়লৈকে নিজা সমাজ-সংস্কৃতিৰ ঐতিহ্যৰ ধ্বজা জনগোষ্ঠীটোৰ মাজত পৰিদৃশ্যমান হয়। বিভিন্ন দিশৰ পৰা সোণোৱালসকলৰ এই সমাজ-সংস্কৃতিৰ ঐতিহ্য সম্পৰ্কে আলোচ্য গৱেষণা পত্ৰত ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰা হৈছে।

এগৰাকী ইংৰাজ লেখক এল, এ বাতেলে সোণোৱাল কছাৰীসকলৰ বিষয়ে তলত দিয়া দৰে মন্তব্য কৰিছে— "The Sonowal or Sodial are mostly gold washer in the Lakhimpur district in Upper Assam". অৰ্থাৎ— সোণোৱাল বা শদিয়াল কছাৰীসকল যতদূৰ সম্ভৱ উজনি অসমৰ লক্ষীমপুৰ (অভিভক্ত) জিলাৰ সোণ কমোৱা সোণোৱালসকলেই।

আকৌ, ইতিহাসবিদ তথা কবি সাহিত্যিক হিতেশ্বৰ বৰবৰুৱাই তেওঁৰ 'আহোমৰ দিন' নামৰ গ্ৰন্থত উল্লেখ কৰিছে এইদৰে— 'সোণোৱাল কছাৰীসকলৰ ঘৰ পূৰ্বে উজনি অঞ্চলৰ শদিয়াত আছিল আৰু সোৱণশিৰি নৈত সোণ কমাইছিল'।

ড° সূৰ্য্যকুমাৰ ভূঞাই সম্পাদনা কৰা 'কছাৰী বুৰঞ্জী'ত সোণোৱালসকলৰ বিষয়ে এনেদৰে উল্লেখ কৰিছে— শদিয়া অঞ্চলত কছাৰীসকলে ৰাজ্য পাতি প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰিছিল। এই ৰাজ্যৰ সীমা পূবে শদিয়া, পশ্চিমে দিখৌমুখ আৰু দক্ষিণে দিলিহৰ কেন্দুগুৰিলৈকে স্থিতি আছিল। ৰাজ্যৰ বাসিন্দাসকলক শদিয়াল কছাৰী বুলি উল্লেখ কৰিছে। যাৰ অৰ্থ হয় মাটি, লালী-উজ্জ্বল অৰ্থাৎ উজ্জ্বল মাটিৰ দেশ। এই শদিয়াল কছাৰীসকলেই পৰৱৰ্তী সময়ত সোণোৱাল কছাৰী নামেৰে খ্যাত হৈ পৰে।

সোণোৱালসকলৰ ইতিহাস সম্বন্ধে আন এক গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে নৃতাত্বিক পণ্ডিত ড° ভুবন মোহন দাসে। তেওঁৰ মতে— প্ৰাচীন কালত কোনো এটা সময়ত তিব্বত বৰ্মী ভাষী মংগোলীয় লোকৰ দল এটাই তেওঁলোকৰ আদি বাসস্থান চীন দেশৰ পশ্চিম অঞ্চলৰ পৰা দক্ষিণলৈ প্ৰব্ৰজন কৰি ম্যানমাৰৰ উত্তৰ-পূব অঞ্চলত উপনীত হয় আৰু তাৰ পৰা তেওঁলোকৰ এটা দলে হিমালয়ৰ পাদদেশেৰে পশ্চিমলৈ গতি কৰি তিব্বত, ভুটান, নেপাল আদি ঠাইত বসতি স্থাপন কৰে। পিছলৈ তেওঁলোকৰ কোনো কোনো লোকে সেই ঠাইৰ পৰা দক্ষিণলৈ যাত্ৰা কৰি ব্ৰহ্মপুত্ৰ উপত্যকা, বৰাক উপত্যকা আৰু তাৰ দাঁতি-কাষৰীয়া পাহাৰবোৰত থিতাপি লয়। এই লোকসকলেই সোণোৱাল কছাৰীসকলৰ আদিপুৰুষ। সময়ত কছাৰীসকল নানা কাৰণত নানান ঠাইত বিস্তাৰিত হৈ পৰে আৰু বিভিন্ন নামেৰে পৰিচিত হ'বলৈ ধৰে। সোণোৱাল কছাৰী এনে এটা নৃগোষ্ঠী।

সোণোৱাল কছাৰী সমাজৰ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, জনসংস্কৃতিৰ পুৰোধা ব্যক্তি, তথা সমাজ সেৱক স্বৰ্গীয় গগন চন্দ্ৰ সোণোৱাল। সোণোৱাল কছাৰী জাতিৰ 'নামকৰণ'ৰ সমৰ্থনত তলত দিয়া দৰে মত প্ৰকাশ কৰিছে আৰু সোণোৱালসকলৰ মাজত ব'হাগ বিহুত প্ৰচলিত হাইদাং চৰি গীতত জাতিটোৰ সম্পৰ্কে এনেদৰে ব্যাখ্যা দাঙি ধৰিছে— "পুৰণি ভাৰতত এজন প্ৰতিভাশালী আৰু ক্ষমতাসম্পন্ন আৰু মহাদানী ৰজা হ'ল বলি। এওঁক চলিবৰ কাৰণে বিষ্ণুৱে বামণ অৱতাৰ ধৰি তিনিখোজ মাটি দান হিচাপে বিচাৰে আৰু সেই ছলেৰেই বলি ৰজাক পাতালৰ সুতললৈ পঠোৱা হয়। সুতলত (পাতাল) থকা দৈত্যৰাজ বলিয়ে বিষুব সংক্ৰান্তিত সঁচাৰ ফুৰাবলৈ (সান্ত্বনা) দিবলৈ আহে। তেওঁৰ প্ৰজাসৱৰ ওচৰলৈ বছৰৰ মূৰকত এদিন মৰ্ত্যলোকলৈ আহে আৰু সোণোৱাল কছাৰীসকলে বলিৰজাৰ দোমাহী ব'হাগ বিহু উৎসৱ পাতি তেওঁলোকৰ পূৰ্বপুৰুষ বলি ৰজাক ওলগ জনাই হুঁচৰি গীতেৰে—

"তিনিশ তিনিকুৰি তিনিদিন
বলিৰজা দোমাহী।
বলিৰজা আহে আৰু যায়।"

এতেকে সোণোৱালসকল হ'ল বলিৰ বংশধৰ। তদুপৰি সোণোৱাল কছাৰীসকলৰ প্ৰাচীনত্ব সম্পৰ্কে তেওঁলোকৰ মাজত প্ৰচলিত হাইদাং গীতত উল্লেখ আছে—

"আদি যুগৰ কছাৰী
হাইদাং দেই (দে)।"

সোণোৱাল কছাৰীসকলৰ আগশাৰীৰ তথ্যভিত্তিক নিবন্ধকাৰ, গীতিকাৰ আৰু সোণোৱাল কছাৰীসকলৰ ইতিহাস প্ৰণেতা স্বৰ্গীয় ৰজনী হাজৰিকাই তেওঁৰ এটি প্ৰবন্ধত তথ্যসম্বলিতভাৱে উল্লেখ কৰিছে এনেদৰে— "হালালী ৰাজ্যত বসবাস কৰি থকা সোণোৱাল কছাৰীসকলৰ জাতি গঠন প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে পূৰ্ণতা লাভ কৰিছিল। সেয়েহে তেওঁলোকৰ আদিম সংগীত হাইদাং গীতত বংশ পৰিচয় উল্লেখ আছে। স্বকীয় ঐতিহ্যপূৰ্ণ বংশ পৰিচয় অন্তৰ্ভুক্ত হৈ পৰা মধ্যযুগীয়া উজনি অসমৰ কছাৰী মানুহ মাত্ৰেই সোণোৱাল কছাৰী বুলি জনাজাত আছিল আৰু সেই নামটোৰে জনপ্ৰিয়তা লাভ কৰিছিল। অতি সম্প্ৰতি পোহৰলৈ অহা এক তথ্য মতে সোণোৱাল কছাৰীসকলৰ বাৰটা ফৈদ আছিল। এই বাৰটা ফৈদ হ'ল— জমচইয়, বড়এইয়া, জুঙ্গলইয়া, বাড়ুহজইয়, বাড়ুসোনলইয়, ৰাভকিৰতইয়, ইনটোগাড়ইয়া, ইনটুহুজইথু, ইনটুমেচইয়, দাউলাইয়, এনটুমিথইয়, কচইয়া। এই বাৰটা ফৈদৰ বাড়ুসোনলইয়, কছাৰী ফৈদৰ পৰা সোণোৱাল কছাৰীসকলৰ নামকৰণ হৈছে। এই মতানুসৰি বাড়ু মানে বীৰ, প্ৰতাপী, সোণ-পুং সন্তান, পুৰুষ, লয়জাতি-গোষ্ঠী। অৰ্থাৎ সোনলয়-বীৰ পুৰুষ জাতি। এতেকে বাড়ু সুনলয় মানে সোণোৱাল কছাৰী জাতি। প্ৰাচীনতম আদিবাসী অৰ্থাৎ অসমৰ ভূমিপুত্ৰ।

বিভিন্নজন সমাজবিজ্ঞানী, ঐতিহাসিক পণ্ডিত, সাহিত্য-সমালোচক, গৱেষক, কিংবদন্তি আৰু জনশ্ৰুতি আদিৰ বিভিন্ন তথ্যৰ পৰা এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে বৃহত্তৰ কছাৰীসকলৰ এই ফৈদৰ মানুহখিনি বিভিন্ন ক্ষেত্ৰত সোণৰ লগত জড়িত থকাটো নিশ্চিত কৰিব পাৰি। ৰসায়ন বিজ্ঞানৰ ক্ষেত্ৰতো সোণৰ লগত জড়িত থকাটো নিশ্চিত কৰিব পাৰি। ৰসায়ন বিজ্ঞানত এইসকল লোক অতিশয় পাৰ্গত আছিল। অসমীয়া সংস্কৃতিৰ কলাগুৰু বিষ্ণু ৰাভায়ো কৈছিল যে সোণোৱালসকল অসমৰ এক খিলঞ্জীয়া জনগোষ্ঠী, অসমৰ ভূমিপুত্ৰ। জাতিগত পৰিচয় দিব পৰাকৈ তেওঁলোকৰ মাজত বৰণীয় সাংস্কৃতিক উপাদান আছে। এই প্ৰবন্ধত তেওঁলোকৰ জাতি পৰিচয়ৰ লগতে সাংস্কৃতিক আৰু লোক-উৎসৱৰ এটি চমু পৰিচয় দাঙি ধৰাৰ যত্ন কৰা হৈছে।

অসমৰ ভূমি পুত্ৰ সোণোৱালসকল সাংস্কৃতিক দিশত অতি চহকী। নিৰ্দিষ্ট ভৌগোলিক এলেকাৰ একে ৰীতি-নীতি বা সামাজিক বিধি আৰু একে জীৱন নিৰ্বাহ পদ্ধতি তথা স্বকীয় প্ৰথাৰে মহিমামণ্ডিত এটা জনসমষ্টিক সমাজ শাস্ত্ৰৰ দিশৰ পৰা এখন সমাজ বুলি ধৰি ল'লে। সোণোৱালসকলো উক্ত নিৰ্দিষ্ট ৰীতি-নীতি, সামাজিক প্ৰথা, ধৰ্ম আদিৰ প্ৰচলন থকা এক বিশিষ্ট জনজাতীয় সমাজ। সোণোৱালসকল সাধাৰণতে সহজ-সৰল, লাজকুৰীয়া আৰু নিৰ্জু স্বভাৱৰ। তেওঁলোক মূলতঃ কৃষিজীৱী। প্ৰধানতঃ তেওঁলোকৰ সমাজ ব্যৱস্থা যৌথ পৰিয়াল ব্যৱস্থা আছিল। বৰ্তমান সৰু সৰু পৰিয়ালৰ ব্যৱস্থা বিভিন্ন কাৰণত হোৱা পৰিলক্ষিত হোৱা দেখা গৈছে। ঘৰৰ মূল ব্যক্তিজন বা দেউতাকৰ পৰিকল্পনাত ঘৰ পৰিচালনা হয়। জন্মগত জ্যেষ্ঠতাই সম্বন্ধৰো জ্যেষ্ঠতাক সূচায়। ডাঙৰজনৰ সন্তান সৰু হ'লেও সৰুজনৰ জন্মগত জ্যেষ্ঠতাই ককাই সম্বোধনেৰে মতা হয়। দেউতাকৰ বায়েক হ'লে জেঠাই আৰু জেঠাইৰ স্বামীক জেঠু বা বৰপাই বুলি সম্বোধন কৰাৰ নিয়ম। সৰু হ'লে পেহী, ভায়েক হ'লে দদাই, দেউতাকৰ ককায়েক হ'লে বৰপাই বা বৰদেউতা সম্বোধনেৰে মতা হয়। দেউতাকৰ দেউতাকক দ'তা, মাকক আবৈ বুলি সম্বোধন কৰা হয়। মাকৰ ককায়েক বা ভায়েক দুয়োকো মামা বা মোমাই আৰু তেওঁলোকৰ পত্নীক মামী বা মানী বুলি সম্বোধন কৰে। বৰজনাকক বৰগৰাকী, স্বামীৰ মাক-দেউতাকক শহুৰ-শাহু বুলি কোৱাৰ নিয়ম। বায়েকৰ স্বামীক ভিনিহী বা ভিনি, ভনী জোঁৱাইক বৈনাই আৰু পত্নীৰ ককায়েক হ'লে জেঠেৰী আৰু দৰা-কন্যাৰ ককায়েক দুজনৰ মাজৰ দ'মৈধি সম্বোধন কৰা হয়। ৰাইজৰ লগত সমিল মিলেৰে থকাটো তেওঁলোকৰ সমাজৰ এক অনন্য ব্যৱস্থা। সেয়েহে তেওঁলোকে কয় "ৰাইজেই ৰজা, জ্ঞাতিয়ে গঞা"।

এইখিনিতে ক'ব লাগিব যে, গণতান্ত্ৰিক ব্যৱস্থা হিচাপে গাঁও পৰিচালনাৰ বাবে গাঁওবুঢ়া, গাঁৱৰ সামাজিক কাম-কাজ নিয়াৰিকৈ পৰিচালনাৰ বাবে বৰা, বাৰিক, হাজৰিকা আদিৰ উপৰিও ধনভঁৰালী আদি বিষয়ববীয়াৰ ব্যৱস্থা সমাজত প্ৰচলিত। শঙ্কৰী আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ শঙ্কৰী কলা-কৃষ্টিৰ ধ্বজাবাহী বাদ্য গায়ন-বায়ন ব্যৱস্থাও সমাজত প্ৰচলিত।

**২.০ সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকাচাৰ**

বিখ্যাত পণ্ডিত ৰিচাৰ্ড এম ডবছনৰ মতে লোক-সংস্কৃতি আৰু লোক-জীৱনৰ অন্যতম চাৰিটা ভাগ হৈছে— মৌখিক

সাহিত্য বা মৌখিক লোকবিদ্যা, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্ৰথা বা লোকাচাৰ আৰু লোক-পৰিৱেশ্য কলা। এই চাৰিটা ভাগৰ ভিতৰত সামাজিক লোকপ্ৰথা বা লোকাচাৰ বুলিলে মানৱ সমাজত পৰম্পৰাগতভাৱে চলি অহা লোক-বিশ্বাস আৰু লোক পৰম্পৰাসমূহক সামাজিক লোকাচাৰ বুলি ধৰা হয়।

এই লোকাচাৰ অনুসংগত ব্যক্তিগত ক্ৰিয়াতকৈ সমাজগত অন্যান্য ক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হয়। সমাজ আৰু পৰিয়ালৰ মাজত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক কিছুমান ৰীতি-নীতি পৰম্পৰাগতভাৱে চলি আহিছে। এই ৰীতি-নীতি আৰু আচাৰ-ব্যৱহাৰ কিছুমান স্থানীয় আৰু সুনিৰ্দিষ্ট। কিছুমান ৰীতি-নীতি লোক-বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত; এইবোৰ লোক-সংস্কৃতি বা লোকবিদ্যাৰ নতুন শ্ৰেণীৰ জন্ম দিছে। মানৱ সমাজত প্ৰচলিত এই ধৰণ-কৰণ, আচাৰ-ব্যৱহাৰ আদিত কিছুমান শাৰীৰিক কাৰ্যও জড়িত হৈ থাকে। কিছুমান আকৌ ঐন্দ্ৰজালিক আৰু ধৰ্মীয় শক্তি বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত।

ৰাজহুৱাভাৱে পতা উৎসৱ অনুষ্ঠান আৰু ধৰ্মীয় অনুষ্ঠানসমূহৰ জৰিয়তে কিছুমান সামাজিক লোক-প্ৰথাৰ জন্ম হৈছে আৰু এই লোক ৰীতি-নীতি বা প্ৰথা পালন কৰিয়েই এই সামাজিক উৎসৱসমূহ পালন কৰা হয়। তদুপৰি উৎসৱসমূহত পৰিৱেশন কৰা গীত-মাত, সাজপাৰ, লোক-যাত্ৰা আদিকো উৎসৱ অনুষ্ঠানৰ পৰিধিয়ে সামৰি লয়। পূজা উদ্‌যাপন পদ্ধতি আদিও লোকপ্ৰথা বা লোকাচাৰৰ অংগীভূত। সামাজিক লোকাচাৰ বা ৰীতি-নীতিসমূহক থুলমূলকৈ চাৰিটা উপ-ভাগত ভগাব পাৰি। যেনে— উৎসৱ অনুষ্ঠান, খেলা-ধূলা, লোক-ঔষধ, লোক-ধৰ্ম।

সোণোৱালসকলে পৰম্পৰাগত জীৱন-প্ৰৱাহত বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠান, পূজা-পাতল, ৰীতি-নীতি, পালন কৰি আহিছে। লোকবিশ্বাস আধাৰিত পৰম্পৰাগত জীৱন ধাৰণ পদ্ধতিকেই নবীন চন্দ্ৰ শৰ্মাই সামাজিক লোকপ্ৰথা বা সামাজিক লোকাচাৰ আখ্যা দিছে। নবীন চন্দ্ৰ শৰ্মাৰ মতে, মৌখিক-সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতে পৰম্পৰাগত জীৱন (Traditional life)। পৰম্পৰাগত জীৱন, মৌখিক-সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজৰ সংযোগ সেতু। পৰম্পৰাগত জীৱনক একপ্ৰকাৰে আমি সামাজিক লোকাচাৰ ব্যৱহাৰ বুলিবও পাৰোঁ। এইক্ষেত্ৰত ব্যক্তিগত অন্যোন্য ক্ৰিয়াতকৈ সমাজগত অন্যোন্য ক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা দেখা যায়। সমাজ আৰু পৰিয়ালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু আদি বিষয়ক ৰীতি-নীতি আদি পৰম্পৰাগত জীৱনৰ ভিতৰত পৰে। এনে ধৰণৰ ৰীতি-নীতি আৰু আচাৰ-ব্যৱস্থাসমূহ মুখ্যতঃ লোক-বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত— যিবোৰে লোক-বিদ্যাৰ এটা নতুন শ্ৰেণীৰ (genre) জন্ম দিছে।

অতীজৰে পৰা সোণোৱাল কছাৰীসকলৰ সমাজত অনেক উৎসৱ-অনুষ্ঠানৰ প্ৰচলন হৈ আহিছে। পৰম্পৰাগতভাৱে বিভিন্ন কাল, ঋতু, দিন-বাৰ, ধৰ্মীয় বিশ্বাস, কৃষিকৰ্ম আদিৰ লগত সংগতি ৰাখি তেওঁলোকে বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰা দেখা যায়। তেওঁলোকৰ আটাইবোৰ উৎসৱ-অনুষ্ঠানক কম পৰিসৰত সামৰি লোৱাটো সহজ নহয়। সেইবাবে এই প্ৰকল্পত কিছুসংখ্যক লোকাচাৰৰ লগতে ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া সমজিলাৰ চাচনী মৌজাৰ ন-খটীয়া গাঁৱৰ সোণোৱাল কছাৰী লোকসকলে পালন কৰা উৎসব-অনুষ্ঠানসমূহৰ অধ্যয়নো সামৰি লোৱা হৈছে। অধ্যয়নৰ সুবিধাৰ্থে তেওঁলোকে পালন কৰা উৎসৱ-অনুষ্ঠানসমূহক চাৰিটা ভাগত এনেদৰে ভাগ কৰি লোৱা হৈছে—

(ক) লোক উৎসৱ-অনুষ্ঠান
(খ) ধৰ্মীয় পৰম্পৰাকেন্দ্ৰিক লোকাচাৰ
(গ) কৃষিকেন্দ্ৰিক লোকাচাৰ
(ঘ) জন্ম-মৃত্যু-বিবাহকেন্দ্ৰিক লোকাচাৰ

**২.১ লোক উৎসৱ-অনুষ্ঠান**

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া সমজিলাৰ চাচনী মৌজাৰ ন-খটীয়াগাঁৱৰ সোণোৱাল কছাৰী লোকসকলে পৰম্পৰাগতভাৱে পালন কৰা বহুকেইটা উৎসৱক লোক উৎসৱ-অনুষ্ঠানৰ ভিতৰত ধৰিব পাৰি। সেইসমূহ উৎসৱৰ ভিতৰত ব'হাগ বিহু, মাঘ বিহু, কাতি বিহু আৰু খ্ৰীং খ্ৰীং বাইথ' পূজা পূজা অন্যতম।

**২.২ ধৰ্মীয় পৰম্পৰাকেন্দ্ৰিক লোকাচাৰ**

সাংস্কৃতিক ইতিহাসত ধৰ্ম আৰু বিশ্বাসৰ স্থান অতি উচ্চ। ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে বিশ্বাস আৰু যাদুৰ মিলনতেই ধৰ্মৰ উৎপত্তি। এই বিশ্ব জগতত বসবাস কৰা মানৱৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ মূলতে আছে বিভিন্ন বিশ্বাস, যাদু আৰু ধৰ্ম। এনে ধৰণৰ আচাৰ-অনুষ্ঠানসমূহে সংস্কৃতি প্ৰসাৰণৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। অসমতো বিভিন্ন উৰ্বৰা লোকবিশ্বাস, যাদু ধৰ্মীয় বিশ্বাস আদিৰ আধাৰতেই প্ৰাচীন কালৰে পৰা বিভিন্ন ধৰ্মীয় পৰম্পৰাই গা কৰি উঠিছিল। ফলত সৃষ্টি হৈছিল শাক্ত, শৈব, বৈষ্ণৱ আদি পৰম্পৰা। এইবিলাকৰ বিভিন্ন ৰূপ আমাৰ লোক-সমাজতো প্ৰচলিত হৈ আহিছে। যেনে— কেঁচাইখাতী, বুঢ়ীগোসাঁনী, আই, শীতলা, বুঢ়াগোসাঁই, সত্যনাৰায়ণ, হুদুম দেও, ভঠেলি, পাউৰা আদি। উল্লেখযোগ্য

যে শংকৰদেৱ প্ৰৱৰ্তিত 'একশৰণ নামধৰ্ম' বা 'নৱ-বৈষ্ণৱ' ধৰ্ম অসমৰ ধৰ্মীয় পৰম্পৰাত এক বলিষ্ঠ সংযোজন।

অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা বিভিন্ন থান, দেৱালয়, পীঠ, সত্ৰ, নামঘৰ আদিয়ে ইয়াত যে বিভিন্ন ধৰ্মীয় পৰম্পৰাৰ প্ৰচলন আছিল সেই কথাৰ সাক্ষ্য বহন কৰে। আনহাতে, এই সকলো ধৰ্মীয় পৰম্পৰাই যে এক সহাৱস্থান কৰিছিল সেই কথাৰো প্ৰমাণ স্বৰূপ। আনহাতে, প্ৰতিটো ধৰ্মীয় পৰম্পৰাৰে বাহক হিচাপে এক বিপুল সাহিত্য সম্ভাৰৰ সৃষ্টি হৈছিল। নৱ-বৈষ্ণৱ ধৰ্মৰ বাহক হিচাপে যিমানখিনি সাহিত্য ৰচনা হৈছিল শৈৱ বা শাক্ত সম্পৰ্কে সিমানখিনি হোৱা নাই যদিও প্ৰতিটো পৰম্পৰাৰে সাহিত্য সম্ভাৰ পোৱা যায়।

ধৰ্মীয় পৰম্পৰা অনুসৰি সোণোৱাল কছাৰী লোকসকলে বহুতো উৎসৱ-অনুষ্ঠান পালন কৰা দেখা যায়। সেইসমূহৰ ভিতৰত গজায় পূজা, গাতিগিৰি পূজা, আই সকাম, পানীমতা সৱাহ, বাটৰ সৱাহ, অপেশ্বৰী সৱাহ, আয়ুতোলা প্ৰথা, দেও সকাম, কুলাডাঙৰীয়া পূজা, ডাঙৰীয়া পূজা, খিন ভঙা পূজা আদি অন্যতম।

**২.৩ কৃষিকেন্দ্ৰিক লোকাচাৰ**

অসম মূলত এখন কৃষিপ্ৰধান ৰাজ্য। ৰাজ্যখনত যিমানসংখ্যক জাতি-জনজাতি আছে সকলোৰেই কৃষিৰ সৈতে অতীজৰে পৰা জড়িত আৰু আজিও কৃষিৰ সৈতে সৰ্বসাধাৰণৰ ৰাইজৰ এই ওতঃপ্ৰোত সম্পৰ্ক অটুট আছে। ৰাজ্যখনৰ সকলো জাতি-জনজাতিৰে কৃষিভিত্তিক লোকাচাৰ আছে। লোকাচাৰসমূহৰ উদ্যেশ্য একেই, পালনৰ সময়ো একেই আৰু বহুতৰে পদ্ধতিও প্ৰায় একেই যদিও জনগোষ্ঠীভেদে লোকাচাৰসমূহৰ নাম ভিন ভিন হয়। ঋতুভেদে ভিন ভিন খেতি কৰা হয়। কৃষিকাৰ্য আৰম্ভ কৰাৰ পূৰ্বে কিছুমান নিয়ম-নীতি পালন কৰা হয়। এইধৰণৰ নিয়ম-নীতি মানি চলিলে ভাল ফচল উৎপাদন হয় বুলি লোক-সমাজত বিশ্বাস প্ৰচলিত আছে।

কৃষিকাৰ্যৰ আৰম্ভণিৰ পৰা শেষলৈকে বহুতো লোকাচাৰ পালন কৰা হয়। তাৰ ভিতৰত প্ৰধান তথা উমৈহতীয়া লোকাচাৰসমূহ হ'ল— হালযাত্ৰা, মুঠিমেলা, গছা দিয়া বা গছা পোতা, বাম্বোল পিটা, কাতি গাছা, আগ আনা, সাউৰি দিয়া, বিধান ৰখা, নতুন ধানৰ প্ৰসাদ দিয়া, ন-খোৱা, ম'হ খেদা আদি।

সোণোৱাল কছাৰী লোকসকল মূলতঃ কৃষিজীৱী। সেয়ে তেওঁলোকৰ সমাজত কৃষি সম্বন্ধীয় অনেক উৎসৱ-অনুষ্ঠান দেখিবলৈ পোৱা যায়। এইসমূহৰ ভিতৰত হাউৰী লোৱা, ন-খোৱা, গৰখীয়া সৱাহ, লখিমী সৱাহ উল্লেখযোগ্য।

**২.৪ জন্ম-মৃত্যু-বিবাহকেন্দ্ৰিক লোকাচাৰ**

কোনো এটা সম্প্ৰদায় বা কোনো এটা জাতিৰ সংস্কৃতিৰ সিংহভাগেই গঢ় লৈ উঠে সম্প্ৰদায়টো বা জাতিটোৰ ব্যক্তিৰ জন্ম আৰু মৃত্যুক কেন্দ্ৰ কৰি। অসমীয়া সমাজৰ সকলো জাতি, জনজাতি আৰু সম্প্ৰদায়ৰে নিজা নিজা নৃগোষ্ঠীয় জন্ম, মৃত্যু সম্পৰ্কীয় ৰীতি-নীতি, লোকাচাৰ, উৎসৱ-পাৰ্বণ তথা বিশ্বাস আছে। এই আচাৰ-নীতিসমূহে সমাজখন ধৰি ৰখাই নহয়, একোটা জাতি বা সম্প্ৰদায়ৰ লোকৰ মাজত পাৰস্পৰিক বান্ধোন অটুট ৰখাত সহায় কৰিছে। জন্ম, মৃত্যু— যিকোনো উপলক্ষক কেন্দ্ৰ কৰি একো একোটা নিৰ্দিষ্ট লোকাচাৰ আছে বাবেই সমাজ একোখনত মানুহে সুখে-দুখে, বিপদে-সম্পদে একেলগে থকাৰ অনুশীলন কৰি আহিব পাৰিছে। ইজনে-সিজনৰ সুখ বা দুখৰ ভাগ লোৱাত এখন সমাজত বাস কৰা লোকসকলক সহায় কৰিছে এই লোকাচাৰসমূহেই।

অসমীয়া সমাজত একোজন ব্যক্তিৰ জীৱনবৃত্তক কেন্দ্ৰ কৰি যিমানবোৰ আচাৰ-নীতি আছে, সেই সকলোবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰিলে অকল সেইখিনিক লৈয়ে এখন বৃহৎ গৱেষণা গ্ৰন্থ যুগুত কৰি উলিওৱাৰ থল আছে। অৱশ্যে তেনে গৱেষণা হ'ব বহু সময়সাপেক্ষ। তাৰবাবে সমল গোটাবলৈ প্ৰয়োজন হ'ব দীঘলীয়া সময়। ছমাহ সময় ইয়াৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ বাবে পৰ্যাপ্ত নহয় যদিও মই জন্ম, মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ যথাসম্ভৱ সমল গোটাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। প্ৰত্যক্ষ সাক্ষাতকাৰক এইক্ষেত্ৰত মই মোৰ ক্ষেত্ৰ অধ্যয়নৰ পদ্ধতি হিচাপে অধিক ব্যৱহাৰ কৰিছোঁ।

সোণোৱাল কছাৰীসকলে জন্ম, বিবাহ, মৃত্যু আদিৰ সৈতে সম্পৰ্কিত কেতবোৰ আচাৰ-অনুষ্ঠান পালন কৰে। তেনে অনুষ্ঠানসমূহৰ ভিতৰত শুদ্ধি, তোলনী বিয়া, বৰ বিয়া, তিলনি, দহা-কাজ আদিৰ নাম ল'ব পাৰি।

**৩.০ সোণোৱাল কছাৰী জনগোষ্ঠীৰ ৰীতি-নীতি আৰু লোকবিশ্বাস**

লোক-সংস্কৃতি মানৱ জাতিৰ সমানেই প্ৰাচীন। মানৱ জাতিৰ জন্মৰ লগে লগে লোক-সংস্কৃতিৰো জন্ম। দীৰ্ঘকাল লোক-সংস্কৃতিয়ে জনসমাজৰ পৃষ্ঠপোষকতাত চলি আহোঁতে ঊনবিংশ শতিকাতহে বিদ্বান সমাজৰ মাজত ধৰা পৰে। ঊনবিংশ শতিকাৰ ইংলেণ্ডৰ পুৰাতত্ত্ববিদ আৰু জাৰ্মান দেশীয় ভাষাতত্ত্ববিদসকলে জনসাধাৰণৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ ওপৰত সন্ধানী দৃষ্টিৰে চোৱাৰ লগে লগে লোক-সংস্কৃতি অধ্যয়নৰ পথ প্ৰশস্ত হৈ উঠে আৰু অধ্যয়নৰ নতুন নতুন ক্ষেত্ৰত লোক-সংস্কৃতিয়ে আত্মপ্ৰকাশ কৰিলে। এই লোক-সংস্কৃতি লোক সমাজৰ সাৰ্থক

দলিলস্বৰূপ। ইয়াৰ মাজেদি প্ৰতিফলিত হয় লোকমনোধৰ্মী বিভিন্ন লোকবিশ্বাসৰ প্ৰতিচ্ছবি। লোকজীৱনত প্ৰচলিত লোকবিশ্বাস, আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, অন্ধবিশ্বাস আদিৰ বৰ্ণনাই লোক-সংস্কৃতি তথা লোক-সাহিত্যক সমৃদ্ধ কৰিছে।

লোক-সংস্কৃতিৰ এক অনন্য দিশ হ'ল— লোকবিশ্বাস। লোকবিশ্বাসে সংস্কৃতিৰ এক বিশাল অংশ আগুৰি আছে। লোকবিশ্বাস হৈছে পৰম্পৰাগতভাৱে প্ৰচলিত কিছুমান আচাৰ-অনুষ্ঠান আৰু ধ্যান-ধাৰণা। লোকবিশ্বাসৰ উৎপত্তিৰ কাৰণ ব্যাখ্যা কৰা ইমান সহজ নহয়। এই বিষয়ত বহু দিনৰপৰা পণ্ডিত-গৱেষকসকলে অধ্যয়ন চলাই আছে যদিও বৰ্তমানলৈকে কোনোধৰণৰ সকলোৰে বাবে গ্ৰহণযোগ্য হোৱা সংজ্ঞা বা তথ্য প্ৰতিষ্ঠা কৰিব পৰা নাই। সমাজ মানেই ব্যক্তিৰ সমষ্টি। অতীজৰেপৰা সমাজত পৰম্পৰাগতভাৱে এই লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। বিশ্ব সংস্কৃতিত ইয়াৰ প্ৰয়োগ অতি প্ৰাচীন। মানৱ সভ্যতাৰ সৃষ্টিৰ সময়ৰেপৰা বিভিন্ন ধৰণে বিভিন্ন প্ৰকাৰে জনসমাজত লোকবিশ্বাসে আত্মপ্ৰকাশ লাভ কৰি আহিছে। এই প্ৰসঙ্গত ভাৰতৰ প্ৰাচীনতম গ্ৰন্থ ঋগ্বেদৰ কথা উল্লেখ কৰিব পাৰি। ঋগ্বেদত ভালেখিনি লোকবিশ্বাস প্ৰকাশ পোৱাৰ অন্তৰালত ই যে জনমানসত এক সুকীয়া আসন দখল কৰিছে এই কথা একেমুখে ক'ব পাৰি।

সাধাৰণ অৰ্থত লোকবিশ্বাসে কোনো এখন সমাজত প্ৰচলিত ভাল-বেয়া, শুভ-অশুভ আদি চিন্তাৰে পালন কৰা ৰীতি-নীতিক বুজায়। লোকবিশ্বাসক আধিভৌতিক সমাজৰ অংগ বুলিও কোৱা হয়। লোকসমাজত ইয়াক যেনেদৰে বিচাৰ কৰা হয় তেনেদৰে বৈজ্ঞানিক দৃষ্টিৰে বিচাৰ কৰা নহয়। লোকসমাজে বৈজ্ঞানিক দৃষ্টিভংগীক মানি ল'ব নোখোজে। লোকসমাজৰ দৃষ্টিত ই এক পৰম্পৰাগতভাৱে চলি অহা এক লোকবিজ্ঞান। যাৰ বাবে লোকবিশ্বাসৰ আধাৰসমূহৰ বিশেষ বিশেষ দিশত বৈজ্ঞানিক যুক্তি থাকিলেও তাক বৰ্জন কৰি কেৱল ধৰ্মীয় বা লৌকিক পৰম্পৰাৰ দৃষ্টিকোণেৰে লোকসমাজত চোৱা হয়।

অসমৰ আন এটা উল্লেখযোগ্য সম্প্ৰদায় সোণোৱাল কছাৰীসকলৰ মাজতো বহুতো লোকবিশ্বাসৰ প্ৰচলন আছে। সোণোৱাল কছাৰী সমাজত গৰ্ভৱতী তিৰোতাক যিকোনো জয়াল ঠাইলৈ যোৱাত নিষেধাজ্ঞা দিয়া হয়। এনে ঠাইলৈ গ'লে যখ-যখিনী, ভূত-প্ৰেত আদি অপদেৱতাৰ কবলত পৰে বুলি বিশ্বাস কৰে। অপদেৱতাৰ শক্তিৰপৰা বাচিবলৈ গৰ্ভৱতী তিৰোতাই এখন ছুৰী কটাৰী, বগা সৰিয়হ, নহৰু আদি লগত নিয়াতো নিয়ম। আনহাতে, পত্নীৰ গৰ্ভধাৰণৰ সময়ছোৱাত তেওঁৰ স্বামীয়েও কিছু ৰীতি-নীতি পালন কৰিব লগা হয়। এই সময়ছোৱাত স্বামীয়ে কোনোধৰণৰ জীৱ-জন্তু বধ কৰিব নাপায়। যদি জীৱ-জন্তু বধ কৰে তেনে তেওঁলোকৰ সংসাৰলৈ আহিব লগা সন্তানেও জীৱৰ ৰূপত জন্মগ্ৰহণ কৰিব লগা হয় বুলি এক বিশ্বাসৰ প্ৰচলন আছে। ঠিক তেনেদৰে মৃত্যু, বিবাহ, ধৰ্মীয়, গছ-গছনি, চৰাই-চিৰিকটি, যাত্ৰা, খাদ্য ইত্যাদি বিবিধ দিশৰ সম্পৰ্কে সোণোৱাল কছাৰী সমাজত বিবিধ লোকবিশ্বাসৰ প্ৰচলন আছে। এই লোকবিশ্বাসসমূহ সোণোৱাল কছাৰী সমাজে নিষ্ঠাৰে পালন কৰে।

### ৩.১ লোক ধৰ্ম আধাৰিত ৰীতি-নীতি আৰু লোকবিশ্বাস

সোণোৱাল কছাৰীসকলে বছৰৰ বিভিন্ন মাহত বিভিন্ন প্ৰকাৰৰ লোকধৰ্ম আধাৰিত লোকাচাৰ উদ্‌যাপন কৰা দেখা যায়। এইসমূহ আকৌ লোকবিশ্বাসৰ সৈতে পোনপটীয়াভাৱে জড়িত। তেনে অনুষ্ঠানৰ ভিতৰত উল্লেখযোগ্য কেইটামান তলত আলোচনা কৰা হ'ল।

**খ্ৰীং খ্ৰীং বাইথ' পূজা ঃ**

সোণোৱাল কছাৰীসকলে পালন কৰা ধৰ্মীয় লোকাচাৰসমূহৰ ভিতৰত গ্ৰীং খ্ৰীং বাইথ' পূজা প্ৰধান। শিৱৰাত্ৰিৰ পাছৰ দ্বিতীয়টো সোমবাৰে এই পূজা পালন কৰা কৰা হয়। কোনো কাৰণতেই শিৱৰাত্ৰিৰ আগত এই পূজা উদ্‌যাপন কৰা নহয়। তিনিচুকীয়া জিলাৰ ডাঙৰীৰ বৰপথাৰত অৱস্থিত মূল খ্ৰীং খ্ৰীং বাইথ' মন্দিৰত চাৰিদিনীয়াকৈ এই পূজা পালন কৰা হয়। খ+ৰ+ঈ+ং = খ্ৰীং, অৰ্থাৎ উৰণ-বুৰণ-গজন-গমন— এই চাৰি মুঠি জীৱৰ ত্ৰাণকৰ্তাৰূপী নিৰাকাৰ ভগৱন্তক এই পূজাত আৰাধনা কৰা হয়। তদুপৰি ভূৰুলী-হাবুকী আৰু তেত্ৰিশ কোটি দেৱতাৰ উদ্দেশ্যে এই পূজাত নৈবেদ্য উছৰ্গা কৰি সকলোৰে মংগল কামনা কৰা হয়। খ্ৰীং খ্ৰীং বাইথ' পূজা প্ৰকৃততে পুৰুষ আৰু প্ৰকৃতি অৰ্থাৎ সৃষ্টিতত্ত্বৰ সৈতে সম্পৰ্কিত পূজা। খ্ৰীং খ্ৰীং বাইথ' মন্দিৰৰ নিৰ্মাণ শৈলী শৃংখলিত আৰু সুনিৰ্দিষ্ট। বৰপথাৰৰ মূল খ্ৰীং খ্ৰীং বাইথ' মন্দিৰৰ মূল খুঁটাটো গন্ধসৰৈ কাঠৰ আৰু অন্যান্য আঞ্চলিক মন্দিৰত জামুকৰ খুঁটাৰে কলডিলৰ আকৃতি কৰি গম্বুজটো নিৰ্মাণ কৰা হয়। এই খুঁটাৰ গুৰিত দুখন হেতালি মাৰিত চাৰিমুখীয়া দুখন চাকি জ্বলোৱা হয়। তাৰে এটা চাকিৰ শলিতাই খ্ৰীং বাজা, গজাই-মনাই আৰু ফুলকোঁৱৰক আৰু আনটো চাকিৰ শলিতাই উৰণ-বুৰণ-গজন-গমন— এই চাৰিমুঠি জীৱক প্ৰতিনিধিত্ব কৰে। মন্দিৰৰ ভিতৰৰ বাইথ' শালত মূল পূজা কৰা হয় আৰু ইয়াৰ পূজাৰীক বাইথ' বা ৰাজাগুৰু বোলে। মন্দিৰৰ বাহিৰৰ প্ৰকৃতি পূজা ভুৰুলী শালত কৰা হয় আৰু এই

পূজাৰ পূজাৰীক শইকীয়া বোলে।”

দেওবাৰে সন্ধ্যা দেও নমোৱা, সোমবাৰে বাইথ' শাল আৰু ভূৰুলী শালৰ পূজা, মঙ্গলবাৰে পুৰাৰ ভাগত বুঢ়া পোহা, দুপৰীয়া ভাগত হাইদাং গীত পৰিৱেশন, হুঁচৰি নমোৱা আৰু ওঠৰযোৰা ডেকা-গাভৰুৰদ্বাৰা লগবিহু পৰিৱেশন কৰা হয়। বুধবাৰে বাঘদেও পূজাৰ জৰিয়তে এই অনুষ্ঠানৰ সামৰণি মৰা হয়।

দেওবাৰে সন্ধ্যা ৰাজাগুৰুৰ লগতে পূজাৰ কৰ্মীসকলে বাইথ' শালৰ সামগ্ৰীসমূহ যেনে— বলি কটা দা, হাইদাং গীতৰ বাদ্যযন্ত্ৰ বাঁহী, খুঁটিতাল, টকামাৰি, মৌৰা চৰাইৰ পাখি চাঙৰপৰা নমাই আনি আগলি কলপাতত মন্দিৰত আগবঢ়ায়। তামোল-পাণৰ টোপোলা আৰু বন্তি জ্বলাই বলি কটা দা-খন মাধপুৰুষৰ ৰসেৰে ধুই এটা আলু বা কুকুৰা বলি দি তাৰে ভাজি তৈয়াৰ কৰে। একুৰা জুই ধৰি এজন সেৰকীয়ে গা ধুই তিতা তিয়নিৰে উলূ খেৰৰ পাতেৰে দুটা তামোল আৰু চাৰিখিলাকৈ পাণেৰে নটা টোপোলা বান্ধে। এই টোপোলাসমূহ ক্ৰমে খ্ৰীং ৰাজা, গজাই, মনাই, ফুলকোঁৱৰ, ভূৰুলী-হাবুকী, চাৰি বুঢ়া, চাৰিশাল গোসাঁনী, সৰস্বতী আৰু হুঁচৰিৰ টকা-বাঁহীৰ নামত আগবঢ়োৱা হয়। ইয়াৰ দুটা টোপোলা মন্দিৰৰ উত্তৰ-পূব কোণৰ খুঁটাত, দুটা টোপোলা দক্ষিণ-পূব কোণৰ খুঁটাত, দুটা টোপোলা হুঁচৰিৰ সঁজুলিসমূহৰ বাবে ৰাজাগুৰুৰ নামত এটা প্ৰধান পূজাৰী বা বাইথ', এটা আশীৰ্বদীয়া আৰু অন্তিমটো গীতঘাইক পৰম্পৰাগত লোকাচাৰৰ ভিত্তিত প্ৰদান কৰা হয়। এটা আলুৰা কুকুৰা জীৱন্তে জুইত পুৰি সেই জুইত ভাজি তৈয়াৰ কৰি মাধপুৰুষৰ ৰস বা মদৰ সৈতে সকলোকে ভগাই দিয়া হয়। এজন বৃদ্ধই একোটা সাঁথৰ সমৱেত ভক্তক অৰ্থ ভাঙিবলৈ দিয়ে। এই সাঁথৰৰ অৰ্থ ভাঙিব নোৱৰা পৰ্যন্ত কোনেও প্ৰসাদ গ্ৰহণ নকৰাটো এই পূজাৰ পৰম্পৰাগত লোকাচাৰ। অৰ্থ ভাঙিব নোৱাৰিলে *“নমো নমো নমো, যেনিয়েই পোনায় তেনিয়েই চমু, দেৱতাৰ আৰ্জন, মনুষ্যৰ ভোজন”* — বুলি কৈ সকলোৱে প্ৰসাদ গ্ৰহণ কৰে। ইয়াৰ পিছত পূজাৰ সামগ্ৰীসমূহ সযতনেৰে পূজাৰীৰ ঘৰত থৈ সকলো ঘৰাঘৰি যায়।

সোমবাৰে প্ৰতিৱেশী গাঁওসমূহৰপৰা অনা মাধপুৰুষৰ ৰস, চাউল, শাক-পাচলিসমূহ মন্দিৰত জমা দিয়াৰ পিছত মাধপুৰুষৰ ৰস, আৰৈ চাউল, টংলতি পাতেৰে শান্তিজল তৈয়াৰ কৰি পূজাৰ কৰ্মীসকলক শুচি কৰোৱা হয়। মূল মন্দিৰত কৰ্মীসকলে আখৈ ফুটোৱা, মালা গাঁথা কাম সম্পন্ন কৰি তামোল-পাণৰ টোপোলা আগবঢ়ায়। এটা ৰঙা আলু বা কুকুৰা বলি দি মূল বাইথ' শালৰ পূজা আৰম্ভ কৰা হয়। সমান্তৰালভাৱে ভূৰুলী-হাবুকী পূজাও আৰম্ভ কৰা হয়। ভুৰুলী শালৰ পূজালৈ মূল শালৰ পূজাৰী ৰাজাগুৰু বা বাইথ' নাযায় আৰু ইয়াৰ প্ৰসাদো গ্ৰহণ নকৰে। এই পূজা শইকীয়া আৰু দেওধায়ে সমাপন কৰে। উলূখেৰ বলিৰ ডিঙিত ৰেপ দি বলি দিয়া প্ৰথাটো বাইথ' পূজাৰ সৈতে সম্পৰ্কিত জনশ্ৰুতি আধাৰিত লোকবিশ্বাস।

মঙ্গলবাৰে পূজাৰ প্ৰসাদেৰে ৰান্ধি প্ৰতিখন গাঁৱৰ একোজনকৈ বৃদ্ধক লৈ এসাজ ভাত খুওৱা হয়। ইয়াক বুঢ়া পোহা বুলি কোৱা হয়। দুপৰীয়া মন্দিৰত হাইদাং গীত পৰিৱেশন কৰি ৰাজাগুৰুৰ চোতাললৈ হাইদাং গীত পৰিবেশন কৰা দলটো আহে। ৰাজাগুৰুৰ বৰঘৰৰ ভিতৰত ন যোৰ ডেকা-গাভৰুৱে বিহু মাৰি থাকে আৰু হাইদাং গীত পৰিৱেশন কৰা দলটোৰপৰা টোপোলা গ্ৰহণ কৰি বিহুৰ দলটো বাহিৰলৈ ওলাই আহে। বাহিৰত থকা অন্য ন যোৰ ডেকা-গাভৰুৰ সৈতে বিহু মাৰি বিহু নমোৱা অনুষ্ঠানৰ সামৰণি মৰা হয়।

চতুৰ্থ দিনা অৰ্থাৎ বুধবাৰে বাঘদেৱতাৰ সন্তুষ্টিৰ উদ্দেশ্যে বাঘদেও পূজা পতা হয়। গাঁৱৰ মাজৰ নিৰ্দিষ্ট হাবিত আখৈ, হালধি, ববপিঠা, ছাঁই আদি সামগ্ৰীসমূহ লৈ গাঁৱৰ ৰাইজ নিৰ্দিষ্ট ঠাইলৈ যায়। ৰাইজ গাতিগিৰি আৰু বাঘ পূজা বা বৰগাতিয়াল নামেৰে দুটা ভাগত বিভক্ত হৈ গাতিগিৰিৰ দলটো দক্ষিণলৈ আৰু বৰগাতিয়াল দলটো উত্তৰলৈ যায়। যোৱাৰ আগেয়ে দুয়োটা দলৰ মাজত কণী যুঁজ হয়। কণী যুঁজত গাতিগিৰিৰ দলটো জিকিলে গাঁৱৰ মঙ্গল আৰু বৰগাতিয়াল দলটো জিকিলে বিপদ-বিঘিনি হয় বুলি সোণোৱাল কছাৰীসকলৰ লোকবিশ্বাস। দুয়োটা দলে নিজাকৈ কুকুৰা বলি দি বনৰ মাজত বাঘদেৱতাৰ পূজা কৰে। বৰগাতিয়াল দলটো পূজা দি হাবিৰপৰা ওলাই আহোঁতে গাতিগিৰি দলৰ এজনে লুকাই থাকি বাঘৰ দৰে গোঁজৰে আৰু দলটোৰ সকলোৱে হাই-উৰুমি কৰি আৰু লাঠীৰে মাটিত কোবাই বাঘ খেদাৰ দৰে কৰে। বনৰজাৰ আক্ৰমণৰপৰা পোহনীয়া জীৱ-জন্তুক সুৰক্ষিত কৰা লোকবিশ্বাসৰ আধাৰত এই পূজা সম্পন্ন কৰা হয়।

উল্লেখ্য যে এই খ্ৰীং খ্ৰীং বাইথ' পূজা তিনিচুকীয়াৰ ডাঙৰীৰ বৰপথাৰৰ মূল বাইথ' শালৰ বাহিৰে অসমৰ অন্যান্য ঠাইত বাস কৰা সোণোৱাল কছাৰীসকলে চাৰিদিনৰ বিপৰীতে কেৱল তিনিদিনীয়াকৈহে পালন কৰিবলৈ সোণোৱালসকলৰ সমাজে অনুমতি দিয়ে। সেইবাবে ন-খটীয়া গাঁৱতো তিনিদিনীয়াকৈ পৰম্পৰাগত লোকবিশ্বাসৰ আধাৰত এই পূজা সম্পন্ন কৰা হয়।

**গজাই পূজা ঃ**

সোণোৱাল কছাৰীসকলৰ শক্তিমন্ত আৰু আদৰ্শ পুৰুষ গজাইক

দেৱতা জ্ঞান কৰি গজাই পূজা বা গজাই সৰাহ কৰা হয়। বছৰৰ বিভিন্ন সময়ত সুবিধা অনুসৰি এই পূজা পতা হয়। পূজাত কোনো নিৰ্ধাৰিত পূজাৰী নাথাকে। চাউল, নিমখ, তেল, শাক-পাচলি, মাধপুৰুষৰ ৰস, গুৰ, সান্দহ গুৰি, আলু বা কুকুৰা এই পূজাৰ লাগতিয়াল সামগ্ৰী। বাৰিক আৰু ৰান্ধনিয়ে পাণ-তামোলৰ টোপোলা লৈ সেৱা কৰাৰ পিছত মূল পূজাৰীয়ে জীৱন্তে জুইত পুৰি কুকুৰাটো মাৰে আৰু শাক-পাচলিৰ সৈতে ভাজি তৈয়াৰ কৰে। পূজাৰ সকলোবোৰ সামগ্ৰী কৌপাতেৰে খোলা সাজি এজোপা ডাঙৰ গছৰ গুৰিত গজাই দেৱতাৰ উদ্দেশ্যেৰে অৰ্পণ কৰি সেৱা জনোৱা হয়। বাকী ৰৈ যোৱা সামগ্ৰীসমূহ সেৱকীসকলে প্ৰসাদ হিচাপে গ্ৰহণ কৰে।বুঢ়া মুদৰী পৰিয়ালত গজাই পুৰুষৰ জন্ম হৈছিল আৰু সেই গজাই দেৱতাই সকলোকে নিৰাপদে ৰাখে বুলি বিশ্বাস কৰি গজাই পূজা অনুষ্ঠিত কৰাৰ পৰম্পৰাগত লোকাচাৰ সোণোৱাল কছাৰী সমাজত প্ৰচলিত।

ন-খটীয়া গাঁৱৰ লোকসকলে এই পূজা হাবিৰ মাজত থকা গজায় থানত প্ৰত্যেক বছৰে জেঠ মাহৰ প্ৰথম দেওবাৰত পালন কৰে। লোক-বিশ্বাস অনুসৰি গাঁওখনত মাৰি-মৰক, খৰাং বতৰ আদিৰ পৰা ৰক্ষা পাবৰ বাবে আৰু শস্য উৎপাদন ভাল হ'বৰ বাবে এই পূজা পালন কৰা হয়।

গজায় সৰাহত সাধাৰণতে বাৰ বছৰতকৈ সৰু ল'ৰা-ছোৱালী আৰু মহিলাই অংশ নলয়। এই পূজাৰ বাবে বহু দিনৰ আগৰে পৰা গাঁৱৰ ঘৰে ঘৰে বিশেষ নীতি-নিয়মেৰে তেওঁলোকৰ পৰম্পৰাগত পানীয় (সাঁজ) প্ৰস্তুত কৰা হয়। উল্লেখযোগ্য যে গজাইক অৰ্পণ নকৰাকৈ কোনো ভকতে পূজাৰ নৈবদ্য গ্ৰহণ নকৰে।

**সৰগদেউ পূজা ঃ**

সৰগৰ ৰজা ইন্দ্ৰ দেৱতাক উদ্দেশ্যি আগবঢ়োৱা পূজাভাগিয়েই হৈছে সৰগদেউ পূজা। বিপদ-বিঘিনি, অপায়-অমঙ্গলৰপৰা ৰক্ষা পাবলৈ, বিজুলি-ঢেবেকনি, বজ্ৰপাতৰপৰা বাচি থাকিবলৈ, খেতি-বাতি ভাল হ'বলৈ এই পূজা পতা হয়। আহিন মাহত পতা হয় যদিও সুবিধানুযায়ী ফাগুন মাহতো বহু লোকে অনুষ্ঠিত কৰে। অতীজত ৰাজহুৱাকৈ পতা এই পূজা বৰ্তমান ধেকনাৰী, বাইথ'ৰী, মুদৰী, বৰগিয়াৰী, তুৰুকী, ফেটাৰী, নেজকেটাৰী, সাতখুৰাৰী আদি কেইটামান পৰিয়ালেহে প্ৰতি বছৰে নাইবা নিৰ্দিষ্ট বছৰৰ ব্যৱধানত এই পূজা পাতে।

এটা ডাঙৰ হোকা, কলপটুৰাৰে চালি-বেৰ দিয়া তিনিটা বাঁহৰ খুঁটিৰ চাংঘৰ, এশ বিশ গছ চাকি, সিমানসংখ্যক তামোল-পাণ, মেচাকি, মেজেঙা, নেফাফু, কৰ্কৰা ভাত, মদৰ মেৰা, আঙুলি পিঠা, ভাপত দিয়া ভাত, সিজোৱা কল, পাতত দিয়া পিঠা, সিজোৱা বেতগাঁজ, শুকান পুঠিমাছ, যাঠিযোৰ নলৰ চুঙা, কেঁচা পিঠাগুৰি, ৰহি মদ, কচু গছ, উল্লখেৰ, তৰাগছ, ফুটকলা গছ, কপাহ, বাঁহৰ কাঠীৰে কৰা টোম, কাঠৰ এখন কুঠাৰ, সাত খলপীয়া জখলা এখন, এখন হেতালি মাৰি, হগফুল, নিমখৰ টোপোলা, এটা বগা আৰু এটা ক'লা কুকুৰা আদি এই পূজাৰ প্ৰধান উপকৰণ।

মাটিৰে ঢিপ সাজি পূজাৰ বেদীসমূহ তৈয়াৰ কৰি লোৱা হয় আৰু উল্লিখিত নৈবেদ্যসমূহ শৃংখলাবদ্ধভাৱে আগবঢ়োৱা হয়। পূজাৰীয়ে বগা কুকুৰাটো বলি দি তাৰ পেটুডাল বাঁহৰ হোকাটোত আঁৰি দিয়ে আৰু প্ৰতি ভাগ নৈবেদ্যত বলিৰ তেজ দিয়ে। পূজাৰীয়ে ক'লা কুকুৰাটো লৈ 'বৰ চৰাই'ৰ কাহিনীটো কয়। কাহিনীটোত বিটু কোঁৱৰ নামৰ লোক এগৰাকীয়ে চকুত কাঁড় মাৰি মৰাৰ দৰে কাঠৰ কুঠাৰখনেৰে কুকুৰাটো মাৰে আৰু প্ৰতি ভাগ নৈবেদ্যতে বলিৰ তেজ দিয়ে আৰু পেটুডাল কলপটুৰাৰ চাংঘৰ তিনিটা সংলগ্ন কৰি আঁৰি দিয়ে। পাছত এই দুয়োটা কুকুৰাৰ মাংসৰে ভাজি তৈয়াৰ কৰি প্ৰসাদ হিচাপে ৰাইজে গ্ৰহণ কৰে। ৰাইজে প্ৰসাদ গ্ৰহণ কৰাৰ পাছত ভঁৰালত সাত পাক প্ৰদক্ষিণ কৰি দালিৰ লখিমী পাঁচিটো ভঁৰালত থৈ সকলোৱে ৰং-ৰহইচ কৰে।

**ক্ষত্ৰীয় শালৰ পূজা ঃ**

ক্ষেত্ৰ অৰ্থাৎ ভূমিৰ অধিপতিৰ উদ্দেশ্যেৰে আগবঢ়োৱা পূজাই হৈছে ক্ষত্ৰীয় পূজা। আঘোণ মাহৰ দ্বিতীয় সোমবাৰে হাবিৰ মাজৰ নিৰ্দিষ্ট ক্ষত্ৰীয় শালত এই পূজা অনুষ্ঠিত কৰা হয়। পূজাৰ আগদিনা অৰ্থাৎ দেওবাৰে তেত্ৰিশ কোটি দেৱতাৰ উপলক্ষে পাণ-তামোলৰ টোপোলা বন্ধা হয়। গজাই গুৰুৰ আৱিৰ্ভাৱৰ প্ৰতীক হিচাপে উই হাফলুৰ দৰে ওখ ঢিপত এই পূজা পতা হয়। ছাগলী, গাহৰি, হাঁহ, কুকুৰা আদি এই পূজাত বলি দিয়া পৰম্পৰাগত লোকাচাৰ। নতুনকৈ গৃহ নিৰ্মাণ কৰাসকলে ক্ষেত্ৰ দেৱতাৰ ৰোষৰপৰা নিৰাপদে থাকিবলৈ পাণ-তামোল আৰু অৰিহণাৰে সেৱা জনোৱাৰ লোকবিশ্বাস জড়িত হৈ আছে।

উল্লেখ্য যে ন-খটীয়া গাঁৱত স্থায়ী ক্ষত্ৰীয় শাল নথকাৰ বাবে ইয়াত ক্ষত্ৰীয় শালৰ পূজা পালন কৰা নহয়। কিন্তু গাঁৱত পালন নকৰিলেও কাষৰীয়া চহৰীকটা অঞ্চলৰ কেইবাখনো গাঁও লগ-লাগি সোণোৱাল কছৰী লোকসকলে এই পূজা পালন কৰে।

**জলখাই পূজা ঃ**

জলদেৱতাক সন্তুষ্ট কৰিবৰ কাৰণে এই পূজা আয়োজন কৰা

হয়। নদী বা জান-জুৰিৰ পাৰত এটা আমবলীয়া হাঁহ জীয়াই জীয়াই পুৰি শাক-পাচলিৰ সৈতে ৰান্ধি, লগত এগছি চাকি জ্বলাই পাণ-তামোলৰ টোপোলাৰ সৈতে নদীৰ পাৰত বা পাৰত থকা গছৰ গুৰিত আগবঢ়াই সেৰা কৰে। ওচৰত নদী নথকাসকলে নিজৰ বাৰীৰ চুক এটাতে জলখাই পূজাভাগ আগবঢ়োৱা দেখা যায়।

**বলিয়া বাবা পূজা ঃ**

সোণোৱাল কছাৰীসকলৰ আৰাধ্য দেৱতা খ্ৰীং খ্ৰীং বাইথ'ৰ সংহাৰী ৰূপেই হৈছে বলিয়া বাবা। নিজা জনগোষ্ঠীৰ লগতে বিশ্বৰ সকলো মানৱ জাতিৰ সংহাৰ, মাৰি-মৰক, প্ৰলয় আদিৰপৰা পৰিত্ৰাণ পাবলৈ কৰা পূজাই হ'ল বলিয়া বাবাৰ পূজা। এই পূজা তেওঁলোকে সমজুৱাকৈ আৰু ঘৰৱাকৈ দুই প্ৰকাৰে আয়োজন কৰা পৰিলক্ষিত হয়। পাৰ, হাঁহ, কুকুৰা, ছাগলী আদিৰ বলি দি, কটা মূৰবোৰ পূজাৰ বেদীত আগবঢ়োৱাটো এক পৰম্পৰাগত লোকাচাৰ।

**বুঢ়া-বুঢ়ী পূজা ঃ**

সোণোৱাল কছাৰীসকলে হৰ-পাৰ্বতীক বুঢ়া-বুঢ়ীৰ নামেৰে পূজা কৰে। এই বুঢ়া-বুঢ়ীৰ শাল শদিয়াত আছে। এই সজীৱ থান বৰ্তমান দেউৰীসকলৰ উপাসনাৰ স্থান যদিও এসময়ত সোণোৱাল কছাৰীসকলৰো অন্যতম উপাসক আছিল আৰু এতিয়াও সুবিধানুযায়ী তেওঁলোকে পূজা পতা দেখা যায়।

উল্লেখ্য যে, শদিয়াৰ বুঢ়া-বুঢ়ী শালৰ বাদে অসমৰ অন্য ঠাইসমূহত বসবাস কৰা সোণোৱাল কছাৰী সমাজত এই পূজা প্ৰচলন হোৱা নাযায়।

**গাতিগিৰি পূজা ঃ**

সোণোৱাল কছাৰীসকলৰ মৃতকক উদ্দেশ্যি পালন কৰা অনুষ্ঠানটোক গাতিগিৰি নামেৰে জনা যায়। ব'হাগ বিহুত গৰু বিহুৰ দিনা মৃতকৰ আত্মাক সন্তুষ্ট কৰিবলৈ এই সকামভাগ কৰা হয়। লগতে কোনো কোনোৱে এইভাগ সকাম মাঘ বিহুৰ সময়তো পালন কৰে। উৰুকাৰ আগদিনা গৰু ধুৱাবলৈ প্ৰয়োজনীয় বস্তুখিনি গোটায় আৰু পিছদিনা ৰাতিপুৱা সোনকালে উঠি গৰু ধুওৱাৰ আগতে মহিলাসকলে পিঠাগুৰি খুন্দে আৰু সেইখিনি পানীৰ লগত মিহলাই পাকঘৰ, গোহালি আৰু ভঁৰাল সকলোতে ছটিয়াই দিয়ে। গৰুক গা ধুওৱাৰ পাছত যিখিনি মাহ-হালধী মানুহে ঘহে, তাত এযোৰ তামোল-পাণ আগবঢ়োৱা হয়। তেওঁলোকৰ এই মৃতকৰ সকামত গাহৰি, ছাগলী আদিৰ মাংসৰ লগতে মাটিমাহৰ ডালিৰে ভোজ খুওৱা হয়। গধুলি পিঠা, কল, এঁৰা গাখীৰ বাৰীৰ চুকত মৃতকলৈ বুলি আগবঢ়োৱা হয়। কিছুসংখ্যকে মৃতকলৈ বুলি ৰঙা কুকুৰা আৰু আন কিছুসংখ্যকে হাঁহ আগবঢ়ায়।

**কেঁচাইখাইতী পূজা ঃ**

সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত ধৰ্মীয় লোকাচাৰৰ অন্যতম নিদৰ্শন হ'ল শদিয়াৰ ছৈখোৱাঘাটত অৱস্থিত কেঁচাইখাইতী গোসাঁনীৰ থান বা শাল। তেওঁলোকৰ লোকবিশ্বাস জড়িত গোসাঁনী ভুৰুলী-হাবুকী বা পাৰ্বতীৰ উগ্ৰ আৰু ভিন্ন কাপই হৈছে কেঁচাইখাইতী গোসাঁনী। কেঁচাইখাইতী গোসাঁনীৰ শাল সোণোৱাল কছাৰীসকলৰ আছিল বুলি বিষ্ণু প্ৰসাদ ৰাভাই মত পোষণ কৰিছে।" (বিষ্ণু প্ৰসাদ ৰাভা ঃ বিষ্ণু প্ৰসাদ ৰাভা ৰচনা সম্ভাৰ, পৃ. ১১২৭) এই পূজা বছৰত কেইবাবাৰো আয়োজন কৰা দেখা যায়। এই থানত প্ৰাচীন কালত নৰবলি দিয়াৰ প্ৰথা প্ৰচলিত আছিল। আহোম ৰাজত্ব কালৰ অন্যতম উল্লেখযোগ্য ৰজা স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত (খ্ৰীঃ ১৭৮০-১৭৯৫) এই নৰবলি প্ৰথাটো বন্ধ কৰি দিয়া হয়। তেতিয়াৰপৰা ম'হ, ছাগলী, গাহৰি, হাঁহ, পাৰ আদি বলি ৰূপে উছৰ্গা কৰা হয় আৰু বলি দিয়াৰ পিছত মূৰটো গোসাঁনীৰ বেদীৰ আগত অৰ্পণ কৰি পূজা উদ্‌যাপন কৰা হয়।

**খিন ভঙা পূজা ঃ**

পৰম্পৰাগত লোকবিশ্বাসৰ ভিত্তিত সোণোৱাল কছাৰীসকলে ঘৰখনৰ অশুচি দূৰ কৰিবৰ কাৰণে খিনভঙা পূজা আয়োজন কৰে। এই পূজা দুই প্ৰকাৰৰ—

(ক) বৰখিনভঙা পূজা

(খ) সৰুখিনভঙা পূজা।

কিছুমান চৰাই বা পখী, যেনে— ফেঁচা, হুদু, কপৌ আদি ঘৰৰ ভিতৰত প্ৰৱেশ কৰা অথবা ঘৰৰ চালত পৰাটো সোণোৱাল কছাৰীসকলৰ মতে অশুভ লক্ষণ আৰু তেতিয়া ঘৰখন অশুচি হয় বুলি বিশ্বাস কৰা হয়। যাৰফলত ঘৰখনত বেমাৰ-আজাৰ, নানা ধৰণৰ অসুবিধা দেখা দিয়ে বুলি ধাৰণা কৰে আৰু এনে অশুচি ভাঙিবলৈ কৰা পূজাক বৰখিনভঙা বোলে। আনহাতে, সাধাৰণতে ঘৰখনৰ বছৰত এবাৰকৈ অশুচি খাঁতৰ কৰাৰ বাবে নাইবা নতুনকৈ ঘৰ নিৰ্মাণ কৰিলে শুচি কৰিবলৈ কৰা অনুষ্ঠানটোক সৰখিনভঙা বোলে।

খিনভঙাৰ আগেয়ে কাপোৰ-কানি ধুই পৰিষ্কাৰ কৰা হয়, লগতে ঘৰখনো লেপি-মুচি চাফ-চিকুণ কৰা হয়। এটা কলডিল,

কলপাতেৰে সৈতে এডাল ঠাৰি, পাতত দিয়া মেচাকি আৰু নেফাফু, কেঁচা পিঠাগুৰি, কৰ্কৰা ভাত, মদৰ মেৰা, দূবৰি ৰস, সহয়া বন, তামৰ পাত্ৰ বা পইচা, আৰৈ চাউল, এটা কুকুৰা কণী, গোবৰ, তামোল-পাণ, চাকি, তেল, শলিতা আৰু এখন বাঁহৰ হেন্দালি এই পূজাৰ বাবে যাৱতীয় সামগ্ৰী। এই পূজা ঘৰৰ পানীপতাত কানিমুনিপৰত কৰা হয়। মাটিৰে পানীপতাত এটা টিপ সাজি তাত পিঠাগুৰি ছটিয়াই বাঁহৰ হেন্দালিখন পাৰি লৈ তাৰ ওপৰত আগলি কলপাতখন পাৰি কলপাতৰ ঠাৰিডালৰ আগটো ঘৰৰ চালত লাগি থকাকৈ পুতি লোৱা হয়। কলডিলৰ তলৰ বাকলি দুখন আধা এৰুৱাই ফেঁচাৰ আকৃতি কৰি উল্লিখিত সামগ্ৰীসমূহ অৰ্পণ কৰা হয়। প্ৰথমতে বসুমতীৰ নামত কেঁচা পিঠাগুৰি, কৰ্কৰা ভাত, নিমখ, পাতত দিয়া মেচাকি-নেফাফু, মদৰ মেৰা, এটা কুকুৰা কণী আদি নৈবেদ্যসমূহ আগবঢ়োৱা হয়। বাঁহৰ হেন্দালিখনত চাকি-শলিতা জ্বলাই তামোল-পাণেৰে সৈতে সাত ভাগ দিয়া হয়। এটা তামৰ পাত্ৰত আৰৈ চাউল, গোবৰ লৈ শান্তিজল তৈয়াৰ কৰি ঘৰৰ চালৰ ওপৰৰপৰা পানী ঢালি পুনৰ সেই পাত্ৰতে ধৰি ৰখা হয়। দূবৰি বন, হাঁড় কটা বন, সহয়া বনেৰে সেই পানীত জুবুৰিয়াই ঘৰৰ ভিতৰৰপৰা বাহিৰলৈ শান্তিজল ছটিয়াই অনা হয়। পূজাৰীয়ে গায় "সাপ খিন, হুদু খিন, ফেঁচা খিন, কুকুৰ খিন, মেকুৰী খিন, শকা খিন ভাঙিব লাগে। কাৰ কদম মইনা অই লেঠেৰিকৈ যাওঁনা হেই। আজি বাৰেখিন ডাঙৰীয়া আহিছে লেঠেৰিকৈ যাওঁনা হেই।" "গৈছেনে খিন?" বুলি প্ৰশ্ন কৰে আৰু ঘৰৰ ভিতৰৰপৰা গৃহস্থই "গৈছে" বুলি উত্তৰ দিয়ে। "ভাগিছেনে খিন" বুলি পূজাৰীয়ে সোধা উত্তৰত গৃহস্থই "ভাগিছে" বুলি চিঞৰে। ইয়াৰ অন্তত পূজাৰীয়ে বসুমতীৰ ভাগত দিয়া কণীটো ভাঙি হেন্দালিখনৰ সৈতে সকলোবোৰ সামগ্ৰী উঠাই নি তিনিআলিৰ মূৰত পেলাই দিয়ে আৰু পিছলৈ উভতি নোচোৱাকৈ পূজাৰীয়ে নিজ ঘৰলৈ গমন কৰে।

**বৰসৰাহ ঃ**

ঘৰখনৰ সকলোদিশৰপৰাই মংগল কামনা কৰি বৰসৰাহ অনুষ্ঠিত কৰা হয়। ই যথেষ্ট ব্যয়বহুল বাবে নিৰ্দিষ্ট বছৰৰ ব্যৱধানত আৰু সীমিতসংখ্যক লোকৰ অংশগ্ৰহণেৰে উদ্‌যাপন কৰা হয়। বুট-মগু, কল-কুঁহিয়াৰ, নাৰিকল, ফলমূল, পাণ-তামোল, চাকি-শলিতাৰ নৈবেদ্য আগবঢ়াই এই সৰাহ পতা হয়। ভকতসকলক নিজে তাঁতশালত বৈ উলিওৱা একোখনি বস্ত্ৰ দান কৰা হয়। ঘৰৰ বাহিৰত ৰভা সাজি ভকতসকলক ধানখেৰ পাৰি তাৰ ওপৰত বৰকাপোৰ পাৰি দি ওপৰত ঢৰা পাৰি বহিবলৈ দিয়া হয়। ন-টা পৰিয়ালৰ ন-জন ভকতে ওৰে নিশা নাম-কীৰ্তন কৰে আৰু কলৰ ডোঙত কোমল চাউল, দৈ-গুৰৰ জলপান খুওৱা হয়।

**আই সকাম ঃ**

সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় লোক-বিশ্বাসসমূহৰ ভিতৰত এটা অন্যতম অনুষ্ঠান হ'ল বসন্ত ৰোগৰ অধিষ্ঠাত্ৰী দেৱীৰ সন্তুষ্টিৰ উদ্দেশ্যৰে পতা আই সকাম। তেওঁলোকৰ বিশ্বাস অনুসৰি এই সকাম পাতিলে আই সন্তুষ্ট হয় আৰু তেওঁলোকৰ ওপৰত কৃপা দৃষ্টি ৰাখে। তেওঁলোকে এই সকাম সাধাৰণতে ব'হাগ, জেঠ মাহত অনুষ্ঠিত কৰে। লোক-বিশ্বাস অনুসৰি আহাৰ মাহৰ ষাঁঠ লগাৰ পাছত এই সকাম পালন কৰা নহয়। কিন্তু গাঁৱৰ কোনো ব্যক্তিৰ গাত বসন্ত ৰোগে দেখা দিলে (আয়ে দেখা দিলে) আন সময়তো এই সকাম পালন কৰা হয়।

এই সকামৰ বাবে প্ৰয়োজনীয় নৈবদ্যসমূহ হ'ল— দুগছ বন্তি, এখন ফুলৰ আসন, ডাঙৰীয়া পাত, আইপাত, বসুমতী পাত, চাৰিখন শৰাই, নিৰ্মালি, এমুঠি পৰলীয়া চাউল, এজনী বগী পখী (বগী হাঁহ)। এই সকামত আসনসমূহ ফুলেৰে সজাই তাত এখন বস্ত্ৰ, থাক, মণি, কেৰু আদি দিয়া হয়। আসন পতাৰ পাছত ডাঙৰীয়া চাকি এগছ জ্বলোৱা হয় আৰু চাৰিখন শৰাই সজাই তাত ডাঙৰীয়া ফুলপাত, বসুমতী পাত, থুৰীয়া তামোল এযোৰকৈ আগবঢ়োৱা হয়। চাৰিখন শৰাইৰ এখন পায়সৰ, এখন ধূপৰ (ধূপ মানে শুকিল পিঠাগুৰি), এখন মাহ-প্ৰসাদৰ আৰু সৰু আইৰ ক্ষেত্ৰত 'কঢ়াই ভাজি' তাত জালুক দি এখন শৰাই দিয়া হয়।

আই সকামত আই নামৰ জৰিয়তে আইৰ ন-গৰাকী ভনীক কৈলাশৰ পৰা নমাই অনা হয় বুলি সোণোৱাল কছাৰীসকলে বিশ্বাস কৰে। আইসকলে গাঁওখনক গকুল আৰু নিজকে গকুলৰ গোপিনী বুলি জ্ঞান কৰি প্ৰাৰ্থনাৰ জৰিয়তে আই ভগৱতীক কৈলাসৰ পৰা নমাই আনে। লোক-বিশ্বাস অনুসৰি আই আহি প্ৰথমে পদূলিত ৰয় আৰু গোপিনীসকলে নাম গাই আইক পদূলিৰ পৰা আদৰি আনে—

"আই মোৰ উজায়ে আহিলে
আই মোৰ আইৰে ন ভনী
আই মোৰ বালিতে খপিলে ৰাতি
আই মোৰ নাজানি ঘাটুৰে
আই মোৰ পাৰেনো কৰালে
আই মোৰ লগালে সুগন্ধি বাতি।"

যিসকল লোকে আই সকামত চাউলকথা আগবঢ়াই তেওঁলোকে পোনতেই এজনী বগী পখী (বগী হাঁহ) চাউল

বড়োৱাৰ সন্মুখত আইলৈ বুলি হাঁহজনী আগ কৰি সেৰা কৰে। কাৰোবাৰ গাত বসন্ত ৰোগে দেখা দিলে ৰোগীগৰাকীক তিনদিন ঘৰতে ধূপ-ধূনা, বন্তি জ্বলাই মাটিত বগা কাপোৰ পাৰি শুবলৈ দিয়া হয়। প্ৰতিদিনে ঘৰ চাফ-চিকুণ কৰা হয়। চাৰিদিনৰ দিনা ৰোগীজনক গা-ধুওৱা হয়। গা ধুৱাবলৈ অনা পানীখিনিত আই কলপাত, মচপাত, কতনা ফুল (আই ফুল), তুলসীৰ আগ তিনিটা, দূৰিৰ বন তিনিডাল, আহু চাউল কেইটামান লৈ তিনিগৰাকী বা পাঁচগৰাকী গোপিনীয়ে ৰোগীগৰাকীক গা ধুৱায়। গা ধুওৱাৰ পাছত বন্তি জ্বলাই লৈ ৰোগীক শৰাইগুড়ি (পায়স), পিঠাগুড়ি আদি খুৱাই সন্তোষ্ট কৰি আইক বাটলৈ উলিয়াই দিয়া হয়। তাৰপাছত ৰোগীজনে আৰোগ্য লাভ কৰে বুলি তেওঁলোকে বিশ্বাস কৰে।

**মৰাক দিয়া আৰু পিৰ দিয়া সকাম ঃ**

পিতৃ-মাতৃ বা উপৰিপুৰুষৰ উদ্দেশ্যেৰে ব'হাগ-মাঘবিহু আৰু ঘৰৰ অন্যান্য মাংগলিক অনুষ্ঠানৰ সময়ত মৰাক দিয়া আৰু পিৰ দিয়া সকাম পতা হয়। বেহাৰী পদ্ধতি অনুসৰি কুকুৰা বা মাছেৰে ভোজ ৰান্ধি কলপাতত তামোল-পাণ আৰু জোল মদৰ সৈতে খোৱা ব্যঞ্জনসমূহ ঘৰৰ বাহিৰৰ পৰিষ্কাৰ কৰি লোৱা এডোখৰ নিৰ্দিষ্ট ঠাইত নাইবা পাকঘৰৰ চুকত উছৰ্গা কৰা হয়।

আনহাতে, হিন্দুৰীয়াসকলে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি চালনীত নচলাকৈ কেঁচা পিঠাগুৰি, গুৰ, গাখীৰ, কল, চাউল, নিমখ, তামোল-পাণ, চাকি-শলিতা দি নদী নাইবা পুখুৰীৰ পাৰত কলৰ পটুৱাত উছৰ্গা কৰি পিৰ দিয়া সকাম পাতে। নদীৰ পাৰত এডোখৰ ঠাইত মাটিৰ ঢিপ সাজি বসুমতী, ঘাটেৰ নামত একোভাগ আৰু উপৰিপুৰুষৰ নামত ন-ভাগ নৈবেদ্য আগবঢ়াই চাকি-শলিতা দি সেৰা জনাই নদীৰ ভটিয়নী সোঁতত সকলোবোৰ উটুৱাই দিয়া হয়। পিৰ দি উভতি আহোঁতে পিছলৈ ঘূৰি চাব নাপাই বুলি বিশ্বাস কৰা হয়।

**আয়ুস তোলা সকাম ঃ**

কোনো কাৰণত ভয় খাই জ্বৰ অথবা নৰীয়া হ'লে আয়ুস তোলা সকাম পাতে। মহিলাৰদ্বাৰা এই সকাম পতা হয়। এটা কণী, এবাটি চাউল, পিঠাগুৰি, জাকৈ, এটা পলুৰ বাহ, এঁৰা সূতা মেৰিয়াই লোৱা উঘা এটা, পাণ-তামোল, চাকি-শলিতা এগছ ইয়াৰ উপকৰণ। সন্ধিয়াবেলা তিনিআলি মূৰত চাকি-শলিতা জ্বলাই পাণ-তামোলৰ টোপোলা আগবঢ়াই বামতে তিনি বা পাঁচবাৰ জাকৈ মৰা হয়। জাকৈত অহা কীট-পতঙ্গ পলুৰ বাহটোত ভৰাই এঁৰা সূতাৰে বান্ধি ভয় খোৱাজনৰ ডিঙিত বান্ধি দিয়া হয়। সূতাৰ মূৰটো তাতেই এজোপা বনত বান্ধি কাঁহৰ বাটি বজাই বজাই উঘাৰ সূতাডাল ঘৰলৈকে টানি অনা হয়। চাউলৰ বাটিটোত ভৰাই অনা কণীটো চাউলেৰে সৈতে সিজাই ভয় খোৱাজনক খাবলৈ দিয়া হয়। ইয়াৰ ফলত ভয় আঁতৰে বুলি সোণোৱাল কছাৰী সমাজত বিশ্বাস কৰা হয়।

**পানীমতা সৱাহ ঃ**

গাঁৱত কোনোবা ব্যক্তিৰ হাত-ভৰি কামোৰা বা বিষ আদি ব্যাধিয়ে দেখা দিলে জলেশ্বৰী মাতৃৰ দোষ খণ্ডন কৰিবৰ বাবে গাঁৱৰ গোপিনীসকলে এই সৱাহ পাতে। পানী মতা সৱাহত গোপিনীসকলে জলৰ কাষলৈ গৈ কল পটুৱাৰ ডোং বনাই নাৱৰ দৰে সি লয় আৰু নাওখনৰ ভিতৰত মাহ-প্ৰসাদ, তামোল-পাণ এযোৰ, এগচি চাকি, ফুল আদি মান সহকাৰে আগবঢ়াই। এই পূজাত বগা পাতি হাঁহৰ কণী, প্ৰসাদ, মিঠৈ, ঘুৰীয়া তামোল, কল (বিশটা) ৰ প্ৰয়োজন হয়। এই পানী মতা সৱাহত ডাঙৰীয়া, জলেশ্বৰী মাতৃ আৰু বসুমতী আইক পূজা দিয়া হয়।

পূজাৰ শেষত গৃহস্থই সেৰা লয়, গোপীসকলে আশীৰ্বাদ দিয়ে আৰু ফুল-নৈবদ্যৰে সজোৱা ভুঁৰখন পানীত উটুৱাই দিয়ে। এই সকলোবোৰ কাৰ্য সুকলমে সমাপন হোৱাৰ পাছত গোপীসকলে সেই ঠাই এৰি অলপ ওপৰলৈ উজাই পূজাৰ প্ৰসাদ গ্ৰহণ কৰে।

**বাটৰ সৱাহ ঃ**

গাঁৱৰ অপায়-অমংগল, মাৰি-মৰক, বেমাৰ-আজাৰ দূৰ কৰিবৰলৈ তথা গাঁৱৰ জনসাধাৰণৰ সুখ-শান্তিৰ বাবে সোণোৱাল কছাৰী সমাজত গাঁৱৰ গোপিনীসকলে বাটৰ সৱাহ পাতে। গোপিনীসকলৰ মতে পূবৰ পৰা নমাই অনা আইক এই সৱাহৰ জৰিয়তেই নামনিলৈ পঠাবলৈ যো-জা কৰা হয়। সৱাহৰ দিনা গোপিনীসকলে বন্তি জ্বলাই, তামোল-পাণ আগবঢ়াই গোটেই গাঁওখনৰ বাট ভেটে। সেইদিনা কোনো বাটৰুৱাই সেই বাট পাৰ হওঁতে দক্ষিণা এটা দি যোৱাটো বাধ্যতামূলক।

**অপেশ্বৰী সৱাহ ঃ**

বহুদিনীয়া মূৰ কামোৰণি, চকুৰ অসুখ, ঘাঁ আদি হৈ থাকিলে নিৰাময়ৰ কাৰণে অপেচৰা সৱাহ অনুষ্ঠিত কৰা হয়। ঘৰৰ চোতালত ন-টা খুঁটি পুতি কলপাতৰ চালিৰে ৰভা সাজি মহিলাসকলে এই সৱাহ পাতে। মাটিৰে থাপনা সাজি এটা কলচীত পানী ভৰাই তাত তামোল-পাণ, পইচা, আৰৈ চাউল আৰু এটা আমৰ দালি দি স্থাপন কৰা হয়। নিমখ, পিঠাগুৰি,

হালধি, ছাই, মাহ, তিল আৰু আৰৈ চাউল এই সাতবিধ সামগ্ৰীৰে কলচীৰ চাৰিওফালে বৃত্তাকাৰে সজাই অপেস্বৰা নাম গাই এই সৰাহ পতা হয়। তিনিআলিৰ এটা মূৰলৈ নি ৰোগীজনৰ মূৰত চালনী এখন দি তাৰ ওপৰত কলচীৰ পানীৰে গা ধুওৱা হয় আৰু তিয়নিখন তাতেই এৰি থৈ শুকান কাপোৰ পিন্ধাই ঘৰলৈ অনা হয়। ইয়াৰ পিছত গোপিনীসকলে চেনিকলৰ প্ৰসাদ গ্ৰহণ কৰি ৰোগীৰ মংগল কামনাৰে আশীৰ্বাদ কৰি সৰাহ সামৰে।

**কচুকুঁৱৰী আই সকাম ঃ**

কোনো লোকৰ বহুত দিন ঘা হৈ বৰকৈ খজুৱাই থাকিলে বা ঘা-ডোখৰ বাঢ়ি গ'লে কচু কুঁৱৰীয়ে পোৱা বুলি বিশ্বাস কৰে। সেই কাৰণে তাৰপৰা পৰিত্ৰাণ পোৱাৰ উদ্দেশ্যে কচুগছৰ গুৰিত মাহ-প্ৰসাদেৰে মাটি চাকিৰ শলিতা জ্বলাই কচুকুঁৱৰী আই সকাম আয়োজন কৰা হয়।

**চেঙেলী মাছৰ সৰাহ ঃ**

সোণোৱাল কছাৰী সমাজৰ কোনো কোনো ঠাইত আহিন-কাতি মাহত শালি খেতি সামৰাৰ পিছত চেঙেলী মাছৰ সৰাহ নামঘৰত অনুষ্ঠিত কৰা হয়। এই সৰাহত উপকৰণৰূপে ব্যৱহাৰ কৰে বাবেই চেঙেলী মাছৰ সৰাহ নামেৰে চেঙেলী মাছক মূল নামকৰণ কৰা হৈছে। কঠোৰ পৰিশ্ৰম কৰি কৃষকে শৰীৰত শক্তি লাভ কৰাৰ বাবে এনে সৰাহে শুভ প্ৰভাৱ পেলায় বুলি তেওঁলোকৰ পৰম্পৰাগত বিশ্বাস।

**বালি সৰাহ ঃ**

ফাগুন-চ'ত মাহত পচোৱা বতাহ আৰু বৰদৈচিলাৰ পৰা গাঁওখনক সুৰক্ষিত ৰাখিবৰ বাবে বালি সৰাহ পতা হয়। নদীৰ পাৰৰ বালি বা পথাৰৰ মাজত কুকুৰা এটাৰ মূৰটো মাটিত পুতি উশাহ ল'ব নোৱৰাকৈ বধ কৰা হয়। ইয়াৰে ভোজভাতৰ আয়োজন কৰি পাণ-তামোলৰ অৰিহণাৰে ভোজপাতৰ এভাগ দেৱতালৈ উছৰ্গা কৰাৰ পৰম্পৰা এই সৰাহৰ সৈতে প্ৰচলিত।

**৩.২ জীৱনবৃত্ত আধাৰিত ৰীতি-নীতি আৰু লোকবিশ্বাস**

এজন ব্যক্তিয়ে জন্মৰপৰা মৃত্যুলৈকে বয়স অনুযায়ী কেইবাটাও স্তৰ পাৰ কৰে। মানুহৰ জীৱন পৰিক্ৰমাৰ বিভিন্ন স্তৰত পালন কৰা লোকাচাৰবোৰকে জীৱনবৃত্ত-আধাৰিত লোকাচাৰ বুলি কোৱা হয়। এই লোকাচাৰবোৰৰ প্ৰতিটোৰেই কিছুমান লোকবিশ্বাসৰ লগত জড়িত। এই লোকাচাৰবোৰক সংস্কাৰমূলক লোকাচাৰ বুলি অভিহিত কৰিব পাৰি। সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত জীৱনবৃত্ত বা সংস্কাৰমূলক লোকাচাৰসমূহক আলোচনাৰ সুবিধাৰ্থে তলত দিয়া ধৰণে বিভাজন কৰি আলোচনা কৰা হৈছে—

(ক) জন্মৰ লগত জড়িত ৰীতি-নীতি আৰু লোকবিশ্বাস

(খ) বিবাহৰ লগত জড়িত ৰীতি-নীতি আৰু লোকবিশ্বাস

(গ) মৃত্যুৰ লগত জড়িত ৰীতি-নীতি আৰু লোকবিশ্বাস

**(ক) জন্মৰ লগত জড়িত ৰীতি-নীতি আৰু লোকবিশ্বাস**

জীৱন বৃত্তৰ আৰম্ভণিয়েই হ'ল জন্ম। এগৰাকী মাতৃৰ গৰ্ভত সন্তানে স্থিতি লোৱাৰপৰা জন্ম হোৱালৈকে গভীৰ উৎকণ্ঠা, অধীৰ আগ্ৰহেৰে অপেক্ষা কৰে আৰু সন্তান জন্ম হোৱাৰ আগৰপৰা জন্মৰ কিছুদিন পিছলৈকে লোকবিশ্বাস অনুসৰি বহুতো লোকাচাৰ পালন কৰে।

সোণোৱাল কছাৰীসলৰ সমাজত কোনো নাৰী মাতৃত্বৰ দিশে গতি কৰাৰ লগে লগে নাৰীগৰাকীক টান কাম কৰা, গধুৰ বস্তু দাঙা আদি শৰীৰত হেঁচা পৰা কামৰপৰা বিৰত ৰখা হয়। সন্ধ্যা সময়ত পানী পতাত বহাৰপৰা বাৰণ কৰা হয়। গৰ্ভৱতী নাৰীক অপদেৱতাৰপৰা ৰক্ষা পাবলৈ তাবিজ, ডোল আদি পিন্ধোৱা হয়। সূৰ্য গ্ৰহণ, চন্দ্ৰ গ্ৰহণ আদি চাবলৈ দিয়া নহয়। তেনে নাৰীৰ স্বাস্থ্যসন্মতভাৱে খোৱা খাদ্য, যেনে— শক্তিদায়ক আহাৰ হিচাপে মাগুৰ, শ'ল, শাল, কুচিয়া, শিঙি, গৰৈ, কাৱৈ আদি বিভিন্ন মাছৰ উপৰিও কুকুৰা, পাৰ চৰাই আদিৰ মাংস খাবলৈ দিয়া হয়। সন্তানসম্ভৱা নাৰীৰ স্বামীকো সেই সময়ত কিছুমান কাম কৰাৰপৰা বিৰত থকাৰ লোকাচাৰ আৰু লোকবিশ্বাস প্ৰচলিত হৈ আছে। তাৰে ভিতৰত দুটামান উদাহৰণ হ'ল— মাছ মৰা, চিকাৰ আদিৰে জীৱ হত্যা কৰা, চুৰ কৰা, কাজিয়া-পেচাল কৰা, শ সৎকাৰ কৰা, নিশা ক'ৰবাৰপৰা আহি পোনে পোনে শোৱনি কোঠাত প্ৰৱেশ কৰা আদি কাৰ্যৰপৰা বিৰত থাকিবলৈ দিয়া। সন্তান জন্মৰ সময় ওচৰ চাপি অহাৰ লগে লগে এটা আছুতীয়া কোঠাত মাটিত ধানখেৰ পাৰি মহিলাগৰাকীক ৰখা হয়। অপদেৱতাক বাধা দিবলৈ কোঠাৰ দুৱাৰৰ ওপৰত বগৰীৰ জেং, ফটা জালৰ টুকুৰা, চিৰিমাৰি আদি ৰখা হয়। প্ৰসূতিৰ শোৱা কাপোৰৰ তলত বা কাষত দা বা কটাৰী আৰু ৰাঁচ এখন ৰখা হয়।

সন্তান প্ৰসৱৰ সময়ত প্ৰসূতিৰ স্বামীয়ে দা, কুঠাৰ, কোৰ আদিৰ নাল শালিলে প্ৰসৱ যন্ত্ৰণা বৃদ্ধি হয় বুলি বিশ্বাস কৰে। সন্তান ভূমিষ্ঠ হোৱাৰ লগে লগে জ্যেষ্ঠ বিজ্ঞ মহিলা বা ধায়ে ল'ৰা সন্তান হ'লে উৰুলি দিয়ে আৰু কন্যা সন্তান হ'লে কোঠাৰ বেৰত ঢকিয়াই বাহিৰত উপস্থিত লোকক জাননী দিয়ে। বাঁহৰ চেঁচুৰে নৱজাতকৰ নাড়ী কাটি সূতাৰে বান্ধি পৰিষ্কাৰ কাপোৰেৰে

চাফা কৰে। মাকৰ চুলিৰ আগেৰে সন্তানৰ জিভাখন চাফা কৰা হয়। নৱজাতকৰ কটা নাড়ী সযত্নে ৰাখি থোৱা হয়।

অপদেৱতাৰপৰা নৱজাতকক সুৰক্ষিত ৰখাৰ বাবে প্ৰসূতি মাতৃৰ কাষত একুৰা জুই জ্বলোৱা হয়। জুইত সৰিয়হ, নহৰু, বট গছৰ শিপা, শুকান জলকীয়া আদি দিয়া হয়। তদুপৰি নৱজাতকক নহৰু আৰু বচৰ শিপাৰ এডাল মালা ডিঙিত পিন্ধোৱা হয়, ইয়াৰ ফলত অপদেৱতাই নৱজাতকৰ কাষ চাপিব নোৱাৰে বুলি সোণোৱাল কছাৰীসকলে বিশ্বাস কৰে।

নৱজাতকৰ নাড়ী সৰাৰ পাছত প্ৰথম সূৰ্য দৰ্শন কৰোৱায় বা বাজ ওলোৱা হয়। মাতৃ আৰু সন্তান উভয়কে গা-পা ধুৱাই চুবুৰীয়া কেইগৰাকীমান মহিলা আগ চোতালত এখন পীৰাত নতুন গামোচা এখন পাৰি এবাটি পানী, এটা পটাগুটি লৈ একুৰা জুই ধৰে আৰু এগছি চাকি জ্বলাই মাকক তিনিবাৰ পীৰাখন প্ৰদক্ষিণ কৰোৱায়। চাৰিখন থুৰীয়া তামোল পূব-পশ্চিম-উত্তৰ-দক্ষিণ দিশলৈ দলিয়াই দি মাকে পীৰাখনত নৱজাতকক শুৱাই দিয়ে আৰু পটাগুটিটোৰে পীৰাখনত খুন্দিয়াই তিনিবাৰ নাড়ীত লগাই দিয়ে। ইয়াৰ পিছত পানী বাটিৰ ওচৰলৈ নি পানীত পৰি নমৰিবলৈ, জুইকুৰাৰ -ওচৰলৈ নি জুইত পৰি নমৰিবলৈ বুলি কৈ সম্ভাব্য সকলো বিপদৰপৰা ৰক্ষা পাবলৈ কাৰীৰ জেং এডাল নৱজাতকৰ ভৰি দুখনৰ মাজেৰে সৰকাই নি দূৰলৈ দলিয়াই দিয়া হয়।

ল'ৰা সন্তানৰ একৈশ দিন আৰু ছোৱালী সন্তানৰ এমাহত 'শূদিৰ সবাহ' পাতি অশৌচ আঁতৰাই সেইদিনা নৱজাতকৰ চুলি খুৰাই কেঁচা গোবৰ এচপৰা চপৰিয়াই দুবৰি বন, আৰৈ চাউল, তামোল-পাণ এযোৰ আৰু এটা গোটা পইচাৰে সৈতে বেৰত লগাই দিয়া হয়। ল'ৰা সন্তান হ'লে লগতে এযোৰ বাঁহৰ ধনুকাঁড় আঁৰি দিয়া হয়। সন্তানৰ দীঘলীয়াকৈ অসুখ-বিসুখ হ'লে ৰাইজক বিক্ৰী কৰি দিয়া হয়। তেনে কৰিলে সন্তানটোৰ অসুখ ভাল হয় বুলি পৰম্পৰাগতভাৱে বিশ্বাস কৰি আহিছে। তেনে সন্তান ডাঙৰ হ'লে তামোল-পাণ আৰু অৰিহণাৰ শৰাই দি ৰাইজৰপৰা ঘূৰাই লোৱা হয়। সন্তানৰ নামকৰণৰ বাবে বিশেষ অনুষ্ঠান কৰা নহয় যদিও পূৰ্বতে সন্তান জন্ম হোৱা বাৰ বা মাহৰ নামেৰে, যেনে ভদীয়া, আঘোণী আদি ধৰণেৰে নামকৰণ কৰা হৈছিল। বৰ্তমান জ্যোতিষীৰ জৰিয়তে জন্ম পত্ৰিকা তৈয়াৰ কৰি সন্তানৰ নামকৰণ কৰাৰ পৰম্পৰা সোণোৱাল সমাজত প্ৰচলিত হৈছে।

**(খ) বিবাহৰ লগত জড়িত ৰীতি-নীতি আৰু লোকবিশ্বাস**

সোণোৱাল কছাৰী সমাজত বিবাহ অনুষ্ঠানত বহুতো লোকবিশ্বাস আধাৰিত লোকাচাৰ পালন কৰা দেখা যায়। কন্যা সন্তান প্ৰথম পুষ্পিতা হোৱাৰ সময়খিনিত চুবুৰিৰ মহিলা আৰু ছোৱালীসকলে দালি, কলচী পাতি কন্যাক নিৰ্দিষ্ট এটা কোঠাত সুমুৱাই ৰাখে। চাৰিদিনত তৰাৰ বেই সাজি কন্যাক গা ধুৱাই গোপিনীসকলে মাংগলিক আশীৰ্বাদ দিয়ে। অযুগ্ম দিন অৰ্থাৎ সাত বা ন-দিনত বিয়াৰ সামাজিক লোকাচাৰসমূহ পালন কৰা হয়। বিয়াৰ আগদিনা আখৈ ভজা অনুষ্ঠান কৰি কন্যাক স্নান কৰোৱাই পিছৰ দিনা তোলনি বিয়াৰ মূল অনুষ্ঠানসমূহ কৰা হয়। কন্যাক গা ধুৱাবলৈ সজা বেই তলত কণী, পাণ-তামোল, অৰিহণা পোতা হয়। বাঁহ আৰু কলপটুৱাৰে সজা বেইৰ ওপৰত এটা কলডিল, এযোৰ ধনুকাঁড় আঁৰি দিয়া হয়। এই সমূহ প্ৰজননৰ প্ৰতীক। কন্যাক স্নান কৰোৱাৰ পিছত নতুন সাজ পৰিধান কৰোৱা হয় আৰু গোপিনীসকলে 'কাঁও লোৱা', মুখত পিঠাগুৰি ঘঁহা, আয়তীয়ে বিয়ানাম গাই ৰং-ৰহইচ কৰা ইত্যাদি লোকাচাৰসমূহ পালন কৰা হয়।

অনুৰূপভাৱে দৰা-কইনাৰ বিবাহ অনুষ্ঠানতো কিছুমান লোকাচাৰ জড়িত হৈ আছে। দৰা-কইনাক গা-ধুওৱা লোকাচাৰসমূহ তুলনি বিয়াৰ দৰে কৰা হয়। দৰাই কইনাৰ ঘৰলৈ বৰযাত্ৰী হিচাপে যোৱাৰ সময়ত নৈ, জান-জুৰি আদিত পাণ-তামোল আৰু অৰিহণাৰ টোপোলা দিহে পাৰ হয়। কইনাই মাকৰ ঘৰৰপৰা ওলাই আহোঁতে পিছলৈ উলটি নোচোৱাটো এটা পৰম্পৰাগত বিশ্বাস আধাৰিত লোকাচাৰ। দৰা ঘৰৰ চোতালত দৰা-কইনাই ভঁৰাল, বৰঘৰ, গোহালিত সেৱা জনাই গৃহ প্ৰৱেশৰ সময়ত মাটিৰ কলহৰপৰা পূৰ্বতে সাজু কৰি ৰখা পাণ-তামোল, কলপাতৰ আগলি, আঙঠি, পইচা আদি কইনাই হাত ভৰাই অনাটো এক পৰম্পৰা। কইনাৰ হাতত অহা সামগ্ৰীসমূহৰ জৰিয়তে তেওঁলোকৰ সাংসাৰিক জীৱনৰ পূৰ্বাভাসৰ পৰিচয় পোৱা যায় বুলি সোণোৱাল কছাৰীসকলৰ লোকবিশ্বাস জড়িত এক অন্যতম উল্লেখযোগ্য লোকাচাৰ।

**(গ) মৃত্যুৰ লগত জড়িত ৰীতি-নীতি আৰু লোকবিশ্বাস**

সোণোৱাল কছাৰী সমাজত মৃত্যুৰ সৈতে জড়িত লোকবিশ্বাসৰ আধাৰত বিভিন্ন লোকাচাৰ পালন কৰা দেখা যায়। কোনো লোককে বৰঘৰত মৃত্যু হ'বলৈ দিয়া নহয়। তেনেহ'লে ঘৰখন অশুচি হয় বুলি বিশ্বাস কৰা হয়। মৃত্যুৰ ক্ষণ গণি থকা লোকক সেয়েহে মাৰল ঘৰলৈ উলিয়াই দিয়া হয়। মাৰল ঘৰৰ পিছ দুৱাৰেদি মৃত ব্যক্তিক উলিয়াই নি আগচোতালত নতুন ঢাৰি পাৰি শুৱাই দিয়া হয়। মৃত্যুৰ লগে লগে মুখত এটা পইচা ভৰাই দিয়া হয়। ইয়াৰ জৰিয়তে মৃতকে ভৱনদীৰ ঘাটৈক মাননি দি পৰম ধামলৈ গতি কৰিব পাৰে বুলি ধাৰণা কৰে। গাঁৱৰ ৰাইজ গোট

খোৱাৰ পিছত মাহ-হালধি পিহি মৃতকক স্নান কৰাই নতুন কাপোৰ পিন্ধাই দিয়া হয়। তিনি থোক ধান আনি মৃতকৰ হাতৰ মুঠিৰে পাৰ কৰি অনা হয় আৰু বৈ যোৱা ধানেৰে সৈতে থোককেইটা ভঁৰালত সযতনে ৰাখি থোৱা হয়। ইয়াকে লখিমী এৰা ধান বোলে, এইবছৰলৈ মৃতকৰ ঘৰে এই ধানৰ সঁচ পথাৰত ৰোপণ নকৰে। ভঁৰালৰ দুৱাৰত লখিমী মৃতকৰ লগত ওলাই যাব যাতে নোৱাৰে তাৰ বাবে এখন বগা কাপোৰ আঁৰি দিয়াৰ পৰম্পৰা আছে।

সোণোৱাল কছাৰী সমাজত মৃতকক দাহ কৰা হয়। গৰ্ভৱতী মহিলা, সৰ্প দংশনত মৃত লোক, নৱজাতক, পানীত পৰি মৃত্যু হোৱা লোক, আপোনঘাতী লোকৰ ক্ষেত্ৰত মৃতকক পোতাৰ পৰম্পৰা প্ৰচলিত। মৃতকক শ্মশানলৈ নিবলৈ তিনিহাত এমুঠন দীঘল আৰু এহাত এমুঠন বহল বাঁহৰ সাঙি সজোৱা হয়। যিজোপা বাঁহৰপৰা এই বাঁহডাল কটা হয় সেইজোপা বাঁহ এবছৰলৈ কটা নহয়।

শ্মশান বা ব্যক্তিগত স্থানত মাটিৰ মূল্য দি চিতা সাজিবলৈ ক্ৰয় কৰা হয়। যোগ চিনৰ আৰ্হিত গাঁত খান্দি চাৰিটা খুঁটা পুতি ডাঙৰ দুডাল গড় পাৰি তাৰ ওপৰত সাত বান-চাম খৰি জাপি দিয়া হয়। তাৰ পিছত মৃতক পুৰুষ হ'লে বাওঁ কাতি আৰু মহিলাক সোঁ কাতিকৈ তুলি দি ওপৰত পুনৰ গধুৰকৈ খৰি জাপি দিয়া হয়। মৃতকক শেষ সেৱা জনাই জোঁৰ লৈ আত্মীয়ই সাতবাৰ চিতা পৰিভ্ৰমণ কৰে আৰু আগলৈ-পাছলৈ সাতবাৰ কৰি জোঁৰডাল পিছলৈ মাৰি পঠিয়ায়। ইয়াৰ পিছত আত্মীয়ই মৃতকৰ মুখৰ ফালে আৰু জ্ঞাতিয়ে ভৰিৰ দিশে চিতাত অগ্নিসংযোগ কৰে। উপস্থিত সকলোৱে একোডালকৈ খৰি চিতাত জাপি দিয়াটো প্ৰচলিত ৰীতি। চিতা সম্পূৰ্ণ জ্বলি শেষ হোৱাৰ পিছত এটা কলহেৰে জুইত পানী ঢালি তিল-মাহ-সৰিয়হ ছটিয়াই দি ৰাইজ ঘৰাঘৰি হয়। উলটি আহোঁতে বগৰীৰ ডাল, জেং আদি পেলাই ডেও দি আহে আৰু পিছলৈ উভতি নাচায়। অন্যথাই মৃতকৰ আত্মাই পিছলৈ অপায়-অমংগল কৰে বুলি সোণোৱাল কছাৰীসকলে বিশ্বাস কৰে।

শ্মশানৰপৰা উভতি অহাসকলক এডোখৰ নিৰ্দিষ্ট ঠাইত সমূহীয়াভাৱে একুৰা ধান খেৰৰ জুই জ্বলাই পাৰ হ'বলৈ দিয়া হয় আৰু শান্তিজল ছটিওৱা হয়। তদুপৰি শ্মশানলৈ যোৱা প্ৰতিজনকে নিজৰ নিজৰ ঘৰৰ পদূলিমুখত ধান খেৰৰ জুই জ্বলাই তাৰ ওপৰেদি পাৰ হ'বলৈ দি বাহিৰে বাহিৰে গা ধুইহে ঘৰত সোমাবলৈ দিয়াৰ নিয়ম। সন্ধিয়া প্ৰতি ঘৰতেই ধানখেৰ আৰু তুঁহৰ জাক দিয়াৰ লোকাচাৰ প্ৰচলিত।

মৃত্যুৰ দিনাৰপৰাই দহা-কাজৰ সময়লৈ গাঁৱৰ জ্ঞাতিয়ে মৃতকৰ ঘৰত পহৰা দিয়াৰ নিয়ম। তিনিদিনত তিলনি পাতে আৰু পৰিয়ালৰ সকলোৱে উপবাসে থাকে। তিলনিৰ দিনা কাপোৰ-কানি, বাচন-বৰ্তন ধুই, ঘৰ-চোতাল পৰিষ্কাৰ কৰি মাটিৰে লেপা হয় আৰু ৰাইজে তৈয়াৰ কৰা শান্তিজলেৰে ঘৰখন পৱিত্ৰ কৰা হয়।

বেহাৰী আৰু হিন্দুৰীয়া - এই দুই পদ্ধতিৰে সোণোৱাল কছাৰীসকলৰ সমাজত দহাকাজ কৰা হয়। বেহাৰী নিয়ম মতে দহাৰ আগদিনা দহ-ডাল ফুলৰ মালা, ন-খনকৈ কৌপাত তৰা ৰছীৰে বন্ধা দহ মুঠা, বিশটা নলৰ চুঙা, দহ-জোকা ঔটেঙাৰ কোহেৰে গাঁথা মালা, মৃতকে জীৱিত কালত খাই ভালপোৱা সামগ্ৰী আৰু মালা গাঁথি লোৱা হয়। পিছদিনা নদী অথবা পুখুৰীৰ পাৰত নলেৰে এটা ৰভা ঘৰ সজা হয়। ৰভাৰ তলিখন কেঁচা পিঠাগুৰি, আখৈ ছটিয়াই টংলতি পাত পাৰি লোৱা হয়। তাৰ ওপৰত এঘাৰ-যোৰ আগলি কলপাতত ক্ৰমে- ন-পুৰুষৰ ন-ভাগ, বসুমতীৰ এভাগ আৰু ঘাটৈৰ নামত এভাগকৈ পিণ্ড আগবঢ়োৱা হয়। প্ৰতিভাগতেই এচুঙাকৈ মদ, পানী আৰু একোডালকৈ মালা দিয়া হয়। পিণ্ড দিয়াজনে ৰাইজৰ আশীৰ্বাদ লয় আৰু ঘাটৈৰ নামত দিয়া ভাগটো প্ৰথমে পানীত উটুৱাই দিয়ে। তাৰ পিছত বাকী ন-ভাগ পিণ্ডও উটুৱাই দিয়া হয় আৰু কেৱল বসুমতীৰ ভাগটোহে তেনেকৈ থৈ যায়। মৃতকে জীৱিত কালত ব্যৱহাৰ কৰা ধুতি অথবা মেখেলা, খৰম বা চেণ্ডেল, লাখুটি, ছাতি বা জাপি, ঘটি, কেৰাহী, ঢৰা বা পীৰা, হেতা, কাঁহী-বাটি, কটাৰী, খুন্দনা, চাকি, গছা, গামোচা আদি সামগ্ৰীসমূহ দান কৰা হয়।

অন্যান্য বৈষ্ণৱ সমাজৰ দৰে হিন্দুৰীয়া প্ৰথা মতে দহ-দিনত দহা আৰু মাহৰ মূৰত কাজ পাতে। মৃতকৰ পিণ্ডৰ কাম মেধিয়ে সম্পন্ন কৰে। পিণ্ডৰ বাবে ঘট, মলা, সেন্দূৰ, তিল, ঘিউ, মৌ, চেনি, গুৰ, গাখীৰ, দৈ, জহা চাউল, বুট-মণ্ড, কল-কুঁহিয়াৰ, আমলখি, শিলিখা, চেচুৰ, কেশৰু, আমপাত, বৰপাত, জৰীপাত, পলাশপাত, বেলপাত, তুলসী আৰু দূবৰি আদি উপকৰণ অপৰিহাৰ্য। বিভিন্ন প্ৰকাৰৰ পিঠা, আলু, সান্দহ গুৰি, নিমখ, চাউল, হালধি, মিঠাতেল, পিয়াজ, মাছ আৰু শাক-পাচলি পিণ্ডৰ বাবে প্ৰয়োজন হয়। মেধিয়ে নদীৰ পাৰলৈ নি মৃতকৰ উদ্দেশ্যেৰে মন্ত্ৰপাঠ কৰোৱাই পিণ্ডদান কৰে।

শ্ৰাদ্ধ বা কাজৰ বাবে গাঁৱৰ সকলোৱে চাউল আৰু অৰিহণা দিয়াৰ উপৰিও মিতিৰ-কুটুম্ব, জী-জোঁৱাই, বন্ধু-বান্ধৱ, হৰিভকত আদি সকলোৱে একোখনিকৈ 'ভাৰ' আগবঢ়োৱাটো পৰম্পৰাগত লোকাচাৰ। গাঁৱৰ ৰাইজে সাজি উলিওৱা ৰভাৰ তলিত উত্তৰ-দক্ষিণাকৈ থাপনা বা তিফাই প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ চাৰিওফালে চাৰিটা কলপুলি, কুঁহিয়াৰ আৰু ফুলকটা বাঁহৰ চুঙা পুতি ওপৰত

চন্দ্ৰতাপ আঁৰি দিয়া হয় আৰু প্ৰসাদৰ শৰাই আগবঢ়াই ভকতসকলে নাম-কীৰ্তন কৰে। নামৰ শেষত ৰাইজৰ বাবে আয়োজন কৰা ভোজেৰে সকলোকে আপ্যায়ন কৰা হয়। সেইদিনা ভঁৰালৰ দুৱাৰত এখন বগা কাপোৰ আঁৰি দিয়া হয়। ইয়াৰ ফলত ভঁৰালৰ লখিমী ওলাই যাব নোৱাৰে বুলি সোণোৱাল কছাৰীসকলৰ লোকবিশ্বাস। এবছৰ নোহোৱালৈ কোনোধৰণৰ মাংগলিক কাম-কাজ, বৰঘৰ সজা, মাৰল ঘৰ সজা, বিবাহ অনুষ্ঠান আয়োজন কৰিব নাপায় বুলি বিশ্বাস কৰা হয় আৰু এনে কাৰ্যৰপৰা বিৰত থকাটো তেওঁলোকৰ পৰম্পৰাগত লোকাচাৰ।

**ন-পুৰুষীয়া সকাম ঃ**

কোনো ব্যক্তিৰ মৃত্যুৰ এবছৰৰ পিছত নাইবা নতুনকৈ বৰঘৰ লোৱাৰ পিছত সোণোৱাল কছাৰী সমাজত ন-পুৰুষীয়া সকাম আয়োজন কৰে। ন-টা বংশৰ ন-জন ভকতক ভোজভাত খুৱাই একোখনিকৈ বস্ত্ৰ দান কৰি এই সকামত আপ্যায়ন কৰা হয়। ৰাজহুৱা ৰান্ধনিয়ে আমৰলীয়া হাঁহ আৰু অন্যান্য ব্যঞ্জনেৰে ভকতসকলক ভোজন কৰোৱাই পাণ-তামোল-অৰিহণাৰে বস্ত্ৰ একোখনি সম্প্ৰদান কৰি আশীৰ্বাদ লয়। ভোজৰ পিছত ভকতসকলে বিদায় লোৱাৰ পৰত এখনি চেলেং পাৰি তাৰ ওপৰত ভকতসকলক সেৱা জনোৱা হয় আৰু গৃহস্থই ভকতৰ পদধূলা পৰা এই চেলেংখন সযতনেৰে ৰাখি থয়। এই সকাম অনুষ্ঠিত কৰিলে উপৰিপুৰুষৰ কৃপাত ঘৰখন নিৰাপদে থাকে বুলি পৰম্পৰাগতভাৱে বিশ্বাস কৰি আহিছে।

**৩.৩ জীৱ-জন্তু সম্বন্ধীয় ৰীতি-নীতি আৰু লোকবিশ্বাস**

সোণোৱাল কছাৰীসকলে বছৰৰ বিভিন্ন মাহত বহুকেইটা জীৱ-জন্তু সম্বন্ধীয় ৰীতি-নীতি আৰু লোকবিশ্বাস পালন কৰে। তেনে লোকবিশ্বাস সমূহৰ ভিতৰত উল্লেখযোগ্য কেইটামান তলত আলোচনা কৰা হ'ল—

**গো-কালিকা পূজা ঃ**

সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় লোকবিশ্বাস জড়িত আন এক পূজা হৈছে গো-কালিকা পূজা। গো-পূজাৰ আন এটা নাম হৈছে গো-কালিকা পূজা। গৰু বিহু দিনা অসমৰ কৃষিজীৱী সকলোৱে ঘৰৰ গৰুকেইটাক মাহ-হালধিৰে গা-পা ধুওৱাৰ উপৰিও সন্ধ্যা পিঠা-পনা খুৱাইন-পঘাৰে আদৰি আনি জাগ দি গো-পূজা কৰাৰ পৰম্পৰা অতীত কালৰপৰা প্ৰচলিত লোকাচাৰ। অসমৰ অন্যান্য সমাজেও গৰুৰ বেমাৰ-আজাৰ হ'লে শিৱৰ বাহন বৃষভ আৰু শিৱৰ প্ৰসাদৰূপে প্ৰধানকৈ ভাং এচিলিম খুৱাই নামান্তৰত গো-কালিকা পূজা আয়োজন কৰে। ইয়াতকৈ সোণোৱাল কছাৰীসকলৰ এই পূজাৰ পৰম্পৰা ভালেখিনি পৃথক। তেওঁলোকে অঞ্চলভেদে কুকুৰা বলি দি গো-কালিকা পূজা আয়োজন কৰা দৃষ্টিগোচৰ হয়। এই পূজাৰ উপকৰণবোৰ হ'ল— ন ভাগ নৈবেদ্যৰ পাত, ন গছি চাকি-শলিতা, বিচনি এখন, কাঠৰ তৰোৱাল, গদা এডাল, বাঁহৰ নটা গুলি (কেঁচা হালধিৰপৰা বনোৱা), তিনিটা কুকুৰা (এটা ৰঙা কুকুৰা বসুমতীৰ বাবে, এজনী ৰঙা মাইকী কুকুৰা লক্ষ্মীৰ বাবে আৰু আনটো বছৰটো সুকলমে পাৰ কৰাৰ বাবে), এটা কুকুৰা কণী, তামোল-পাণ আদি। এই পূজাৰ দিনা ঘৰৰ সকলো উপবাসে থাকে আৰু গধূলি সময়ত গৰুক পিঠা-পনা খুওৱাৰ পাছত গোহালিত নগছি চাকি-শলিতা জ্বলাই, ন-ভাগ নৈবেদ্যৰ পাতত খাদ্যৰ উপকৰণসমূহ দি তৰোৱালখন বলে "স্ত্ৰীং খ্ৰীং খ্ৰীং তাও" বুলি সাতবাৰ তৰোৱালখন শূন্যতে ঘূৰায়। ইয়াৰ পাছত গোহালিৰ বাহিৰত কুকুৰা বলি দি কুকুৰাৰ মাংসৰে তৰকাৰী ৰান্ধি গৰখীয়াৰ সৈতে ভোজ-ভাত খায়। অন্য সময়ত কৰিলে গোহালিৰ কাষতে মাহ-প্ৰসাদ, কল, পিঠা- আদিৰে এই গো-কালিকা পূজা আয়োজন কৰা হয়, বলি দিয়া নহয়।

**বাঘদেউ পূজা ঃ**

**খ্ৰীং খ্ৰীং বাইথ'** পূজাৰ চতুৰ্থ দিনা অৰ্থাৎ বুধবাৰে বাঘদেৱতাৰ সন্তুষ্টিৰ উদ্দেশ্যে এই বাঘদেও পূজা পতা হয়। গাঁৱৰ মাজৰ নিৰ্দিষ্ট হাবিত আখৈ, হালধি, বৰপিঠা, ছাঁই আদি সামগ্ৰীসমূহ লৈ গাঁৱৰ ৰাইজ নিৰ্দিষ্ট ঠাইলৈ যায়। ৰাইজ গাতিগিৰি আৰু বাঘ পূজা বা বৰগাতিয়াল নামেৰে দুটা ভাগত বিভক্ত হৈ গাতিগিৰিৰ দলটো দক্ষিণলৈ আৰু বৰগাতিয়াল দলটো উত্তৰলৈ যায়। যোৱাৰ আগেয়ে দুয়োটা দলৰ মাজত কণী যুঁজ হয়। কণী যুঁজত গাতিগিৰিৰ দলটো জিকিলে গাঁৱৰ মঙ্গল আৰু বৰগাতিয়াল দলটো জিকিলে বিপদ-বিঘিনি হয় বুলি সোণোৱাল কছাৰীসকলৰ লোকবিশ্বাস। দুয়োটা দলে নিজাকৈ কুকুৰা বলি দি বনৰ মাজত বাঘদেৱতাৰ পূজা কৰে। বৰগাতিয়াল দলটো পূজা দি হাবিৰপৰা ওলাই আহোঁতে গাতিগিৰি দলৰ এজনে লুকাই থাকি বাঘৰ দৰে গোঁজৰে আৰু দলটোৰ সকলোৱে হাই-উৰুমি কৰি আৰু লাঠীৰে মাটিত কোবাই বাঘ খেদাৰ দৰে কৰে। বনৰজাৰ আক্ৰমণৰপৰা পোহনীয়া জীৱ-জন্তুক সুৰক্ষিত কৰা লোকবিশ্বাসৰ আধাৰত এই পূজা সম্পন্ন কৰা হয়।

**গৰখীয়া সৰাহ ঃ**

গৰু গাই আৰু গৰখীয়া ল'ৰাৰ লগতে গৃহস্থৰ সুৰক্ষাৰ বাবে

গৰখীয়া সৰাহ পতা হয়। ভাদ মাহত অনুষ্ঠিত এই সৰাহৰ দিনা গোহালি-ঘৰ পৰিষ্কাৰ কৰি লেপি-মচি গৰখীয়া ল'ৰাহঁতক একোখনিকৈ কলৰ পাতৰ আসন পাতি বহিবলৈ দিয়া হয়। চেনিকল, কেঁচা পিঠাগুৰি, গুৰ অথবা চেনিৰ নৈবেদ্য পাণ-তামোল আৰু চাকিৰে সৈতে আগকৰি গৰখীয়াসকলকো প্ৰসাদ হিচাপে দিয়া হয়। সকলোকে কুশল-মংগল আৰু নিৰাপদে থাকিবলৈ আশীৰ্বাদ কৰি প্ৰসাদ গ্ৰহণ কৰা হয় আৰু এই সৰাহৰ সামৰণি মাৰে।

**৩.৪ বৃক্ষ সম্বন্ধীয় ৰীতি-নীতি আৰু লোকবিশ্বাস**

সোণোৱাল কছাৰীসকলে বহুকেইটা বৃক্ষ সম্বন্ধীয় ৰীতি-নীতি আৰু লোকবিশ্বাস পালন কৰে। তাৰে কেইটামান তলত আলোচনা কৰা হ'ল—

**ৰঙাচামন বা বৰচামন দেৱতাৰ পূজা ঃ**

হাবিৰ মাজত পামখোৱা কৃষক, চিকাৰী আৰু হাতীৰ মালিকসকলে ৰঙাচামন বা বৰচামন দেৱতাৰ পূজা কৰি নিজ নিজ কাৰ্যৰ শুভাৰম্ভণি কৰে। হাবিৰ গৰাকীস্বৰূপ ৰঙাচামন বা বৰচামন দেৱতাৰ ৰোষত পৰি মানুহ বলিয়া পৰ্যন্ত হ'ব পাৰে আৰু এই দেৱতাক সন্তুষ্ট কৰি নিজৰ উদ্দেশ্য সিদ্ধি কৰিবলৈ নৈবেদ্য আগবঢ়োৱাৰ লোকাচাৰ প্ৰচলিত। পাণ-তামোল, তেল-শলিতা, নিমখৰ টোপোলা আগবঢ়াই ৰঙা-ৰাঙলিৰ নামত এহাল ৰঙা কুকুৰা উছৰ্গা কৰা হয় আৰু হাবিৰ মাজত মেলি দিয়া হয়। এনে কৰিলে ৰঙাচামন বা বৰচামন দেৱতা সন্তুষ্ট হৈ হাবিৰ মাজত কটোৱা সময়বোৰ নিৰাপদে ৰাখে বুলি পৰম্পৰাগত লোকবিশ্বাস আছে।

**৩.৫ কৃষিকেন্দ্ৰিক ৰীতি-নীতি আৰু লোকবিশ্বাস**

সোণোৱাল কছাৰী লোকসকল মূলতঃ কৃষিজীৱী। সোণোৱাল কছাৰীসকলে কৃষিকাৰ্যৰ আৰম্ভণিৰ পৰা শেষলৈকে বহুতো কৃষিকেন্দ্ৰিক লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাস পালন কৰে। এইসমূহৰ ভিতৰত কুলাচামন দেৱতাৰ পূজা, হাউৰী লোৱা, ন-খোৱা, গৰখীয়া সৰাহ, লখিমী সৰাহ উল্লেখযোগ্য।

**কুলাচামন দেৱতাৰ পূজা ঃ**

কৃষিৰ উৎপাদন ভাল হ'বলৈ আৰু কোনো লোকৰ দীঘলীয়া অসুখ, ভ্ৰম বকা, মানুহলৈ চকু মেলি নোচোৱা আদি লক্ষণে দেখা দিলে কুলাচামন দেৱতাই পোৱা বুলি বিশ্বাস কৰা হয়। ইয়াৰপৰা পৰিত্ৰাণ পাবলৈ পথাৰৰ কাষৰ ডাঙৰ গছৰ গুৰিত এটা কলা হাঁহ জীৱন্তে পুৰি তাৰ মাংসৰে ব্যঞ্জন ৰান্ধি ভাতৰ সৈতে নৈবেদ্য আগবঢ়োৱা হয়। তামোল-পাণ, অৰিহণা, নিমখ আৰু উল্লিখিত নৈবেদ্যসমূহ আগলি কলপাতত চাকি এগছি জ্বলাই গছৰ গুৰিত উছৰ্গা কৰা হয়। এজনী ক'লা কুকুৰা কুলাচামন দেৱতাৰ নামত বনত এৰি দিয়া হয়, যাৰ ফলত ৰোগীজনৰ সকলো ৰোগ নিৰাময় হয় বুলি বিশ্বাস কৰে।

**হাউৰী লোৱা ঃ**

সোণোৱাল কছাৰীসকলৰ কৃষিভিত্তিক উৎসৱসমূহৰ ভিতৰত হাউৰী বা হাৰিয়া লোৱা অন্যতম। তেওঁলোকে কিবা কামৰ বাবে ৰাইজৰ সহায় বিচাৰি বিশেষকৈ খেতিৰ সময়ত ভূই ৰুবলৈ হাউৰী লয়। এই অনুষ্ঠানটোৱে তেওঁলোকৰ মাজৰ মিলা-প্ৰীতিক দুগুণে বঢ়াই তোলে। হাউৰী মাতিলে গাঁৱৰ কোনো লোক নহাকৈ নাথাকে। হাউৰী অনুষ্ঠানত অংশ লোৱা ৰাইজক গৃহস্থই মদ-মাংস, ভাত আদিৰে আপ্যায়ন কৰে। আনন্দ-উল্লাসৰ মাজেৰে নতুন উদ্যমেৰে সকলোৱে গৃহস্থক খেতি-বাতি কৰাত বা অন্য কামত সহায় কৰি দিয়ে। বাৰিষা কালত ভূই ৰুই থাকোঁতে ৰোৱনীগৰাকীয়ে প্ৰিয়তমক উদ্দেশ্যি বিহুগীত এফাঁকি জুৰে—

"হাই ঐ এনে শাওণ মহীয়া  
ভৰে নো দুপৰীয়া ঐ  
গছতলত ঐ জিৰণি লওঁ  
হাই ঐ ৰিব্ ৰিব্ মলয়াত  
গছৰ নো পাত সৰিব ঐ  
ঐ তোমাক বুলি বুটলাই ল'ম।  
হাই ঐ ৰোৱা নো ৰুইয়ে গ'লো  
শাৰী নো শাৰী কৰি ঐ  
কোনেনো গচকিলে পাৰি  
হাই ঐ খোজতো চিনিলোঁ  
মাততো মই বুজিলোঁ ঐ  
নাজানি ঐ পাৰিলোঁ গালি।"

এনেদৰে হাঁহি-ধেমালি, ৰং-তামাচাৰে সোণোৱাল কছাৰীসকলে হাউৰী লোৱা অনুষ্ঠান পালন কৰে।

**ন-খোৱা ঃ**

খেতি চপোৱাৰ পাছত সোণোৱাল কছাৰীসকলে ন-খোৱা উৎসৱ পালন কৰে। আঘোণ মাহত নতুন ধানৰ চাউলেৰে গুৰু-ভকত, ওচৰ-চুবুৰীয়াক নিমন্ত্ৰণ জনাই মাছ-মাংসৰে এসাঁজ ভালকৈ খোৱা হয়। মৃতকক উদ্দেশ্যিও এই অনুষ্ঠানত টোপোলা

আগবঢ়ায়। টেপৰগুৰি গাঁৱৰ সোণোৱাল কছাৰী লোকসকলে ক্ষত্ৰীয় পূজাৰ তিনিদিনৰ দিনা সমূহীয়াভাৱেও ন-খোৱা উৎসৱ পালন কৰে।

**লখিমী সৱাহ ঃ**

সোণোৱাল কছাৰীসকলৰ কৃষিভিত্তিক এটি প্ৰধান উৎসৱ হ'ল লখিমী সৱাহ। অঞ্চল অনুযায়ী লখিমী সৱাহো ভিন্ন ধৰণে পালন কৰা হয়। কিছুসংখ্যকে ভঁৰালৰ মুখত আৰু কিছুসংখ্যকে সমূহীয়াভাৱে নামঘৰত লখিমী সৱাহ পাতে। টেপৰগুৰি গাঁৱৰ সোণোৱাল কছাৰী লোকসকলে কাতি বিহুৰ পাছত নামঘৰত মাহ-প্ৰসাদৰ শৰাইৰে লখিমী সৱাহ পালন কৰে।

**৩.৬ বিভিন্ন উৎসৱ অনুষ্ঠানৰ লগত জড়িত ৰীতি-নীতি আৰু লোকবিশ্বাস**

অসমৰ অন্যান্য জাতি-জনগোষ্ঠীৰ দৰে সোণোৱাল কছাৰীসকলেও বিহুক কেন্দ্ৰ কৰি লোকবিশ্বাস আধাৰিত লোকাচাৰ পালন কৰে। সোণোৱাল কছাৰীসকলে গৰু বিহুৰ দিনা পুৱাতে মাহ-হালধিৰ ফোঁট দি গৰুক টংলতি, মাখিয়তীৰে গাত কোবাই নদী বা অন্য পানী থকা ঠাইলৈ নি গা ধুৱায়। আগদিনাও সাজু কৰি ৰখা লাউ, বেঙেনা, থেকেৰা, হালধি চাটৰপৰা গৰু গালৈ মাৰি গৰুক ডাঙৰ হ'বলৈ কামনা কৰে। পাণ-তামোল, চাউল, নিমখ, চাকি-শলিতাৰে গাতিগিৰি, গো-কালিকা, জলদেৱতা, বসুমতীৰ নামত নৈবেদ্য আগবঢ়াই সেৱা জনোৱা হয়। গৰুক গা ধুৱাই অন্য গৰখীয়াৰপৰা চাট্ মাৰি এডাল সলনি কৰি ঘৰলৈ অনা হয়। এই সলাই অনা চাটমাৰি, চাৰিডলীয়া আৰু তিনিডলীয়া চাটমাৰিৰ সৈতে গোহালিৰ ঘৰৰ চালত গোঁজ মাৰি থোৱা হয়। এনে কৰিলে গোহালিৰ গৰুকেইটা নিৰাপদে থাকে বুলি বিশ্বাস কৰে। সন্ধিয়া পৰত পদুলিমুখত আৰু গোহালিত ধানখেৰ, তুহ, বিহলঙনী, ভাঙৰ পাত, জেতুলি পকাৰ আগ আদিৰে জাগ দিয়ে। সেইদিনাৰপৰাই প্ৰথম বিচনী ব্যৱহাৰ কৰা পৰম্পৰা সোণোৱাল কছাৰী সমাজত প্ৰচলিত।

প্ৰথম ব'হাগৰ দিনাই তেৰটা গাঁথি, বাৰ পাব থকা টকাবাঁহ, টকা মাৰি, খুঁটিতাল লৈ গাঁৱৰ প্ৰতিঘৰ গৃহস্থৰ ঘৰত আশীৰ্বাদ দি হুঁচৰি গোৱা হয়। হুঁচৰি গাওঁতে টকা মাৰিডাল দুটা খুঁটি পুতি তাত দাঙি লৈ টকা মাৰিৰে কোবাই কোবাই হুঁচৰি গোৱা হয়। বাইথ' মন্দিৰত এই হুঁচৰি নমোৱা হয় যদিও মন্দিৰ নথকা গাঁওসমূহত নামঘৰত হুঁচৰি নমোৱাটো লোকপৰম্পৰা। হুঁচৰি গাওঁতে প্ৰথমতে বাৰেমন্ত্ৰ, পোহাৰী গীত, থিয়গীত আৰু বৰগীত গোৱা হয়। বাৰেমন্ত্ৰত গৃহস্থৰ কুশল কামনা কৰি আশীৰ্বাদ কৰা হয়। পোহাৰী গীতত বিভিন্ন দেৱ-দেৱীক সম্ভাষণ জনোৱা হয়। থিয়গীতসমূহত সোণোৱাল কছাৰীসকলৰ প্ৰাচীন ঐতিহ্যৰ কাহিনী বৰ্ণনা কৰা হয়। বৰগীতসমূহ হাইদাং গীতৰ দৰে আৰু এই গীতসমূহ বিশেষ মৰ্যাদাসম্পন্ন ব্যক্তিৰ ঘৰতহে গোৱা হয়। তাৰ বাবে পৃথকে শৰাই দিয়াৰ লোকাচাৰ প্ৰচলিত। হুঁচৰি গোৱা শেষ হ'লে গাঁৱৰ একেবাৰে পশ্চিম দিশত থকা এজোপা ডাঙৰ গছৰ তলত বিহু উৰুৱাই হুঁচৰি সামৰা হয়। ইয়াৰ পিছত ঢোল-তাল আদি বজাব নেপায় বুলি লোকবিশ্বাস আছে। অন্যথাই গাঁৱত অপায়-অমংগল, বেমাৰ-আজাৰ হয় বুলি ধাৰণা কৰে। ইয়াৰ পিছদিনা 'টঙালি চোৱা' অনুষ্ঠানত হুঁচৰি গাওঁতে পোৱা টকাৰ হিচাপ কৰা হয় আৰু সংগৃহীত গামোচা, চেলেং আদি এইসমূহ বিক্ৰী কৰি সেই টকাৰে গাঁৱৰ উন্নয়নমূলক কামৰ পৰিকল্পনা কৰা হয়। সকলোৰে মিলাপ্ৰীতিৰে ভোজভাত খোৱাৰ পৰম্পৰা প্ৰচলিত।

কাতি বিহুত ধাননি পথাৰত বাঁহৰ একোটা গোঁজ কৰি মাটিৰ চাকি জ্বলোৱা হয়। ইয়াৰ ফলত গেঁৰ ধৰা ধাননি পথাৰত পোক-পতঙ্গই কোনো ক্ষতি সাধন কৰিব নোৱাৰে আৰু লখিমী আয়ে কৃষকৰ প্ৰতি সদয় হয় বুলি বিশ্বাস কৰে। সন্ধিয়া তুলসীৰ তলত চাকি-ধূপ জ্বলাই সেৱা কৰা হয়।

মাঘৰ বিহুত ভেলা ঘৰ সাজি মেজি জ্বলায়। সকলোৱে মিলি ৰং-ৰহইচেৰে ভোজভাত খায়। পিতৃ-মাতৃ থকা ল'ৰাইহে পুৱতি নিশাতে স্নান কৰি মেজি জ্বলোৱাটো পৰম্পৰাগত লোকাচাৰ। মাহ-কড়াই ভজা, কাঠআলু, মোৱাআলু, মিঠাআলু, পিঠা-পনা, পাণ-তামোলৰ অৰিহণাৰে সৈতে মেজিৰ জুইত অৰ্পণ কৰা হয়।

আন এক উৎসৱধৰ্মী লোকাচাৰ হৈছে লখিমী তোলা সৱাহ। আহিন-কাতি বা ফাগুন মাহত লখিমী তোলা সৱাহ ৰাজহুৱাভাৱে আয়োজন কৰা হয়। সোণোৱাল কছাৰীসকলে লখিমী পানীত থাকে বুলি বিশ্বাস কৰে। এই বিষয়ে থকা এটা জনশ্ৰুতি এনেধৰণৰ— শিৱই কৃষিকাৰ্য কৰিবলৈ বিষ্ণুৰ পৰামৰ্শমতে কঠীয়াৰ বাবে কুবেৰৰ ওচৰলৈ যায়। কুবেৰে এচুঙা কঠীয়া দি যিমান ইচ্ছা সিমান খেতি কৰিবলৈ পৰামৰ্শ দিয়ে। শিৱই এচুঙা কঠীয়াহে পালোঁ বুলি খঙত সাগৰলৈ চুঙাটো দলিয়াই দিয়ে। বিষম পৰিণতি দেখি পাৰ্বতীয়ে পুনৰ বিষ্ণুৰ ওচৰ পালেগৈ আৰু কেনেদৰে এই লখিমীক পানীৰপৰা আনিব পৰা হ'ব তাৰ বিধান বিচৰাত বিষ্ণুৱে পাৰ্বতীক বিধান দিয়ে। এই বিধান অনুসৰি শুক্লা সাঁকো, শুক্লা দোলা, শুক্লা কুলাৰে লখিমী আদৰি আনিব পাৰিলে উদ্দেশ্য সিদ্ধি হ'ব বুলি পৰামৰ্শ দিয়াত উলহ-মালহেৰে এনেদৰে লখিমী তোলা সৱাহ উদ্‌যাপনৰ পৰম্পৰাৰ প্ৰচলন হয়।

নামঘৰত লখিমী তোলা সৰাহ তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। এই সৰাহৰ আগদিনাই নামঘৰ, লখিমী তোলা ঘাট, বাট-পথ আৰু ঘৰ-দুৱাৰবোৰ চাফ-চিকুণ কৰা হয়। সৰাহৰ আৰম্ভণিৰ দিনাই ঘৰৰ মূল মহিলাগৰাকীয়ে এটা পাচি বা খৰাহীত ধান বা চাউল, পাণ-তামোল, অৰিহণা, মাটিৰ চাকি জ্বলাই এটা এঁৰা সূতাৰ ঊঘাৰে সৈতে নামঘৰত শৃংখলাবদ্ধভাৱে আগবঢ়ায় আৰু লখিমী সৰাহৰ নাম গোৱা হয়। সৰাহৰ দিনা কলপটুৱাৰে এখন দোলা, বাঁহেৰে এখন জাকৈ তৈয়াৰ কৰে। তিনিজনী কুমাৰী ছোৱালী, দুজন বা চাৰিজন দোলাভাৰী, জাকৈয়া, দুণৰী, কলচী, দালিধৰা আদিৰ দায়িত্ব দি ৰাইজে নিৰ্বাচন কৰা লোকৰ জৰিয়তে লখিমী আদৰিবলৈ নদীৰ ঘাটলৈ যোৱা হয়। সকলোৱে বগাসাজ পৰিধান কৰে আৰু চেলেং চাদৰেৰে মূৰ ঢাকি লয়। জাকৈয়া, দোলাভাৰী পুৰুষ হ'লেও তেওঁলোকেও মহিলাৰ সাজ পৰিধান কৰাটো প্ৰচলিত পৰম্পৰা আৰু দোলাভাৰীয়ে কঁকালত ঘূৰি পৰিধান কৰে।

নামঘৰত সকলোৱে সেৱা জনাই গায়ন-বায়নৰ মৃদং, তালৰ ছেও আৰু ঢোল-পেঁপা-বাঁহী সমন্বিতে উলহ-মালহেৰে নদীৰ ঘাটলৈ যায়। প্ৰথমতে কেঁচা পিঠাগুৰি লোৱা এগৰাকী মহিলা, তাৰ পিছত ক্ৰমে গায়ন-বায়নৰ দল, দালি, কলচী লোৱা ছোৱালীকেইজনী, লখিমী নামগোৱা গোপিনীসকল, বিহুৱা দলটোৰ লগতে গাঁৱৰ সকলো ৰাইজ নদীৰ ঘাটলৈ পানী তুলিবলৈ যায়। ঘাটত পাণ-তামোল-অৰিহণাৰে বিভিন্ন দেৱতাৰ নামত এটা টোপোলা দিয়া হয় আৰু জলকুঁৱৰীৰ নামত আন এটা টোপোলা পানীত উটুৱাই দিয়া হয়। জাকৈয়াজনে সাত বা ন-চাব জাকৈ মাৰি প্ৰতি বাৰতে পোৱা মাছ-কীট-পতঙ্গ, জেং-জাবৰ সকলো দোলাত ভৰাই লৈ সকলোৱে উভতি আহে। ঘাটত এটা খুঁটি পুতি তাত সূতাৰ আগটো বান্ধি লৈ ঊঘা লোৱা গৰাকীয়ে নামঘৰলৈ বুলি গৈ থাকে আৰু পাছে পাছে পিঠাগুৰি ছটিয়াই যোৱা হয়। এই সূতাক সাঁকো আৰু পিঠাগুৰি লখিমী অহাৰ বাট বুলি তেওঁলোকে বিশ্বাস কৰে। এই সূতা যাত্ৰাৰ পথত চিঙিব নাপাই বুলি প্ৰচলিত ধাৰণা। অন্যথাই লখিমী যাত্ৰা পথৰপৰাই ঘূৰি যায় বুলি বিশ্বাস কৰা হয়। নামঘৰত দোলাত অনা সামগ্ৰীসমূহ প্ৰসাদৰূপে বিতৰণ কৰা হয় আৰু নামঘৰত প্ৰতিষ্ঠা কৰা লখিমীৰ দালিত সযতনেৰে লৈ এঁৰা সূতা টানি নিজ নিজ ঘৰলৈ লখিমী আদৰি ভঁৰালত ভক্তিৰে থোৱা হয়। এখন বগা কাপোৰেৰে ভঁৰালৰ দুৱাৰখন জপাই থোৱা হয় আৰু প্ৰতিঘৰে পদুলিমূৰত মাটিৰ চাকি এগছিকৈ চাকি জ্বলোৱাটো প্ৰচলিত পৰম্পৰা।

গাঁৱৰ অপায়-অমংগল, বেমাৰ-আজাৰ দূৰ কৰাৰ বাবে জেঠ-আহাৰ মাহত ভূৰ উটোৱা সৰাহ আয়োজন কৰে। নামঘৰত এদিন বা তিনিদিনীয়াকৈ পুৰুষসকলে নাম-কীৰ্তন কৰে আৰু গোপিনীসকলে আইনাম গায়। শেষৰ দিনা বাঁহ আৰু কলপটুৱাৰে এখন ভূৰ সাজি ফুল, সেন্দুৰেৰে সুন্দৰকৈ সজোৱা হয়। তেত্ৰিশ কোটি দেৱতাৰ নামত মাহ-প্ৰসাদৰ উপকৰণ আৰু চাকি-শলিতা জ্বলাই ভূৰৰ ভিতৰত দি নদীত উটুৱাবলৈ নিয়া হয়। গায়ন-বায়ন, আয়তীৰ আইনাম, বিহুৱা দল আৰু গাঁৱৰ ৰাইজে উলা মালহেৰে নি ভূৰখন নদীৰ বোঁৱতী পানীত উটুৱাই দিয়ে। জলকুঁৱৰীৰ নামত প্ৰসাদৰ এটা ভাগ প্ৰথমতে উটুৱাই দিয়াৰ নিয়ম প্ৰচলিত। ভূৰ উটোৱাৰ পাছত পিছলৈ উভতি চাব নাপায়। তেনে কৰিলে বেমাৰ-আজাৰ, অপায়-অমংগল পুনৰ উভতি আহে বুলি বিশ্বাস কৰা হয়।

### ৪.১ সামগ্ৰিক মূল্যায়ণ ঃ

সময়ৰ লগে লগে সমাজ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। সমাজৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিৰো। পৰিৱৰ্তন ঘটে। সোনোৱাল কছাৰীসকলৰ ৰীতি-নীতি আৰু লোকবিশ্বাসসমূহলৈও অনেক পৰিৱৰ্তন আহিছে। যেতিয়াৰ পৰা সোণোৱাল কছাৰীসকলৰ সমাজত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰে তেতিয়াৰ পৰাই কম-বেছি পৰিমাণে তেওঁলোকৰ সমাজ আৰু সংস্কৃতিত পৰিৱৰ্তন লক্ষ্য কৰা যায়। তদুপৰি আধুনিক সমাজ ব্যৱস্থা আৰু বিশ্বায়নৰ প্ৰভাৱত সোণোৱাল কছাৰীসকলৰ মূলসুঁতিৰ বহু উৎসৱ কালৰ সোঁতত লাহে লাহে হেৰাই যাব ধৰিছে। উদাহৰণস্বৰূপে বাঘদেউ পূজা, স্বৰ্গদেউ পূজা আদি উৎসৱ-অনুষ্ঠানৰ নাম এইক্ষেত্ৰত ক'ব পাৰি। পূৰ্বতে চাচনী মৌজাৰ ন-খটীয়া গাঁওখনৰ সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় দেৱতা খ্ৰীং খ্ৰীং বাইথ', গাতিগিৰি, সৰগদেউ, জলখাই, গজায় ডাঙৰীয়াৰ পূজা উলহ-মালহেৰে পালন কৰিছিল। কিন্তু বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত গাঁওখনৰ সোণোৱাল কছাৰীসকলৰ কেইবাঘৰ মানুহে এই পূজাসমূহ পালন কৰিবলৈ এৰিলে। আনহাতে, শংকৰী সংঘৰ ধৰ্মত দীক্ষিত হৈয়ো প্ৰায় বিশ ঘৰমান পৰিয়ালে এই পূজাসমূহ পালন কৰিবলৈ এৰিছে।

তদুপৰি, উৎসৱসমূহ পালন কৰাৰ সময়সীমাও সলনি হৈছে। উদাহৰণস্বৰূপে টেপৰগুৰি গাঁৱৰ ক্ষত্ৰীয় শালৰ পূজা পূৰ্বৰ দুদিনৰ ঠাইত বৰ্তমান তিনিদিনীয়াকৈ পালন কৰা হয়। শেষৰ দিনা অৰ্থাৎ তৃতীয় দিনা টেপৰগুৰি গাঁৱৰ আৰু ওচৰ-পাঁজৰৰ কেইবাখনো গাঁৱৰ ৰাইজে মিলি ন-খোৱা উৎসৱ পালন কৰে। এনে পৰিৱৰ্তনে সমাজলৈ ইতিবাচক চিন্তাহে কঢ়িয়াই আনে।

গুৰুত্বপূৰ্ণ কথা যে, বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ পৰিলেও সোণোৱাল কছাৰীসকলৰ পুৰাতনীয় কৃষ্টি-সংস্কৃতি আৰু বৈষ্ণৱ আদৰ্শৰ মাজত কেতিয়াও সংঘাত হোৱা নাই। বৰঞ্চ দুয়োটাৰে

সমন্বয়ত সোণোৱাল কছাৰীসকলৰ সংস্কৃতি অধিক সমৃদ্ধশালী হৈ উঠিছে। এই ক্ষেত্ৰত নৱ প্ৰজন্মৰ বৰঙণিও প্ৰশংসনীয়।

**৪.২ প্ৰাপ্ত সিদ্ধান্ত ঃ**

**'সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাস'** শীৰ্ষক বিষয়টোৰ অধ্যয়নৰ শেষত নিম্নোক্ত সিদ্ধান্তসমূহত উপনীত হ'ব পাৰি—

১) **সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাস**সমূহ মূলতঃ কৃষিভিত্তিক, ধৰ্মীয় পৰম্পৰা আশ্ৰয়ী আৰু জন্ম, বিবাহ, মৃত্যু আদিৰ সৈতে সম্পৰ্কিত।

২) **সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাস**সমূহৰ লগত কিছুমান জনশ্ৰুতি জড়িত হৈ আছে।

৩) **সোণোৱাল কছাৰী জনগোষ্ঠীৰ লোকাচাৰ, ৰীতি-নীতি আৰু লোকবিশ্বাস**সমূহত বলি-বিধানৰ প্ৰাধান্য লক্ষ্য কৰা যায়। তেওঁলোকৰ উৎসৱসমূহত সাধাৰণতে হাঁহ, কুকুৰা, হাঁহ কণী আদিৰ ব্যৱহাৰ অধিক।

৪) **সোণোৱাল কছাৰী জনগোষ্ঠীৰ** আৰাধ্য দেৱতা মূলতঃ অনাৰ্যমূলীয় অৰ্থাৎ তেখেতসকল শৈৱ পন্থী। যদিও তেওঁলোকৰ ৰীতি-নীতি আৰু লোকবিশ্বাসসমূহত আৰ্য-সংস্কৃতিৰ প্ৰভাৱ বিদ্যমান।

৫) **সোণোৱাল কছাৰী জনগোষ্ঠীৰ** প্ৰায়ভাগ পূজা তিনিচুকীয়াৰ ডাঙৰীৰ বৰপথাৰৰ মূল বাইথ' শাল, শদিয়া (ধলা)ৰ ছৈখোৱাৰ কেঁচাইখাইতী শাল আদিৰ আদেশ অনুসৰি ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰে।

৬) আধুনিক সমাজ-ব্যৱস্থা আৰু বিশ্বায়নৰ প্ৰভাৱত সোণোৱাল কছাৰী জনগোষ্ঠীৰ ৰীতি-নীতি আৰু লোকবিশ্বাসলৈও অনেক পৰিৱৰ্তন আহিছে।


ক) কছাৰী, নন্দেশ্বৰ ঃ সোণোৱাল কছাৰী সমাজ-সংস্কৃতি আৰু ভাষাৰ পৰিচয়, সোণোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ- ২০১১

খ) গোহাঁই, পেইম থি (সম্পা.) ঃ জনজাতি সৌৰভ (স্মাৰক গ্ৰন্থ), সোণোৱাল কছাৰী সাংস্কৃতিক মহোৎসৱ, অসম জনজাতি গৱেষণা বিভাগ আৰু সো.ক.স্বা.শা. পৰিষদ, ২০০৯

গ) পাটৰ, পদ্ম (সম্পা.) ঃ জনজাতি সমাজ সংস্কৃতি, বি চাং পাব্লিকেশ্যন, ২০০৮

ঘ) বড়া, সন্দিকৈ ঃ সোনোৱাল কছাৰী লোক-সংস্কৃতি, কিৰণ প্ৰকাশন, ধেমাজি, প্ৰথম প্ৰকাশ-২০১৪

ঙ) বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমীয়া ভাষা আৰু সংস্কৃতি, জাৰ্ণল এম্পৰিয়াম, নলবাৰী, ২০০১

চ) বৰুৱা, ভূপতি ঃ সোণোৱাল কছাৰী সমাজৰ ব্যৱহাৰিক শব্দ সংগ্ৰহ, দাস প্ৰেছ ৮৯, বি.টি. ৰোড, কলকতা-২

ছ) বৰুৱা, ভূপতি ঃ সোণোৱাল কছাৰীৰ হাইদাং গীত আৰু হুঁচৰি গীত, ধেমাজি, ১৯৮৩

জ) মহন্ত চৌধুৰী, সুবাসনা আৰু ডেকা বুজৰবৰুৱা, পল্লৱী (সম্পা.) ঃ অসমৰ জনগোষ্ঠীয় লোক-সাহিত্য, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, প্ৰথম প্ৰকাশ- ২০০৯

ঝ) ৰাজবংশী, পৰমানন্দ (সম্পা.) ঃ অসমীয়া জাতি আৰু সংস্কৃতি, অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ মহাবিদ্যালয়, প্ৰথম প্ৰকাশ- ২০০৩

ঞ) সোণোৱাল, মোহন ঃ সোণোৱাল কছাৰী সমাজ আৰু সংস্কৃতি, সোণোৱাল কছাৰী সাহিত্য সোণোৱাল, গুণেশ্বৰ (সম্পা), প্ৰকাশন পৰিষদ, ডিব্ৰুগড়, ২০০১

ট) হাজৰিকা, মোহন চন্দ্ৰ আৰু শইকীয়া, লভিত কুমাৰ ঃ সোণোৱাল কছাৰীৰ সংস্কৃতি, ডিব্ৰুগড়, ২০১৮

ঠ) হাজৰিকা, ৰজনীকান্ত ঃ মঙ্গোল কছাৰী গুপ্ত ইতিহাস, খোৱাংঘাট, ডিব্ৰুগড়, ১৯৮৫

ড) শইকীয়া, চিত্ৰজিৎ (সম্পা) ঃ অসমৰ জনগোষ্ঠীয় সমাজ-সংস্কৃতি, দুলীয়াজান মহাবিদ্যালয়, অন্বেষা প্ৰিণ্টাৰ্চ, প্ৰথম প্ৰকাশ- মে' ২০২৩

ঢ) শৰ্মা, কমল কৃষ্ণ ঃ অসমৰ সংস্কৃতি জিজ্ঞাসা, পাৰফেক্ট ইমেজাৰ্ছ, ৰাজগড় ৰোড, ৫ নং উপপথৰ বিপৰীতে, গুৱাহাটী-০৩, প্ৰথম প্ৰকাশ, মে', ২০১৫

ণ) শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, পাণবজাৰ, গুৱাহাটী, ষষ্ঠ প্ৰকাশ- ২০১৭

## ব্যতিক্ৰম ব্যক্তিত্ব

‘ আজিৰ তাৰিখত **‘গ্ৰাম্যানুভূতি’** এক ব্যতিক্ৰমী গ্ৰাম্য পৰ্যটন ক্ষেত্ৰ, যিয়ে ৰাজ্যখনৰ লগতে দেশ-বিদেশৰ পৰ্যটকৰ বাবে এক মুখ্য আকৰ্ষণ কেন্দ্ৰ হৈ উঠিছে। কিন্তু এই যাত্ৰাৰ আৰম্ভণি কোনো বৃহৎ বিনিয়োগ, চৰকাৰী আঁচনি বা পৰিকল্পনাৰে হোৱা নাছিল; বৰঞ্চ ইয়াৰ আৰম্ভণি হৈছিল নিজৰ ঘৰৰ এটা সৰু কোঠালিত সজাই থোৱা পুৰণি সামগ্ৰীৰ পৰা। ’



# আধুনিক গ্ৰাম্য পৰ্যটনৰ বিকাশৰ বাটকটীয়া অভিযন্তা দিকপল লাহন আৰু ‘গ্ৰাম্যানুভূতি’ৰ ভূমিকা

**জোনমণি বড়ো**

আধুনিক যান্ত্ৰিকতাৰ ভিৰৰ মাজতো যিজনে অতীতক পাহৰি নোযোৱাকৈ, শিপাৰ সৈতে সংযোগ বিচ্ছিন্ন নকৰাকৈ গ্ৰাম্য অসমৰ সৌন্দৰ্য বিশ্বৰ সন্মুখত তুলি ধৰাৰ সাহস দেখুৱাইছিল, সেইজনেই লখিমপুৰ জিলাৰ পদুমণি লাহন গাঁৰৰ দিকপল লাহন।

আজিৰ তাৰিখত ‘গ্ৰাম্যানুভূতি’ এক ব্যতিক্ৰমী গ্ৰাম্য পৰ্যটন ক্ষেত্ৰ, যিয়ে ৰাজ্যখনৰ লগতে দেশ-বিদেশৰ পৰ্যটকৰ বাবে এক মুখ্য আকৰ্ষণ কেন্দ্ৰ হৈ উঠিছে। কিন্তু এই যাত্ৰাৰ আৰম্ভণি কোনো বৃহৎ বিনিয়োগ, চৰকাৰী আঁচনি বা পৰিকল্পনাৰে হোৱা নাছিল; বৰঞ্চ ইয়াৰ আৰম্ভণি হৈছিল নিজৰ ঘৰৰ এটা সৰু কোঠালিত সজাই থোৱা পুৰণি সামগ্ৰীৰ পৰা।

লখিমপুৰ নগৰৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ নিলগত অৱস্থিত পদুমণি লাহন গাঁও। সেউজীয়া পথাৰ, পুখুৰী, গছ-গছনি, গৰু-গাইৰ কলৰৱ; এই সকলোৰে মাজতেই অৱস্থিত দিকপল লাহনৰ ঘৰ। তেওঁৰ পৰিয়ালৰ ১১৩ বছৰীয়া পুৰণি এই ঘৰখন কেৱল ইটা-পাথৰেৰে গঢ়া এটা স্থাপত্য নহয়; ই হৈছে স্মৃতি, ইতিহাস আৰু পৰম্পৰাৰ এক জীৱন্ত দলিল।

দিকপলে সৰুৰে পৰা এই ঘৰখনত আজো ককা-আজো আইতাৰ ব্যৱহৃত বহু পুৰণি সামগ্ৰী দেখিছিল। দোলা, হেঙদাং, পিতলৰ বাচন, পুৰণি খাট; এইবোৰ তেওঁৰ বাবে কেৱল পুৰণি বস্তু নাছিল, এইবোৰে তেওঁৰ শিশু মনত জন্ম দিছিল কৌতূহল আৰু কল্পনা ।

“ককাৰ পৰাই মই পুৰণি বস্তুৰ মূল্য বুজিবলৈ শিকিছিলোঁ,” দিকপলে তেখেতৰ কেইবাটাও সাক্ষাৎকাৰত এইদৰে জানিবলৈ দিয়ে।

এই শৈশৱৰ স্মৃতিয়েই পিছলৈ গৈ তেওঁৰ জীৱনৰ ভেটি গঢ়াত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ২০০৭ চনত উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত দিকপলে এটা বহুজাতিক ঔষধ কোম্পানীত চাকৰি গ্ৰহণ কৰে। অসমৰ গাঁও এৰি তেওঁ প্ৰায় ১৮ বছৰ ধৰি দেশ-বিদেশৰ বিভিন্ন ঠাইত কাম কৰে। এই সময়ছোৱাত তেওঁ কেৱল পেচাদাৰী দক্ষতাই নহয়, মানুহ বুজাৰ কলা, ব্যৱহাৰিক জীৱনশৈলী, বিপণন কৌশল, যোগাযোগৰ কলা, সময় ব্যৱস্থাপনা আৰু নেতৃত্বৰ শিক্ষা লাভ কৰে।

নিজৰ অভিজ্ঞতাৰ বিষয়ে তেওঁ কয়— "কোম্পানীৰ চাকৰিয়ে মোক মানুহৰ লগত কথা পতাৰ ধৰণ, প্ৰডাক্ট কেনেকৈ উপস্থাপন কৰিব লাগে, বিশ্বাস কেনেকৈ গঢ়ি লাগে, এই সকলো শিকালে। পিছলৈ ঘূৰি চাওঁতে বুজোঁ, এইবোৰেই মোক 'গ্ৰাম্যানুভূতি' গঢ়িবলৈ সহায় কৰিলে।"

চাকৰিৰ লগতে তেওঁ কিন্তু সদায় এটা কথা মনত ৰাখিছিল 'দহোজনৰ বাবে কিবা এটা কৰিব লাগিব।'

চাকৰি কৰি থকা সময়ছোৱাত দিকপলে নিজৰ গাঁৰৰ ঘৰত এটা সৰু কোঠালিত পুৰণি সামগ্ৰী সংৰক্ষণ কৰি ৰাখিছিল। তেওঁ এই কাম কৰিছিল কেৱল নিজৰ ভাল লগাৰ বাবেই, সেই সময়ত তেওঁৰ মনলৈ দৰ্শনাৰ্থীৰ কথা অহা নাছিল।

কিন্তু ২০১৭ চনত যেতিয়া তেওঁ এই কোঠালিৰ ছবি প্ৰথমবাৰ সামাজিক মাধ্যমত শ্বেয়াৰ কৰিলে, তেতিয়াই সকলো সলনি হ'ল।

মানুহ আহিবলৈ ধৰিলে; প্ৰথমে গাঁৰৰ, তাৰ পাছত চুবুৰীয়া গাঁও, তাৰ পাছত চহৰৰ।

মানুহে ক'বলৈ ধৰিলে—

"এনেকুৱা পৰিবেশ আৰু লাগে।"

"ইয়াত অসমৰ আত্মা আছে।"

আৰু এইখিনিতে দিকপলে প্ৰথমবাৰ গভীৰভাৱে ভাবিলে ইয়াক যদি অলপ অন্য ৰূপ দিব পৰা যায়?




পুৰণি সামগ্ৰী, স্মৃতি, গ্ৰাম্য জীৱনশৈলী; এই সকলো একেলগে মিলি যি অনুভৱ জন্ম দিছিল, তাকেই দিকপলে নাম দিলে-'গ্ৰাম্যানুভূতি'।

কিন্তু ই কোনো সাধাৰণ পৰ্যটন প্ৰকল্প নহয়। ই হৈছে অতীতৰ সৈতে সংযোগ, গ্ৰাম্য জীৱনৰ পুনৰুদ্ধাৰ আৰু সংস্কৃতি সংৰক্ষণৰ এক আন্দোলন। তেওঁ নিজৰ পৈতৃক ঘৰৰ কাষতে নতুনকৈ এটা ঘৰ নিৰ্মাণ কৰে আৰু লাহে লাহে সম্পূৰ্ণ চৌহদটো ৰূপান্তৰিত কৰে এক গ্ৰাম্য পৰ্যটন ক্ষেত্ৰলৈ।

'গ্ৰাম্যানুভূতি'ৰ হৃদয় হৈছে ইয়াৰ সংগ্ৰহালয়। পুখুৰীৰ মাজত চাংঘৰৰ ওপৰত নিৰ্মিত এই সংগ্ৰহালয়টো নিজেই এক ব্যতিক্ৰমী সৃষ্টি।

ইয়াত সংৰক্ষিত আছে, হাতীখুজীয়া বাটি, আহোম যুগৰ হেঙদাং, দোলা, খুন্দনা 'উখল-মুচা', ১৫০ বছৰীয়া খাট, ১৭ শতিকাৰ 'সাঁচিপাত'ৰ পুথি, 'জয়মতী' চলচ্চিত্ৰৰ ৰেকৰ্ডসহ গ্ৰামোফোন, পুৰণি মুদ্ৰা, ব্ৰিটিছ আমোলৰ আচবাব। এইবোৰ বস্তু কেৱল দেখিবলৈ শুৱনি নহয়, ইয়াত প্ৰৱেশ কৰিলেই যেন মানুহে সময়ৰ কাঁটাডালত উঠি বহু শতিকা আগলৈ উভতি যায়।

দিকপলে আহোম সেনাপতি মোমাই তামুলী বৰবৰুৱাৰ এটা ধাৰণা স্মৰণ কৰে "ঘৰত এটা পুখুৰী থাকিবই লাগিব।" এই পুখুৰীটোক তেওঁ কেৱল ৰখাই নহয় তাৰ ওপৰত সংগ্ৰহালয় নিৰ্মাণ কৰি এক নতুন মূল্যও সংযোজন কৰিলে। আৰু ইয়াতেই প্ৰতিফলিত হৈছে ঐতিহ্য আৰু আধুনিক চিন্তাৰ এক অপূৰ্ব সংমিশ্ৰণ।

'গ্ৰাম্যানুভূতি'ৰ আন এক আকৰ্ষণ হৈছে বৃহৎ 'ট্ৰি-হাউচ'। প্ৰায় ২৫ জন মানুহ বহিব পৰা এই ট্ৰি-হাউচটো অসমৰ ভিতৰতেই ব্যতিক্ৰমী। ঔটেঙা গছৰ ওপৰত নিৰ্মিত এই ট্ৰি-হাউচৰ নাম 'হেঁটুলুকা বৃক্ষ বিলাস'। হেঁটুলুকা হৈছে এটা চৰাই, যাৰ বিলাসী আৰু শান্ত জীৱনশৈলীক প্ৰতীক হিচাপে ব্যৱহাৰ কৰি এই ট্ৰি-হাউচ নিৰ্মাণ কৰা হৈছে। ইয়াত আছে সৰু পুথিভঁৰাল, পখীৰ বাহ আৰু হৃদয় জুৰোৱা শান্তিৰ মলয়া বতাহ।

যেতিয়া দিকপল লাহনে 'গ্ৰাম্যানুভূতি'ক আনুষ্ঠানিক ৰূপ দিয়াৰ কথা ভাবি আছিল, ঠিক তেনেকুৱা সময়তেই সমগ্ৰ বিশ্বজুৰি ক'ভিড-১৯ মহামাৰীৰ আতংকই দেখা দিয়ে; সেই সময়ত হোৱা লকডাউনৰ ফলস্বৰূপে যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছিল, পৰ্যটন ক্ষেত্ৰ সম্পূৰ্ণ স্তব্ধ হৈ ৰৈছিল আৰু সকলো মানুহ নিজৰ নিজৰ ঘৰত আৱদ্ধ হৈ পৰিল।

অনেকৰ বাবে এই সময় আছিল হতাশাৰ, কিন্তু দিকপল লাহনৰ বাবে ই আছিল কিছুমান নতুন চিন্তাক বাস্তৱ ৰূপ দিয়াৰ।

এই সময়ছোৱাত তেওঁ সম্পূৰ্ণ চৌহদটো পৰিষ্কাৰ কৰি পথ, বাউণ্ডাৰী নিৰ্মাণ কৰাৰ উপৰি গছ-গছনি ৰোপণ কৰিলে আৰু গ্ৰাম্যানুভূতিক লৈ তেখেতৰ ভৱিষ্যৎ পৰিকল্পনাসমূহ নতুন

ধৰণে সজাই তুলিলে। এই সময়ছোৱাই 'গ্ৰাম্যানুভূতি'ৰ ভেটিক অধিক মজবুত কৰি তুলিছিল। ক'ভিডৰ পাছত যেতিয়া স্বাভাৱিক জীৱন যাত্ৰা আকৌ আৰম্ভ হ'বলৈ ল'লে, দিকপল লাহনে এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'লে। তেওঁ পৰ্যটন ক্ষেত্ৰখনৰ বিষয়ে অধিক শিকি বুজি ল'বলৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিলে, মেঘালয়, নগালেণ্ড, অৰুণাচল প্ৰদেশ, মিজোৰাম আদি ঠাইত গৈ তেওঁ বুজিবলৈ চেষ্টা কৰিলে যে বিদেশী পৰ্যটকক কি লাগে? মানুহ কিয় কিছুমান ঠাইলৈ বাৰে বাৰে ঘূৰি আহে?

এই ভ্ৰমণবোৰে তেওঁক এটা স্পষ্ট উত্তৰ দিলে 'মানুহ বিলাসিতা নহয়, অনুভৱ বিচাৰে।'

এই উপলব্ধিৰ পাছতেই মানুহক এক সুকীয়া অনুভৱ দিয়াৰ লক্ষ্যৰে দিকপল লাহনে আনুষ্ঠানিকভাৱে আৰম্ভ কৰে



"Sustainable Village Tourism" যাৰ মূল উদ্দেশ্য আছিল—

গ্ৰাম্য জীৱনশৈলী সংৰক্ষণ, স্থানীয় লোকক সংস্থাপন, প্ৰকৃতিৰ সৈতে সহাৱস্থান, কম বিনিয়োগ; অধিক মূল্য। এই প্ৰকল্পত দিকপলে নিজৰ ১৮ বছৰীয়া ক'ৰ্পোৰেট অভিজ্ঞতা ব্যৱহাৰ কৰিলে। তেওঁ নিজেই কয় — 'মই ইয়াক এটা প্ৰডাক্ট হিচাপে লৈছোঁ। প্ৰডাক্ট লঞ্চ, মাৰ্কেটিঙ, ফিডবেক এই সকলো মই আগতে শিকিছিলোঁ।'

গ্ৰাম্যানুভূতিত প্ৰৱেশৰ মূল্য ৰখা হ'ল কেৱল ২০ টকা, যাতে ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি আন সকলো লোক ইয়ালৈ আহিব পাৰে।

যেতিয়া 'গ্ৰাম্যানুভূতি'লৈ মানুহ অহা আৰম্ভ হ'ল আৰু ভৱিষ্যৎ স্পষ্ট হ'ল, তেতিয়া দিকপলে এটা কঠিন কিন্তু সাহসী সিদ্ধান্ত ল'লে, তেওঁ নিজৰ ঔষধ কোম্পানীৰ চাকৰি এৰি সম্পূৰ্ণভাৱে বিকাশতেই মনোনিৱেশ কৰিব ল'লে, কিন্তু এই সিদ্ধান্ত সহজ নাছিল। এটা নিৰাপদ চাকৰি এৰি এক গ্ৰাম্য পৰ্যটন প্ৰকল্পত সম্পূৰ্ণভাৱে নামি পৰাটো অসমীয়া সমাজত এতিয়াও সহজভাৱে লোৱা নহয় কিন্তু দিকপলে বিশ্বাস কৰিছিল যে যদি তেওঁৰ এই প্ৰকল্পৰ জৰিয়তে তেখেতৰ গাঁৱৰ দহ জন লোকো উপকৃত হয়, তেন্তে তেখেতৰ সিদ্ধান্ত সঠিক।

'গ্ৰাম্যানুভূতি'ৰ এক বিশেষ দিশ হৈছে ইয়াৰ ভিণ্টেজ হোমষ্টে। ব্ৰিটিছ আমোলৰ আচবাবেৰে সজোৱা এই হোমষ্টেটো কেৱল এক থকাৰ ঠাইয়েই নহয়, ই এক ইতিহাসৰ মাজত নিজক বিচাৰি চোৱাৰ এক সুযোগ। ইয়াত থকা পুৰণি খাটত, ব্ৰিটিছ চকী-টেবুল আদি আৰু আধুনিক সুবিধা যেনে এ চি আৰু ইয়াৰ উপৰি গাঁও সেউজীয়া পৰিৱেশে পৰ্যটকৰ মন বাৰুকৈয়ে সন্মোহিত কৰিব পাৰিছে। দিকপলে গৰ্বৰে কয় 'মাত্ৰ যোৱা বছৰতেই ৯৩ জন বিদেশী পৰ্যটক ইয়াত থাকি গৈছে।'

'গ্ৰাম্যানুভূতি'ৰ অৱস্থান ইয়াৰ আন এক কৌশলগত সুবিধা। বিশ্ববিখ্যাত নদীদ্বীপ 'মাজুলী' ইয়াৰ ওচৰতে। বহু বিদেশী পৰ্যটক মাজুলীলৈ গৈ আকৌ জিৰ' (অৰুণাচল প্ৰদেশ)লৈ যায়। এই সময়ছোৱাত বহুতো পৰ্যটক লখিমপুৰেৰে পাৰ হৈ যায়। দিকপলে যেতিয়া এই সুযোগৰ কথা বুজি পালে তেতিয়া তেওঁ ইয়াক নিজৰ ব্যৱসায় সম্প্ৰসাৰণৰ অৰ্থে ব্যৱহাৰ কৰিবলৈ ল'লে । তেওঁ কয়, "যেতিয়াই মই লখিমপুৰত কোনো বিদেশী বা বাহিৰৰ পৰ্যটক লগ পাইছিলোঁ, মই তেওঁলোকক ব্যক্তিগতভাৱে আমন্ত্ৰণ জনাইছিলোঁ।" যাৰ ফলস্বৰূপে এদিনৰ বাবে অহা পৰ্যটকো বহু সময়ত ৩—৪ দিন পৰ্যন্ত ইয়াত থাকি যায়।

'গ্ৰাম্যানুভূতি'লৈ অহা পৰ্যটকসকলে যি স্থানীয় খাদ্য-সম্ভাৰৰ জুতি লয়, পৰম্পৰাগত জীৱনশৈলীৰ আভাস, পায়; এই অভিজ্ঞতাই তেওঁলোকক মুগ্ধ কৰে ।

'গ্ৰাম্যানুভূতি' কিন্তু কেৱল বিনোদনৰ ঠাই নহয়; ইয়াত শৃঙ্খলা বৰ্তায় ৰখাও বিনোদনৰ সমানেই গুৰুত্বপূৰ্ণ। যিকোনো নিচা জাতীয় বস্তু ইয়াত সম্পূৰ্ণ নিষিদ্ধ। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত জোৰ দিয়া, প্ৰকৃতিৰ সুৰক্ষা আদিৰো যথেষ্ট গুৰুত্ব আছে।

এই নীতিয়ে ইয়াৰ পৰিৱেশটোক পৰিয়াল-উপযোগী কৰি তুলিছে। এতিয়া আৰু 'গ্ৰাম্যানুভূতি' কেৱল দিকপল লাহনৰ ব্যক্তিগত সপোন হৈ ৰোৱা নাই; ই হৈ পৰিল লাহন গাঁৱৰ সামগ্ৰিক

ৰূপান্তৰৰ আৰম্ভণি। যেতিয়া পৰ্যটকৰ আগমন বৃদ্ধি পালে, তেতিয়া গাঁওখনত এক নতুন সজাগতা দেখা গ'ল। আগতে নিস্তব্ধ হৈ থকা পথবোৰত এতিয়া ই-ৰিক্সা চলিবলৈ ধৰিলে, দোকান-পোহাৰ খোল খালে, চাহ-পানীৰ সৰু দোকান গঢ় লৈ উঠিল। গাঁওখনক এতিয়া মানুহে চিনিব ধৰিলে—"অ'- এইখনেই গ্ৰাম্যানুভূতি থকা গাঁও!"

এই প্ৰকল্পৰ এটা উল্লেখযোগ্য দিশ হৈছে গাঁৱৰ মহিলাসকলৰ অংশগ্ৰহণ। খাদ্য প্ৰস্তুতি, পৰিচালনা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, অতিথি সেৱা এই সকলোবোৰতে স্থানীয় মহিলাই আগভাগ ল'বলৈ ধৰিলে। যাৰ ফলত মহিলাসকলে ঘৰৰ পৰা ওলাই নিজে উপাৰ্জন কৰিবলৈ সক্ষম হ'ল, তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি পালে আৰু পৰিয়ালৰ আৰ্থিক বোজাও ভালেখিনি হ্ৰাস পালে।



দিকপলে নিজেই কয় 'গ্ৰাম্য অৰ্থনীতি শক্তিশালী হ'বলৈ হ'লে মহিলাক কেন্দ্ৰত ৰাখিব লাগিব।'

আজিৰ তাৰিখত 'গ্ৰাম্যানুভূতি'ৰ জৰিয়তে প্ৰত্যক্ষভাৱে প্ৰায় ৩০—৪০ জন, পৰোক্ষভাৱে প্ৰায় ১০০ জন লোকে উপাৰ্জনৰ পথ বিচাৰি পাইছে। ই-ৰিক্সা চালক, দোকানী, কৃষক, শিল্পী, সকলোৰে বাবে ই এখন নতুন দুৱাৰ মুকলি কৰি দিছে।

'গ্ৰাম্যানুভূতি' এতিয়া কেৱল পৰ্যটন কেন্দ্ৰ নহয়; ই বৰ্তমানে ৰূপান্তৰিত হৈছে এক লাইভ ক্লাছৰুমলৈ। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়ালৈ আহি পুৰণি অসমীয়া সামগ্ৰী চায়, আমাৰ কৃষ্টি-সংস্কৃতি বুজি পায় এক কথাত ইতিহাসক নিজে স্পৰ্শ কৰে । ইয়াত ইণ্টাৰ্নশ্বিপ, প্ৰশিক্ষণ আদি কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়। দিকপল লাহনৰ এই প্ৰচেষ্টাই ইতিমধ্যে চৰকাৰৰ দৃষ্টিও আকৰ্ষণ কৰিবলৈও সক্ষম হৈছে ।

তেওঁ ৰাজ্য চৰকাৰৰ পৰা 'পৰ্যটন বঁটা' লাভ কৰিছে। দৰাচলতে এই স্বীকৃতি কেৱল এজন ব্যক্তিৰ বাবে নহয়; ই হৈছে অসমৰ গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনাৰ স্বীকৃতি।

নৱপ্ৰজন্মলৈ দিকপল লাহনৰ স্পষ্ট বাৰ্তা যে আজিৰ দিনত বনুৱাৰ অভাৱ। নিজক নিবনুৱা কৰি ৰখাটো নিজৰ দোষ। তেওঁ আজিৰ প্ৰজন্মক কৈছে যে সৰুৰ পৰা আৰম্ভ কৰক, শিকিবলৈ লাজ নকৰিব, আনৰ অধীনত কাম কৰি শিকক তাৰ পাছত নিজে নিজৰ ঠাইত কিবা এটা কৰক।

লাহন গাঁৱৰ এটা সৰু কোঠালিত আৰম্ভ হোৱা যাত্ৰাই আজি ৰূপ লৈছে এক পৰিচয়ৰ, এক আন্দোলনৰ আৰু এক জীৱন্ত উদাহৰণৰ।

দিকপল লাহনৰ কাহিনী এটা ব্যক্তিগত সফলতাৰ কাহিনী নহয়; ই অসমৰ গাঁওসমূহৰ সম্ভাৱনাৰ এক জীয়া প্ৰতিচ্ছবি।

যেতিয়া আব্দুল কালামৰ এই কথাষাৰ স্মৰণ কৰা হয় "জীৱন আৰু সময়েই শ্ৰেষ্ঠ শিক্ষক" তেতিয়াই দিকপল লাহনৰ যাত্ৰা এই কথাষাৰৰ উদাহৰণ হিচাপে থিয় দিয়ে।

তেওঁ ৰাজ্য চৰকাৰৰ পৰা 'পৰ্যটন বঁটা' লাভ কৰিছে। দৰাচলতে এই স্বীকৃতি কেৱল এজন ব্যক্তিৰ বাবে নহয়; ই হৈছে অসমৰ গ্ৰাম্য পৰ্যটনৰ সম্ভাৱনাৰ স্বীকৃতি। নৱপ্ৰজন্মলৈ দিকপল লাহনৰ স্পষ্ট বাৰ্তা যে আজিৰ দিনত বনুৱাৰ অভাৱ। নিজক নিবনুৱা কৰি ৰখাটো নিজৰ দোষ।

## বাৰ্তালাপ

# বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী, শিক্ষক, সাংস্কৃতিক কৰ্মী

# মঞ্জিৎ কাশ্যপ

সম্পাদনা সমিতিৰ সৈতে বিশেষ বাৰ্তালাপ




*আপোনাৰ জন্ম আৰু কৈশোৰৰ শিক্ষা জীৱন ক'ত কেনেদৰে, কেতিয়া আৰম্ভ হৈছিল এই বিষয়ে কিছু কথা আমাক জনাবনেকি?*

**মঞ্জিৎ কাশ্যপ ঃ** মোৰ জন্ম ১৯৮৯ চনত অসমৰ তিনিচুকীয়া জিলাৰ মাকুম নগৰত হৈছিল। ল'ৰালিৰ দিনবোৰ মাকুমৰ শান্ত আৰু সুন্দৰ পৰিৱেশতেই অতিবাহিত হৈছিল। শৈশৱৰে পৰাই পঢ়া-শুনাৰ প্ৰতি মোৰ আগ্ৰহ আছিল আৰু পৰিয়ালৰ সহযোগিতাই মোক আগবাঢ়ি যাবলৈ উৎসাহ যোগাইছিল।

মোৰ শিক্ষা জীৱনৰ আৰম্ভণি প্ৰথমে এখন ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত হৈছিল। তাতেই মই শিক্ষাৰ প্ৰাথমিক ভেটি স্থাপন কৰোঁ। পিছলৈ মই মাকুম প্ৰাথমিক বিদ্যালয়ত ভৰ্তি হওঁ আৰু তাতেই বুনিয়াদী শিক্ষা সম্পূৰ্ণ কৰোঁ। বিদ্যালয় জীৱনৰ সেই সময়ছোৱাই মোক শৃংখলাবদ্ধ জীৱন, নিয়ম-শৃংখলা আৰু নৈতিক মূল্যবোধ শিকাইছিল। ইয়াৰ পিছত মই মাকুম গংগা বিছন চৌখনি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি উচ্চ মাধ্যমিক পৰ্যায়লৈকে শিক্ষা গ্ৰহণ কৰোঁ আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হওঁ। বিদ্যালয় জীৱনৰ বিভিন্ন শৈক্ষিক আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যসূচীত অংশগ্ৰহণ কৰি নিজৰ দক্ষতা বিকাশ কৰাৰ সুযোগ লাভ কৰিছিলোঁ।

উচ্চ শিক্ষাৰ বাবে মই তিনিচুকীয়া কলেজত ভৰ্তি হৈ স্নাতক ডিগ্ৰী লাভ কৰোঁ। কলেজীয়া জীৱনে মোৰ চিন্তা-চেতনা অধিক বিস্তৃত কৰিলে আৰু ভৱিষ্যতৰ লক্ষ্য নিৰ্ধাৰণ কৰাত সহায় কৰিলে।

*ছাৰ, আপুনি ভাস্কৰ্য তথা চিত্ৰশিল্পী, আপোনাৰ এই ভাস্কৰ্য শিল্প আৰু ৰং-তুলিকাৰ সৈতে কেনেকৈ জড়িত হ'ল, এই সমগ্ৰ যাত্ৰাৰ বিষয়ে আমাক অলপ কওক।*

**মঞ্জিৎ কাশ্যপ ঃ** মই ঠিক কেতিয়া আখৰ লিখিবলৈ আৰম্ভ কৰিছিলোঁ সেইটো মোৰ স্পষ্টকৈ মনত আছে, কিন্তু কেতিয়া ছবি আঁকিবলৈ আৰম্ভ কৰিলোঁ, সেইটো সঠিকভাৱে মনত নাই। যেন— ছবিবোৰ মোৰ সৈতে জন্মগতভাৱে সংলগ্ন আছিল। বাল্যকালৰ সেই সৰল দিনবোৰত ধূলি-বালিৰ মাজতেই প্ৰথম ক্যানভাছ বিচাৰি

পাইছিলোঁ। হাতৰ আঙুলিৰে মাটিত বিভিন্ন আকাৰ-প্ৰকাৰ অংকন কৰি আনন্দ ল'বলৈ শিকিছিলোঁ।

পিছলৈ, ভাত খাই উঠাৰ পিছত ভাতৰ কাঁহীত আঙুলিৰে ছবি আঁকি নিজকে সুখী অনুভৱ কৰিছিলোঁ। সেই সময়ত গাঁৱত চৌকাত খৰি ব্যৱহাৰ কৰি ভাত ৰন্ধা হৈছিল; সেই খৰিৰ পৰা পোৰা কয়লাৰে মাটিত ছবি অংকন কৰিছিলোঁ। সেয়াই আছিল মোৰ ৰং আৰু তুলিকা। সেই সৰু সৰু মুহূৰ্তবোৰেই মোৰ শিল্পী জীৱনৰ প্ৰথম পাঠশালা আছিল।

প্ৰাৰম্ভিক অৱস্থাত মোৰ কোনো গুৰু নাছিল। আৰ্থিক অভাৱ আৰু জীৱনৰ বিভিন্ন সংকটৰ মাজেৰে আগবাঢ়ি যোৱাৰ বাবে আৰ্ট স্কুলত গৈ নিয়মীয়াকৈ ছবি অংকনৰ শিক্ষা লোৱাৰ সুযোগো নাছিল। তথাপি মনৰ গভীৰত থকা শিল্পপ্ৰেমে মোক সদায় আগবঢ়াই লৈ গৈছিল।

মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত স্পোকেন ইংলিছ শিকিবলৈ স্বৰ্গীয় ৰাজেন খাউণ্ড ছাৰৰ ঘৰত গৈছিলোঁ। তাতেই মোৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অধ্যায় আৰম্ভ হয়। ৰবীন বৰ চাৰে আৰ্টৰ ক্লাছ কৰাই থকা দেখি মই গভীৰভাৱে মুগ্ধ হৈছিলোঁ। তেওঁৰ হাতত তুলিকা আৰু কাগজত জন্ম লোৱা ছবিবোৰ দেখি মোৰ অন্তৰ উদ্বেলিত হৈ উঠিছিল। সেই সময়তেই মই তেওঁক মোৰ প্ৰথম গুৰু হিচাপে স্বীকাৰ কৰিছিলোঁ।

তেওঁৰ সান্নিধ্যত থাকি শিল্পৰ প্ৰতি মোৰ দৃষ্টিভংগী সলনি হৈছিল। ছবি আঁকাটো কেৱল এটা চখ নহয়, ই যে এক গভীৰ সাধনা— সেই কথা মই বুজি পাইছিলোঁ। তেনেদৰে ধূলি-বালিৰ পৰা আৰম্ভ হোৱা মোৰ শিল্প-যাত্ৰাই ধীৰে ধীৰে সজাগ দিশ লাভ কৰিলে। এই সমগ্ৰ যাত্ৰাটো মোৰ বাবে কেৱল শিল্প শিক্ষাৰ ইতিহাস নহয়; ই হৈছে সংগ্ৰাম, অধ্যৱসায় আৰু অটল ইচ্ছাশক্তিৰ এক জীৱন্ত কাহিনী। আজি ভাস্কৰ্য আৰু চিত্ৰশিল্পৰ সৈতে মোৰ সম্পৰ্ক মাথোঁ পেচা নহয়, ই মোৰ জীৱনৰ আত্মা।

▶▶| *আপুনি এই ভাস্কৰ্য আৰু চিত্ৰশিল্পৰ আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিছিল নে শিল্প-চৰ্চাৰ সৈতে অনানুষ্ঠানিক হিচাপে জড়িত?*

**মঞ্জিৎ কাশ্যপ ঃ** মোৰ জীৱনৰ আৰম্ভণি পৰ্বত ভাস্কৰ্য আৰু চিত্ৰশিল্পৰ ক্ষেত্ৰত কোনো আনুষ্ঠানিক শিক্ষা নাছিল। এই ক্ষেত্ৰখনক লৈ ভৱিষ্যত গঢ়াৰ বিশেষ সপোনো দেখা নাছিলোঁ। কেৱল ছবি আঁকিবলৈ ভাল লাগে, সেয়েহে মনৰ আনন্দ আৰু আত্মসন্তুষ্টিৰ বাবে ছবি আঁকি গৈছিলোঁ। শিল্প মোৰ বাবে প্ৰথমতে আছিল একান্তই ভালপোৱা আৰু আত্মপ্ৰকাশৰ মাধ্যম।

কিন্তু সময়ৰ সৈতে এই ভালপোৱাই ধীৰে ধীৰে এক গম্ভীৰ আগ্ৰহলৈ ৰূপ লৈছিল। নিজকে অধিক সমৃদ্ধ আৰু সুসংগঠিতভাৱে গঢ়ি তোলাৰ উদ্দেশ্যে মই আনুষ্ঠানিক শিক্ষাৰ পথ বাছি ল'লোঁ। তেতিয়াই মই Sabarmati University-ৰ পৰা চিত্ৰশিল্প বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী সম্পূৰ্ণ কৰিলোঁ। এই শিক্ষাজীৱনে মোক শিল্পৰ তাত্ত্বিক আৰু প্ৰায়োগিক দুয়োটা দিশতে অধিক গভীৰ জ্ঞান আৰু দৃষ্টিভংগী প্ৰদান কৰিলে।

বৰ্তমান মই এই বিষয়তেই পিএইচডি (PhD) অধ্যয়ন কৰি আছোঁ। শিল্প এতিয়া কেৱল মোৰ চখ নহয়, ই মোৰ পেছা, গৱেষণা আৰু জীৱনৰ লক্ষ্য হৈ পৰিছে। মোৰ এই যাত্ৰাই প্ৰমাণ কৰে যে এক সাধাৰণ ভালপোৱাই কেতিয়াবা জীৱনৰ দিশ নিৰ্ণয় কৰিব পাৰে, যদিহে তাক একাগ্ৰতা আৰু অধ্যৱসায়েৰে আগুৱাই নিয়া যায়।

▶▶| *আমি জানিবলৈ পাইছোঁ যে আপোনাৰ এখন নিজৰ ART School আছে। আপোনাৰ এই স্কুলখনত ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে প্ৰশিক্ষণ দিয়ে ইয়াৰ বিষয়ে অলপ জনাবচোন?*

**মঞ্জিৎ কাশ্যপ ঃ** আপোনাৰ প্ৰশ্নৰ বাবে আন্তৰিক ধন্যবাদ। মোৰ "YDM Art and Yoga School"ত মই ছাত্ৰ-ছাত্ৰীসকলক কেৱল সাধাৰণ ছবি অঁকাৰ শিক্ষা দিয়াত সীমাবদ্ধ নাথাকি, বৃত্তিমূলক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰোঁ। আজিৰ প্ৰতিযোগিতামূলক যুগত কেৱল চাকৰিৰ ওপৰত নিৰ্ভৰ নকৰি নিজৰ হাতৰ বিদ্যা আৰু সৃষ্টিশীল শক্তিৰ ওপৰত বিশ্বাস ৰখাটো অতি প্ৰয়োজনীয়। সেই উদ্দেশ্যে মই ছাত্ৰ-ছাত্ৰীসকলক এনে ধৰণে প্ৰশিক্ষণ দিওঁ যাতে তেওঁলোকে ভৱিষ্যতে স্বাৱলম্বী হৈ নিজৰ এক সুকীয়া পৰিচয় গঢ়ি তুলিব পাৰে।

আমাৰ বিদ্যালয়ত চাৰুকলা, কাৰুকলা, ভাস্কৰ্য্য, লোককলা, Sand Art, Micro Art আদি বিভিন্ন শাখাত নিয়মীয়াকৈ প্ৰশিক্ষণ প্ৰদান কৰা হয়। তাত তাত্ত্বিক জ্ঞানৰ লগতে ব্যৱহাৰিক অনুশীলনৰ ওপৰতো সমান গুৰুত্ব দিয়া হয়, যাতে ছাত্ৰ-ছাত্ৰীসকলে শিকাৰ লগতে কাম কৰি উপাৰ্জনৰ পথো বিচাৰি পাব পাৰে।

ডিপ্ল'মা পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পিছত তেওঁলোকৰ বাবে বিশেষ Teacher Training Programme আয়োজন কৰা হয়। এই প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ পিছত যোগ্য শিক্ষাৰ্থীসকলক একোখনকৈ স্কুল বা চেণ্টাৰৰ দায়িত্ব দিয়া হয় আৰু তেওঁলোকক Centre In-charge হিচাপে নিয়োগ কৰা হয়। ইয়াৰ জৰিয়তে তেওঁলোকে এজন শিক্ষক হিচাপে নিজৰ কেৰিয়াৰ আৰম্ভ কৰাৰ সুযোগ লাভ কৰে।

এইদৰে আমাৰ বিদ্যালয়ত শিক্ষা কেৱল শিকাৰ মাজতেই সীমাবদ্ধ নাথাকে; ইয়াৰ মূল লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক দক্ষ,

স্বাৱলম্বী আৰু সমাজত সন্মানীয় স্থান লাভ কৰিব পৰা ব্যক্তি হিচাপে গঢ়ি তোলা।

*আমি জানিবলৈ পাইছোঁ যে আপুনি শিল্পকৰ্মৰ বাহিৰেও যোগাসন আৰু ধ্যানৰ সৈতে জড়িত হৈ আছে এই বিষয়ে অলপ জনাবচোন?*

**মঞ্জিৎ কাশ্যপ ঃ** মই শিল্প-কৰ্মৰ লগতে বহুদিন ধৰি যোগাসন আৰু ধ্যানৰ সৈতে গভীৰভাৱে জড়িত হৈ আছোঁ। মোৰ বিশ্বাস, যোগাসন আৰু ধ্যান কেৱল শাৰীৰিক ব্যায়াম বা মানসিক প্ৰশান্তিৰ উপায় নহয়, ই এক গভীৰ অধ্যয়নৰ পথ। এই দুয়োটাই মনক একাগ্ৰ কৰে, চিন্তাক স্পষ্ট কৰে আৰু অন্তৰৰ শক্তিক জাগ্ৰত কৰে।

মোৰ মাইক্ৰো আৰ্টত সফল হোৱাৰ মূল কাৰণ হৈছে ধ্যান। ধ্যানৰ জৰিয়তে মই মনোযোগক এক বিন্দুত কেন্দ্ৰিত কৰিব পাৰোঁ, যাৰ ফলত অত্যন্ত সূক্ষ্ম আৰু ধৈৰ্য্যপূৰ্ণ কাম সম্পন্ন কৰা সম্ভৱ হয়। উদাহৰণস্বৰূপে, মই এটি চাউলৰ গুটিত ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত লিখি মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী Narendra Modi ডাঙৰীয়াক উপহাৰ হিচাপে প্ৰদান কৰিছিলোঁ। ইয়াৰ উপৰিও, এটি চাউলত অসমৰ জাতীয় সংগীত লিখি শ্ৰী Sarbananda Sonowal ডাঙৰীয়াক উপহাৰ দিছিলোঁ।

ইয়াৰ লগতে, ১৪টা সৰিয়হৰ গুটিৰ ওপৰত স্বাধীন ভাৰতৰ ১৪ জন ৰাষ্ট্ৰপতিৰ ছবি অংকন কৰি এক অভিনৱ সৃষ্টিৰ ৰূপ দিছিলোঁ। এইবোৰ সূক্ষ্ম শিল্পকৰ্ম সম্পন্ন কৰিবলৈ যি ধৈৰ্য্য, মনোযোগ আৰু আত্মনিয়ন্ত্ৰণৰ প্ৰয়োজন হয়, সেয়া ধ্যান আৰু যোগাসনৰ দ্বাৰাই সম্ভৱ হৈছে।

এই একাগ্ৰ সাধনা আৰু অধ্যৱসায়ৰ ফলস্বৰূপে মই এতিয়ালৈকে প্ৰায় ৪৬খনকৈ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছোঁ। এই সকলো সফলতাৰ মূল শক্তি হৈছে যোগাসন আৰু ধ্যান।

মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে কেৱল শিল্পৰ ক্ষেত্ৰতেই নহয়, যিকোনো বিষয়ত সফল হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ বাবে যোগাসন আৰু ধ্যান অতি প্ৰয়োজনীয়। ই কেৱল শিক্ষা দিশত আগুৱাই নিদিয়ে, বৰঞ্চ জীৱনক এক সু-গঢ়তা, শৃংখলাবদ্ধতা আৰু সঠিক দিশ প্ৰদান কৰে। যোগাসন আৰু ধ্যানৰ মাধ্যমে মন, শৰীৰ আৰু আত্মাৰ মাজত এক সুষম সমন্বয় গঢ়ি উঠে-যাৰ ফলত মানুহে নিজৰ সম্ভাৱনাক পূৰ্ণ ৰূপে বিকাশিত কৰিব পাৰে।

*ছাৰ, ইতিমধ্যে আমি জানিবলৈ পাইছোঁ যে আপুনি পূৰ্বতো আৰু বৰ্তমানতো শিক্ষা প্ৰতিষ্ঠানত শিক্ষক হিচাপে কৰ্মৰত হৈ আছে আপোনাৰ এই যাত্ৰাত কেনেধৰণৰ সুবিধা আৰু অসুবিধা পাইছে জনালে উপকৃত হ'ম।*

**মঞ্জিৎ কাশ্যপ ঃ** মই শিক্ষকতা পেছাটো এক মহান আৰু দায়িত্বশীল পেছা বুলি বিবেচনা কৰোঁ আৰু এই ক্ষেত্ৰত কাম কৰিবলৈ পোৱা সুযোগক মই গৌৰৱৰ বিষয় হিচাপে গ্ৰহণ কৰোঁ। শিক্ষা প্ৰতিষ্ঠানত শিক্ষক হিচাপে দায়িত্ব পালন কৰি মই বহু মূল্যৱান অভিজ্ঞতা অৰ্জন কৰিছোঁ। ছাত্ৰ-ছাত্ৰীৰ সৈতে জড়িত হৈ কাম কৰাটো মোৰ বাবে অত্যন্ত সন্তোষজনক। প্ৰতিজন ছাত্ৰ-ছাত্ৰী সৃষ্টিশীলতা আৰু স্বকীয় প্ৰতিভাৰে সমৃদ্ধ, আৰু তেওঁলোকৰ চিন্তা-চেতনাৰ বিকাশত সহায় কৰিব পাৰাটো মোৰ বাবে এক বিশেষ সৌভাগ্য।

শিক্ষক হিচাপে মোৰ মূল লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ অন্তৰ্নিহিত প্ৰতিভাক চিনাক্ত কৰি উপযুক্ত দিশত আগবঢ়োৱা। প্ৰতিজন শিক্ষাৰ্থী সুকীয়া বৈশিষ্ট্য আৰু সামৰ্থ্য লৈ আহে; সেই স্বকীয়তাক সন্মান জনাই তেওঁলোকক উৎসাহ আৰু প্ৰেৰণাৰে আগুৱাই নিয়াটো মোৰ কৰ্তব্য বুলি মই অনুভৱ কৰোঁ।

অৱশ্যে এই যাত্ৰাত কিছুমান প্ৰত্যাহ্বানৰ সন্মুখীনো হ'বলগীয়া হৈছে। বিশেষকৈ কিছুমান অভিভাৱকৰ মাজত এতিয়াও শিল্প-শিক্ষাৰ প্ৰতি পূৰ্ণ সচেতনতা দেখা নাযায়। বহুতে চিত্ৰ-কলাক কেৱল অৱসৰ-বিনোদনৰ মাধ্যম হিচাপে গণ্য কৰে আৰু ইয়াক এখন সম্ভাৱনাময় পেছা হিচাপে বিবেচনা নকৰে। ফলস্বৰূপে কেতিয়াবা প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীয়ে যথাযথ সহায় আৰু উৎসাহৰ অভাৱত আগবাঢ়িবলৈ অসুবিধাৰ সন্মুখীন হয়।

তথাপিও, মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে সঠিক দিশনিৰ্দেশনা, অধ্যৱসায় আৰু অভিভাৱক-শিক্ষক সহযোগিতাৰ জৰিয়তে শিল্প-শিক্ষাৰ ক্ষেত্ৰতো উজ্জ্বল ভৱিষ্যৎ গঢ়ি তোলা সম্পূৰ্ণ সম্ভৱ। শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশত অৱদান আগবঢ়াব পৰাটো মোৰ বাবে আটাইতকৈ ডাঙৰ প্ৰাপ্তি।

*আমি ইতিমধ্যে জানিবলৈ পাইছোঁ যে দুলীয়াজানৰ বিভিন্ন ঠাইত আপুনি চিত্ৰশিল্পৰ প্ৰশিক্ষণ দিয়ে, ভৱিষ্যতে দুলীয়াজানৰ ছাত্ৰ-ছাত্ৰীসকল কেনেধৰণে আগুৱাই যোৱাটো বিচাৰে?*

**মঞ্জিৎ কাশ্যপ ঃ** দুলীয়াজানত মই দীৰ্ঘদিন ধৰি নিষ্ঠা আৰু দায়িত্বৰে চিত্ৰশিল্পৰ প্ৰশিক্ষণ প্ৰদান কৰি আহিছোঁ। এই যাত্ৰাত মোৰ বহু ছাত্ৰ-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উল্লেখযোগ্য সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে, যিটো মোৰ বাবে গৌৰৱৰ বিষয়।

২০২৪ চনত মোৰ ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মাত্ৰ দুই মিনিটৰ ভিতৰত বিশ্বৰ আটাইতকৈ বৃহৎ প্ৰতিকৃতি ৰূপে ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবি অংকন কৰি এক বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছিল। এই সফলতা কেৱল এক ৰেকৰ্ড নহয়, ই ছাত্ৰ-

ছাত্ৰীৰ ঐক্য, শৃংখলা আৰু সৃষ্টিশীল শক্তিৰ এক উজ্জ্বল প্ৰমাণ।

তাৰ পিছত ২০২৫ চনত তেওঁলোকে পুনৰ এক ইতিহাস ৰচনা কৰে-জুবিন গাৰ্গৰ বিশ্বৰ আটাইতকৈ বৃহৎ প্ৰতিকৃতি অংকন কৰি তেওঁলোকে India Book of Records, Asia Book of Records আৰু World Book of Records-ত নিজৰ নিজৰ নাম সন্নিৱিষ্ট কৰিবলৈ সক্ষম হয়। এই সাফল্যসমূহে দুলীয়াজানৰ প্ৰতিভাক বিশ্ব মঞ্চত উজলাই তুলিছে।

ভৱিষ্যতৰ ক্ষেত্ৰত মোৰ স্পষ্ট লক্ষ্য হৈছে-দুলীয়াজানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সৃষ্টিশীলতা, শৃংখলা আৰু আত্মবিশ্বাস অধিক মজবুত কৰা। মই তেওঁলোকক কেৱল চিত্ৰ অংকনৰ কৌশল শিকাব বিচৰা নহয়; বৰঞ্চ তেওঁলোকৰ মাজত নেতৃত্বগুণ, দলীয় কামৰ মানসিকতা আৰু এক সুকীয়া শিল্পী-পৰিচয় গঢ়ি তুলিব বিচাৰোঁ। মোৰ উদ্দেশ্য হৈছে তেওঁলোকে নিজৰ প্ৰতিভাৰ জৰিয়তে ৰাজ্য, দেশ তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক শক্তিশালী আৰু স্বকীয় পৰিচয় দাঙি ধৰিব পাৰে।

মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে সঠিক দিশ-নিৰ্দেশনা, নিয়মিত অনুশীলন আৰু উচ্চ লক্ষ্য স্থিৰ কৰিলে দুলীয়াজানৰ ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতত আৰু অধিক সাফল্য অৰ্জন কৰিব। তেওঁলোকৰ সম্ভাৱনাক বিশ্ব মঞ্চলৈ লৈ যোৱাটো মোৰ অঙ্গীকাৰ।

▶▶| *আমি জানিবলৈ পাইছোঁ যে আপুনি শিল্পৰ বাহিৰেও সংগীত আৰু নৃত্যৰ সৈতে জড়িত। আপোনাৰ এই সমগ্ৰ অভিজ্ঞতাৰ বিষয়ে জনাবচোন?*

**মঞ্জিৎ কাশ্যপ ঃ** চিত্ৰকলাৰ লগতে সংগীত আৰু নৃত্য-শিল্পৰ অবিচ্ছেদ্য অংগ। মোৰ দৃষ্টিত চিত্ৰ, ভাস্কৰ্য্য, সংগীত আৰু নৃত্য— এই সকলো শিল্পমাধ্যম পৰস্পৰ সংযুক্ত। সৃষ্টিশীলতা সকলো ক্ষেত্ৰতে একেই মূল শক্তি হিচাপে কাম কৰে। সেইবাবেই মই শিল্পক কেৱল এটা বিষয় হিচাপে নহয়, বৰঞ্চ এটা সামগ্ৰিক সৃষ্টিশীল যাত্ৰা হিচাপে লওঁ।

সৰুতে মোৰ দেউতাই সংগীতৰ প্ৰতি গভীৰ আগ্ৰহ ৰাখিছিল আৰু সেই আগ্ৰহেই মোক সংগীতৰ জগতলৈ আনে। তেখেতে মোক এখন সংগীত বিদ্যালয়ত নামভৰ্তি কৰাই দিছিল। যদিও সেই সময়ছোৱাত আৰ্থিক অনাটনৰ বাবে ঘৰত হাৰমনিয়াম কিনি দিয়াটো সম্ভৱ নহ'ল, তথাপিও সংগীতৰ প্ৰতি মোৰ আগ্ৰহ কেতিয়াও কমি যোৱা নাছিল। সেই সীমাবদ্ধতাই মোক অধিক দৃঢ় আৰু অধ্যৱসায়ী কৰি তুলিছিল।

বৰ্তমান সময়ত আমাৰ ঘৰত কেইবাটাও বাদ্যযন্ত্ৰ আছে আৰু মই নিজ সুবিধাৰ বাবে এখন সৰু ঘৰুৱা ষ্টুডিঅ' স্থাপন কৰিছোঁ, য'ত মই নিজৰ গান নিজে ৰেকৰ্ডিং কৰোঁ। সংগীত মোৰ বাবে পেছা নহয়, ই মোৰ আত্মিক আনন্দ আৰু সৃষ্টিশীল শক্তিৰ উৎস। মই এই ক্ষেত্ৰত ব্যক্তিগত খ্যাতি নিবিচাৰোঁ; সংগীতক মই নিজৰ অন্তৰৰ তৃপ্তিৰ বাবে চৰ্চা কৰোঁ।

নৃত্যৰ ক্ষেত্ৰত মই পোনপটীয়াকৈ সম্পৃক্ত নহ'লেও, এই শিল্পমাধ্যমৰ প্ৰতি মোৰ গভীৰ সন্মান আছে। মোৰ প্ৰতিষ্ঠানত নৃত্যত প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীসকলক ভিডিঅ' ৰেকৰ্ডিং, এডিটিং আৰু ডিজিটেল উপস্থাপনৰ জৰিয়তে সহায় কৰি আহিছোঁ, যাতে তেওঁলোকে বৃহৎ মঞ্চত নিজৰ প্ৰতিভা দাঙি ধৰিবলৈ সুবিধা পায়।

সামগ্ৰিকভাৱে ক'বলৈ গ'লে, শিল্পৰ বিভিন্ন শাখাৰ সৈতে মোৰ অভিজ্ঞতাই মোক অধিক সমন্বিত আৰু বহুমুখী শিক্ষক হিচাপে গঢ়ি তুলিছে। মই বিশ্বাস কৰোঁ যে শিল্পৰ যিকোনো ৰূপেই হওক, সঠিক দিশ-নিৰ্দেশনা আৰু উৎসাহ পালে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হ'ব।

▶▶| *আমি ইতিমধ্যে জানিবলৈ পাইছোঁ যে আপুনি অসমৰ বহুকেইতা settelight channelত আয়োজন কৰা talent প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ অভিজ্ঞতাৰ লগতে আপুনি কৰা sand Artৰ বিষয়ে জনাব নেকি?*

**মঞ্জিৎ কাশ্যপ ঃ** মই অসমৰ কেইবাটাও উল্লেখযোগ্য চেনেলত আয়োজন কৰা টেলেণ্ট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সৌভাগ্য লাভ কৰিছোঁ আৰু এই অভিজ্ঞতাবোৰে মোৰ শিল্পীজীৱনক এক নতুন দিশ দেখুৱাইছে। বিশেষকৈ Sand Art ৰ ক্ষেত্ৰত মোৰ যাত্ৰাটো একে সময়তে চেলেঞ্জিং আৰু গৌৰৱজনক।

মোৰ শিল্পীজীৱনৰ আটাইতকৈ গৌৰৱময় অধ্যায় হ'ল— মই কণীৰ খোলাত পৃথিৱীৰ ১৩৯০ জন বিখ্যাত মনীষীৰ প্ৰতিকৃতি অংকন কৰি মোৰ প্ৰথম বিশ্ব অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছিলোঁ। এই সাফল্যই মোক কেৱল আত্মবিশ্বাসেই আনি নিদিলে, লগতে সৃষ্টিশীলতাৰ ক্ষেত্ৰতো অধিক দায়িত্বশীল আৰু প্ৰতিশ্ৰুতিবদ্ধ কৰি তুলিলে।

ইয়াৰ পিছতে মই India's Got Talent (Colors TV)ৰ প্ৰথম ৰাউণ্ডলৈ নিৰ্বাচিত হৈছিলোঁ। যদিও চাকৰিৰ তাগিদাত সেই সুযোগ আগবঢ়াই নিব নোৱাৰিলোঁ, তথাপি এই অভিজ্ঞতাই মোক মোৰ সামৰ্থ্য আৰু মঞ্চ-সাহসৰ বিষয়ে নিশ্চিত কৰি তুলিছিল। পিছলৈ মই কেন্দ্ৰীয় বিদ্যালয়, ডুমডুমাত যোগদান কৰি মোৰ পেছাগত জীৱন আগবঢ়াই লৈ গৈছোঁ।

তদুপৰি, Parichay Season 2 (Prag News)ত অংশগ্ৰহণ কৰি প্ৰথম Runner-up পুৰস্কাৰ লাভ কৰা মোৰ বাবে এক বিশেষ সাফল্য। সেই মঞ্চত অতি সীমিত সময়ৰ

ভিতৰত লাইভ কেমেৰাৰ সন্মুখত ছবি আঁকি দৰ্শকক মুগ্ধ কৰাৰ অভিজ্ঞতা সম্পূৰ্ণ ভিন্ন আৰু প্ৰেৰণাদায়ক আছিল।

ঘৰত শান্ত পৰিৱেশত ছবি আঁকা আৰু টেলিভিছন চেনেলত সময়সীমা আৰু দৰ্শকৰ আশা-আকাংক্ষাৰ ওপৰত লক্ষ্য ৰাখি লাইভ পৰিৱেশন কৰা— এই দুয়োটা অভিজ্ঞতা একেবাৰে সুকীয়া। টি ভি মঞ্চত বিশেষকৈ সময় ব্যৱস্থাপনা, সৃষ্টিশীলতাৰ তৎপৰতাৰ প্ৰকাশ আৰু দৰ্শকৰ চাহিদা বুজি তাৎক্ষণিকভাৱে প্ৰতিক্ৰিয়া জনোৱা—এইবোৰ দিশ অতি গুৰুত্বপূৰ্ণ।

মুঠতে ক'বলৈ গ'লে, এই সকলোবোৰ অভিজ্ঞতাই মোক এজন অধিক আত্মবিশ্বাসী, অনুশাসিত আৰু দায়িত্বশীল শিল্পী হিচাপে গঢ়ি উঠাত, মই সদায় বিশ্বাস কৰোঁ যে কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু সৃষ্টিশীল দৃষ্টিভংগীয়ে যিকোনো শিল্পীক আগবঢ়াই লৈ যাব পাৰে।

▶▶| *আপোনাৰ মতে শিল্প-সংস্কৃতি চৰ্চা কি আৰু নৱপ্ৰজন্মক শিল্প-সংস্কৃতি চৰ্চাৰ বিষয়ে আপুনি কি পৰামৰ্শ দিব?*

**মঞ্জিৎ কাশ্যপ ঃ** মোৰ দৃষ্টিত শিল্প-সংস্কৃতি চৰ্চা মানে কেৱল ছবি আঁকা, গীত গোৱা বা নৃত্য কৰা নহয়; ই হৈছে নিজৰ পৰিচয় আৰু নিজৰ মানৱীয় মূল্যবোধক জীয়াই ৰখাৰ এক সচেতন প্ৰয়াস। শিল্পই মানুহৰ অন্তৰ্জগতক পৰিশীলিত কৰে, চিন্তা-ধাৰাক গভীৰ কৰে আৰু সমাজক সৌন্দৰ্যবোধ, সংবেদনশীলতা আৰু ঐক্যৰ বন্ধনত বান্ধে। সংস্কৃতি হৈছে এখন জাতিৰ আত্মা— আৰু শিল্প হৈছে সেই আত্মাৰ প্ৰকাশভঙ্গী।

শিল্প-সংস্কৃতি চৰ্চাই এজন ব্যক্তিক কেৱল দক্ষতাসম্পন্ন নকৰে, ই তেওঁক সংযমী, মনোনিৱেশী আৰু সৃজনশীল কৰি তোলে। আজিৰ প্ৰতিযোগিতামূলক যুগত এই গুণবোৰ অতি গুৰুত্বপূৰ্ণ। এজন শিল্পী সময়ৰ মূল্য বুজে, অধ্যৱসায় শিকে আৰু ব্যৰ্থতাক শিক্ষাৰ অংশ হিচাপে গ্ৰহণ কৰিবলৈ সক্ষম হয়। এই গুণবোৰ জীৱনৰ সকলো ক্ষেত্ৰতে সফলতাৰ মূল চাবিকাঠি।

নৱপ্ৰজন্মৰ প্ৰতি মোৰ স্পষ্ট আৰু দৃঢ় পৰামৰ্শ হৈছে—

প্ৰথমতে, নিজৰ সংস্কৃতি আৰু ঐতিহ্যক সন্মান কৰক। আধুনিকতা গ্ৰহণ কৰক, কিন্তু নিজস্বতা পাহৰি নাযাব। যি জাতিয়ে নিজৰ সংস্কৃতি পাহৰে, সি জাতিয়ে নিজৰ পৰিচয় হেৰুৱায়।

দ্বিতীয়তে, শিল্পক কেৱল 'হ'বি' হিচাপে গণ্য নকৰি এক শৃংখলাবদ্ধ সাধনা হিচাপে গ্ৰহণ কৰক। নিয়মিত অনুশীলন, সময় ব্যৱস্থাপনা আৰু গুণগত উৎকৰ্ষ সাধন— এইবোৰে আপোনালোক সুকীয়া পৰিচয় দিব।

তৃতীয়তে, সামাজিক মাধ্যমৰ যুগত প্ৰচাৰৰ সুযোগ বহুত, কিন্তু মানদণ্ড ৰক্ষা কৰাটো অধিক গুৰুত্বপূৰ্ণ। সৃষ্টিশীলতাক ইতিবাচক দিশত ব্যৱহাৰ কৰক আৰু সমাজলৈ এক গঠনমূলক বাৰ্তা আগবঢ়াওক।

মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ যে, যদি নৱপ্ৰজন্মই আন্তৰিকতা আৰু অধ্যৱসায়ে শিল্প-সংস্কৃতি চৰ্চা কৰে, তেন্তে তেওঁলোকে কেৱল ব্যক্তিগত সফলতা লাভ নকৰে, বৰঞ্চ সমাজ আৰু জাতিকো গৌৰৱান্বিত কৰিব পাৰে। শিল্প হৈছে শক্তি, শিল্প হৈছে আত্মবিশ্বাস আৰু শিল্পই এজন মানুহক সঁচা অৰ্থত সম্পূৰ্ণ ব্যক্তি হিচাপে গঢ়ি তোলে।

▶▶| *আপোনাৰ আগন্তুক দিনৰ পৰিকল্পনাৰ বিষয়ে অলপ জনাবনেকি?*

**মঞ্জিৎ কাশ্যপ ঃ** মোৰ আগন্তুক দিনৰ দৃষ্টিভংগী স্পষ্ট আৰু উদ্দেশ্যনিষ্ঠ। মই বিশ্বাস কৰোঁ যে শিল্প কেৱল এক বিষয় নহয়-ই এক শক্তি, যিয়ে ব্যক্তিত্ব গঢ়ে, চিন্তা-ধাৰা বিস্তাৰ কৰে আৰু সমাজত ইতিবাচক পৰিৱৰ্তন আনিব পাৰে। সেয়েহে মোৰ লক্ষ্য হৈছে শিল্প-শিক্ষাক এনে এক উচ্চতালৈ নিয়া, য'ত ই ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ এক দৃঢ় ভিত্তি হিচাপে প্ৰতিষ্ঠিত হয়।

মই এটা সৃষ্টিশীল, শৃংখলাবদ্ধ আৰু অনুপ্ৰাণনামূলক পৰিৱেশ গঢ়ি তুলিব বিচাৰোঁ, য'ত প্ৰতিজন শিক্ষাৰ্থীয়ে নিজৰ স্বকীয় প্ৰতিভা চিনাক্ত কৰি আত্মবিশ্বাসেৰে আগুৱাই যাব পাৰে। মোৰ দৃষ্টিত সফলতা মানে কেৱল ৰেকৰ্ড গঢ়া বা পুৰস্কাৰ লাভ কৰা নহয়; সফলতা মানে হৈছে এজন শিক্ষাৰ্থীয়ে নিজৰ সুকীয়া পৰিচয় দাঙি ধৰিব পৰা আৰু সমাজত ইতিবাচক অৱদান আগবঢ়াব পৰা।

আগন্তুক দিনত মই শিল্পৰ পৰম্পৰাগত ৰূপসমূহৰ লগতে আধুনিক আৰু ডিজিটেল শিল্পক্ষেত্ৰকো একেলগে আগুৱাই নিয়াৰ পৰিকল্পনা লৈছোঁ, যাতে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে সময়ৰ সৈতে খাপ খুৱাই বিশ্বমানৰ মঞ্চত প্ৰতিযোগিতা কৰিব পাৰে। মই এখন সমন্বিত শিল্প-প্ৰশিক্ষণ ব্যৱস্থা গঢ়ি তুলিব বিচাৰোঁ, য'ত চিত্ৰ, ভাস্কৰ্য্য, সংগীত, নৃত্য আদি সকলো শাখাই একেলগে বিকাশ লাভ কৰিব।

মোৰ চূড়ান্ত লক্ষ্য হৈছে— মোৰ ছাত্ৰ-ছাত্ৰীয়ে কেৱল এজন দক্ষ শিল্পী নহয়, বৰঞ্চ এজন সৃষ্টিশীল, দায়িত্বশীল আৰু আত্মবিশ্বাসী নাগৰিক হিচাপে গঢ়ি উঠা। মই দৃঢ় বিশ্বাস কৰোঁ যে সঠিক দিশ-নিৰ্দেশনা, অধ্যৱসায় আৰু উচ্চ লক্ষ্য থাকিলে আমাৰ শিক্ষাৰ্থীয়ে ভৱিষ্যতে ৰাজ্য, দেশ তথা বিশ্বমঞ্চত এক উজ্জ্বল স্থান অধিকাৰ কৰিব।

এই দৃষ্টিভংগীক বাস্তৱ ৰূপ দিয়াটো মোৰ অঙ্গীকাৰ, মোৰ দায়িত্ব আৰু মোৰ প্ৰেৰণা।

*(পৰিকল্পনা আৰু সাক্ষাৎ গ্ৰহণ ঃ জোনমণি বড়ো)*

গ্ৰন্থকোণ

# জাল কটা জুই

দিপশিখা ৰাজকোঁৱৰ




অসমীয়া সাহিত্যৰ বিভিন্ন ভাগসমূহৰ দৰে গল্পইও এক উচ্চ স্থান অধিকাৰ কৰি আহিছে। গল্পসমূহৰ জৰিয়তেও লেখকৰ সৃষ্টি প্ৰতিভা, সমাজ, বাস্তৱ জীৱন ইত্যাদিৰ বিভিন্ন দিশ ফুটি উঠে। বৰ্তমান সময়ত সমাদৰ লাভ কৰা তেনে এজন অসমীয়া গল্পকাৰ হিচাপে আমি নয়নজ্যোতি শৰ্মাৰ কথা ক'ব পাৰোঁ।

নয়নজ্যোতি শৰ্মাৰ যিখন গ্ৰন্থৰ ওপৰত আলোচনা কৰিবলৈ আগবাঢ়িছোঁ, সেই গ্ৰন্থখনে ইতিমধ্যে ২০২৩ বৰ্ষত 'মুনীন বৰকটকী সাহিত্য বঁটা' আৰু ২০২৪ চনৰ জুন মাহত 'সাহিত্য অকাডেমিৰ যুৱ বঁটা' লাভ কৰিছে। ১৯৯৩ চনত জন্ম গ্ৰহণ কৰা নয়নজ্যোতি শৰ্মা পেছাত এগৰাকী চিকিৎসক। তেওঁ চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ শিক্ষা সম্পূৰ্ণ কৰিছে। 'দৈনিক অসম'ৰ দেওবৰীয়া চ'ৰাত আত্মপ্ৰকাশ কৰা শৰ্মাৰ গল্প প্ৰকাশ, গৰীয়সী, সাতসৰী, অন্যযুগ আদি আলোচনীত প্ৰকাশ হৈছে। নয়নজ্যোতি শৰ্মাৰ চৈধ্যটা গল্পৰে সন্নিৱিষ্ট বঁটা প্ৰাপ্ত প্ৰথম গল্প—সংকলনখন হৈছে 'জাল কটা জুই।' শিল্পী সৌৰিশ মিত্ৰই বেটুপাতৰ সুন্দৰ সজ্জাৰে গল্প সংকলনখন সজাই তুলিছে। ২০২২ চনৰ ডিচেম্বৰ মাহত প্ৰথম সংস্কৰণ আৰু ২০২৩ চনৰ নৱেম্বৰ মাহত গুৱাহাটী পাণবজাৰ পূৰ্বায়ণ প্ৰকাশনৰ দ্বাৰা দ্বিতীয় সংস্কৰণ প্ৰকাশ পাইছে, যাৰ মূল্য ১৮০ টকা। তেখেতৰ গল্প সংকলন খনি অধ্যয়ন কৰি বহুত ভাল লাগিল। সংকলনখনত থকা আটাইকেইটা গল্পই উৎকৃষ্ট বুলি বিবেচিত কৰিব পাৰি।

'জীয়াই থকাৰ স্পৃহাতকৈ বেছি গাঢ় আৰু একো ৰং নাই' গভীৰ জীৱনবোধেৰে জীৱনত প্ৰোথিত শিল্পৰ শ্ৰেষ্ঠতাৰ কথা কোৱা এজন গল্পকাৰৰ গল্প— 'জাল কটা জুই'। তৰুণচাম গল্পকাৰৰ ভিতৰত যিসকলৰ গল্পই অসমীয়া গল্পৰ জগতখনলৈ নতুনত্ব আৰু বৈচিত্ৰ্য কঢ়িয়াবলৈ সক্ষম হৈছে তাৰ ভিতৰত নয়নজ্যোতি শৰ্মা অগ্ৰণী। গল্প

পুথিখনৰ প্ৰথম সংকলনতে গল্পকাৰগৰাকীৰ এখন নিজা জগত উদ্ভাসিত হৈ উঠিছে। গল্পৰ কথনশৈলীৰ কৰ্ষণত তেওঁৰ বিশেষ মনোযোগে পঢ়ুৱৈৰ বাবে তেওঁৰ গল্প আগ্ৰহৰ উৎস কৰি তুলিছে। অৱশ্যে কেৱল বৰ্ণনাশৈলীৰ কাৰণেই যে তেওঁৰ গল্প আকৰ্ষণীয় হৈ উঠিছে এনে নহয়, গল্পকাৰৰ সন্মোহনী কথকতা আৰু একাধিক গল্পত থকা ফেণ্টাচীধৰ্মী বৰ্ণনাৰ জৰিয়তে এক ছিৰিয়াছ জীৱনবোধক পঢ়ুৱৈৰ চেতনাত ৰোপণ কৰিবলৈ সক্ষম হৈছে তৰুণ গল্পকাৰগৰাকীয়ে। তেওঁৰ গল্পত আংগিক মুখ্য নহয়, জীৱন আৰু জগতহে মূল কথা। পৰিৱেশ সৃষ্টিৰ বিশেষ দক্ষতা, ভাষাৰ সাবলীল গতি আৰু বিষয় তথা চৰিত্ৰবোৰলৈ কঢ়িওৱা বৈচিত্ৰ্যৰ জৰিয়তে গল্পকাৰৰ প্ৰথমখন সংকলনেই তেওঁক এগৰাকী লেখৰ গল্পকাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে সন্দেহাতীতভাৱে।

গ্ৰন্থখনৰ প্ৰাককথনত নয়নজ্যোতি শৰ্মাই উল্লেখ কৰিছে— ‘জীৱনৰ প্ৰথম দশকটো মই এখন উদ্দাম-যৌৱনা নদীৰ নিচেই কাষত, এখন খোলা আকাশৰ তলত, এখন চৰণীয়া পথাৰৰ ঘাঁহৰ গোন্ধ নাকত লৈ কটালোঁ। দ্বিতীয় দশকটোত মই দেখিলোঁ এখন মফচলীয় চহৰ আৰু তাৰ মহানাগৰিক অভিলাষৰ বিপৰীতে চলি থকা দীৰ্ঘসূত্ৰিতা তথা মন্থৰ পৰিৱৰ্তনকামিতা।

গ্ৰন্থখনৰ প্ৰাককথনত নয়নজ্যোতি শৰ্মাই উল্লেখ কৰিছে— ‘জীৱনৰ প্ৰথম দশকটো মই এখন উদ্দাম-যৌৱনা নদীৰ নিচেই কাষত, এখন খোলা আকাশৰ তলত, এখন চৰণীয়া পথাৰৰ ঘাঁহৰ গোন্ধ নাকত লৈ কটালোঁ। দ্বিতীয় দশকটোত মই দেখিলোঁ এখন মফচলীয় চহৰ আৰু তাৰ মহানাগৰিক অভিলাষৰ বিপৰীতে চলি থকা দীৰ্ঘসূত্ৰিতা তথা মন্থৰ পৰিৱৰ্তনকামিতা। প্ৰায় শেষ ঋতুত আহি উপনীত হোৱা তৃতীয় দশকটোৱে মোক দিলে নিজৰ বুলি বুকুত সাৱটি ল’ব পৰা আৰু কাহানিও হাব মানিব নোখোজা এখন মহানগৰ আৰু সেই সময়খিনিতে মোৰ মনঃবৃত্তৰ ভিতৰলৈ সোমাই অহা এমুঠি মানুহ। সেইবাবেই হয়তো পাঠকে এই গল্পবোৰত, কেতিয়াবা এক তাড়নাৰ দৰে প্ৰকাশ্যে অথবা কেতিয়াবা অপ্ৰকাশ্যে নিৰ্লিপ্তিৰ, সেই নদী, পথাৰ, আকাশ আৰু মানুহবোৰক চিৰদিনলৈ নিজৰ কৰি পোৱাৰ সমৃদ্ধি অথবা নোপোৱাৰ যাতনা বিচাৰি পোৱাৰ অৱকাশ আছে।’

তেখেতৰ গল্প সংকলনখনত থকা গল্পকেইটা হৈছে একাদিক্ৰমে—

‘অপৰিগ্ৰহ’, ‘বে-ঘ-নী-সে-হা-সু-ৰ’, ‘হাড়ত গজা সেউজ বন’, ‘এখন নৰ্মেল পৃথিৱীৰ কাহিনী’, ‘জাল কটা জুই’, ‘কাঁথিৰ মালিতা’, ‘এটা ডিছটোপিয়ান সাধু’, ‘মাটিৰ মানুহ’, ‘বিনিময়’, ‘নৈ আৰু মৰিশালি’, ‘শেষ গাড়ী’, ‘বধ্যভূমি’, ‘অবাক চহৰ সবাক চহৰ’,

‘বোধিসত্ত্ব’ তেখেতৰ গল্পসমূহৰ বৰ্ণনা সুন্দৰ ৰূপত ফুটি উঠিছে বাবে আটাইকেইটা গল্প সকলোৱে আদৰি লৈছে। কিছুমান কঠিন শব্দৰ সংমিশ্ৰণ আছে যদিও গল্প সংকলনখনি এখন উৎকৃষ্ট মানৰ। কেইটামান গল্পত তেখেতে জনজাতীয় তথা নামনি অসমৰ ভাষা ব্যৱহাৰ কৰিছে। গল্প কেইটা অধ্যয়ন কৰাৰ লগে লগে পাঠক সমাজে ভিতৰলৈ সোমাই যাব পাৰিছে। তাৰ উদাহৰণ হিচাপে প্ৰথমটো গল্প ‘অপৰিগ্ৰহ’ৰ কথাকে ক’ব পাৰি। প্ৰতিটো গল্পতে বেলেগ বেলেগ কাহিনী ফুটি উঠিছে আৰু আকৰ্ষণীয় হৈ পৰিছে।

এটা গতানুগতিক গল্প তথা সত্য কাহিনীৰ ওপৰত আধাৰিত হিচাপে ‘মাটিৰ মানুহ’ নামৰ গল্পটোক ক’ব পাৰি। কিয়নো সেই গল্পটোত ২০১৯ বৰ্ষৰ ১৭ জুলাইত উত্তৰ প্ৰদেশৰ সোণভদ্ৰ জিলাৰ উম্ভা গাঁৱত ভূমিকেন্দ্ৰিক এক নৃশংস হত্যালীলাৰ ভেটিত ৰচিত হৈছে। আকৌ ‘বিনিময়’ গল্পটো বাস্তৱধৰ্মী চিত্ৰ প্ৰতিফলিত হৈছে। ‘এটা সময়ত দুই প্ৰাণীৰ চকু মেল খালে। এটা বাঘ মানুহ হৈ থিয় হ’ল। এটা মানুহ বাঘ হৈ জাগি উঠিল।’— এই শাৰীকেইটাৰ পৰা বুজিব পাৰি যে গল্পটোত থকা অনুসৰি চিমাক নামৰ ৰাষ্ট্ৰীয় উদ্যানখনলৈ বনভোজ খাবলৈ যোৱা এটা দলৰ এজন যুৱক আৰু সেই ৰাষ্ট্ৰীয় উদ্যানখনত থকা এটা বাঘৰ সৈতে যাদুকৰীভাৱে শৰীৰৰ সলনি ঘটিল।

‘হাড়ত গজা সেউজ বন’ গল্পটোত দুটা মূল চৰিত্ৰৰ যোগেদি সমাজ জীৱনৰ কৰুণ চিত্ৰ তথা মুখা পিন্ধা ভদ্ৰ শ্ৰেণীৰ দ্বাৰা সমাজৰ আন সহজ সৰল লোকসকলৰ দুৰ্দশাগ্ৰস্থ জীৱন চিত্ৰ দাঙি ধৰিছে।‘বে-ঘ-নী-সে-হা-সু-ৰ’ গল্পটোত জীৱনৰ গভীৰ দৰ্শন প্ৰকাশ কৰিছে দুটা চৰিত্ৰ ‘পথিকৃত’ আৰু ‘ভিনচেণ্ট’ৰ যোগেদি। আমি যে জীৱনত

বিচাৰিলেই যিকোনো বস্তু নাপাওঁ, সেয়াও গল্পটোৰ মাজেৰে প্ৰকাশ কৰিছে। ৩০ নম্বৰ পৃষ্ঠাত থকা গল্পটিৰ ভাল লগা দুটামান শাৰী হৈছে— 'সমীৰ, ৰংবোৰ তোমাৰ। সেইটো কথা মনত ৰাখিবা। অকল কেনভাছতেই নহয়, অকল হাতে বনোৱা কাগজতেই নহয়, বৰং জীৱনতো। মোৰ অলপ ভুল হৈ গ'ল। তেনেকুৱা ভুল নকৰিবা। জীয়াই থকাৰ স্পৃহাতকৈ বেছি গাঢ় একো ৰং নাই।'

অনুবাদ গল্প পঢ়ি থকা যেন অনুভৱ হোৱা গল্পটো হৈছে 'শেষ গাড়ী।'

নিয়ৰ সৰিছে দূৰৰি তিতিছে  
ফুলিছে শেৱালিধাৰ।  
ভেকুলী কোঁৰৰে বাগৰ সলালে  
কোঁৰৰৰ লাগিছে জাৰ।

অধিবাস্তৱধৰ্মী গল্প হিচাপে 'এটা ডিছটোপিয়ান সাধু' নামৰ গল্পটি সুন্দৰ ৰূপত দেখুৱাইছে। আইতাৰ সাধু, গাঁৱৰ সেই হেৰাই যাব ধৰা সাধুবোৰৰ কথা গল্পটোৰ মাজেৰে প্ৰকাশ কৰিছে। আইতাক নাতিয়েকে জুহাহলত বহি সাধু কোৱা আৰু শুনাৰ দিনবোৰ যে এতিয়া ক্ৰমাৎ হেৰাই যাব ধৰিছে। সেয়া সুন্দৰ ৰূপত ফুটি উঠিছে।

'এখন নৰ্মেল পৃথিবীৰ কাহিনী'ত এখন সমাজৰ চিত্ৰ অংকন কৰিছে। গল্প সংকলনখনিৰ ৫০ পৃষ্ঠাৰ শেষৰ শাৰীকেইটা এনে ধৰণৰ— 'কিবা যদি নৰ্মেল নহয় সেয়া প্ৰেম অথবা সততা। নৰ্মেল নহয় সহানুভূতি আৰু বদান্যতা। আৰু যদি জীৱনৰ পৰা বিশ্বাস আৰু শান্তিৰ এখন সেউজীয়া পৃথিৱী আশা কৰা হয়, সেয়াটো তিলমাত্ৰও নৰ্মেল নহয়। তিলমাত্ৰও নৰ্মেল নহয়।' এনেদৰে গল্পটি সামৰণি পৰিছে। গল্প সংকলনখনৰ শিৰোনাম 'জাল কটা জুই' গল্পটোৰ মূল চৰিত্ৰ হাছিনাৰ জৰিয়তে এক জীৱন্ত ৰূপ দিবলৈ চেষ্টা কৰিছে।

'জুই লাগিছে। জুই লাগিছে। হাইৰে'ত জুই লাগিছে। বাপৰে। জুইৰ তাপে বিৰিজখনকো ক'লা কৰি পেলাইছে। ঘৰবোৰ চব পোৰা গৈছে।'

কেইবাটাও উদ্বেগী মাত একেস্বৰে উধাতু খাই সিন্ধুৰামক আগচি ধৰিলে 'কি কৈছ বে।'

'কোনখিনিত ক'চোন। কেনেকৈ লাগিল? কোনখিনিত লাগিল।'

কথাবোৰ শুনি জুই একুৰা হাছিনাৰ গায়ে-মুৰেও লাগিবলৈ ধৰিলে। তাইৰ, ডিঙি শুকাই কৰকৰীয়া লাগিল। কোনখিনিত জুই লাগিছে তাই সুধিব খুজিও মাতটো উলিয়াবলৈ কোনোমতে হাঁওফাঁওৰ পৰা এছাটি বতাহ গোটাই আনিব নোৱাৰিলে।

ক'ভিডৰ সময়ত সকলো থানথিত হেৰুৱা, উপাৰ্জনৰ পথ হেৰুৱা কিছুলোকে কেনেদৰে হাতত থকা ম'বাইল ফোনটোৰ যোগেদি সহজে উপাৰ্জন কৰাৰ পথ বাছি লৈছিল তাক দেখুওৱা হৈছে 'কাঁথিৰ মালিতা' গল্পটোত। যান্ত্ৰিকতাৰ দিশলৈ গতি কৰা বৰ্তমান সমাজখনৰ জীৱন চিত্ৰ, সকলোবোৰ সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে 'অবাক চহৰ সবাক চহৰ' নামৰ গল্পটোত।

গতিকে ক'ব পাৰি যে 'জাল কটা জুই' নামৰ গল্প সংকলনখনি প্ৰকাশ কৰি গল্পকাৰ সফল হৈছে।

'এখন নৰ্মেল পৃথিৱীৰ কাহিনী'ত এখন সমাজৰ চিত্ৰ অংকন কৰিছে। গল্প সংকলনখনিৰ ৫০ পৃষ্ঠাৰ শেষৰ শাৰীকেইটা এনে ধৰণৰ— 'কিবা যদি নৰ্মেল নহয় সেয়া প্ৰেম অথবা সততা। নৰ্মেল নহয় সহানুভূতি আৰু বদান্যতা। আৰু যদি জীৱনৰ পৰা বিশ্বাস আৰু শান্তিৰ এখন সেউজীয়া পৃথিৱী আশা কৰা হয়, সেয়াটো তিলমাত্ৰও নৰ্মেল নহয়। তিলমাত্ৰও নৰ্মেল নহয়।'

"নয়নতৰাৰ পৃথিৱী"ত নব্বৈ দশকৰ অসমৰ সামগ্ৰিক পটভূমি, সেনাৰ অত্যাচাৰৰ পৰা আৰম্ভ কৰি ভীতিগ্ৰস্ত মানুহৰ দুৰ্দশা, সশস্ত্ৰ বাহিনীৰ প্ৰতি মানুহৰ ধাৰণা, আশাবাদ, অসমৰ গাঁৱলীয়া সমাজ ব্যৱস্থা ইত্যাদি লেখকে সাৱলীলভাৱে চিত্ৰায়ণ কৰিছে। তদুপৰি অসমৰ সশস্ত্ৰ বাহিনী (ULFA) ত যোগদান কৰিবলৈ যোৱা বিভিন্ন চৰিত্ৰৰ পৰিয়ালৰ আৰ্থ-সামাজিক দিশ, পাৰিবাৰিক দিশো কৌশলেৰে উপস্থাপন কৰিছে।"




# সাধাৰণ পঢ়ুৱৈৰ দৃষ্টিৰে 'নয়নতৰাৰ পৃথিৱী'

প্ৰেম, বিপ্লৱ আৰু সশস্ত্ৰ সংগ্ৰামৰ এক জীৱন্ত দলিল

**শীতল দাস**

কিছুমান কাহিনী লিখা নাযায়, কিছুমান কাহিনীৰ কথা পতা নাযায়, কিছুমান কাহিনীৰ বিষয়ে জানিব বিচৰা নাযায়। "বিজয়ী পক্ষই ৰচনা কৰা ইতিহাস"ত সদায় এলাগী হৈ পৰি থাকে এইবোৰ কাহিনী, পৃথিৱীৰ চকুত এলান্ধু হৈ। তেনে এটি কাহিনীয়েই কৈছে নয়নতৰাই। তাইৰ জীয়েক বতাহীৰ কাহিনী, ককায়েক দীপ্তৰ কাহিনী, বিজয় অপৰাজিতাৰ কাহিনী আৰু যে কত কি! কাহিনীটো আপুনিও জানে, কাহিনীটো মইও জানো। হয়তো কেতিয়াবা কাৰোবাৰ আড্ডাত ফুচফুচাই কথাও পাতিছোঁ। কিন্তু লিখিবলৈ বা সমুখত ক'বলৈ সাহস কাহানিও নহ'ল। কিন্তু নয়নতৰা সাহসী, প্ৰিয় পুৰুষৰ লাওখোলা ওলাই পৰা দেহৰ সমুখত থিয় হৈ *"যাওক গৈ দেৱতা মোৰ"* বুলি ক'ব পৰাকৈ সাহসী, সেনাৰ চকুত চকু থৈ *"এই লেতেৰা কথাবোৰ আপোনালোকে মাকৰ পেটত শিকি আহে নে"* বুলি সুধিব পৰাকৈ সাহসী, কুমলীয়া নয়নতৰাজনীক বুকুৰ কোণত চেপি ৰূপালীমক জন্ম দিব পৰাকৈ সাহসী।

যুৱ-ঔপন্যাসিক কৌশিক নন্দন বৰুৱাৰ মতে, *"সচৰাচৰ এটা 'নিষিদ্ধ' বিষয় লৈ লিখা বাবেই নেকি কিতাপখনক লৈ খুব বেছি কৌতূহল আছিল। কিন্তু যেতিয়াৰ পৰা নয়নতৰাক লগ পালোঁ, যেতিয়াৰ পৰা তাইৰ সৰু পৃথিৱীখনৰ বিষয়ে জানিলো, তাইৰ কুমলীয়া মনটোৰ উমান পালোঁ, তেতিয়াৰ পৰা কাহিনীৰ মাজত নহয়, নয়নতৰা চৰিত্ৰটিৰ মাজত যেন নিজক বিচাৰি পালোঁ। সেই যে নয়নতৰাই কয়, "হয়তো কাৰো লগ*

*নিবিচৰা, অকলেই সুখী জাতীয় অজুহাতেৰে নিজক প্ৰবোধ দিয়া মানুহেও সংগোপনে এখন বিশ্বাসৰ হাত বিচাৰি হাহাকাৰ কৰি ফুৰে", মই যেন চমকি উঠোঁ। এয়া চোন মোৰেই ভিতৰৰ পৰা ওলোৱা কাৰোবাৰ মাত। নয়নতৰাত জিঘাংসা আছে, ছিটিকি অহা তেজৰ চেঁকুৰা আছে, বাৰুদৰ বুকু কপোৱা শব্দ আছে, কিন্তু তাৰ মাজতো নয়নতৰাৰ বুকুত এতিয়াও বৈ আছে প্ৰেমৰ নৈ। সেইবাবেই চাগে বুঞ্জীদিহিংৰ পাৰত আদৰ্শত বিপৰীত হোৱাৰ পাছতো অৰ্ণৱে ক'ব পাৰিছিল, "অ হেল্লো মেডাম, এন ডি এ পাছ আউট কেডাৰ হয়"। নয়নতৰাৰ উত্তৰ, "অ হেল্লো ছাৰ, আমিও আপোনালোকৰ এবছৰীয়া মিলিটেৰী ট্ৰেইনিং তিনিমাহত কমপ্লিট কৰা মানুহ হয়'। হয়তো প্ৰেমৰ বাবেই প্ৰণয়ে লংমাকৰ পাৰত সুধিব পাৰিছিল, "আৰু কিমান ভাল পালে তুমি মোৰ হ'বা...।"*

"নয়নতৰাৰ পৃথিৱী"ত নব্বৈ দশকৰ অসমৰ সামগ্ৰিক পটভূমি, সেনাৰ অত্যাচাৰৰ পৰা আৰম্ভ কৰি ভীতিগ্ৰস্ত মানুহৰ দুৰ্দশা, সশস্ত্ৰ বাহিনীৰ প্ৰতি মানুহৰ ধাৰণা, আশাবাদ, অসমৰ গাঁৱলীয়া সমাজ ব্যৱস্থা ইত্যাদি লেখকে সাৱলীলভাৱে চিত্ৰায়ণ কৰিছে। তদুপৰি অসমৰ সশস্ত্ৰ বাহিনী (ULFA) ত যোগদান কৰিবলৈ যোৱা বিভিন্ন চৰিত্ৰৰ পৰিয়ালৰ আৰ্থ-সামাজিক দিশ, পাৰিবাৰিক দিশো কৌশলেৰে উপস্থাপন কৰিছে। মুখ্য চৰিত্ৰ হিচাপে কেৱল নয়নতৰা ওৰফে ৰূপালীমক ৰাখি অনান্য চৰিত্ৰবোৰে সন্মুখীন হোৱা বিভিন্ন পৰিস্থিতি, তেওঁলোকৰ আদৰ্শ, ত্যাগ আৰু স্থিতিক তেওঁলোকৰ হৈ চাই কিতাপত সেই ৰূপেই সংযোজন কৰাটো কঠিন কাম। পিছে এই কাম লেখকে কৰিছে সুন্দৰকৈ। উদাহৰণস্বৰূপে দীপ্তসূৰুয, বিজয় ওৰফে অসীম হাজৰিকা, সামৰিক বিষয়া অৰ্ণৱ ইত্যাদি চৰিত্ৰক উপস্থাপন কৰা কৌশলটোৱে লেখকৰ প্ৰতিভাৰ প্ৰমাণ দিয়ে। মণিপুৰৰ UNLF, নাগালেণ্ডৰ NSCN কে আদি কৰি অপাৰেচন বজৰংগৰ পৰা অপাৰেচন অলক্লিয়াৰলৈকে, ভুটানৰ বিশ্বাসঘাতকতাৰ পৰা ম্যানমাৰৰ কঠোৰ প্ৰশিক্ষণৰ সময়খিনিৰ বৰ্ণনাত, ১৮৮৮ৰ পিছত NSCNৰ মাজত ফাঁট মেলাৰ কাৰণ, দীপ্তসূৰুযৰ মুখত দিয়া পৃথিৱীৰ বিভিন্ন বিপ্লৱৰ সংক্ষেপ পৰ্যালোচনাই লেখকৰ ইতিহাসপ্ৰীতি, বিপ্লৱৰ বিষয়ে তেওঁ কৰা প্ৰচুৰ অধ্যয়নশীলতাৰ প্ৰমাণ দিছে। লিখোঁতে ব্যৱহৃত শব্দ, বাক্যৰ গাঁথনিয়ে প্ৰমাণ কৰিছে লেখকৰ সাহিত্যিক প্ৰতিভাৰ কথা।

আত্মসমালোচনাৰ অভাৱত প্ৰায় আদৰ্শচ্যুত হৈ পৰা নিষিদ্ধ ঘোষিত সংগঠনটোৰ সমালোচনা, আত্মোপলব্ধিৰ আশাও চৰিত্ৰবোৰৰ সংলাপৰ যোগেদি প্ৰকাশ কৰিছে লেখকে। সামৰিক প্ৰশিক্ষণ থকাৰ পিছতো ভাতৃবধী চক্ৰবেহুত সোমাই প্ৰাণ হেৰুৱা, সংগঠনৰ নাম লৈ ব্যক্তিগত লাভালাভৰ বাবে কাম কৰি জনচক্ষুত সংগঠনটোক হেয় প্ৰতিপন্ন কৰিবলৈ বিচৰা কূট-কৌশলী মানুহৰ কথা উল্লেখ কৰি লেখকে সংগঠন একোটা ক্ৰমে দুৰ্বল হৈ পৰাৰ কাৰণবোৰৰ কথাও আভাস দিয়াৰ প্ৰযত্ন কৰা পৰিলক্ষিত হৈছে।

দীপ্ত সূৰুয বৰুৱা স্বাধীন অসম গঢ়াৰ সপোন লৈ ওলাই গৈছিল। সময়ত সংগঠনৰ লেফটেনেণ্ট হৈছিল। ভনীয়েক নয়নতৰা। এজনীয়েই ভনীয়েক। বৰ মৰমৰ। মাক-দেউতাক, আইতাক, দদায়েকক চোৱা-চিতা কৰাৰ দায়িত্ব নয়নতৰাৰ ওপৰত। সৰু ককায়েক অইলৰ চাকৰিয়াল। মনে মনে তাই ককায়েকৰ সংগঠনৰ কামো কৰি দিয়ে। সেনাৰ অবিৰাম অত্যাচাৰ গাঁওখনৰ লগতে সিহঁতৰ ঘৰৰ মানুহৰ ওপৰত।




কপাহ কোমল অন্তৰৰ ছোৱালী আছিল নয়নতৰা। তাই বতাহী নামৰ ছাগলী, ভলু নামৰ কুকুৰ, মিনি নামৰ মেকুৰীজনীৰ মাক। নৈ, গছ, ফুলৰ লগত কথা পাতি তাই ভাল পায়। বতাহীয়ে তাইক উম্মে বুলি মাতে। এদিন সেই বতাহীক মাকে বিক্ৰী কৰি দিয়ে। সলনি হয় নয়নতৰা। নিজকে এটা বেহুত যেন বন্দী কৰে তাই! ককায়েক দীপ্তৰ মৃতদেহ দেখি তাই দগ্ধ হয় অপাৰ দুখত। ককায়েক যে সতীৰ্থৰ ক্ষমতালোভী মনৰ বাবে অকালতে হেৰাই গ'ল! সৰুৰে পৰা সিহঁতে দেখি আহিছিল সংগঠনৰ মানুহক সিহঁতৰ ঘৰতে। ককায়েকৰ আধৰুৱা সপোন পূৰণ কৰিবলৈ নয়নতৰা ওলাই যায় সংগঠনত যোগ দিবলৈ। তাতে লগ পায় মৃত্যুঞ্জয়ক। দুয়োৰে মাজত প্ৰেম হয়। বিয়াৰ কথা ভাবে। অসহ্য পেটৰ বিষত ভুগি থকা নয়নতৰাক চিকিৎসাৰ বাবে লৈ অনা মৃত্যুঞ্জয়ক আদ বাটতে সেনাৰ দ্বাৰা নিজ সতীৰ্থই ধৰাই দিয়ে। আটক হয় মৃত্যুঞ্জয়, মনা আৰু নয়নতৰা। অকথ্য নিৰ্যাতনত মৃত্যুঞ্জয়ে মৃত্যুবৰণ কৰে। আত্মসমৰ্পণৰ এখন নাটক ৰচনা কৰি নয়নতৰা আৰু

মনাক মূলসুঁতিলৈ ঘূৰাই অনা হয় যদিও সংগঠনৰ মায়া এৰিব নোৱাৰি নয়নতৰা পুনৰ ঘূৰি যায়।

সশস্ত্ৰ সংগ্ৰামৰ আন এখন ছবি দাঙি ধৰিছে নয়নতৰা ওৰফে ৰূপালিমে। ‘‘আচলতে মানুহৰ হৃদয়খনৰ এটুকুৰা যদি সপোনৰ, হেঁপাহৰ, ভালপোৱা আৰু প্ৰত্যাশাৰ কঠীয়াতলী তেন্তে একেখন হৃদয়ৰ আনটো টুকুৰা এখন বীভৎস কছাইখানা আৰু তাৰ লগতে সংপৃক্ত হৈ থকা এখন নিৰ্জন শ্মশান! য’ত বহু সপোন,বহু হেঁপাহ মানুহে কেতিয়াবা নিজেই আৰু কেতিয়াবা সময়ে হত্যা কৰি কবৰস্থ কৰিবলৈ বাধ্য কৰে।’’ ‘‘এইখন দেশত থাকিবলৈ হ’লে ছোৱালীবোৰ কেৱল হৰিণা হৈ থাকিলে নহ’ব আইতা, বাঘিনী হ’ব লাগিব, সিংহিনী হ’ব লাগিব। যদি ইমান ডাঙৰ হ’ব নোৱাৰে, তেন্তে বিষধৰ ফেঁটী সাপ হ’লেও হ’ব; কিন্তু অসমীয়া ছোৱালী এতিয়া কেৱল মাত্ৰ হৰিণা হৈ থাকিব নোৱাৰে...।’’ ‘‘ইচকুলত মাষ্টৰৰ চৰ খাই কাণ এখান কলা হোৱা পায়ে সৰস্বতীক বিদায় দিলুং, এতিয়া সংগঠন কইবলৈ আহি সউ সউ লছালী নিচিনা লেখা-পঢ়া কৰিবলগা হৈছে।’’ এনে বহুতো তেজোদ্দিপ্ত সংলাপ আৰু ৰোমাঞ্চকৰ ঘটনাৰে সমৃদ্ধ ‘‘নয়নতৰাৰ পৃথিৱী’’।




‘‘নয়নতৰাৰ পৃথিৱী’’ৰ পৰিকল্পনা আৰু তথ্য সংগ্ৰহৰ বাবে হয়তো লেখিকাই নিজৰ ব্যক্তিগত জীৱনৰ বহুখিনি সময় খৰচ কৰিছে। চৰিত্ৰ আৰু কাহিনীৰ প্ৰতি ন্যায় কৰিবলৈকে আও নগা ভাষা, নাগামিজ, ভূটানৰ ৰাষ্ট্ৰভাষা ঝাংখা আৰু কাম চলাব পৰাকৈ বাৰ্মিজ ভাষাও আয়ত্ত কৰাৰ কথাও লেখিকাই স্বীকাৰ কৰিছে। যিহেতু উত্তৰ-পূবৰ সশস্ত্ৰ সংগ্ৰামখন কেৱল নিজৰ দেশতেই আবদ্ধ নহয়, বৰঞ্চ চুবুৰীয়া দেশলৈকে ইয়াৰ শিপা আৰু প্ৰভাৱ সম্প্ৰসাৰিত— সেয়ে সংশ্লিষ্ট দেশবোৰৰ সম্ভ্ৰান্ত সংস্কৃতিৰ পৰম্পৰাগত খাদ্য-প্ৰণালীৰ পৰা লোকগীতলৈকে যিখিনি পাৰি সেইখিনিও নয়নতৰাৰ পৃথিৱীত লেখিকাই লিপিবদ্ধ কৰিছে।

অসমত আলফাৰ জন্ম হোৱাৰ পৰা ম্যানমাৰত কেম্প পতালৈকে, বাংলাদেশত হোৱা বিপৰ্যয়ৰ পৰা ভূটানৰ দক্ষিণাংশৰ চাৰিখন জিলা আলফা, এন ডি এফ বি আৰু কে এল অ’ৰ মুক্তাঞ্চল হোৱালৈকে, নগা পাহাৰত বিপ্লৱৰ দামামা বজোৱা ফিজুৰ পৰা এন এছ চি এনলৈকে, বাবা খাপলাং, মুইভাৰ পৰা স্বতন্ত্ৰত বিশ্বাসী নগা ৰাইজলৈকে ‘নয়নতৰাৰ পৃথিৱী’ত আটায়েই জীয়াই আছে।

উত্তৰ-পূবৰ ইতিহাসৰ পৰা সশস্ত্ৰ বিপ্লৱক কেতিয়াও বহিৰ্ভূত কৰিব নোৱাৰি; তাৰ প্ৰভাৱ আৰু উপস্থিতি কেতিয়াও নস্যাৎ কৰিব নোৱাৰি। গতিকে আলোচনা, অধ্যয়ন আৰু পৰ্যালোচনাৰ বহু অৱকাশ আছে আৰু থাকিবই। সামৰিক শাসনৰ দিনত, ‘সন্দেহ’তেই মৃত্যু হোৱা, মাৰ খাই খাই আধামৰা হোৱা মানুহবোৰ, নিজে নাখাই সংগঠনৰ ল’ৰা-ছোৱালীক চৰু উদঙাই ভাত খুওৱা দিনবোৰ, সংগঠনৰ ভিতৰুৱা কন্দল আৰু আসোঁৱাহবোৰো ‘‘নয়নতৰাৰ পৃথিৱী’’ত ফঁহিয়াবলৈ যত্ন কৰা হৈছে ।

যি কি নহওক বহু সময়ত গতানুগতিক, তৰল বিষয়-বস্তু, পাতলীয়া কথোপকথন সম্বলিত, পাঠকে খন্তেকীয়া আকৰ্ষণ লাভ কৰা বহু কিতাপতকৈ আশ্ৰৰিকা বৰাৰ ‘‘নয়নতৰাৰ পৃথিৱী’’ বহু উন্নত পৰ্যায়ৰ বুলি তুলনা বা সাধাৰণীকৰণ নকৰিলেও যিকোনো পৰ্যায়ৰ পাঠকেই পঢ়াৰ পিছত স্বীকাৰ কৰিব।

শেষত, উপন্যাসৰ বিষয়-বস্তু সম্পৰ্কে থকা গতানুগতিক ধাৰণাৰবেৰা ফালি ‘‘নয়নতৰাৰ পৃথিৱী’’এ চুই থাকিবলৈ সক্ষম হওক পাঠকৰ মনস্তত্ব, চিন্তাৰ খোৰাক যোগাবলৈ সক্ষম হওক, ঐতিহাসিক ঘটনাপঞ্জীক এৰাই নচলি এইবোৰো আমাৰ শিপা বুলি ভাবিবলৈ সক্ষম কৰাওক মানুহক।

‘‘নয়নতৰাৰ পৃথিৱী’’ৰ পৰিকল্পনা আৰু তথ্য সংগ্ৰহৰ বাবে হয়তো লেখিকাই নিজৰ ব্যক্তিগত জীৱনৰ বহুখিনি সময় খৰচ কৰিছে।

অসমত আলফাৰ জন্ম হোৱাৰ পৰা ম্যানমাৰত কেম্প পতালৈকে, বাংলাদেশত হোৱা বিপৰ্যয়ৰ পৰা ভূটানৰ দক্ষিণাংশৰ চাৰিখন জিলা আলফা, এন ডি এফ বি আৰু কে এল অ’ৰ

অনুভৱৰ কলমেৰে




## মোৰ দৃষ্টিত
# দুলীয়াজান মহাবিদ্যালয়

ৰবী বড়া

জ্ঞানৰ মকুতা বুটলি,
তোমাৰ ছাঁতেই লৈছোঁ জিৰণি
আগুৱাই যোৱাৰ দূৰন্ত হেঁপাহ
দিগবলয়ৰ সীমনাত লক্ষ্যস্থান
একা-বেঁকা দিঘলীয়া বাট
প্ৰশান্তিৰ নিজৰা বিলাই
জ্ঞানৰ শলিতা জ্বলাই তুমিয়েই হৈছা পথদ্ৰষ্টা
সাৰথি হৈছাহি জীৱন বাটৰ
তুমিয়েই মোৰ হৃদয়ৰ জ্ঞানৰ আলয়
দুলীয়াজান মহাবিদ্যালয়

সঁচাই দুলীয়াজান মহাবিদ্যালয় মোৰ বাবে এক জ্ঞানৰ বটবৃক্ষ। দুলীয়াজান মহাবিদ্যালয় মোৰ পৰিচয়। ১৯৬৯ চনৰ ৰ আগষ্টৰ সন্ধিয়া ৪.৩০ বজাত জন্ম লাভ কৰা এই মহাবিদ্যালয়খন মোৰ দৰে আৰু সহস্ৰজনৰ নিচেই চিনাকি আৰু বহু আপোন। এই মহাবিদ্যালয়খনেই বহু আলোক সন্ধানীক সপোন দেখুৱাইছে, পথপ্ৰদৰ্শক হৈ জীৱনৰ যাত্ৰা-পথত সাৰথি হৈছে। কেইজনমান চফল ডেকা, যিয়ে দেশমাতৃৰ বাবে নিজকে উৎসৰ্গা কৰিব বিচাৰে, অনাগত ভৱিষ্যত প্ৰজন্মৰ উত্তৰণৰ অৰ্থে সমাজৰ হিত সাধন কৰিব বিচাৰে, তেনে কেইজনমান উদ্যমী লোকৰ সবল নেতৃত্ব আৰু দুলীয়াজানবাসী বাইজ, অইল ইণ্ডিয়া লিমিটেড, অসম গেছ কোম্পানী লিমিটেডৰ সহায়-সহযোগিতা তথা কৰ্মোদ্যমতে এই জ্ঞানৰ বটবৃক্ষই প্ৰতিষ্ঠা লাভ কৰিলে আৰু সমাজখনক আগুৱাই নিয়াৰ লক্ষ্যৰে জ্ঞানৰ শলিতাগছি প্ৰজ্বলিত কৰিলে। ১৯৬৮ চনতেই সেই সময়ৰ উদ্যমী ডেকাকেইজনমানৰ মনত অংকুৰিত হোৱা উত্তৰণৰ চিন্তাৰেই ফচল 'দুলীয়াজান মহাবিদ্যালয়'। দুলীয়াজানত উচ্চ শিক্ষাৰ বীজ ৰোপণৰ তাড়নাতেই এই ডেকাসকলে তথা দুলীয়াজানবাসীয়ে অনুভৱ কৰিছিল এখন মহাবিদ্যালয়ৰ প্ৰাসংগিকতা। লগে লগেই আৰম্ভ হৈছিল মনৰ সপোন তথা হেঁপাহক বাস্তৱায়িত কৰাৰ সংগ্ৰাম। সেই সপোন তথা সংগ্ৰামে মাত্ৰ এটা বছৰৰ মূৰত প্ৰাণ পাই উঠিল। দুলীয়াজান মহাবিদ্যালয়ৰ সেই প্ৰসৱ বেদনাৰ সাক্ষী বহুজন। দুলীয়াজান মহাবিদ্যালয় সেয়ে এতিয়াও বয়সে গৰকা বাৰ্দ্ধক্যই আমনি কৰা বহুজনৰ যৌৱনৰ পাণ্ডুলিপি। উৰুখা পঁজাৰ পৰা বৰ্তমানৰ কংক্ৰিটৰ মহাবিদ্যালয়খনলৈ এক সুদীৰ্ঘ ইতিহাস। এতিয়া দুলীয়াজান মহাবিদ্যালয় যৌৱনা। সুদীৰ্ঘ তথা সংগ্ৰামৰতভাৱেই পঞ্চাছ বৰ্ষ গৰকিলে এই মহাবিদ্যালয়খনে। পাৰ হৈ গ'ল বহুজন আৰু পাৰ হৈ যাব বহুজন জ্ঞানৰ পথেৰে এই মহাবিদ্যালয়ৰ অংগন গচকি ধূলি উৰুৱাই। মাথোঁ সজীৱ হৈ ৰ'ব স্মৃতি। এনে এখন পৈণত তথা ইতিহাসৰ প্ৰতিটো পৃষ্ঠা সংগ্ৰামেৰে আবৃত মহাবিদ্যালয়ৰ ছাত্ৰী হ'বলৈ পাই ময়ো গৌৰৱান্বিত। সপোন আছে দুচকুত, আগুৱাই যোৱাৰ হেঁপাহ আছে বুকুত। এই মহাবিদ্যালয়খনেই আমাৰ সাৰথি, সপোনৰ কঠীয়াতলি।

২০১৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সফলতাৰ লক্ষ্য আগত ৰাখি জীৱনৰ সুদীৰ্ঘ বাটত খোজ থৈছিলোঁ। য'ত দুলীয়াজান মহাবিদ্যালয়কে আপোন কৰি খোজ আগবঢ়াইছিলোঁ সপোনৰ বাটত। মহাবিদ্যালয়খনত খোজ দিয়াৰ দুবছৰ আগৰ সেই প্ৰথম দিনটো আজিও মোৰ মানসপটত স্পষ্টকৈ ভাহি আছে। মহাবিদ্যালয়খনক ভাল পাইছিলোঁ বাবেই অতি কম সময়তে মহাবিদ্যালয়খন প্ৰতিটো ডিপাৰ্টমেণ্ট, লাইব্ৰেৰী, লেব'ৰটৰী, কৰ্মাচ বিল্ডিং মোৰ বাবে হৈ পৰিছিল দ্বিতীয়খন আপোন ঘৰ, জ্ঞানালয়। কেণ্টিন, জেনেৰেল অফিচ, অধ্যক্ষৰ কোঠা, ইউনিয়ন ৰুম, ছাত্ৰী জিৰণি কোঠা, প্ৰতিটো ক্লাছৰুম মোৰ বাবে হৈছিল নিচেই আপোন। শিক্ষাগুৰুসকলৰ মননশীল পাঠদানে আমাক কৰি তুলিছিল জ্ঞানান্বেষী। মহাবিদ্যালয়ৰ প্ৰত্যেকজন কৰ্মচাৰীয়েই হৈ পৰিছিল আমাৰ চিনাকি। তেওঁলোকৰ মৰম, আন্তৰিকতা আৰু হিতোপদেশৰ পৰাই ভাল পাবলৈ আৰম্ভ কৰিছিলোঁ মহাবিদ্যালয়খনক। আৰম্ভ হৈছিল আগুৱাই যোৱাৰ এক নতুন যাত্ৰা, আৰম্ভ হৈছিল সপোনক দিঠক কৰাৰ কল্পনা।

সেউজ সুন্দৰ চৌহদটোত ভৰি থোৱাৰ লগে লগেই মনটোও হৈ পৰিছিল সেউজময়। নাহৰ গছজোপাই পোনপ্ৰথমেই স্বাগতম জনাইছিল প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীক। মোৰ অনুভৱ হৈছিল যেন নাহৰজোপাৰ অবিহনে মহাবিদ্যালয়খনেই অসম্পূৰ্ণ। নাহৰ, দেৱদাৰু আৰু যে ক'ত কি গছেৰে আবৃত মহাবিদ্যালয় চৌহদটো। প্ৰত্যেকজোপা গছেই যেন সুকীয়া সৌন্দৰ্য প্ৰদান কৰে। প্ৰত্যেকজোপা গছেই মহাবিদ্যালয়খনৰ সৌষ্ঠৱ বৃদ্ধিত অকৃপণভাৱে যেন নিজৰ সুন্দৰতা দান কৰিছে। নাহৰ কিম্বা দেৱদাৰু সৰি পৰা শুকান পাতবোৰেই প্ৰতিক্ষণে সোঁৱৰাই থাকে মহাবিদ্যালয়খনৰ গৰিমা অথবা মহাবিদ্যালয়খনৰ নিজস্বতা। শাৰী শাৰীকৈ থকা দেৱদাৰু গছবোৰে অতি গৰ্বৰে নৱাগত প্ৰত্যেকজনক যেন ক'ব বিচাৰে দুলীয়াজান মহাবিদ্যালয়ৰ অতীত প্ৰসৱ বেদনাক প্ৰত্যেকটো ক্ষণ, ঘটনা-পৰিঘটনা সাক্ষী। ব'টানীকেল গাৰ্ডেনৰ প্ৰত্যেকজোপা গছেই মহাবিদ্যালয়খনৰ গৰিমাৰ কাহিনীয়েই সোঁৱৰাই থাকে। মহাবিদ্যালয় চৌহদৰ মধুৰী, আমলখি, ক'লা-জামুৰ গছবোৰে কৈ যায় 'আমি আজৰি সময়ৰ ধেমালি'। সঁচাই এয়াই নৈসৰ্গিক দুলীয়াজান মহাবিদ্যালয়।

ক'লা জোতা, সেউজীয়া দোপাত্তা, ক'লা পেণ্ট, শুভ্ৰ পোছাক— সেয়া যেন দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতীক। প্ৰত্যেক পুৱাই আৰম্ভ হয় এক সমদলৰ। মহাবিদ্যালয়ৰ পোছাক পৰিহিত এজাক তৰুণ-তৰুণীয়ে বাটৰ ধূলি উৰুৱাই পাৰ হয় দুলীয়াজান মহাবিদ্যালয়ৰ মুখ্যদ্বাৰ। সেই দৃশ্যপটে যেন সময়ৰ জোখহে দিয়ে— 'ন-বাজিবৰ হ'ল'। জ্ঞানৰ

মন্দিৰটোত সোমায়েই সকলো যেন উত্ৰাৱল হৈ পৰে জ্ঞান লাভৰ বাবে। ডিপাৰ্টমেণ্ট, কম, লাইব্ৰেৰী এক যেন সুৰুচিপূৰ্ণ কোলাহল। পাৰ হৈ যায় বহুতো ধূলি উৰুৱাই। কম নং ১৮, ২৬, ৩৪ আৰু যে ক'ত কি? প্ৰত্যেকগৰাকী তৰুণ-তৰুণীৰ চুক দিপ্তীমান, চকুৰ আগত জ্ঞান আহৰণৰ তাড়না, শ্ৰেষ্ঠ হোৱাৰ আকাংক্ষা, হিতোপদেশ আৰু নিৰ্দিষ্ট বিষয়ৰ ৪৫ মিনিটীয়া ক্লাছবোৰ সকলোৰে বাবে জীৱন গঢ়াৰ সোপান। লাইব্ৰেৰীৰ প্ৰত্যেকখন কিতাপৰে সুবাস প্ৰত্যেকজন জ্ঞান সন্ধানী ছাত্ৰ-ছাত্ৰীৰ নিচেই চিনাকি। লাইব্ৰেৰীৰ অধ্যয়ন কক্ষৰ নিৰিবিলি পৰিৱেশ প্ৰত্যেকৰে প্ৰিয়। ইনড'ৰ ষ্টেডিয়াম, প্ৰেক্ষাগৃহ, খেলপথাৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ বাবেই চিনাকি। প্ৰেক্ষাগৃহৰ প্ৰত্যেকটো গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠান, নৱাগত আদৰণি সভা, সাংস্কৃতিক অনুষ্ঠান, মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো অনুষ্ঠান, ছাত্ৰ-ছাত্ৰী তথা আমাৰ বুকুৰ আপোন। জাৰকালি ক্লাছ নথকা সময়কণ হাতত এখন কিতাপ লৈ খেলপথাৰত বহি ৰ'দ পোৱাৰ সেই মধুৰ ক্ষণবোৰ। যিবোৰ অভিজ্ঞতাই ভৱিষ্যতে নষ্টালজিক কৰি তুলিব বহুতকে। সময় পালেই কেণ্টিন অথবা বৰাদাৰ হোটেলত এটা পুৰি বা একাপ চাহ সকলোৰে মনৰ নিচা। যিবোৰ নিচাই ভৱিষ্যতেও প্ৰত্যেককে মনত পেলাই থাকিব মহাবিদ্যালয়খনলৈ। এয়াই দুলীয়াজান মহাবিদ্যালয়ৰ বৌদ্ধিক তথা জিৰণি সময়ৰ প্ৰকৃতি। দুলীয়াজান মহাবিদ্যালয়খনক অন্তৰেৰে আপোন কৰি লৈছোঁ বাবেই হয়তো দুলীয়াজান মহাবিদ্যালয়ৰ কিছুসংখ্যক সদস্যই কৰা ঋণাত্মক কাৰ্যকলাপবোৰে আমাৰ অন্তৰত কুঠাৰাঘাত কৰে। দুলীয়াজানৰ দৰে অঞ্চলত ছাত্ৰ-ছাত্ৰীসকল ক্ৰমান্বয়ে অত্যাধিক বস্তুবাদী বিলাসিতাৰ প্ৰতি আকৰ্ষিত হোৱা পৰিলক্ষিত হয়। কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ প্ৰতি অৱহেলা তথা ঋণাত্মক কাৰ্যকলাপৰ প্ৰতি আকৰ্ষণে কোনো কোনো সময়ত মহাবিদ্যালয়খনৰ গৰিমাত কালিমাসনা পৰিলক্ষিত হয়, সেয়া আমাৰ বাবে কাম্য নহয়।

তদুপৰি ছাত্ৰ একতা সভাৰ নিৰ্বাচনকেন্দ্ৰিক কিছু ঘটনাই ছাত্ৰ-ছাত্ৰীৰ মাজত বিদ্বেষৰ অগনি জ্বলাই মহাবিদ্যালয়ৰ পৰিৱেশ বিনষ্ট কৰে, যি কাৰ্যক গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই সমালোচনা কৰে। সেয়ে হয়তো ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়নবিমুখিতাৰ বাবেই দুলীয়াজান মহাবিদ্যালয়ে শৈক্ষিক দিশত আশানুৰূপ সফলতা আজিও আঁজুৰি আনিব পৰা নাই। তথাপিও কিন্তু আশাৰ ৰেঙণি কঢ়িয়াই আনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱসমূহে। সেই মহোৎসৱসমূহত দুলীয়াজান মহাবিদ্যালয়ে সদায় নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি সফলতা আঁজুৰি আনিবলৈ সক্ষম হৈ আহিছে। সংগীত, তৰ্ক, আবৃত্তি, বক্তৃতা, নাটক, বিহু, 'মুকাভিনয়, বেডমিণ্টন, টেবুল টেনিচ, কুইজ আদি আন্তঃমহাবিদ্যালয় প্ৰতিযোগিতাসমূহত দুলীয়াজান মহাবিদ্যালয়ে এক সুকীয়া স্থান দখল কৰি আহিছে আৰু নিশ্চয় ভৱিষ্যতেও থাকিব।

যোৱা পঞ্চাছটা বৰ্ষত বহু শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বহু অতিথি এইখন মহাবিদ্যালয়লৈ আহিল আৰু গ'ল আৰু অনাগত প্ৰতিটো বৰ্ষতে এই মহাবিদ্যালয়লৈ আহি থাকিব সহস্ৰ দিপ্তীমান তৰুণ-তৰুণী। মাথোঁ ইতিহাসৰ পাতত আঁকা থাকিব প্ৰত্যেকৰে প্ৰতিচ্ছবি। শিক্ষানুষ্ঠান এখনত ছাত্ৰ আৰু শিক্ষকৰ সম্বন্ধ মধুৰ হোৱাটো বাঞ্ছনীয় আৰু মই ভাবোঁ দুলীয়াজান মহাবিদ্যালয়ত সেই মধুৰতাৰ অভাৱ নাই। শিক্ষাবিদ ৰেডনে কৈছিল— "নিৰ্দেশনা, সু-শৃংখলা আৰু ব্যক্তিৰ শাৰীৰিক, বৌদ্ধিক, নান্দনিক, সামাজিক আৰু আধ্যাত্মিক শক্তিসমূহৰ ক্ৰমবিকাশৰ জৰিয়তে সবালকসকলে নবালকসকলৰ ওপৰত আৰোপ কৰা সু-বিবেচিত আৰু সু-শৃংখলাযুক্ত প্ৰভাৱেই হৈছে শিক্ষা।" মোৰ দৃষ্টিত দুলীয়াজান মহাবিদ্যালয়ৰ দাৰ্শনিক শিক্ষক বন্ধুসকলেও ৰেডনে কোৱাৰ দৰে শিক্ষা ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰিবলৈ চেষ্টা কৰিছে আৰু অনাগত দিনতো কৰি গৈ থাকিব। আমি প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীয়েই এই মহাবিদ্যালয়খনৰ প্ৰতি দায়বদ্ধ হ'ব লাগিব, যাতে পঞ্চাছটা বৰ্ষ গৰকা এই মহাবিদ্যালয়খনৰ ঐতিহ্য, গৌৰৱ, স্বাভিমান যিদৰে বৰ্তমান বৰ্তি আছে, সেইদৰে অনাগত বহু যুগ যুগলৈ বৰ্তি থাকক। ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ সপোন পূৰণৰ সাৰথি হওক এই মহাবিদ্যালয়।

শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্মদক্ষতা আৰু আন্তৰিকতাৰে এখন অনন্য দুলীয়াজান মহাবিদ্যালয় গঢ় লৈ উঠক তাৰেই কামনা কৰিছোঁ। শেষত আমাৰ মহাবিদ্যালয় গীতটিৰ ভাষাৰেই কওঁ—

"আমি তীৰ্থৰ জ্ঞানমালিনী
জ্ঞানৰ মালা গাথিছোঁ
প্ৰজ্ঞাৰ সাধনাত মগন আমি
সাগৰ মন্থন কৰিছোঁ
ঐক্য শান্তিৰ বাণী আনিছোঁ
আহা একেলগে লওঁ।"

ভ্ৰমণ কাহিনী




# ৰামোজি ফিল্মচিটী

## এক ৰঙীণ দুনিয়া

**ড° দয়ানন্দ নাথ**

ভ্ৰমণত দেখা পোৱা ঠাইক বৰ্ণনা, ভ্ৰমণকাৰীৰ দৃষ্টিৰ ওপৰত নিৰ্ভৰ কৰে। এই বছৰ গৰমৰ বন্ধত তেলেঙ্গানাৰ ৰাজধানী হায়দৰাবাদতে সপৰিবাৰে ফুৰিবলৈ গৈছিলোঁ। ভ্ৰমণক অংশ হিচাপে হায়দৰাবাদতে ৰামোজি ফিল্মচিটী এক অনন্য ঠাই। ফিল্মচিটীত সোমাই অনুভৱ যেন হ'ল— ই এক সপোনৰ নগৰী।

ৰাজধানী চহৰৰ পৰা ৪৫ কিঃ মিঃ নিলগত অৱস্থিত আয়তনত ২০০০ একৰ মাটি কালিত (৪১০ হেক্টৰতকৈ অধিক) এই ফিল্মচিটী নিৰ্মাণ কৰা হৈছে। ২০১২ চনৰ ১৫ এপ্ৰিললৈকে আমাজনত বিশ্বৰ বৃহত্তম ফিল্মচিটী হ'লেও এতিয়া উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজ ফিল্মচিটী বিশ্বৰ বৃহত্তম ফিল্মচিটী (২৭০০ একৰ)। সম্পূৰ্ণ পৰিকাঠামোৰ ওপৰত ভিত্তি কৰি কমপ্লেক্স হিচাপে বৃহত্তম আৰু গিনিছ ৱৰ্ল্ড (world) ৰেকৰ্ডৰ স্বীকৃত বিশ্বৰ বৃহত্তম ফিল্ম ষ্টুডিঅ'।

মনোৰম হায়দৰাবাদৰ পৰা ফিল্মচিটীলৈ যোৱাৰ বাট অতি মনোৰম। চাৰিওফালে আধুনিক চহৰৰ মনোৰম দৃশ্য; খালি পথাৰ অথবা খেৰৰ ঘৰ ক'তো নাই। চাৰিওফালে আধুনিক স্থাপত্য কলাত্মক নিৰ্দৰ্শন, অতি পৰিস্কাৰ আৰু নিখুঁত ৰাস্তা ঘাট।

প্ৰৱেশ টিকট সংগ্ৰহ কৰাৰ লগে লগে ফিল্মচিটীৰ নিজৰ বাহনত আসন গ্ৰহণ কৰিলোঁ। নিৰ্দিষ্ট ঠাইত যোৱাৰ পিছত নামিব লাগে। যোৱাৰ বাটত এটা পেট্ৰল পাম্প পালো, যিটোত কেৱল ফিল্মচিটীৰ বাহনৰ বাবে তেলৰ ব্যৱস্থা কৰা পৰিলক্ষিত হয়।

ফিল্মচিটীত প্ৰথম উপভোগ্য হ'ল- এটা ফিল্ম ষ্টুডিঅ' য'ত আমি টাইম মেচিনৰ যোগেদি ষাঠিৰ দশকলৈ ভুমুকি মাৰিলোঁ, য'ত আছে পুৰণি প'ষ্টাৰ, ৰেট্ৰো চহৰৰ ৰূপ, লাইভ ফাইটিং (বেংক ডকাইতি কৰি পলায়নক চেষ্টা) ইত্যাদি। লাইভ ফাইটিং প্ৰদৰ্শনীত দৰ্শকৰ পৰা এক ষ্টাণ্ট শিল্পী হিচাপে প্ৰত্যক্ষ চিনেমাৰ একশ্বন কাৰ্যৰ দৃশ্য প্ৰত্যেক দৰ্শককে হৃদয় স্পৰ্শ কৰি আপ্লুত কৰিছিল।

আন এটা ষ্টুডিঅ'ত সোমোৱাৰ লগে লগে, আমাক জনোৱা হ'ল যে আমি এতিয়া লণ্ডন চহৰত প্ৰৱেশ কৰিম আক তাৰ বাবে কোনো ভিছাৰ প্ৰয়োজন নাই। ক্ষন্তেক সময়ত পিছত দেখা পালোঁ— আমাৰ পিছফালে লণ্ডনৰ দৃশ্যপট য'ত আমিও এই দৃশ্যপটত অংশ হৈ আছোঁ। পিছমুহূৰ্তত আমি স্থানান্তৰ কৰিলোঁ (এডোখৰ ঠাইত থাকি) চুইজাৰলেণ্ডত। পেৰিছৰ ৰাস্তাঘাট, জাপান, আফ্ৰিকাৰ গভীৰ জঙ্গল, মৌৰ্য যুগৰ স্থাপত্য, ফুলনি ইত্যাদি সঁচাকৈ ইমানেই মনোমুগ্ধকৰ তাক ভাষাৰে ব্যক্ত কৰা কঠিন।

ফিল্ম চিটীত আৰু এক আকৰ্ষণৰ অংশ হ'ল মহাকাল যাত্ৰা। ৰকেটতে বহি মহাকাশত লক্ষ লক্ষ তাৰকাৰ সঁঙ্গী কৰি মহাকাশ ভ্ৰমণ, উল্কাপাত বিভিন্ন গ্ৰহৰ ভিতৰত প্ৰৱেশ আদি সকলোকে ৰোমাঞ্চিত কৰি তুলিলে।

ৰামোজি ফিল্ম চিটীত বিভিন্ন ধৰণৰ ফিল্মৰ সুবিধা আছে। ইয়াত আছে ৪৭টা সাউণ্ড ষ্টৰ, মন্দিৰ, মুম্বাই ৰেলৱে ষ্টেচন, হায়দৰাবাদ ইণ্টাৰনেচনেল এয়াৰপ'ৰ্ট, য'ত ৰখা আছে উৰাজাহাজ।

ৰামোজি ফিল্মচিটীত হিন্দী, তামিল, তেলেগু মালায়ালাম, বাংলা, কন্নড় আৰু বহুত বিদেশী চলচ্চিত্ৰ সহ প্ৰায় ১২০০ চলচ্চিত্ৰ নিৰ্মাণ হৈছে। বাহুবলীৰ বিশাল ছেট, আটাইতকৈ বিস্ময়কৰ, য'ত প্ৰায় ৬০০ দিন ব্যাপি শ্বুটিং হৈছিল।

আধুনিকতাৰ লগে লগে পৌৰাণিক যুগক বিভিন্ন দিশৰ বিষয়ে অৱগত কৰাৰো ব্যৱস্থা আছে, য'ত ৰামায়ণ, মহাভাৰত আদি বৰ্ষ বৰ্ণাঢ্য ছেট এতিয়াও পৰ্যটকক আকৰ্ষণৰ অন্যতম কেন্দ্ৰ। কেন্দ্ৰীয় কাৰাগাৰ, গ্ৰামীণ বজাৰ এলেকা, বিদেশী ৰাস্তা, ঘৰ, ৰেলৱে প্লেটফৰ্ম, ৰেলগাড়ী, বেঞ্চ, টিকট কাউণ্টাৰ, আৰু বহুত কিবা-কিবি। বাহুবলীৰ ছেট ১০০ একৰ ঠাইলৈ নিৰ্মাণ কৰা হৈছে য'ত মাহিস্মতী ৰাজ্যৰ আৰ্হি চিত্ৰ তুলি ধৰা হৈছে।

ফিল্ম চিটিত আৰু কেইটামান আকৰ্ষণৰকেন্দ্ৰ মহীশূৰৰ বৃন্দাৱন উদ্যান, মোগল উদ্যান, ৰাজস্থানৰ প্ৰাসাদৰ আৰ্হি, প্ৰজাপতি-পাৰ্ক, চৰাই পাৰ্ক, চিৰিয়াখানা, ঝৰ্ণা, বিশেষ বিষয়ৰ আধাৰত উদ্যান, ফাণ্টুস্থান আৰু বহুত।

চেৰুকুৰি ৰামোজি ৰাও— ১৯৩৬-২০২৪, ১৯৯৬ চনত প্ৰতিষ্ঠা কৰা এই ফিল্মচিটীত একেলগে মুঠ ১৫খন চলচ্চিত্ৰ শ্বুটিং, হ'ব পাৰে। বছৰি গড়ে ১৫ লক্ষ পৰ্যটক আগমনক ফলস্বৰূপে ৪০০০লোকৰ কৰ্মসংস্থান সৃষ্টি হৈছে— যিটো সেই অঞ্চল তথা গোটেই ৰাজ্যৰ বাবে এটা ভালদিশ।

ৰামোজি ফিল্ম চিটী প্ৰযুক্তি অথবা পৰিকাঠামোৰ দিশতেই পৰিপূৰ্ণ নহয়— ই আৱেগ, সৌন্দৰ্য, অনুভূতি, অভিভজ্ঞতা— দিশতো অনন্য। ইয়াত চহৰ, গাঁও, দেশী, বিদেশী, বিভিন্ন দিশৰ অৱস্থিতি, ঐতিহাসিক প্ৰাসাদসহ সকলোৰে এক সংমিশ্ৰিত মনোমোহা স্বপ্নৰাজ্য, য'ত সকলোৰে এবাৰ ভাবিবৰ অৱকাশ আছে। এই ভ্ৰমণে মে ১৫ মানসপটত এতিয়াও দোলা দি যায়, মাৰ ৰোমন্থন মোক অভিজ্ঞতাৰে পুষ্ট পৰিবাৰ লগতে অনাবিল আনন্দৰো অধিকাৰী কৰি তুলিলে।

# নীলা খামৰ চিঠি

ভাৰ্গৱী কোঁৱৰ

**প্ৰতি,**

**প্ৰিয়তম অনিৰুদ্ধ,**

ভালে আছানে? নীলা আকাশখনৰ দৰে এই নীলা মাধ্যমত মোৰ হৃদয়ৰ নীৰৱতাখিনি আগবঢ়াই দিছোঁ তোমালৈ। এইখন অকল কাগজ নহয়, ইয়াত আছে মোৰ মৰম, অভিমান, আৱেগ-অনুভূতিবোৰ। সময় নামৰ বতাহজাকে আমাক আঁতৰাই লৈ গ'ল, তথাপিও তুমি মোৰ হৃদয়ৰ কোনো কোণত সদায়ে থাকিবা। আজিকালি তোমাৰ অনুপস্থিতিৰ শোকে মোক বৰকৈ খুন্দা মাৰেহি। তোমাৰ লগত কটোৱা প্ৰতিটো ক্ষণ মই মোৰ স্মৃতিৰ বাগিচাত সংগোপনে সাঁচি ৰাখিছোঁ। তোমাক প্ৰথমবাৰ দেখাৰ পৰাই যি মোৰ মনত সোমালা আজিলৈকে উলিয়াব পৰা নাই।

সেইযে কলেজত ক্লাছ নথকাৰ সময়ত লগৰবোৰৰ লগতে একেলগে আড্ডা মৰাৰ সময়ত মোৰ কাষতে আহি বহা, মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত একেলগে ক্ৰিকেটৰ প্ৰেকটিছ কৰা, আজৰি সময়ত গছৰ তলত গৈ বহা, যিকোনো মুহূৰ্ততে সহায় কৰা, ক্লাছলৈ নোযোৱা দিনা গধূলি ফোনত কলেজত কি কি হ'ল সকলো বোৰ বৰ্ণনা কৰা, আৰু ক'ত যে কি... মনত পৰেনে তোমাৰ এইবোৰ কথা। চিৰদিনৰ দৰে আজিও তোমালৈ মনত পেলাইছোঁ, মনটো চঞ্চল হৈ পৰিছে। তোমাৰ মোৰ প্ৰতি কথাৰ আৰম্ভণি সদায় কিবা খালানে? আজি কি খাই আহিছানো হয়। প্ৰথমে মই ধৰিবই পৰা নাছিলোঁ মোৰ প্ৰতি থকা তোমাৰ আকুলতাবোৰ লাহে লাহে বুজিব পাৰিলোঁ। কিন্তু তেতিয়া সময়ে হাৰ মানিছিল। মোৰ তোমাৰ কথা মনলৈ আহিলে তোমাৰ মনত আছেনে এবাৰ তুমি মোক এটা গানৰ কথা কৈছিলা যে মোৰ মনত পৰিলে এই গানটো শুনিবা... এতিয়া সেইটোকে শুনো কি জানি তোমাৰ মোৰলৈ মনত পৰে।

আগন্তুক ৰঙালী বিহুৰ শুভেচ্ছা যাচিলোঁ। তোমাৰ লগতে মা-দেউতালৈকো যাচিলোঁ। তুমি যাতে সদায় সুস্থ থাকা ভগৱানৰ ওচৰত মই প্ৰাৰ্থনা জনাওঁ। বাৰু আৰু বিশেষ একো নিলিখোঁ। শব্দৰে লিখিব নোৱাৰাবোৰ সময়ে লিখিব।

এই চিঠিখন লিখাৰ কাৰণ তোমাৰ প্ৰতি থকা মোৰ মৰম, আকুলতা, ভালপোৱা নে অন্য কিবা। শেষত, তোমাৰ চিঠিৰ উত্তৰ— লৈ মই বাট চাই ৰ'ম। তুমি মোক শুনিব কোৱা প্ৰবীণ বৰুৱাৰ গীতটিৰে মোৰ লেখা শেষ কৰিব বিচাৰিছোঁ—

'তুমি আঁতৰি যোৱাৰ কথা শুনি গীতাৰৰ আঙুলি কঁপে...'

**ইতি,**

**তোমাৰ আপোনজন**

**সুদেষ্ণা**

# অণুগল্প

## দায়িত্ব

অফিচৰ পৰা আহি আৰামী চকীখনত অলসভাৱে বহি আছে চন্দ্ৰীকা তালুকদাৰ। চহৰৰ নতুনকৈ খোলা প্ৰাইভেট কোম্পানী এটাত ষ্টক মেনেজাৰ তাই। অকলে বহিলেই আজিকালি কেৱল এবোৰিমান চিন্তাই আগুৰি ধৰেহি। ঘৰটোৰ নতুনকৈ মেৰামতি কৰিব লাগে, ভায়েক-ভনীয়েকৰ মাহিলী টকা, ঘৰৰ মাহিলী খৰচ, দৰৱৰ খৰচ, মানে এশ এটা ব্যয়ৰ পথ।

কথাবোৰৰ জট ভাঙোতে ভাঙোতে চন্দ্ৰীকাৰ কেতিয়ানো চকুযোৰত টোপনি লাগিলে তাই গমকেই নাপালে। দিনটোৰ ইটো সিটোবোৰৰ মাজত থাকি কোঠা পায়হি মানে তাই একেবাৰে অৱস যেন লাগে। ঘৰখনৰ ডাঙৰ সন্তান হোৱাৰ বাবেই তাইৰ এতিয়া দায়িত্ব বহুত। আচলতে, তিনিটাকৈ সন্তানক দিন-হাজিৰা কৰি ইমান দিনে দেউতাকে ই ঘৰখন চলাই আছিল। সেয়ে, B.Aৰ পাছত তাই আৰু পঢ়াৰ কথা নাভাবি, ক'ৰবাত মূৰটো গুঁজি ঘৰৰ দায়িত্ব লোৱাৰ কথা ভাবিলে। তেনেকুৱাতেই কৰ্কশ মাতেৰে কোনটো বাজি উঠিল। খপ-জপকৈ উঠি দেখে ঘৰৰ পৰা ফোন আহিছে।

কান্ধটোৰ গধুৰ দায়িত্ববোৰে কেতিয়াবা চকুৰ পতাযোৰক অৱস কৰি তোলে। কিন্তু, অৱস কৰে বুলিয়েই জানো কাম নকৰি থাকিব পাৰি। হয়তো, নোৱাৰি। সেয়ে, হেজাৰ অৱসাদ আঁতৰলৈ ঠেলি আগবাঢ়ি যাব লাগিব। কাৰণ, এতিয়া দায়িত্ব চন্দ্ৰীকাৰ।

**ববীতা দত্ত**



## শৈশৱতে দেখা সপোন

অৱশেষত ৰিনা আজি ঘৰলৈ আহিছে। ৰাস্তাত আহি থাকোঁতে তাইৰ মনলৈ আহিছে কেইবাবছৰৰো আগৰ কথা। তেতিয়া তাইৰ বয়স মাত্ৰ দহ বছৰ। বাৰিষাকালত বিদ্যালয়লৈ যাবলৈ বুকা-পানী গছকি যাব লাগে। সেই হেতুকে গাঁৱৰ বহু ল'ৰা-ছোৱালী সৰুতেই পঢ়া-শুনা বাদ দিছে। ৰিনা পঢ়াত ভাল। প্ৰথম শ্ৰেণীৰ পৰাই প্ৰথম স্থান দখলেৰে পৰীক্ষাত উত্তীৰ্ণ হৈ আহিছে। কিন্তু গাঁৱৰ ৰাস্তা পদূলিৰ এনে অৱস্থা, বুকা-পানী গচকি যোৱাৰ এলাহত তাইৰো বিদ্যালয় এৰিবৰ মন। তাকে শুনি এদিন মাকে তাইক অতি মৰমেৰে কথাষাৰ ক'লে যে তুমি ডাঙৰ হৈ এই বুকা ৰাস্তা ভাল কৰি পকী কৰিব লাগিব। তেতিয়াৰে পৰা ৰিনাৰ মনত অভিযন্তা হোৱাৰ সপোন। পঞ্চম শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত ৰিনাক জেঠায়েকৰ ঘৰলৈ পঢ়িবলৈ পঠিয়ালে, ৰিনাইও আনন্দতে জেঠায়েকৰ ঘৰলৈ পঢ়িবলৈ গুচি গ'ল। কিন্তু ষষ্ঠ শ্ৰেণীত ৰিনাক ইংৰাজী মাধ্যমত নামভৰ্তি কৰি দিলে। দুদিনমান বিদ্যালয়লৈ যোৱাৰ পাছত ৰিনাই জেঠায়েকৰ আগত ফেকুৰি ফেকুৰি কান্দি কৈছে যে তাই ইংৰাজী মাধ্যমত নপঢ়ে। তেতিয়া জেঠায়েকে তাইক এটা কাম কৰিবলৈ দিলে। তাইক জেঠায়েকে বস্তুৰে ভৰ্তি দুটা বেগ দিলে, এটা কম ওজনৰ আৰু আনটো গধুৰ। দুয়োটা বেগ এঠাইৰ পৰা আন ঠাইলৈ নিবলৈ দিলে। তাই প্ৰথমে কম ওজনৰ বেগটো সহজে নিব পাৰিলে। কিন্তু গধুৰ বেগটো নিব নোৱাৰিলে। তেতিয়া জেঠায়েকে তাইক বেগত থকা বস্তুখিনি কম-কমকৈ নিবলৈ দিলে। তাই তেনেকৈ দুয়োটা বেগ নিবলৈ সক্ষম হ'ল। তাৰ পৰা তাই এটা নীতি শিক্ষা পালে আৰু তেতিয়াৰে পৰা ভালকৈ পঢ়া-শুনা কৰিলে। তাই দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত চিভিল ইঞ্জিনিয়াৰিং পঢ়িলে আৰু এতিয়া তাই এগৰাকী অভিযন্তা। মাক-দেউতাক তাইক লগ কৰিবলৈ গৈছিল যদিও তাই প্ৰায় দহ বছৰৰ মূৰত ঘৰলৈ আহিছে। আগতকৈ ৰাস্তাৰ অৱস্থা কিছু ভাল দেখিছে যদিও বহুখিনি বাকী। তাই সৰুতে দেখা সপোন বুকুত লৈ ঘৰলৈ আহিছে।

**গুলাইনা কোঁৱৰ**

চলচ্চিত্ৰ আলোচনা

# নাৰী আৰু নাৰীত্বৰ উপাসনাৰে 'জিয়া'

প্ৰিয়ংকা খনিকৰ

'নাৰী'... সৃষ্টিৰ সমগ্ৰতাক নিজস্ব অভ্যন্তৰৰ মাজত লালিত-পালিত কৰা এক অপৰূপ সত্য। এই সত্তাই জন্ম দিছে নৰতম দক্ষ প্ৰতিজন অস্তিত্বক। জননীৰ পৰা প্ৰিয়তমালৈ, প্ৰিয়তমাৰ পৰা পত্নীলৈ, পত্নীৰ পৰা মাতৃলৈ প্ৰতিটো ৰূপতেই ৰূপান্তৰিত হৈ আদিম কালৰ পৰা নাৰীয়েইতো জয়শ্ৰী কৰি আহিছে প্ৰত্যেকটো বন্দনাৰ। অনাদিৰে পৰা শক্তিস্বৰূপা হৈ স্নেহৰ নাগপাশত সৃষ্টিৰ সৌন্দৰ্য মেলাৰ অণুকো সামৰি লৈছে। যাৰ অবিহনে সৃষ্টিৰ সৃষ্টি সম্ভৱ নহয়, সেই সত্তাকেই আজি লাঞ্ছিত কৰা হৈছে। সেই অস্তিত্বক লৈ কৰা অত্যাচাৰ বৰ্তমান প্ৰেক্ষাপটত এটা প্ৰভৃতি হৈ বিকশিত হৈছে। যিগৰাকী জননীয়েই জীৱন দান কৰিছিল, আজি সেইগৰাকী জননীৰ সত্তাকেই প্ৰশ্ন কৰা হৈছে। ন্যায়ৰ উদং পাত্ৰ লৈ নিজৰ বাবে যুঁজ কৰিবলগীয়া হৈছে। কোনে দিব উত্তৰ? কোনে মুক্তকণ্ঠে বিশ্লেষণ কৰিব নাৰীত সমাহিত শক্তি আৰু দুৰ্নিবাৰতাৰ। অথচ সেইগৰাকী নাৰী থিয় হৈ আছে। ঐশ্বৰ্য, মাৰ্জিত



আৰু সাহস, শান্তি সুৰভী ছটিয়াই, শক্তিৰ অভিৰূপ হৈ তাই থিয় দি আছে। আৰু তাই থিয় দি থাকিব লাগিব। সমাজৰ পুৰুষতান্ত্ৰিকতাক প্ৰত্যাহ্বান জনাই, কঠোৰ শাসনক শিকলি ছিঙি তাই আগবাঢ়িব লাগিব। ঠিক যেনেকৈ জিয়াই আগবাঢ়িছে। নূপুৰক মৰম আৰু শক্তিৰে যেনেকৈ উপচাই তুলিছে, ঠিক তেনেকৈ প্ৰতিগৰাকী নাৰীয়ে প্ৰৱাহিত কৰিব লাগিব এটি ধুনীয়া আৰু অভিনব মাত্ৰাৰ গতি।

'জিয়া' যি জীয়াই তুলিছে অসমীয়া সমাজৰ নাৰীত্বক। নাৰীত্বক পোহৰ কৰি জিয়াই এক নিদৰ্শন গঢ়ি তুলিছে। পুষ্পিত কৰিছে নাৰীৰ আধাৰক। ২০২৪ চনৰ মে' মাহত মুক্তি লাভ কৰা অসমীয়া চলচ্চিত্ৰ 'জিয়া'ই দৰ্শক সমাজৰ মাজত বিপুল জনপ্ৰিয়তা লাভ কৰিছে। কেনী বসুমতাৰীৰ নিৰ্দেশনা আৰু শৰ্মিষ্ঠা চক্ৰৱৰ্তীৰ পৰিচালনাৰে 'জিয়া' ছবিখনে ইতিমধ্যে সমাদৰতা শীৰ্ষ পৰ্যায়ত উপনীত হৈছেহি। এটা প্ৰকৃত আৰু হৃদয়স্পৰ্শী কাহিনীৰে সমৃদ্ধ চিত্ৰ এখন 'জিয়া' ছবিখনত ফুটি উঠিছে। প্ৰতিজন দৰ্শকৰ মনক আলোড়িত কৰা ছবিখনে যোৱা ২০২৪ বৰ্ষৰ পৰা আজি পৰ্যন্ত চৰ্চা লাভ কৰি আহিছে। 'জিয়া' যেন সঁচাকৈয়ে আমাৰ সমাজৰ তিক্ততাক প্ৰতিফলিত কৰা এখন জীয়া দাপোণ। যিয়ে নাৰীসমাজে সন্মুখিন হৈ অহা প্ৰতিটো বৈষম্য, ককৰ্থনা, অপবাদ, বান্ধোনক চিত্ৰায়িত কৰিছে। পুৰুষতন্ত্ৰৰ জয়জয়তাক বৰ্তমান সমাজে কেনেকৈ এগৰাকী নাৰীক দুৰ্বল কৰি তুলিবলৈ ব্যৱহাৰ কৰি আছে। সেই সত্যক প্ৰতিফলিত কৰা হৈছে বিশেষ স্পৰ্শকাতৰভাৱে। কিমান স্তৰলৈকে এগৰাকী নাৰীয়ে আহিবলগীয়া হয়, সেই সহনশীলতা আধাৰ কৰি কেনেকৈ এগৰাকী নাৰী আকৌ নৱৰূপেৰে থিয় দিয়ে, সাহস আৰু প্ৰজ্ঞাৰে পুনৰবাৰ ওলাই আহে কেৱল এটি জীৱনক নতুন মাত্ৰা দিবলৈ। এয়াই নাৰী, এয়াই নাৰীত্বৰ মায়া, সন্ধ্যা আৰতিৰ দৰে স্নিগ্ধ হৈও সূৰ্যৰ দিব্যতাৰ দৰে উজ্জ্বল আৰু প্ৰখৰ।

এনে ব্যতিক্ৰমী আৰু সবল কাহিনীৰ চিত্ৰায়নৰ বাবে 'জিয়া' ছবিখনে ২০২৪ বৰ্ষৰ 'Prag Chine Awards 2024'ৰ শ্ৰেষ্ঠ ছবি হিচাপে সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। শৰ্মিষ্ঠা চক্ৰৱৰ্তীয়ে নিজৰ বলিষ্ঠ সংলাপৰ বাবে 'Best Screenplay and Dialogue Award' পাবলৈ সক্ষম হৈছে। সংগীতৰ মাজেৰে মাদকতা বৃদ্ধি কৰা পাপন অংগৰাগ মহন্তই শ্ৰেষ্ঠ গায়ক, অৰ্থাৎ 'Best Unger' পদক লাভ কৰিছে। 'জিয়া' ছবিখনৰ বাস্তৱিক বিষয়টোৱে দৰ্শক সমাজক এক নতুন ধৰণেৰে চিন্তা কৰিবলৈ শিকাইছে। এগৰাকী নাৰীক লৈ আমাৰ মাজত কি যে তোলপাৰ। প্ৰশ্নৰ বাণেৰে সমালোচনাকে আমি তেওঁক থকা-সৰকা কৰিবলৈ সক্ষম হৈ পৰোঁ। কিমান সলীলতা আৰু মাৰ্জিত তথা সংস্কাৰবোধেৰে পৰিপূৰ্ণ নাৰীগৰাকীক লৈ আমি আলোচনাৰ পাত্ৰ কৰি ল'বলৈ যথেষ্ট সন্তোষ পাওঁ। এয়া যেন মৃদুকৈ সজাই দিয়া অগ্নিপথ। এই পথক অৱহেলা কৰি নাৰী এগৰাকী আগবাঢ়িব, কেনেকৈ আমাৰ সমাজ আধুনিক হৈছে। সকলো ফালে অভিনৱতাৰ ৰেশ আমাৰ চিন্তাবোৰ। আমাৰ চিন্তাবোৰ পৌৰাণিক কিয়? এই প্ৰশ্নক ভবাই তুলিছে 'জিয়া' ছবিখনে। কিয় এগৰাকী নাৰী শাসন আৰু শিকলিত ৰুদ্ধ হ'বলগীয়া হয়? কিয় তেওঁ মুক্তমনে নিজক প্ৰকাশ কৰিব নোৱাৰে। নিজ ইচ্ছামতে নিজৰ সৌন্দৰ্যবোধক আকোঁৱালি ল'ব নোৱাৰে? শৰ্মিষ্ঠাৰ এনে প্ৰেৰণাদায়ক আৰু শক্তিশালী অভিনয়ে এইধৰণেই যেন দৰ্শক সমাজৰ হৃদয়ত গভীৰ ৰেখাপাত কৰিছে। কৰিব নোৱাৰে।

পুষ্টি দিয়াতো এগৰাকী নাৰীৰ সাহস, সবলীকৰণ আৰু সামাজিক পৰিৱৰ্তনৰ কাহিনীভাগ আগবাঢ়িছে। শক্তিশালী সংলাপ আৰু অভিনয়েৰে দিশটোক বিশেষভাৱে সামৰি লৈছে। গঢ়ি তুলিবলৈ জিয়াৰ যি দৃঢ় সংকল্প আৰু দায়বদ্ধতা, সেয়াই কাহিনীটোক লৈছে। জীয়াৰী নূপুৰক এক সুন্দৰ ভৱিষ্যত অধিক মনোগ্ৰাহী কৰি তুলিছে। ছবিখনৰ মুখ্য আকৰ্ষণ হ'ল ইয়াৰ গভীৰ বাস্তৱধৰ্মী কাহিনী, যিয়ে এগৰাকী একক মাকৰ জীৱনৰ সংগ্ৰাম আৰু সাহসিকতাক প্ৰতিফলিত কৰিছে। মাতৃ জিয়াই নিজৰ কন্যা নূপুৰৰ সৈতে সমাজৰ বিভিন্ন বাধা আৰু কু-সংস্কাৰৰ সন্মুখীন হয়, যিয়ে দৰ্শকৰ হৃদয়ত গভীৰ প্ৰভাৱ পেলায়। চলচ্চিত্ৰখনত প্ৰকাশিত একক মাতৃত্ব সংগ্ৰাম, সমাজৰ দ্বন্দ্ব, আৰু ব্যক্তিগত সংকটৰ সৈতে জিয়াই কৰা মোকাবিলাক স্পষ্টভাৱে অংকিত কৰা হৈছে। ইয়াত জিয়াৰ দৈনন্দিন জীৱন সংগ্ৰাম, বন্ধুত্বৰ মূল্য আৰু নিজৰ সন্তানৰ বাবে এটা ভাল আৰু সুন্দৰ জীৱন নিৰ্মাণৰ প্ৰয়াসক গভীৰভাৱে উপস্থাপন কৰা হৈছে। ইয়াৰ জৰিয়তে, চলচ্চিত্ৰখনৰ সৃষ্টিকৰ্তাসকলে আধুনিক নাৰীৰ সাহসিকতা আৰু স্থিতিশীলতাক সন্মান জনাইছে।

এটা কষ্টকৰ, শোষণীয় বান্ধোনৰ পৰা মুক্ত হৈ জিয়াই নতুন জীৱনৰ আৰম্ভণি কৰিবলৈ আগবাঢ়ে। এই যাত্ৰাটোত জিয়াই আনৰ সমালোচনাৰ পাত্ৰ হোৱাৰ লগতে সামাজিক প্ৰত্যাহ্বানৰো সন্মুখীন হ'বলগীয়া হয়। এগৰাকী বিবাহ-বিচ্ছেদ হোৱা মহিলাৰ বাবে সমাজখন কিমান জটিল হৈ দংশন কৰিবলৈ অপেক্ষাৰত হৈ থাকে, সেয়া জিয়াই প্ৰতিপলে অনুভৱ কৰে। সকলোকে সমালোচনাত একত্ৰ হৈ পৰে তাইৰ আপোন মানুহবোৰো। এটা উপযুক্ত ভাড়াঘৰ বিচাৰি পোৱাটাও কিমান জটিল প্ৰত্যাহ্বান হৈ পৰে জিয়াৰ বাবে। সকলোৱে প্ৰশ্ন কেৱল তাইৰ পাৰিবাৰিক সম্পৰ্কক লৈ। জিয়াই নিজৰ পূৰ্বৰ কৰ্মস্থলীতো অত্যন্ত জটিলতাৰ সন্মুখীন হবলগীয়া হয়। নাৰী এগৰাকীৰ অস্তিত্বকো লাঞ্ছিত

কৰিবলৈ বৈ থাকে মুখা পিন্ধা কিমানগৰাকী ভদ্ৰলোক। কৰ্মস্থলীত এজন লালসাপূৰ্ণ সৰ্বোচ্চ কৰ্তৃপক্ষৰ কাৰ্যকলাপে কঁপাই তোলে জিয়াৰ অভ্যন্তৰ। সেই চাকৰি এৰি জিয়াৰ বান্ধৱী পল্লৱীয়ে দেখুৱাই দিয়া তাইৰ অৰ্হতাক সন্মান জনোৱা এটা চাকৰিত যোগদান কৰে। এই সকলোবোৰৰ মাজেৰে অনেক বাধা অতিক্ৰম কৰি জিয়াই নিজৰ আৰু তেওঁৰ কন্যাৰ বাবে এক নতুন, স্বাধীন আৰু সুখী জীৱন নিৰ্মাণৰ পথত আগবাঢ়ে। জিয়াই তেওঁৰ বান্ধৱী পল্লৱীৰ সহায়ত নতুনকৈ যোগদান কৰা চাকৰিত অভিৰ সৈতে পৰিচিত হয়। তেওঁলোকৰ মাজত এক সম্পৰ্ক গঢ় লৈ উঠে, যিয়ে জিয়াৰ জীৱনত নতুন আশা আৰু সুখৰ সন্ধান আনি দিয়ে। তেওঁলোকে একেলগে জীৱনৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হৈ আগবাঢ়ে। অভিৰ সাহস আৰু অন্তৰংগতাৰ স্পৰ্শই তেওঁক আত্মনিৰ্ভৰশীলতা আৰু স্বাধীনতাৰ নতুন পথত আগবাঢ়িবলৈ প্ৰেৰণা যোগায়। অৱশেষত জীয়াই জীৱনৰ অৰ্থ আৰু প্ৰেমৰ সন্ধানত সফল হয়, যিয়ে তেওঁৰ আৰু তেওঁৰ কন্যাৰ বাবে এক নতুন, সুখী জীৱন নিৰ্মাণৰ পথ প্ৰশস্ত কৰে।

চলচ্চিত্ৰখনত সংগীতৰ হৃদয়স্পৰ্শী আৰু গুণগত মান প্ৰতিফলতি হৈছে। 'জিয়া'ৰ সংগীত দৰ্শকৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰিছে। অংগৰাগ পাপন মহন্ত আৰু শৰ্মিষ্ঠা চক্ৰৱৰ্তীৰ 'সপোন সপোন লগা' গীতটোৱে দৰ্শকৰ হৃদয়ত গভীৰ প্ৰভাৱ পেলাইছে। শংকুৰাজ কোঁৱৰ আৰু আৰু শৰ্মিষ্ঠা চক্ৰৱতীৰ দ্বাৰা গোৱা এই গীতটোৱে আশা আৰু নিৰাশাৰ সংমিশ্ৰণৰ অনুভৱ প্ৰকাশ কৰিছে। মৈত্ৰেয়ী পাটৰৰ সুৰীয়া কণ্ঠত নিগৰা 'নুফুটা জোনাক' গীতটোৱে বিশেষ ৰূপত উজ্জ্বল হৈ পৰিছে।

চলচ্চিত্ৰ সমালোচক অম্বৰ চেটাৰ্জীয়ে 'জিয়া'ক 'সংগ্ৰাম আৰু বিজয়ৰ এটা গভীৰ ব্যক্তিগত জগত আৰু মৰ্মস্পৰ্শী কাহিনী' বুলি বৰ্ণনা কৰিছে। চলচ্চিত্ৰ সাংবাদিক কল্পজ্যোতি ভূঞাই কৈছে— "জিয়া, জীৱনৰ এক সৰল উপস্থাপন। চলচ্চিত্ৰখনৰ পৰিপক্ক পৰ্যালোচনাই দৰ্শকক গভীৰ চিন্তাৰ প্ৰেৰণা দিয়ে।"

'জিয়া' এটা চলচ্চিত্ৰৰ পৰিসৰত সীমাবদ্ধ নহৈ, এটা অনুভৱ, যি দৰ্শকৰ হৃদয়ত গভীৰ প্ৰভাৱ পেলায়। চলচ্চিত্ৰখনৰ শক্তিশালী কাহিনী, বাস্তৱধৰ্মী উপস্থাপন, আৰু শক্তিশালী অভিনয়ে এক কাহিনী অনন্য অভিজ্ঞতা প্ৰদান কৰে।

জিয়াৰ জীৱন চিত্ৰন, অহৰহ সংগ্ৰাম, মাতৃত্বৰ পূৰ্ণাঙ্গতা, একক মাতৃত্বৰ দৃঢ়তা আৰু সাহসিকতা, সমাজৰ বৈষম্যতা, প্ৰতিদ্বন্দ্বিতা, সমালোচনা, দায়িত্ববোধৰ সংমিশ্ৰণৰ পাছতো জিয়াই যি ধৈৰ্যশীলতাৰে নিজক সংযম কৰি আগবাঢ়ি গৈছে, সেয়াই চলচ্চিত্ৰখনক এক অপূৰ্ব মাত্ৰা প্ৰদান কৰিছে। সমাজৰ জীয়া ছবিখন দাঙি ধৰি জিয়াই পৰিপূৰ্ণতা লাভ কৰিছে। ইয়াৰ জৰিয়তে, সমাজক একক মাতৃত্বক স্বীকৃতি আৰু সন্মান জনোৱাৰ আহ্বান জনোৱা হৈছে।

জিয়াৰ জীৱন চিত্ৰন, অহৰহ সংগ্ৰাম, মাতৃত্বৰ পূৰ্ণাঙ্গতা, একক মাতৃত্বৰ দৃঢ়তা আৰু সাহসিকতা, সমাজৰ বৈষম্যতা, প্ৰতিদ্বন্দ্বিতা, সমালোচনা, দায়িত্ববোধৰ সংমিশ্ৰণৰ পাছতো জিয়াই যি ধৈৰ্যশীলতাৰে নিজক সংযম কৰি আগবাঢ়ি গৈছে, সেয়াই চলচ্চিত্ৰখনক এক অপূৰ্ব মাত্ৰা প্ৰদান কৰিছে।

আজিৰ প্ৰত্যেকগৰাকী সবল নাৰীৰ বাবে 'জিয়া'ৰ বকাহিনী অনুপ্ৰেৰণাৰ শ্ৰোত হৈ বিয়পি পৰক। অভিৰ প্ৰেমৰ অনুৰণে যেনেকৈ জিয়াৰ জীৱনলৈ জীপাল বসন্তক আগমন কৰাই আনিলে, ঠিক তেনেকৈ হয়তো প্ৰত্যেকজনী নাৰীক তেনে এক অনুৰণৰ প্ৰয়োজন হয়, যিয়ে হয়তো প্ৰত্যেকজনী নাৰীক তেনে এক অনুৰণৰ নাৰীগৰাকীৰ অস্তিত্বক সন্মান জনোৱাৰ লগতে আত্মবিশ্বাসেৰে ভৰাই এগৰাকী মাতৃৰ নিবিড় ছায়াত নূপুৰৰো সুন্দৰ ভৱিষ্যতৰ ৰেঙণি দেখা গৈছে। মাতৃৰ শক্তিশালী অন্বেষণে নূপুৰৰো বিকশিত সম্ভাৱনাক পোহৰাই তুলিছে। সমাজলৈ এটা গভীৰ বাৰ্তা প্ৰেৰণেৰে 'জিয়া'ই প্ৰতিফলিত কৰিছে ছবি এখনৰ সাৰ্থকতা আৰু নাৰী নাৰীত্বৰ উপাসনা। নাৰীক দুৰ্বল আৰু অৱহেলিত দেখুৱাৰ পৰিৱৰ্তে 'জিয়া'ৰ সবল চৰিত্ৰই সমাজলৈ ধনাত্মক ৰেঙণি প্ৰেৰণ কৰিছে। প্ৰতিটো বাধা তথা প্ৰত্যাহ্বানকো সাহসেৰে সন্মুখীন হৈ জিয়াই ইতিমধ্যে স্পষ্টকৈ প্ৰতিপন্ন কৰি দেখুৱাইছে যে নাৰীয়েই শক্তিৰ আধাৰ। নাৰী নিজৰ মাজতেই এক পৰিপূৰ্ণ সত্তা। এগৰাকী পুৰুষৰ সীমাবদ্ধতাই নাৰীক কেতিয়াও তেওঁৰ সম্ভাব্য সফলতাৰ পৰা বিমুখ কৰিব নোৱাৰে। লগতে সমাজলৈ এয়া মেন এক আহ্বান। 'জিয়া'ৰ প্ৰতিজন সদস্যই মাত্ৰ বিচাৰিছে আমাৰ চিন্তাৰ অলপ মুক্ত গ্ৰহণযোগ্যতা, আমাৰ চিন্তা আৰু মনোভাবত অহা অলপমান নতুনত্বই ছবিখনৰ অধ্যাৱসায় আৰু বাৰ্তাক জাতিস্কৃত আৰু সাৰ্থক কৰি তুলিব পাৰিব। প্ৰত্যেক গৰাকী নাৰীয়েই সাহসৰ পাত্ৰী, সমালোচনাৰ দেৱালেৰে তেওঁক ৰুদ্ধ কৰাৰ সলনি আমি প্ৰদান কৰা মৰ্যাদাই প্ৰতিজনী নাৰীৰ লগতে মানৱ জাতিৰ শ্ৰেষ্ঠ নিদৰ্শনকো পোহৰাই গৌৰৱান্বিত কৰি তুলিব পাৰিব।

ৱেব্ চিৰিজ আলোচনা




# Little Mom

## When Youth Meets Unexpected Challenges

**Amisha Singh**

**Episode 1 : The unexpected change**

The story begins by showing us the life of Naura, a 16-year-old girl who seems to have everything. She is the "Golden Girl" of her high school. Naura is beautiful, extremely smart, and serves as the President of the Student Council. Her parents, Cakra and Marmar, adore her and tell everyone that Naura is their greatest pride.

Naura's biggest dream is to become an obstetrician (a doctor who helps women during pregnancy and birth). She studies very hard every day to get a scholarship to a top medical university. Because she is so perfect, everyone at school looks up to her, and her parents trust her completely.




Naura is in a relationship with Yuda, the school's star basketball player. To the outside world, they are the "dream couple"—the smartest girl and the most athletic boy. However, they share a secret. They have been physically intimate, a decision made in a moment of teenage romance without thinking about the long-term consequences. In this episode, we see them together, looking happy, but there is a hidden tension growing within Naura.

Soon, Naura's perfect world starts to feel "off." While she is at school, she begins to feel very sick. She gets dizzy during student council meetings and feels like throwing up when she smells certain foods in the cafeteria.

At first, Naura tells herself she is just tired because she is studying too hard for her exams. But when she checks her calendar, she realizes her period is many days late. A heavy feeling of fear begins to grow in her heart. She tries to act normal in front of her parents and friends, but inside, she is panicking.

While Naura is struggling, other people start to notice. Celine, a girl who is jealous of Naura's success, watches her closely. Celine notices that Naura looks pale and is acting strange.

We also meet Keenan, the school's "bad boy" who always gets into trouble. Unlike other students who worship Naura, Keenan is quiet and observant. He crosses paths with Naura and can see that she is hiding some kind of deep stress, even though he doesn't know what it is yet.

Unable to ignore the signs any longer, Naura goes to a pharmacy far away from her house so no one will recognize her. She buys a pregnancy test and sneaks it into the school bathroom.

The scene is very quiet and tense. Naura waits with trembling hands. When she finally looks at the test, she sees two red lines. This means she is pregnant. Her heart sinks, and her whole world turns dark. All her dreams of becoming a doctor, her parents' pride, and her reputation at school are suddenly at risk of being destroyed. The episode ends with Naura staring at the test in total silence, realizing that her life will never be the same again.

**Episode 2 : Facing reality**

Naura begins to face the reality of her pregnancy. After discovering that she is pregnant, she feels scared and unsure about how to handle the situation. She knows she must tell her parents but is afraid of their reaction.

At home, Naura notices that her parents are becoming suspicious. They ask her questions about her behavior and why she seems worried or distant. Naura struggles with fear and guilt but finally decides to tell them the truth about her pregnancy. Her parents are shocked and confused, and at first, they do not know how to react. They feel worried about their daughter's future and try to understand what has happened.

Meanwhile, Naura thinks about Yuda, her boyfriend. She wonders if he will support her during this difficult time, but she also fears that he might leave her. This thought makes her feel even more anxious and alone.

Naura also starts worrying about school and her friends. She wonders how they will treat her once they know the news. The episode shows her inner struggle, as she realizes that growing up is not just about age—it also means taking responsibility for unexpected situations.

By the end of the episode, Naura begins to accept the reality of her situation. Though she is

still scared, she understands that she must face her challenges bravely. This episode emphasizes her emotional growth and sets the stage for the next steps in her journey of resilience, courage, and self-discovery.

**Episode 3 : The loneliest secret**

After the tension of the previous episodes, Naura hopes that Yuda will stand by her side. However, she is devastated to find out that Yuda has left for Japan. His parents discovered the "trouble" and decided to move him away to save his future as a basketball star. He sends Naura a cowardly goodbye text, leaving her to face the pregnancy, the doctors, and the shame all by herself.

At school, Naura is struggling to survive the day. She is constantly nauseous and pale. Her rival, Celine, is like a detective—she notices that Yuda is gone and that Naura is acting very strange. Celine starts looking through Naura's things and following her, waiting for one mistake so she can expose Naura and take her place as the "top student."

While Yuda is gone, Keenan becomes a very important part of Naura's life. He is the school "troublemaker," but he is the only one who notices Naura is actually suffering. He doesn't know she is pregnant yet, but he takes her to a quiet place to help her feel better. He listens to her and treats her with kindness, which is a huge contrast to how Yuda treated her.

The most important moment happens at home. Naura's mother, Marmar, is cleaning Naura's room and finds the hidden pregnancy test. When Naura walks in, she sees her mother holding the test with tears in her eyes. There is no more hiding. The episode ends with Naura's mother in total shock, realizing that her "perfect" daughter's life is changed forever.

**Episode 4 : The family storm**

The episode begins exactly where the last one ended. Naura's mother, Marmar, is crying and holding the pregnancy test. Naura cannot lie anymore and admits the truth. Her mother is not just angry; she is deeply sad. She feels like she has failed as a mother, and she worries that Naura's bright future as a doctor is now gone

The situation gets much worse when Naura's father, Cakra, comes home. He is a very proud man who loves Naura because she is "perfect." When he finds out she is pregnant, he explodes with anger. He feels ashamed and betrayed. There is a very emotional scene where he yells at Naura, and for a moment, it feels like the family might break apart forever.

Naura's parents try to contact Yuda's parents to make them take responsibility. However, Yuda's family is wealthy and cold. They offer Naura's parents money to "fix the problem" (suggesting an abortion) and tell them to stay away from Yuda. This makes Naura's father even more furious because he realizes Yuda's family does not care about Naura at all.

To save the family's reputation in their neighborhood and at school, the parents make a difficult choice. They decide to pull Naura out of school and hide her in a quiet house far away. They plan to tell everyone that Naura is "studying abroad" or "visiting family." Naura feels like a prisoner in her own life, losing her friends, her school, and her freedom all at once.

**Episode 5 : The secret visitor**

Naura is now living in a small, quiet house far away from her friends and school. Her parents have forced her to stay there so the neighbors won't see her growing belly. She feels very lonely and depressed. She spends her days staring at her phone, waiting for a message from Yuda that never comes. She feels like her life is over.

Back at school, everyone believes the lie that Naura moved away to study. However, Keenan does not believe it. He knows Naura was acting strange and thinks something is wrong. He begins to act like a detective. He follows clues and eventually finds the secret house where Naura is staying.

Keenan sneaks into the house to find Naura. When he finally sees her, he is shocked to see her pregnant. Naura is terrified that he will judge her or tell everyone at school. She cries and tells him to leave.

This is the most famous part of the episode.

Instead of running away like Yuda did, Keenan stays. He tells Naura that he doesn't care about the scandal or the baby—he only cares about her. He promises to keep her secret and tells her that he will visit her so she won't feel lonely anymore. For the first time in a long time, Naura feels like she has a real friend.

While Keenan is helping Naura, Celine is becoming very jealous. She notices that Keenan is always disappearing. She starts to follow Keenan, and she is getting very close to finding the house, too. The episode ends with the tension that Naura's secret might be exposed to her worst enemy.

**Episode 6 : A new kind of love**

Now that Keenan knows the truth, he visits Naura at her "hiding house" almost every day. He brings her things that make her happy, like books, snacks, and music. Because Naura cannot go to school, Keenan helps her stay connected to the world. He doesn't judge her for being pregnant; instead, he treats her with more respect than anyone else ever has.

Naura needs to go to the doctor for an ultrasound to check on the baby, but she is scared to go alone. Her parents are often busy or too ashamed to take her. Keenan steps up and accompanies her to the clinic.

In a very emotional scene, they see the baby on the screen for the first time. Even though the baby is Yuda's, Keenan stays by Naura's side and holds her hand. This moment shows that Keenan is acting more like a father and a partner than Yuda ever did.

Naura's father, Cakra, starts to notice that a boy is hanging around the house. He eventually catches Keenan there. Cakra is very angry because he thinks Keenan is a "bad influence" and a delinquent. He doesn't want another boy ruining Naura's reputation further. He warns Keenan to stay away, but Keenan's feelings for Naura are too strong to stop.

Back at school, Celine is losing her mind with curiosity. She is obsessed with Keenan and hates that he is ignoring her to visit "someone" in secret. She starts putting the pieces together. She realizes that if she can find out where Keenan goes every afternoon, she will find Naura. The episode ends with Celine following Keenan's motorcycle, getting closer and closer to Naura's secret location.

**Episode 7 : The walls closing in**

The episode begins with Celine successfully following Keenan to the secret house. She hides nearby and watches from a distance. To her shock, she sees Naura who is supposed to be "studying abroad" walking in the yard with a visible baby bump. Celine now has the ultimate weapon to destroy Naura's reputation. Instead of revealing it immediately, she decides to wait for the perfect moment to cause the most damage.

The stress of hiding and the constant fear of being caught start to affect Naura's health. She begins to feel sharp pains in her stomach. Because her parents are trying to keep everything a secret, they are hesitant to take her to a big hospital. Keenan is the one who steps in, staying calm and helping her through the physical pain, proving once again that he is her only true protector.

In this episode, we see a brief update on Yuda in Japan. He is living his life, playing basketball, and trying to forget about Naura. While Yuda is enjoying his freedom, Keenan is risking everything his school grades and his relationship with his own family just to sit with Naura in a hidden house. This contrast makes the audience (and Naura) realize who truly loves her.

Celine returns to school and starts dropping "hints." She doesn't show the photo yet, but she starts telling classmates that Naura isn't actually abroad. She creates a toxic atmosphere of gossip. At the same time, Naura's father is becoming more stressed and takes his anger out on Naura, making her feel even more like a prisoner. The episode ends with Celine holding her phone, ready to press "send" on the photo that will ruin Naura's life.

**Episode 8 : The public shaming**

Celine finally decides that she has waited long enough. During a school event or via the school's massive social media group, she leaks the photo of Naura at the hidden house. The "Golden Girl's" secret is now out for everyone to see. The news

spreads like wildfire, and within minutes, everyone in the school knows that the perfect President of the Student Council is pregnant.

The reaction is immediate and cruel. The students begin mocking Naura online, and the teachers are in a state of shock. The school board decides that they cannot have a pregnant student representing the school. They officially revoke Naura's scholarship and her status as a student. All the years of Naura's hard work and her dream of becoming a doctor are destroyed in a single afternoon.

Naura's parents are devastated. The neighbors start whispering, and the family can no longer hide in their house. Naura's father, Cakra, is paralyzed by shame, while her mother, Marmar, tries her best to protect Naura from the wave of insults coming from the outside world. Naura feels like her life is truly over, and she falls into a deep depression.

While everyone else is laughing at Naura or judging her, Keenan does the opposite. He goes to the school and physically fights back against the bullies who are making fun of her. He doesn't care if he gets expelled or if people think he is the father. He stands up in front of everyone and defends Naura's dignity.

The episode ends with a massive surprise. Just as Naura is at her lowest point, a car pulls up. Out steps Yuda. He has returned from Japan because he heard the news was leaked. The triangle is now complete, and Naura is faced with the boy who ran away and the boy who stayed.

**Episode 9 : The battle for Naura**

Yuda is back from Japan, and he acts like he is here to save the day. He feels guilty for leaving and tells Naura he is ready to take responsibility now that everyone knows the truth. However, his return isn't just about love; his parents want him to "fix" the situation quickly so the scandal doesn't follow him back to his career in Japan.

This is the most famous part of the episode. Yuda and Keenan finally meet, and the tension is explosive. Yuda claims he has the "right" to be with Naura because he is the father of the baby. Keenan, however, is furious. He reminds Yuda that he ran away when things got hard, while Keenan was the one who took care of Naura during her darkest days. The two boys almost come to blows, and Naura is caught in the middle.

Naura's father, Cakra, sees Yuda's return as a lucky break. He believes that if Naura marries Yuda, the family's "honor" will be saved. He pressures Naura to forgive Yuda and accept his proposal. Naura's mother is more hesitant; she sees how much Keenan has done for her daughter, but the social pressure to choose the "biological father" is very strong.

Naura is deeply confused. Part of her still remembers her old life with Yuda, but she can't forget how he abandoned her. On the other hand, her feelings for Keenan are growing every day. She feels like a prize that two boys are fighting over, rather than a person with her own choices.

The episode ends with a dramatic moment. Yuda gets down on one knee and asks Naura to marry him and move back to Japan with him. Keenan watches from a distance, heartbroken, waiting to see if Naura will choose the boy who hurt her or the boy who healed her.

**Episode 10 : The weight of the ring**

Following Yuda's proposal, Naura's father, Cakra, is overjoyed. He sees this marriage as the only way to cover up the family's "sin." He starts planning the wedding immediately, even though Naura hasn't truly said "yes" with her heart. Yuda tries to be sweet, promising Naura that they will



live a perfect life in Japan where no one knows their history.

Keenan is devastated. He sees the wedding preparations and thinks he has no place in Naura's life anymore. He believes that for the sake of the baby, he should step aside and let the "real" family be together. He tells Naura goodbye, which breaks her heart because she realizes that while she needs Yuda for the sake of the scandal, she wants Keenan for her happiness.

While Yuda acts like a hero, we see that he is still very much under his parents' control. His mother is cold toward Naura and makes it clear that the marriage is only to stop the gossip. Naura begins to realize that moving to Japan with Yuda might just be moving from one "prison" to another. She realizes that Yuda hasn't really changed; he is just doing what his parents tell him to do.

Naura has a deep conversation with her mother, Marmar. Her mother finally asks her: "Will this marriage make you happy, or just make your father happy?" This question haunts Naura throughout the episode. The episode ends with Naura looking at the engagement ring and then looking at a gift Keenan gave her, feeling more torn than ever as her pregnancy enters its final stage.

**Episode 11 : The truth behind the promise**

The wedding plans are moving very fast. Naura's father is happy because he thinks the "shame" is almost over. However, Naura feels like she is living a nightmare. She is fitted for a wedding dress, but she looks sad and pale. She feels like she is being sold to Yuda's family just to keep a secret.

Naura accidentally overhears a conversation between Yuda and his mother. She discovers a heartbreaking truth: Yuda's mother only agreed to the marriage to keep Naura quiet. Their plan is for Naura to give birth in Japan, and then they will likely distance her from the baby or hide her away so she doesn't ruin Yuda's basketball career. Naura realizes that Yuda is still too weak to protect her from his own parents

Even though he is staying away to be "respectful," Keenan cannot stop caring. He sends Naura a heartfelt letter or a small gift that reminds her of the happy moments they shared at the secret house. This makes Naura realize that Keenan is the only person who loves her for who she is, not because of the baby or the scandal.

Naura finally confronts Yuda. She asks him if he is marrying her because he loves her, or because he feels guilty. Yuda struggles to give a clear answer. This confirms Naura's fears Yuda is just trying to "fix a mistake," while she wants a life built on true love.

As the stress reaches its peak, Naura begins to feel intense labor pains. The episode ends with a medical emergency. Naura is rushed to the hospital, and the wedding plans are suddenly put on hold as the focus shifts to whether Naura and the baby will survive the birth.

**Episode 12 : The moment of truth**

Naura is rushed to the emergency room in intense pain. The atmosphere is heavy and tense. Outside the delivery room, a dramatic scene unfolds: Yuda and Keenan are both there. Yuda is there because he is the biological father, but Keenan is there because he is the one who truly supported her. The doctors struggle to stabilize Naura, and for a moment, everyone is terrified that something will go wrong.

After hours of struggle, Naura successfully gives birth to a healthy baby. When she holds her child for the first time, her entire perspective changes. She is no longer the "Golden Girl" who cares about school rankings, and she is no longer just a "Little Mom" hiding in shame. She realizes that she is a woman with a life to protect.

While Naura is recovering, Yuda enters the room. He tries to talk about their future in Japan and the wedding. But Naura has found her strength. She looks at Yuda and realizes he is still the same boy who ran away when she needed him most. She tells him clearly: "I can forgive you, but I cannot be with you." She refuses his proposal, choosing her own dignity over a marriage based on guilt and parental pressure.

Naura's father is shocked and angry that she rejected the "solution" to their shame. However,

Naura stands her ground. She tells her parents that she will take responsibility for her child, but she will not live a lie. Her mother, seeing Naura's new strength, finally takes her side and supports her decision to stay and raise the baby on her own terms.



The episode ends with a quiet, beautiful moment. As Yuda prepares to leave for Japan alone, Keenan comes to visit Naura and the baby. There are no big promises or weddings, just a simple sense of peace. Naura knows her life will be hard, but she is finally free from the lies.

**Episode 13 : A new chapter**

The episode shows Naura several months later. She is no longer hiding. While life is difficult as a teenage mother, she has found a way to balance caring for her baby with her studies. She hasn't given up on her dream of becoming a doctor, though she knows the path will be much longer and harder than before. Her relationship with her parents has healed; they no longer see her as a "shame" but as a daughter who showed incredible courage.

Yuda returns briefly before moving on with his life. He finally accepts that he cannot force Naura to love him or move to Japan. They reach a mature agreement: Yuda will provide financial support for the baby, but they will not be a couple. This closes the chapter on their high school romance, showing that some mistakes cannot be fixed by a wedding ring.

Celine, who spent the whole series trying to destroy Naura, finds herself lonely. She realized that while she won the "academic race," she lost everyone's respect because of her cruelty. She has to watch from the sidelines as Naura, despite the scandal, is still more respected and loved than she is.

The series ends with a beautiful, quiet scene between Naura and Keenan. Keenan is still by her side, helping her with the baby and supporting her dreams. They don't rush into a dramatic marriage; instead, they agree to take things slow. The show ends with them looking at the horizon, representing a future that isn't "perfect," but is honest and hopeful.

**Themes & Social relevance**

Little Mom explores important themes that are relatable for teenagers and young adults:

1. Teenage Responsibility : Naura, a 16-year-old girl, faces early motherhood. The story shows how responsibility is about understanding consequences and making the right choices, even at a young age.
2. Family Support : Naura's parents guide and support her, showing that family love and guidance are important during difficult times.
3. Friendship and Empathy : Her friend Keenan provides comfort and advice. The series emphasizes the importance of having friends who care and understand without judging.
4. Societal Pressure : Naura faces peer pressure, gossip, and judgment from society. The story shows how these pressures affect confidence and self-esteem.
5. Emotional Growth and Courage : Through challenges, Naura becomes strong, independent, and resilient. The series teaches that courage is about facing difficulties and learning from them.

**Storytelling Style and Direction**

Little Mom is told in a realistic and emotional style, making the story feel close to real life. The series focuses on Naura's feelings, struggles, and growth, rather than over-the-top drama.



Little Mom is a story of courage, responsibility, and emotional growth. Naura faces challenges like early motherhood, family pressure, societal judgment, and peer rivalry, but learns to stay strong.

The direction is simple and natural, showing everyday life, school, family, and social situations. Scenes are focused on emotions and relationships, helping viewers connect with the characters. The storytelling also balances drama and lessons, making the story engaging while teaching important life values.

Overall, the style is relatable and heartfelt, highlighting the challenges of teenage life, responsibility, and personal growth.

**Conclusion**

Little Mom is a story of courage, responsibility, and emotional growth. Naura faces challenges like early motherhood, family pressure, societal judgment, and peer rivalry, but learns to stay strong. The series shows the importance of support from family and friends, and how empathy and guidance help overcome difficulties.

The story also highlights the need for youth education and awareness about sexual health. By showing the consequences of teenage pregnancy, it teaches young viewers the importance of making informed choices, understanding responsibilities, and practicing safe behavior.

It emphasizes resilience and courage, showing that even in fear or difficult situations, determination and inner strength can help a person grow. Overall, the story is relatable, emotional, and educational, leaving viewers with lessons about responsibility, personal growth, sexual awareness, and the value of guidance from loved ones .

# কার্টুন



অংকন ঃ প্রিয়াংশু ভদ্র



অংকন ঃ ৰক্ষা সাহা

# আত্মপ্ৰকৃতি





অংকন ঃ অনিৰুদ্ধ চেতিয়া